68

# কটনিয়ান

৮২সংখ্যক প্ৰকাশ/২০০৭-০৮

# COTTONIAN



সম্পাদক

অনন্ত গগৈ

কটনিয়ান ঃ কটন কলেজৰ বাৰ্ষিক মুখপত্ৰ

কটন কলেজ একতা সভা, কটন কলেজ, গুৱাহাটী-১ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত
COTTONIAN : The Annual Journal of Cotton College, published by Cotton College Union Society, Cotton College, Guwahati -1

**'কটনিয়ান', ৮২সংখ্যক প্ৰকাশৰ নেপথ্যত ঃ**

**উপদেষ্টা ঃ** ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, অধ্যক্ষ
ড° নন্দিতা ভট্টাচাৰ্য গোস্বামী, উপাধ্যক্ষা
**তত্ত্বাৱধায়ক ঃ** ড° মহেশ্বৰ কলিতা
**শিক্ষক সদস্য ঃ** ড° দিলীপ কুমাৰ শৰ্মা
সুৰেশ কুমাৰ নাথ
মেৰী বৰুৱা
দিলীপ গগৈ
**সম্পাদক ঃ** অনন্ত গগৈ
**ছাত্ৰ সদস্য ঃ** চন্দন বৰগোহাঁই
তাপসজিৎ শইকীয়া
কাংকান কাকলি পেগু
হিমাংশু প্ৰবাল গোস্বামী
অভিজ্ঞান দাস



**বেটুপাতৰ শিল্পী ঃ** ভাৰ্গৱজ্যোতি কছাৰী

**সামগ্ৰিক পৰিকল্পনা ঃ** সম্পাদক

**ডি টি পি, লে-আউট, ডিজাইন আৰু মুদ্ৰণ ঃ**
আঙ্গিক প্ৰকাশন, ষ্টাৰ এনক্লেভ, গোপীনাথ বৰদলৈ পথ
গুৱাহাটী-১, ফোন নং-৯৮৬৪০-৩২৮২৯

■ সসীমৰ পৰা অসীমলৈ ঢাপলি ■ জীৱন থাকে মানে প্ৰাচুৰ্য বিচাৰি

## উছৰ্গা



সততাৰ কৰ্ষণ কৰা, সত্যসন্ধানী প্ৰাৰ্থনাৰে হৃদয় নিনাদিত কৰা, ঋতু পৰিৱৰ্তনকামী সংগ্ৰামী মনৰ অধিকাৰী মাটি, মানুহ আৰু জীৱনৰ প্ৰতিজন দুৰন্ত প্ৰেমিকৰ হাতত এই সংখ্যা 'কটনিয়ান' উছৰ্গা কৰা হ'ল...



## শ্ৰদ্ধাঞ্জলি

কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° গোবিন্দ চন্দ্ৰ ডেকা আৰু প্ৰাক্তন উপাধ্যক্ষ বীৰেন্দ্ৰ কুমাৰ বৰুৱা; 'মধুপুৰ বহুদূৰ'ৰ স্ৰষ্টা শীলভদ্ৰ; লেখক-সাংবাদিক পদ্ম বৰকটকী; নৃতত্ত্ববিদ, সাহিত্যিক ড° ভুবন মোহন দাস; যুদ্ধোত্তৰ যুগৰ বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ মহম্মদ পীয়াৰ; নাট্যৰত্ন উগ্ৰ মেনা; গীতিকাৰ-শিক্ষাবিদ তফজ্জুল আলি; গণশিল্পী দিলীপ শৰ্মা; শিক্ষাবিদ, স্বাধীনতা সংগ্ৰামী বাসুদেৱ দত্ত ৰয়; চিত্ৰ পৰিচালক শিৱপ্ৰসাদ ঠাকুৰ; ফটো সাংবাদিক, চিত্ৰ পৰিচালক অমূল্য মান্না; পিয়ানোবাদক নূপুৰ বৰদলৈ; আলোকশিল্পী মইনুদ্দিন আহমেদ (অ' পি নায়াৰ); লেখক-সাহিত্যিক ৰোহিণী কুমাৰ কাকতী; বোলছবি জগতৰ প্ৰভাৱশালী ব্যক্তি ইন্দুকল্প হাজৰিকা আৰু ৰাইহকুৰ্ণি বৰা; সাহিত্যিক, সমাজসেৱী হেৰম্ব বৰদলৈ; 'ৰামধেনু' যুগৰ বিশিষ্ট লেখক ড° ললিত চন্দ্ৰ বৰা; বিশিষ্ট সাহিত্যিক নৰেন্দ্ৰনাথ শৰ্মা; সংগীতশিল্পী গুণদা দাস কৌৰ; প্ৰাক্তন মন্ত্ৰী, আছুৰ প্ৰতিষ্ঠাপক সভাপতি দুলাল বৰুৱা; বিশিষ্ট সাহিত্যিক মনোৰঞ্জন লাহিড়ী; নিবন্ধকাৰ, ক্ৰীড়া সমালোচক পুলক লাহিড়ী; সাংবাদিক জগজিৎ শইকীয়া

আৰু

আমাৰ অজ্ঞাতে যিসকলে নৈতিকতাৰ বাট বুলি, মাধুৰ্যময় জীৱনৰ কৰ্ম আৰু আদৰ্শেৰে সমাজ আলোড়িত কৰি আঁতৰি গ'ল— সেইসকল সৰগীয় পোছাকধাৰীৰ প্ৰতি—

## কৃতজ্ঞতাৰ সুৱাগুৰি

ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, ড° নন্দিতা ভট্টাচাৰ্য গোস্বামী, ড° মহেশ্বৰ কলিতা, মামণি ৰয়ছম গোস্বামী, ড° ভবেন চন্দ্ৰ কলিতা, ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, অচ্যুত লহকৰ, হৰেকৃষ্ণ ডেকা, সমীৰ তাঁতী, ৰাছাদ-উল ইছলাম, ড° ৰীতা চৌধুৰী, মঞ্জু দেৱী পেগু, জগদীশ দত্ত, ৰিণ্টু চন্দ্ৰ বড়ো, উজ্জ্বল প্ৰতিম দত্ত, বিকাশ পাংগিং,আঙ্গিক প্ৰকাশনৰ দিবাকৰ হাজৰিকা, সুজিৎ চক্ৰবৰ্তী, পংকজ কাকতি, মোস্তাক আলী, অশোক শৰ্মা আৰু 'আমাৰ অসম'ৰ বিকাশজ্যোতি বৰুৱালৈ।

*Dr. Indra Kr. Bhattacharyya*
Principal, Cotton College
Guwahati - 781 001
Assam.

Tel No. : 2540715 (O), 2737138 (R), 9435195807
Fax No. : 0361 - 2540715



# অধ্যক্ষৰ একাষাৰ

শিক্ষা কেৱল ব্যক্তিনিষ্ঠ উদ্দেশ্যত কল্পিত নহয় আৰু হ'বও নোৱাৰে। ব্যক্তি চিন্তা তাৰ বুনিয়াদো নহয়। ব্যষ্টি আৰু সমষ্টি —এই দুয়োটা দিশেই শিক্ষাৰ আয়তনত নিহিত, তাৰে প্ৰথমটোতহে শিক্ষা আহৰণত প্ৰাধান্য দিয়া হয় আৰু আনটো দিশ শিক্ষাৰ গভীৰতাৰ লগে লগে শিপাবলৈ ধৰে আৰু ই যিমান দকৈ বিদ্যাৰ্থীৰ মনত প্ৰৱেশ কৰে, সমষ্টিগত উদ্দেশ্য সিমানেই সাৰুৱা হৈ উঠে।

মানুহ জন্মৰে পৰা পৰিয়াল, প্ৰতিৱেশী আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ দ্বাৰা বিশেষকৈ প্ৰভাৱিত হয়। তেনেকুৱা প্ৰভাৱ সংস্কাৰেৰে পৰিশোধিত কৰি নিজক দহৰ লগত খাপ খুৱাই চলিবলৈ শিকায় শিক্ষানুষ্ঠানবোৰে। তেনেকুৱা পৰিৱেশ এটাৰ সৃষ্টিত পূৰ্বপৰিকল্পিত কোনো সঙ্কল্প-পত্ৰ সমূহীয়াকৈ পাঠ কৰিব নালাগে। শিক্ষা জগতৰ আচাৰ্যসকলৰ অযোৰিত আদৰ্শই ছাত্ৰসকলক তেনেদৰে সুকৰ্মত প্ৰবৃত্ত আৰু কুকৰ্মৰ পৰা নিবৃত্ত কৰে। শিক্ষক আৰু ছাত্ৰৰ মাজত সম্পৰ্ক যিমান ঘনীভূত হয়, সিমানেই সকলোৰে মঙ্গল। সেই কাৰণেই আজিৰ শিক্ষা পদ্ধতিয়ে শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্ক উন্নত কৰিবলৈ প্ৰযত্ন হাতত লোৱা পৰিলক্ষিত হৈছে। অধ্যয়নৰ লগে লগে ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ লগত তেওঁলোকৰ সম্পৰ্কলৈকো চকু দিব লাগে। শিক্ষা জগতত পঠন-পাঠনৰ মাজেৰে জ্ঞানৰ উৎকৰ্ষ সাধনত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ সম্পৰ্কৰ ওপৰত ভালেখিনি নিৰ্ভৰ কৰে।

জ্ঞানৰ বিকাশত সমাজ সচেতনতা বৃদ্ধি পায়। তেনে সচেতনতা আত্মপ্ৰণোদিত হ'লেহে তাৰ ফল নিকপকপীয়া হয়। তাৰ পৰা মানৱতাবোধৰ সঞ্চাৰ হয়। মানৱতাবোধে সমাজত নিজক লীন নিয়াবলৈ শিকায়। তেনেকুৱা বোধৰ পৰাই শিক্ষাৰ উদ্দেশ্য সাৰ্থক হয় আৰু সংস্কৃতিয়ে নতুন উন্মেষণেৰে সাহিত্য, কলা-কৃষ্টিক আদৰণি জনায়। আজিৰ বিশ্বায়নৰ যুগত শিক্ষাৰ বহুমুখী ভাব আমাৰ দৃষ্টিত প্ৰত্যক্ষ। তাৰ বাবে নিজক প্ৰস্তুত কৰিব লাগিব। এনেকুৱা শিক্ষাৰ লগে লগে তেনেধৰণৰ সংস্কৃতিয়েও গঢ় ল'ব। শিক্ষাৰ অনুশীলনৰ অভ্যাসৰ ক্ষেত্ৰ হিচাপে 'কটনিয়ান'খনে পথ-প্ৰদৰ্শকৰ ভূমিকা গ্ৰহণ কৰি আহিছে। 'কটনিয়ান'ৰ জন্মলগ্নৰে পৰা কেইটামান দশকলৈকে শিক্ষা-সংস্কৃতিৰ যি ধৰণৰ সুঁতি প্ৰৱাহিত হৈছিল, তাৰ স্বাক্ষৰ বহন কৰিছে 'কটনিয়ান'ৰ সেই পুৰণি পাতবোৰে। এতিয়া একবিংশ শতিকাৰ দুৱাৰডলিত 'কটনিয়ানে' গতানুগতিক ধাৰাক অলপ নতুন ৰূপত গঢ় দি সেই একেধৰণৰ দায়িত্ব পালন কৰিব লাগিব। নতুন গতিৰ পথিক হিচাপে 'কটনিয়ানে' বৰ্তমানৰ শিক্ষা, সংস্কৃতি আৰু কলা-কৃষ্টিক ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰি সমাজৰ মজিয়াত উপস্থাপন কৰিব লাগিব।

'কটনিয়ান'খনে নিজে একো কৰিব নোৱাৰে। তাৰ নিজস্ব অনুভূতি নাই। 'কটনিয়ান'খনৰ অনুভূতি, ভাব, আৱেগ আদি কটনিয়ানসকলৰ অনুভূতি আৰু উপলব্ধিৰ পৰাহে সঞ্চাৰিত হয়। 'কটনিয়ান'খনৰ পুষ্টি কটনিয়ানসকলৰ জ্ঞানৰ বিকাশৰ ওপৰতহে শতকৰা এশভাগ নিৰ্ভৰ কৰে। সেই কাৰণেই 'কটনিয়ান'ৰ মাধ্যমেৰে কটনিয়ানসকলৰ ধ্যান-ধাৰণা যুগৰ উপযোগীকৈ প্ৰকাশ পালেহে 'কটনিয়ান'ৰ মুখমণ্ডলত হাঁহি বিৰিঙিব।

এয়া 'কটনিয়ান'ৰ ৮২ সংখ্যক প্ৰকাশ। শিক্ষা জগতৰ নতুন দিশত কটনিয়ানসকলৰ চিন্তা-চৰ্চা নিশ্চয় ইয়াত কিছু পৰিমাণে প্ৰতিফলিত নোহোৱাকৈ থকা নাই। খোজত খোজ মিলাই 'কটনিয়ান'-এ জন্মৰে পৰা শিক্ষা, কলা-সংস্কৃতিৰ দিশত গুৰুদায়িত্ব বহন কৰি আহিছে। আজিৰ যুগতো 'কটনিয়ান'খনৰ সেই বৈশিষ্ট্য অটুট থাকিব বুলি মোৰ দৃঢ় বিশ্বাস।

শেষত কটনিয়ানসকল উদ্দেশ্য সাধনৰ ব্ৰতত পূৰ্বতকৈও বেছি মনোযোগী হওক আৰু জ্ঞান শিখাৰ পোহৰেৰে 'কটনিয়ান'খনৰ সাহিত্য, বিজ্ঞান, কলা-কৃষ্টি আদি বিভিন্ন শিতানে সকলো অঙ্গৰ অৱয়ৱ পৰিপুষ্ট কৰি তোলক— এয়ে পৰমেশ্বৰৰ ওচৰত মোৰ ঐকান্তিক প্ৰাৰ্থনা।

**ড' ইন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য**
**অধ্যক্ষ, কটন কলেজ, গুৱাহাটী**

# স্নেপশ্বটৰ ছন্দ



জীৱন সংগ্ৰামত জয়ী হোৱাৰো স্বপ্নিল প্ৰতিশ্ৰুতিৰে...



সমন্বয়ৰ ৰালিত সুগন্ধি সিঁচা অধ্যক্ষসকলৰ কুটীৰ



কবিতাৰ আবেলি আকাশত
জীৱনৰ ৰঙীণ ফাকুগুড়ি...



লুইতপৰীয়া ভিন্নসুৰী ব'দ' আৰু বৰষুণৰ
সংমিশ্ৰণত সংস্কৃতিৰ ৰামধেনু



যুক্তিৰে ন্যায় আঁজুৰি অনাৰ আকুণ্ঠ হেপাঁহ



ইতিহাসৰ পৃষ্ঠাত কটনৰ স্বাক্ষৰ



বাস্তৱৰ ৰণাংগনত প্ৰজ্ঞাসন্ধানী মন



শৃংখলাবদ্ধ জীৱন গঢ়াৰ কুঁহি



# সম্পাদকীয়েত

## খবৰ অনুৰণন

### নিশ্চয়তা আৰু অনিশ্চয়তাৰ বাটেৰে

আজিৰ সমাজত ভাল আৰু বেয়া নিৰ্ণয় কৰাটো জটিল কাম। সময়সাপেক্ষ ধাৰণাৰে ভাল-বেয়াৰ সূত্ৰও সলনি হৈছে। কাৰণ সমাজ আৰু সংস্কৃতি গৈ থাকে, ইয়াৰ নদীময় গতি। পৰিবৰ্তন হয় মানুহৰ চিন্তাধাৰা— লক্ষ্য আৰু উদ্দেশ্য লাগিলে যিয়েই নহওক। সাধাৰণতে মানুহৰ মনত ভাল খবৰে প্ৰশান্তি দিয়ে। বেয়া খবৰে বুকুৰ কোনোবা প্ৰদেশত বিববৃক্ষৰ জন্ম দিয়ে।

এগৰাকী অসমীয়া লেখিকাই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সিদিনা সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ বাবে ইউৰো বঁটাৰে সন্মানিত হয়। আমি গৌৰৱান্বিত। একোটা ভাল খবৰে আনে প্ৰশান্তি। পদপথৰ নাঙঠ শিশুটিয়ে হাতখন আগবঢ়াই দিছে, জেপৰ মুদ্ৰা এটা হাতত দিয়াৰ লগে লগে চকুত ফুটি উঠে হাঁহি এটা। ইও একোটা ব্যক্তিগত খবৰ, প্ৰশান্তি দিব পৰাকৈ। আৰু বেয়া খবৰ! দীঘলীয়া হিচাপ এটা হ'ব। বাতৰিৰ প্ৰথম পৃষ্ঠাৰ শিৰোনাম দখল কৰিব পৰাকৈ ইয়াৰ ভৰ।

আচলতে জীৱনৰ আৰম্ভণিৰ পৰাই সংগ্ৰামৰ আৰম্ভণি। সমাজত সৎ আৰু অসতৰ দ্বন্দ্ব এখন চিৰদিন চলি থাকে। আজি দ্ৰুত বিশ্বায়নৰ যুগত মূল্যবোধৰ অভাৱ। এক সন্ধিক্ষণ, কি হ'ব কি নহ'বক লৈ সমাজ চলে। ব্যক্তিগত ভাবধাৰাই প্ৰাচীৰ হিচাপে আমাৰ মাজত একোডাল ৰেখা অংকন কৰিছে। একোটা সুবিধাবাদী মনে আহি আগলৈ যোৱাৰ প্ৰতিটো পদক্ষেপত নিৰ্দেশনা আগবঢ়াইছে। বোমা ফুটিছে। 'ছাৰ, এওঁৰ নামটোও বোমা বিস্ফোৰণত আঘাতপ্ৰাপ্ত বুলি লিখি দিয়ক।' একোটা ব্যক্তিগত স্বাৰ্থ। চৰকাৰে সাহায্য আগবঢ়াইছে। টকাৰে বুকুৰ ঘা শুকুৱাবলৈ যাব পাৰে, অথচ জনসাধাৰণক সুৰক্ষা প্ৰদান কৰিব নোৱাৰে। ক'ত গ'ল মানৱীয় প্ৰমূল্যবোধ, আমাৰ জাতীয় চেতনা।

ৰাইজৰ সুৰক্ষাৰ নামত দুৰ্নীতিপৰায়ণ আমোলাৰ দপদপনি, টকাৰ চেকত আবদ্ধ শিক্ষাগত চাৰ্টিফিকেট, স্বায়ত্তশাসনৰ সহস্ৰ চিএৰ একেলগে। এই সকলো ঘূৰি আছে আমাৰ চাৰিওফালে। আমাৰ অৱস্থান এতিয়া! কি হ'ব আমাৰ পক্ষপাতিত্ব? এনে এক অনিশ্চয়তাৰ মাজেৰে হাজাৰ যৌৱনৰ জীৱন গঢ়াৰ আখৰা চলে। পিছত হাতত চাৰ্টিফিকেট, মাৰ্কশ্বীট লৈ এটা অফিচৰ পৰা আনটো অফিচলৈ দৌৰি ফুৰিবলগীয়া হোৱা একো একোজন ফৰ্মেল পোছাকধাৰী নিবনুৱা। বেয়া লাগে, নিষ্কৰ্মা আমোলাৰ কবলত পৰি বাঢ়নী পানীত সঁজাল ধৰা ধান আৰু ঘৰৰ সন্ধান বিচাৰি ফুৰা বান আক্ৰান্তসকললৈ। এনে এক অৱস্থানত আমাৰ পক্ষপাতিত্ব কেনে হোৱা উচিত? একবিংশ শতিকাতো ডাইনী হত্যাৰ দৰে অন্ধ সংস্কাৰে আৱৰি আছে। জাতীয় আশা-আকাংক্ষা নিৰুদ্বেগ মনোভাবেৰে নস্যাৎ কৰি স্বাধীনতাৰ স্বপ্ন দেখাটোৰেই আমাৰ উচিত পক্ষপাতিত্বনে? অপ্ৰাপ্তি, নিৰাশাবোধৰ পৰিসমাপ্তিত অজস্ৰ আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয়ৰ প্ৰয়োজনবোধ হৈছে। প্ৰতিজন অসমীয়াই পৰম্পৰা, ঐতিহ্য আৰু সংস্কৃতিৰ উত্তৰণেৰে জাতিটোৰ মাজলৈ আনিব লাগিব নিজৰ থিয় হৈ থকাৰ দৃঢ়তা।

লেখা  
কাক মাৰিবা  
মাৰা  
সেইজনেই মই  
ভালদৰে চোৱা  
নিজকে অতদিনে তুমি বিচাৰি ফুৰিছা।  
তোমাৰেই আপোনজন  
আমি ইজনে সিজনক মাৰিছোঁ  
ৰাজনীতি কৰিছোঁ

আৰু আৰেলি
সিকালৰ পৰা মধ্য-শ এটা হৈ
তুমি আহিছা
এইকালৰ পৰা মধ্য-শ হৈ মই উঠেঁা
আৰু এটা অলীক স্বপ্নৰ হেলনত
স্বাধীনতাৰ কথা পাতিছোঁ।

## মুকলি পথাৰৰ পৰা চোৰা আকাশ

খিৰিকীৰে চোৰা আকাশখনক যথেষ্ট বুলিব নোৱাৰি। এটুকুৰাহে নীলা। পৰ্যবেক্ষণত ভুল হয়। মুকলি পথাৰ লাগে আকাশ চাবলৈ; মুকলি পথাৰ লাগে সমাজ চাবলৈ। বিশ্বায়ন আৰু ভোগবাদে গঢ়ি দিয়া আমাৰ মাজৰ আত্মকেন্দ্ৰিকতাৰ সীমাৰেখাডাল নস্যাৎ কৰি একোখন মুকলি পথাৰ গঢ়ি তোলাৰ প্ৰয়োজন। এটা নতুন বাটৰ আৰম্ভণিৰ প্ৰয়োজন। আমাৰ প্ৰত্যেক মানুহৰ সঁচা বুলি যুক্তি দিব পৰা, সঠিক বুলি বিশ্লেষণ কৰিব পৰাৰ ক্ষমতা আছে। নিজৰ মাজত সত্যৰ সন্ধানেই শ্ৰেয়। মুকলি পথাৰৰ নতুন বাটৰ আৰম্ভণি হ'ব লাগিব শৃংগসদৃশ, য'ৰ পৰা সমাজখন দূৰলৈকে সূক্ষ্ম দৃষ্টিৰে চাব পাৰি। আচলতে মানুহে চাব নাজানে কাৰণেহে ভুল কৰে। নিৰ্বাচনত নিষ্কৰ্মা নেতা-পালিনেতাই জয়লাভ কৰে। হৃদয়ৰ তাগিদা নথকাৰ বাবেই শেষ হয় একোটা সত্যসন্ধানী প্ৰতিবাদ। যুগৰ প্ৰেক্ষাপটত দৈনন্দিন প্ৰয়োজনীয়তাৰ ধাৰণাৰে পৰিবৰ্তন হ'ব পাৰে চিন্তাধাৰা, লক্ষ্য আৰু উদ্দেশ্য। মানুহৰ অৱস্থানেৰে প্ৰেম, ঈৰ্ষা আৰু সমমৰ্মিতাৰ সংজ্ঞাৰে সংগ্ৰাম আৰু সংঘৰ্ষৰ ধাৰণাও দুহাতত সজীৱ হৈ থাকে। পক্ষপাতিত্ব মাথোঁ হ'ব লাগে। সংগ্ৰাম সতৰ সপক্ষে, সংগ্ৰাম অসতৰ বিপক্ষে। এতিয়াও শেষ হোৱা নাই সকলো। প্ৰেম, ভালপোৱা আৰু প্ৰতিবাদ কেতিয়াও শেষ হ'ব নোৱাৰে। বহুজনে আৰম্ভ কৰিব খোজে তেনে এটা সংগ্ৰাম। অনাচাৰ ধ্বংস কৰাৰ বাবে যুগে যুগে যি এক শক্তি হৈ জন্ম লয়। এতিয়া মাথোঁ প্ৰতিবাদমুখৰ কৰাৰ সময় ৰাজপথ ঃ সাংগঠনিকভাৱে একত্ৰিত হৈ সততাৰ কৰ্ষণ কৰা প্ৰতিজন সংগ্ৰাম বাসনাৰে পুষ্ট মানৱতাৰ পূজাৰীয়ে।

## সৃষ্টিৰ মাধুৰ্য আমাৰ হাতত

মালিগাঁৱত হঠাতে লগ পোৱা মানুহগৰাকীয়ে ক'লে— কাকতে-পত্ৰইহে কটন কলেজৰ বিষয়ে পঢ়িবলৈ পাই থাকোঁ। প্ৰভেদ আহিছে নেকি? আজিৰ কটনিয়ান আৰু পুৰণিসকলৰ মাজত?

...হয়তো আহিছে। অহাটোৱেই স্বাভাৱিক। কিন্তু স্বাভাৱিক নহয়, এই পৰিবৰ্তনৰ ঢৌ। বৌদ্ধিক উৎকৰ্ষকতাৰ কেন্দ্ৰ কটন মহাবিদ্যালয়ৰ বাবে, কটনিয়ানসকলৰ বাবে। পৰিবৰ্তিত সমাজৰে প্ৰতিফলন ঘটিছে আমাৰ মাজত। তাকে লৈ বহুতে কাকতে-পত্ৰই লিখে। কিন্তু সঠিক বাট এটাৰ নিৰ্দেশনা দিব পাৰিছেনে? মই আশা কৰোঁ এই বিষয়ত কটনিয়ানসকলে একতা, সততা, নিষ্ঠা আৰু একাগ্ৰতাৰে নিজৰ কৰ্তব্যত আগ বাঢ়িব লাগিব। সমগ্ৰ অসমে আমাৰ পৰা বহুখিনি আশা কৰে— দেশৰ বাবে, জাতিটোৰ বাবে তেওঁলোকক উপেক্ষা কৰিব নোৱাৰি।

এবাৰ জন্ম দিয়া তোমাৰ হাতত শিপা মেলা সৃষ্টিৰ মাধুৰ্য। এতিয়া প্ৰত্যেকজন কটনিয়ানেই সতৰ পক্ষপাতিত্ব গ্ৰহণ কৰাৰ সময়, যি নিশ্চয়তা আৰু অনিশ্চয়তাৰ বাট সমাধিস্থ কৰি অদূৰ ভৱিষ্যতে গঢ়ি তুলিব মসৃণ সেন্দূৰীয়া বাট। হে যৌৱন, তুমি হ'ব লাগিব একো একোজন একলব্য, অভিমন্যু, কৰ্ণৰ দৰে তেজাল ডেকা। অনাচাৰ ধ্বংস কৰাৰ অভিপ্ৰায়েৰে সত্যৰ সন্ধানৰত এক নতুন অৱতাৰ।

এবাৰ পান কৰোঁ আহক
যৌৱনৰ সৃষ্টিৰ মাধুৰ্য
সেই আনন্দময় সুধা
এবাৰ জন্ম দিওঁ আহক
নৱপ্ৰজন্মৰ নতুন উন্মাদনা
এবাৰ ঘোষণা কৰোঁ আহক
আমি আৰম্ভ কৰিব খোজা
নৱজীৱনৰ জয়যাত্ৰা।

- অনন্ত গগৈ

# সূচীপত্ৰ


চিন্তাশিল্প /১

ছন্দশিল্প /৩৯

কথাশিল্প /৫৫

ভিন্ন ছন্দ ঃ ধৰিত্ৰীৰ গাভৰু বুকুত বৰবুণৰ আঙুলি ঃ স্বৰাজ ফুকন /৭৯

জীৱন অনুপম ঃ বহুমুখী প্ৰতিভাৰ গৰাকী ড° ভবেন্দ্ৰ নাথ শইকীয়া আৰু তেওঁৰ সাহিত্যকৃতিৰ কিছু আলেখলেখ /৮০

কথোপকথন—১ ঃ মামণি ৰয়ছম গোস্বামী /৮২

কথোপকথন—২ ঃ ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰ /৮৪

কথোপকথন—২ ঃ ৰীতা চৌধুৰী /৮৬

গ্ৰন্থ সমালোচনা /৮৮

প্ৰাচীৰৰ অনুৰণন /৮৯

কটনিয়ান বিশেষ /৯৫

Rendezvous With Thoughts /৯৭

The Winged Words /১২৭

Portrait of the World /১৩৩

Journey of Discovery /১৩৯

নাটক /১৪১

কটন কলেজ ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন /১৪৯



# চিন্তাশিল্প


'পুৱা'ৰ জলঙাৰে 'জোনাকী'

**হৰেকৃষ্ণ ডেকা**/৩

নব্য-উদাৰবাদী নীতি আৰু জনসাধাৰণৰ শিক্ষাগ্ৰহণৰ মৌলিক অধিকাৰ

**কংকণ কলিতা**/৭

মহাপুৰুষ শঙ্কৰদেৱৰ দশমত শৰতৰ চিত্ৰ আৰু তত্ত্ব

**ড° বিনীতা বৰুৱা**/১০

প্ৰব্ৰজন আৰু সাংস্কৃতিক-সামাজিক আগ্ৰাসন

**জাহ্নু ভৰদ্বাজ**/১৩

পটভূমি বিচাৰ ঃ অতি সাম্প্ৰতিক অসমীয়া কবিতা

**ড° মহেশ্বৰ কলিতা**/১৬

ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ প্ৰতিনিধিত্ব

**শান্তনু বৌমূৰীয়া**/২০

প্ৰসংগ ঃ ভাৰতীয় অৰ্থনীতিৰ উন্নয়ন আৰু দুৰ্নীতি

**সুৰেশ কুমাৰ নাথ**/২৪

মাজুলীৰ মুখা শিল্পৰ পৰম্পৰা আৰু চৰ্চা

**উজ্জীৱন কুমাৰ দত্ত**/২৭

বিশ্বায়ন ঃ সংকটৰ গৰাহত থলুৱা সংস্কৃতি

**আতিকুৰ ৰহমান**/২৯

সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটত নাৰী ঃ এটি আলোচনা

**নিয়ন্তা শৰ্মা**/৩১

নৱবৈষ্ণৱ ধৰ্মৰ বিশ্বজনীনতা

**গীতামণি ডেকা**/৩৩

ভাৰতৰ আধুনিক শিল্পকলা ঃ এক আলোকপাত

**সুব্ৰতা গোস্বামী**/৩৬

মন ঃ এক মনোবৈজ্ঞানিক দৃষ্টিভংগী

**ছাবিনা ইয়াছমিন**/৩৮




# ‘পুৰা’ৰ জলঙাৰে ‘জোনাকী’

**হৰেকৃষ্ণ ডেকা**
*বিশিষ্ট সাহিত্যিক তথা প্ৰাক্তন কটনিয়ান*

**স্ব**ৰ্গীয় হেমচন্দ্ৰ গোস্বামীৰ যিটো কবিতা ‘পুৰা’ নামেৰে পৰিচিত আৰু অসমীয়া কবিতাৰ সংকলনবোৰৰ সম্পাদকসকলেও যিটো নাম গ্ৰহণ কৰি লৈছে, দেখা যায় এই কবিতাটোৰ সেইটো প্ৰথম নাম নাছিল। এই কবিতাটো প্ৰথম প্ৰকাশ হৈছিল ‘জোনাকী’ আলোচনীৰ তৃতীয় ভাগৰ প্ৰথম সংখ্যাত ১৮১২ শকত। এই সংখ্যাত কবিতাটোৱে ‘সম্পাদকৰ নিৱেদন’ৰ আগত স্থান পাই আলোচনীখনৰ নতুন বছৰটোৰ পাতনি মেলিছিল। সম্পাদকীয়ৰ আগত কবিতা (পদ্য)ই স্থান পোৱা কথাটো ‘জোনাকী’ৰ বাবে নতুন কথা নহয়। কাৰণ ‘জোনাকী’ৰ প্ৰথম ভাগৰ প্ৰথম সংখ্যা (১৮১০ শক)টোৱেই আৰম্ভ হৈছে এটা কবিতাৰে, যি সম্পাদকীয়ৰ আগত স্থান পাইছে। দ্বিতীয় ভাগৰ প্ৰথম সংখ্যাতো তেনেকৈ দ্বিতীয় ভাগৰ ‘আত্মকথা’ (সম্পাদকীয়)ৰ আগত এটি কবিতা আছে। তৃতীয় ভাগৰ প্ৰথম সংখ্যাত প্ৰকাশিত হেমচন্দ্ৰ গোস্বামীৰ কবিতাটোৰ শীৰ্ষত কোনো নাম নাছিল (জোনাকী, অসম সাহিত্য সভা, ২৩৫ পৃষ্ঠা)। মূল আলোচনীখন আমি দেখা নাই। অসম সাহিত্য সভাই প্ৰকাশ কৰা জোনাকী সংগ্ৰহটোক মূলৰ দৰে অবিকল বুলি ধৰি ল’লে দেখা যায় (২৩৫ পৃঃ) যে আলোচনীখনত ‘তৃতীয় ভাগ ঃ প্ৰথম সংখ্যা’ বুলি লিখাৰ পাছতেই কোনো নাম নোহোৱাকৈ কবিতাটো প্ৰকাশ হৈছে। কিন্তু কবিতাটোৰ নাম এটা আছে আৰু সেইটো পোৱা যায় সূচীপত্ৰত (জোনাকী, অঃ সাঃ সঃ, পৃঃ ৭৮)। ‘জোনাকী’ আলোচনীৰ প্ৰসংগৰ লগত এই নামৰ গুৰুত্বপূৰ্ণ তাৎপৰ্য আছে। ‘জোনাকী’ৰ বুকুৰ পৰা উঠি আহি ‘পুৰা’ নাম লৈ বিভিন্ন সংকলনত সোমাই পৰোঁতে এনে কিছুমান তাৎপৰ্যৰ পৰাও কবিতাটো আঁতৰি আহিছে। নব্য-সমালোচনা (New Criticism)ৰ আৰ্হিৰে যদি আমি কবিতাটোৰ মূল তাৎপৰ্যক কেৱল কবিতাটোৰ নিবিড় পাঠত বিচাৰোঁ আৰু জোনাকীৰ লগত ইয়াৰ ঐতিহাসিক-বৌদ্ধিক সম্পৰ্কটোক বিবেচনালৈ নানো, তেন্তে কবিতাটো এটা উৎকৃষ্ট ৰোমান্টিক বৰ্ণনামূলক কবিতা যেন লাগিব আৰু তাৰ বৌদ্ধিক-নান্দনিক আয়তন লাঘৱ হ’ব। ‘জোনাকী’ৰ ঐতিহাসিক ভূমিকা আৰু নান্দনিক লক্ষ্য মনত ৰাখি কবিতাটোৰ প্ৰসঙ্গলৈ দৃষ্টি দিলে দেখা যাব যে সাধাৰণ স্তৰৰ ওপৰৰ আন এটা স্তৰৰ তাৎপৰ্য কবিতাটোত আছে।

‘জোনাকী’ আলোচনীৰ তৃতীয় ভাগ, প্ৰথম সংখ্যাত কবিতাটোৰ নাম ‘পুৰা’ নাছিল, তাত নাম আছিল ‘জোনাকী’। নামটোৰ মাজেৰেই আলোচনীখনৰ প্ৰসংগৰ লগত কবিতাটোৰ প্ৰসংগৰ তাৎক্ষণিক সম্পৰ্ক এটা প্ৰকাশিত হয়। কলিকতাৰ পৰা প্ৰকাশিত ‘জোনাকী’ৰ সূচীপত্ৰবোৰত চকু ফুৰালে দেখা যায় আলোচনীখনৰ প্ৰথম ভাগ (১৮১০ শক, মাঘ)ৰ পৰা সপ্তম ভাগ (১৮১৮ শক, মাঘ)লৈকে বছৰটোৰ প্ৰথমটো সংখ্যাত প্ৰথমতে একোটা কবিতা আছে। দ্বিতীয় ভাগৰ বাদে বাকীকেইটা ভাগত এই কবিতাকেইটাৰ নাম ‘জোনাকী’ (হেমচন্দ্ৰ গোস্বামীৰ কবিতাটোৰ সৈতে)। অসম সাহিত্য সভাই প্ৰকাশ কৰা আলোচনী ‘জোনাকী’ৰ সংগ্ৰহত ৪ৰ্থ ভাগ, ৫ম ভাগ, ৬ষ্ঠ ভাগত কেৱল সূচীপত্ৰতহে নামকেইটা আছে, মূল আলোচনীত কবিতাকেইটা পোৱা নগ’ল। সপ্তম ভাগৰ প্ৰথম সংখ্যাত ‘জোনাকী’ কবিতাটো লিখিছিল দেৱেশ্বৰ চলিহাই। হেমচন্দ্ৰ গোস্বামীৰ কবিতাটোৰ দৰেই এই কবিতাৰ নামটো কবিতাটোৰ শীৰ্ষত নাই, সূচীপত্ৰতহে দিয়া হৈছে।

গুৱাহাটীৰ পৰা প্ৰকাশিত ‘জোনাকী’ৰ নতুন খণ্ডত প্ৰথম ভাগৰ প্ৰথম সংখ্যা আৰু দ্বিতীয় ভাগৰ ২য় সংখ্যাত একোটিকৈ ‘জোনাকী’ নামৰ কবিতা আছে। কিন্তু এই নতুন অৱতাৰত আলোচনীৰ বছৰৰ আৰম্ভণিতে কবিতাক স্থান দিয়াৰ এই পৰম্পৰা পূৰাকৈ ৰক্ষা কৰা হোৱা নাই। অৰ্থাৎ আলোচনীৰ নামটোক বিষয় ৰূপে লৈ ৰচনা কৰা এই কবিতা প্ৰতিবছৰে প্ৰকাশ কৰাৰ পৰম্পৰা ৰক্ষা কৰা হৈছে, কিন্তু বছৰৰ শুভাৰম্ভ কলিকতীয়া ‘জোনাকী’ৰ দৰে সেই নামৰ কবিতাৰে কৰা হোৱা নাই। যিয়েই নহওক, ‘জোনাকী’ত প্ৰকাশিত ‘জোনাকী’ নামৰ কবিতাকেইটা বেলেগ বেলেগ কবিয়ে লিখা, কিন্তু ‘জোনাকী’ৰ উদ্দেশ্যৰ লগত কবিতাকেইটা ওতপ্ৰোতভাৱে জড়িত আৰু এই পৰম্পৰাৰ ধাৰণাটো তৃতীয় বছৰৰ পৰাহে আহিছে। কাৰণ প্ৰথম বছৰত ‘জোনাকী’ নামৰ কবিতাৰে আলোচনীখনৰ শুভাৰম্ভ কৰাৰ পিছত দ্বিতীয় ভাগত কৰা হৈছিল চন্দ্ৰকুমাৰ আগৰৱালা (গুপ্ত)ৰ ‘উদগনি’ কবিতাটোৰে।

## পুৰা

### হেমচন্দ্ৰ গোস্বামী

গহীন পুৰতী নিশা, নিতাল জগত
ক'তো নাই জোনাকৰ চিন;
নিমাত বিশ্বৰ বাঁহী, নিজম চেতনা,
সুৰ-ভুলা জীৱনৰ বীণ।

জীৱনৰ যুঁজ এৰি কাম-কৰ্ম্মী দুয়ো
শঁতাইছে যুঁজৰ ভাগৰ,
বিয়পি অসীম বিশ্ব আন্ধাৰ এলাহ,
গতিহীন স্থিতি জগতৰ।

কোনোবা দেশৰ পৰা ধীৰ সোঁত বলি
আহিছে এখনি জুৰ নৈ;
ৰিণিকি ৰিণিকি এটি নীৰৱ কবিতা
বাজিছে বুকুত বৈ বৈ।

জোনাক জোনাক বুলি জীৱন বিচাৰি
আন্ধাৰত প্ৰকৃতি আতুৰ;
জোনাক-জীৱন খুজি ওপঙি ফুৰিছে
নিফুট আকুল এটি সুৰ।

কাতৰ সুৰত পমি নিয়ম-বিহোঁতা
প্ৰকৃতিৰ প্ৰবোধি মনক;
দিবলৈ মনে মনে জোনাক-জাননী
পাচিছে পুৰাৰ বতাহক।

স্বৰ্গৰ বাতৰি পাই অপেক্ষি জোনাক
প্ৰকৃতিৰ উত্ৰাৱল চিত;
বহিছে শীতল বায়ু, নাচিছে লতাই
ফুল-কলি হাঁহিছে থুপিত।

দুটিমান জোনাকৰ সোণোৱালী ৰেখ
লাহে লাহে ভৈয়াম নামিছে;
সৃষ্টি-পাতনিৰ সেই জীৱন্ত ছবিটি
ঘূৰি আহি ভুমুকি মাৰিছে।

লোকালোক সাগৰত উটি-বুৰি ফুৰা
জীৱনৰ পৱিত্ৰ ভাবটি;
আধা আলো আধা ছাঁত ফুলোঁ ফুলোঁ কৰি
প্ৰকৃতিক ধৰিছে সাবটি।

জিলিঙনি এটি আহি পদুম-বনত
স্বৰগৰ ৰহণ ঢালিছে;
অকলশৰীয়া দুটি পদুম-কলিয়ে
চুমা খাই হালিছে-জালিছে।

স্বৰ্গৰ জেউতি দেখি ৰাজহাঁহযুৰি
প্ৰেমৰ আলচ ভুলি গৈ
চিত্ৰৰ পুতলী প্ৰায় আছে থৰ লাগি
ইটিয়ে সিটিক চাই বৈ।

আকৌ ঘুমটি ত্যজি নিজম চেতনা
লাহে লাহে সজাগ হইছে;
পাহৰা সুৰটি ঘূৰি বজাবৰ গুণে
বীণখনি হাতত লইছে।

বৰষা অনন্ত কাল জ্ঞানৰ পোহৰ
জ্যোতিৰ্ম্ময়ী জোনাকী সৰিতা;
বজোৱাঁ অনন্ত কাল পঞ্চমত তুলি
বীণাপাণি কোমল কবিতা।

'উদগনি' কবিতাত অসমীয়াক কৰ্মোদ্যমৰ বাবে উদগনি দিয়া হৈছিল। চন্দ্ৰকুমাৰ আগৰৱালা (গুপ্ত)ৰ প্ৰথম 'জোনাকী' কবিতাৰ ভাবমণ্ডলত কেৱল কৰ্মোদ্যমেই নাছিল, তাত 'জ্ঞান, শান্তি, সুখ'ৰ কথাও আছে আৰু তাত কল্পনাৰ সংশ্লেষী দৃষ্টিৰে 'বিশ্বৰ আলোক'ৰ লগত 'নামনি'ৰ জোনাকীৰ পোহৰকো সমন্বিত কৰাৰ প্ৰচেষ্টা আছে। 'পুৰা' (জোনাকী) কবিতাৰ এই কবিতাটোৰ

লগতহে ভাবৰ সম্পৰ্ক।

হেমচন্দ্ৰ গোস্বামীৰ আলোচ্য কবিতাটোৰ 'পুৱা' নামটো বিসংগতিপূৰ্ণ বুলি আমি ইয়াত ক'ব খোজা নাই। নিশ্চল পুৱতি নিশাৰ এন্ধাৰৰ পিছত পোহৰ হৈ অহাৰ ভাবছবি এখন আমি কবিতাটোত পাওঁ। কিন্তু 'জোনাকী' আলোচনীৰ প্ৰসঙ্গৰ মাজেদি চালে এই কবিতাৰ তাৎপৰ্য আৰু অধিক মাত্ৰাবিশিষ্ট হৈ পৰে। কবিতাটোত পুৱাৰ পোহৰৰ প্ৰতি থকা হাবিয়াসতকৈ জোনাকৰ প্ৰতি থকা হাবিয়াসহে বেছিকৈ প্ৰকাশ পাইছে। 'জোনাক'ৰ উল্লেখ কবিতাটোত আঠবাৰ আছে; চতুৰ্থ, পঞ্চম, ষষ্ঠ, সপ্তম স্তৱকত শব্দটো একেলেথাৰিয়ে আছে, তদুপৰি আছে প্ৰথম আৰু শেষ স্তৱকত। চতুৰ্থ স্তৱকত জোনাক শব্দটো আছে তিনিবাৰ। গতিকে প্ৰথমতে দিয়া 'জোনাকী' নামটোৰ লগত এই শব্দটো কবিতাটোৰ ভিতৰত বাৰে বাৰে প্ৰতিধ্বনিত হৈ থাকে আৰু তাৰ দ্যোতনাই 'জোনাকী' আলোচনীৰ লগত কবিতাটোৰ সম্বন্ধ ইংগিতপূৰ্ণ কৰি তোলে। কবিতাটোৰ ভিতৰত জোনাক শব্দটোৱে বাচ্যাৰ্থক অতিক্ৰম কৰিছে। চতুৰ্থ স্তৱকত আছে—

*জোনাক জোনাক বুলি, জীৱন বিচাৰি*
*এন্ধাৰত প্ৰকৃতি আতুৰ,*
*জোনাক জীৱন খুজি, ওপঙ্গি ফুৰিছে*
*নিফুট, আকুল এটি সুৰ।*

এই স্তৱকত জোনাক আৰু জীৱন সমাৰ্থক হৈছে। ইয়াৰ প্ৰথম শাৰীত জোনাক বিচৰা আৰু জীৱনক বিচৰা একাকাৰ হৈ পৰিছে আৰু তৃতীয় শাৰীত জোনাক-জীৱন যুগ্ম হৈছে, য'ত এটা বিশেষ্য (জোনাক) আনটো বিশেষ্য (জীৱন)ৰ গুণবাচক বিশেষণৰ দৰে হৈছে। এই 'জোনাক জীৱন' বিচাৰি ফুৰিছে এটি 'নিফুট, আকুল সুৰে'। এই আকুল সুৰটো ক'ৰ? এই আকুল সুৰৰ ইংগিত ইতিমধ্যেই ইয়াৰ আগৰ স্তৱকত দিয়া আছে, 'ৰিণিকি ৰিণিকি এটি নীৰৱ কবিতা বাজিছে বুকুত ৰৈ ৰৈ।' ইয়াত এটা 'নীৰৱ কবিতা'ৰ 'নিফুট সুৰে' প্ৰকাশ বিচাৰিছে। এই প্ৰকাশেই 'জোনাক জীৱন' আৰু 'জোনাকী' আলোচনীৰ লক্ষ্যও অসমীয়া ভাষা-সাহিত্যক জীৱন দান কৰা, অসমীয়াক আন্ধাৰৰ পৰা পোহৰলৈ নিয়া। প্ৰথম সংখ্যাৰ 'আত্মকথা'ৰ প্ৰস্তাৱনাতে আছে 'জীৱনেই হৈছে কৰ্মশীল— কৰিবলগীয়া আমি কৰিম— ফল লাভ পিছৰ কথা'। ইয়াতে আকৌ কৈছে, 'আমি যুঁজিবলৈ ওলাইছোঁ 'আন্ধাৰ'ৰ বিপক্ষে ঃ উদ্দেশ্য— দেশৰ উন্নতি। 'জোনাক'ৰ আত্মকথাত 'আন্ধাৰ' আৰু 'জোনাক' দুয়োটা শব্দকে উৰ্ধ্বকমাৰ ভিতৰত থৈ তাৰ অৰ্থক বিশিষ্ট কৰা হৈছে— 'আন্ধাৰ' অজ্ঞানৰ আন্ধাৰ, 'জোনাক জ্ঞানৰ জোনাক। ইয়াত চন্দ্ৰৰ পোহৰৰ পৰা অহা 'জোনাক'কে কিয় জ্ঞানৰ উৎপ্ৰেক্ষা হিচাপে লোৱা হ'ল, কিয় সূৰ্যৰ পোহৰৰ কথা ভবা নহ'ল? কাৰণ চন্দ্ৰৰ পোহৰ প্ৰতিফলিত পোহৰ, সূৰ্যৰ পোহৰ পোনপটীয়া পোহৰ; চন্দ্ৰৰ পোহৰ স্নিগ্ধ, সূৰ্যৰ পোহৰে দহি নিব পাৰে। তাতোকৈ বিশেষত্বপূৰ্ণ কথাটো হ'ল, যি জ্ঞানৰ 'জোনাক' বা পোহৰ বিচৰা হৈছে, সেই জ্ঞান পশ্চিমৰ পৰা প্ৰতিফলিত ৰশ্মিৰ জ্ঞান, চন্দ্ৰৰ পোহৰৰ প্ৰতিফলনৰ দৰেই এই পশ্চিমৰ জ্ঞানৰ পোহৰৰো প্ৰতিফলন।

এই আলোচনাৰ আধাৰত হেমচন্দ্ৰ গোস্বামীৰ কবিতাটোৰ ভালেখিনি কথা তাৎপৰ্যপূৰ্ণ হৈ পৰে। ই এটা আৱেগিক কবিতা নহয়, ইয়াত কল্পনাৰ দৃষ্টিৰ প্ৰক্ষেপ ঘটিছে বৌদ্ধিক উপলব্ধি এটাৰ ভিতৰেদি। ছন্দস্পন্দনৰ লয়তো এক গহীন প্ৰত্যয়ৰ স্বৰ আন্দোলিত হৈছে। কবিতাটোৰ প্ৰথম শাৰীটোত শেষ ৰাতি (প্ৰাচীনতাৰ শেষ সময়?) জগত 'নিতাল', চেতনা 'নিজম', জীৱনৰ বীণ 'সুৰভুলা'— এটা নেতিবাতক পৰিৱেশ। কবিতাটোৰ শেষ স্তৱকটোত 'নিজম চেতনা' সজাগ হৈছে আৰু 'পাহৰা সুৰ' বজাবৰ কাৰণে 'বীণখনি হাতত লৈছে'। উৎপ্ৰেক্ষাসমৃদ্ধ হৈ এই গোটেইখিনি কথাই বাচ্যাৰ্থক অতিক্ৰম কৰি গৈছে আৰু জ্ঞানৰ পোহৰে সুপ্ত চেতনাক পুনৰ জগাই তোলাৰ ইংগিত দিছে। শেষৰ স্তৱকত কবিতাটোৰ কেন্দ্ৰীয় আকাংক্ষা এক আহ্বানৰ মাজেদি ধ্বনিত হৈছে,

*বৰষা অনন্তকাল জ্ঞানৰ পোহৰ*
*জ্যোতিৰ্ম্ময়ী জোনাকী সৰিতা।*
*বজোৱা অনন্তকাল পঞ্চমত তুলি*
*বীণাপাণি কোমল কবিতা।*

জ্ঞানৰ অধিষ্ঠাত্ৰী সৰস্বতীৰ প্ৰতি এই আহ্বানত কাব্য-কৌশলেৰে প্ৰকাশ কৰা হৈছে 'জোনাকী'ৰ ভূমিকাৰ কথা। এই তাৎপৰ্য গ্ৰহণ কৰিবলৈ আমি বাধ্য, নহ'লে 'জোনাকী' আৰু 'সৰিতা'ৰ সন্মিলন আচহুৱা। যদি 'জোনাকী'ক আমি জোনাকৰ বিশেষণ ৰূপ বুলি লওঁ নাইবা 'জোনাকী পৰুৱা' বুলিও ধৰোঁ, তেন্তে তাৰ পোহৰ জ্যোতিৰ্ময়ী বুলি আশা কৰাৰ কোনো কাৰণ থাকিব নোৱাৰে। উৎপ্ৰেক্ষাৰ বাহনত উঠি 'জোনাকী' আলোচনীয়ে লোৱা দায়িত্বলৈ আহিলেহে আমি এই স্ববিৰোধী (Paradoxied) শব্দ দুটাক অৰ্থেৰে সাঙুৰিব পাৰোঁ। আন এটা আকাংক্ষাৰ প্ৰকাশো আমি ইয়াৰ মাজত বিচাৰি পাব পাৰোঁ। ইয়াৰ আগতে আমি কৈছিলোঁ যে কবিতাটোত কবিয়ে জোনাক বিচাৰিছে, কাৰণ যি জ্ঞানৰ পোহৰ তেওঁ বিচাৰিছে সেই পোহৰ প্ৰতিফলিত পোহৰ, পশ্চিমৰ প্ৰজ্ঞাৰ পোহৰ। 'জোনাকী' আলোচনীৰ ভালেখিনি পদ্য ৰচনাতো পশ্চিমীয়া জ্ঞানৰ প্ৰতি ধাউতি প্ৰকাশ পোৱা দেখা যায়। বাংলাৰ নৱজাগৰণৰ আৰ্হিত দেখা এই প্ৰজ্ঞাৰ পোহৰ। এই কবিতাটোৰ শেষৰ স্তৱকটোত

ব্যক্ত হোৱা আকাংক্ষা কিন্তু আন ধৰণৰ। প্ৰতিফলিত (পশ্চিমীয়া) প্ৰজ্ঞাৰ পোহৰক কবিয়ে স্ব-আলোকিত প্ৰজ্ঞা (সৱিতা)ৰ পোহৰলৈ ৰূপান্তৰিত হোৱাৰ আকাংক্ষা কৰিছে। ইয়াত 'জোনাকী' (আলোচনী)ৰ ভূমিকা কেৱল পশ্চিমীয়া জ্ঞানৰ পোহৰ (জোনাক) অনাতেই সীমাবদ্ধ হৈ নাথাকে। কবিয়ে আকাংক্ষা কৰিছে যে 'জোনাকী'য়ে জ্ঞানৰ মৌলিক উৎস (জ্যোতিৰ্ম্ময়ী সৱিতা) হোৱাৰ অৱস্থা এটালৈ গতি কৰক। এনে এটা আকাংক্ষা হেমচন্দ্ৰ গোস্বামীৰ কেৱল নিজৰ আকাংক্ষা নহয়, ই জোনাকীৰ মূলমন্ত্ৰ। প্ৰথম ভাগৰ প্ৰথম সংখ্যা 'জোনাকী'ৰ আৰম্ভণিত থকা চন্দ্ৰকুমাৰ আগৰৱালা (গুপ্ত)ৰ 'জোনাকী' কবিতাতো একেধৰণৰ কথা পোৱা যায়—

*বিশ্বৰ আলোকি চকু*
*কাঢ়ি জোনাকীৰ বুকু*
*অনন্ত-শিৰত 'সত্য' ৰাজে!*
*ই— সূৰ্যৰ মন্ত্ৰে মোহি*
*কোটি বেলি ঘূৰে আহি*
*— জোনাকীৰ হিয়া-তন্ত্ৰী বাজে।*

দ্বিতীয় ভাগৰ 'জোনাকী'ৰ শুভাৰম্ভ 'উদগনি' নামৰ যিটো কবিতাৰে হৈছে, তাৰ আহ্বান আছিল কৰ্মোদ্যমৰ প্ৰতি। কিন্তু হেমচন্দ্ৰ গোস্বামীৰ 'জোনাকী' (পুৰা) কবিতাৰ আহ্বান আৰু বীজমন্ত্ৰ জ্ঞানোদ্যম। 'জোনাকী' আলোচনীখনৰ ভূমিকাত কৰ্মোদ্যমৰ প্ৰতি যিমান স্পৃহা প্ৰকাশিত হৈছে, জ্ঞানোদ্যমৰ প্ৰতি তাতোকৈ অধিক ধাউতি প্ৰকাশ হৈছে। আনকি সেই সময়ত ঔপনিৱেশিক শাসনক নীৰৱে মানি লোৱাৰ আঁৰতো আছিল পশ্চিমীয়া প্ৰজ্ঞাৰ সংস্পৰ্শত জ্ঞানৰ এক বহল দিগন্তত খোপনি লোৱাৰ আকাংক্ষা। হেমচন্দ্ৰ গোস্বামীৰ পুৰা (জোনাকী) কবিতাটোৰ তৃতীয় স্তৱকত থকা 'কোনোবা দেশৰ পৰা ধীৰ সোঁত বলি আহিছে এখনি জুৰ নৈ' কথাষাৰৰ ইংগিত ইংৰাজী শিক্ষাৰ প্ৰতি বুলি ধৰিলে এই স্তৱক আৰু শেষ স্তৱকত 'যি কবিতা'ৰ কথা কোৱা হৈছে সেই 'কবিতা'কো এটা বহল অৰ্থলৈ Synecdoche (a part for a whole) বাহনেৰে লৈ গ'লে আমি 'সাহিত্য'ক পাওঁ। সাহিত্য-সাধনাৰ মাজেৰেই জ্ঞানমাৰ্গত বিচৰণ কৰাৰ অন্বিষ্ট আছিল 'জোনাকী' আলোচনীৰ।

এই কবিতাত হেমচন্দ্ৰ গোস্বামীয়ে অসাধাৰণ কবিত্ব শক্তিৰ পৰিচয় দিছে। 'জোনাকী' আলোচনীৰ মূল উদ্দেশ্যক চিত্ৰকল্পৰ মাজেৰে কাব্যৰসলৈ ৰূপান্তৰিত কৰোঁতে কবিতাটোৱে এটা প্ৰতীকী মাত্ৰা পাইছে। কবিতাটোৰ চিত্ৰকল্পবোৰ আহিছে প্ৰকৃতিৰ পৰা, কিন্তু সেইবোৰৰ আঁৰৰ প্ৰতীকী স্তৰত আছে জ্ঞানোদয়ৰ বাৰ্তা। 'জোনাকী' আলোচনীয়ে প্ৰথম সংখ্যাৰ সম্পাদকীয়তে 'আন্ধাৰ'ৰ পৰা 'পোহৰ'লৈ যোৱাৰ যি উৎপ্ৰেক্ষাসুলভ উদ্দেশ্য ব্যক্ত কৰিছিল, সেই আলোচনীৰে তৃতীয় ভাগৰ শিৰস্ত্ৰাণ হৈ হেমচন্দ্ৰ গোস্বামীৰ কবিতাই এই আকাংক্ষাৰ সিদ্ধি হোৱাৰ সম্ভাৱনাই দেখুৱাইছে। 'জোনাকী' আলোচনীৰ 'জোনাকী' নামৰ কবিতাবোৰৰ চিত্ৰকল্পত কিছুমান শব্দৰ ব্যৱহাৰ বাৰে বাৰে ৰূপকধৰ্মী হৈ আহিছে। ইয়াৰ ভিতৰত আছে 'জোনাক', 'বীণ', 'বতাহ' বা 'বায়ু' আদিৰ ৰূপক। সপ্তম ভাগৰ প্ৰথম সংখ্যাৰ শীৰ্ষত থকা দেৱেশ্বৰ চলিহা ৰচিত কবিতাটোত এই তিনিওবিধ ৰূপকেই আছে, 'মুকলি চুলিৰে নৈৰ ওচৰত/আয়ে বীণ তুলি ল'লে' (পঞ্চম আৰু ষষ্ঠ শাৰী), 'ৰিব ৰিব কৰি মলয়া বলিছে/ফুলিছে সকলো ফুল' (১৫ আৰু ১৬ নং শাৰী), 'গীত শুনি মই চকু মেলি চালোঁ/পৃথিৱী জোনাকী হ'ল (৩৯ আৰু ৪০ নং শাৰী) গুৱাহাটীৰ পৰা ওলোৱা 'জোনাকী' (নতুন খণ্ড)ৰ প্ৰথম ভাগ, প্ৰথম সংখ্যাত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'জোনাকী' নামৰ কবিতা এটিও আছে। তাতো আমি 'বায়ু' আৰু 'বীণ'ৰ ৰূপকীয় উপস্থিতি পাওঁ এই শাৰীকেইটাত— 'হৰিষ মলয়া বায়ু/ছুই যায় পদুম চৰণ/পুৰাৰ মাধুৰি সুৰে/জুৰিলে হিয়াৰ বীণ' (সপ্তম শাৰীৰ পৰা দশম শাৰীলৈ)।

'জোনাকী' আলোচনীত প্ৰকাশিত 'জোনাকী' নামৰ আটাইকেইটা কবিতা (কেইটামানৰ উল্লেখহে সূচীপত্ৰত আছে, অঃ সাঃ সভাই প্ৰকাশ কৰা জোনাকী সংগ্ৰহৰ ভিতৰত পোৱা নগ'ল) তুলনামূলক বিচাৰৰ তুলাচনীলৈ আনিলে আমাৰ অনুভৱ হয় যে হেমচন্দ্ৰ গোস্বামীৰ কবিতাটোৱে যি ৰস সঞ্চাৰী মাত্ৰাত উপনীত হৈছে, আন কোনো কবিতাই সেই মাত্ৰা লাভ কৰিব পৰা নাই। ভাব, ভাষা আৰু ছন্দস্পন্দনৰ সন্তুলনত এই কবিতা উৎকৃষ্টতম অসমীয়া কবিতাবিলাকৰ এটা হৈ পৰিছে। ■

# নব্য-উদাৰবাদী নীতি আৰু জনসাধাৰণৰ শিক্ষাগ্ৰহণৰ মৌলিক অধিকাৰ

**কংকণ কলিতা**
প্ৰথম ষাণ্মাসিক, সাংবাদিকতা আৰু গণসংযোগ বিভাগ

শিক্ষা মানুহৰ জন্মস্বত্ব অধিকাৰ। শিক্ষা জ্ঞান আহৰণৰ প্ৰধান উৎস আৰু সমাজক প্ৰগতিৰ শিখৰলৈ আগুৱাই লৈ যোৱাৰ মাধ্যম। গণতান্ত্ৰিক সমাজ ব্যৱস্থাত জাতিৰ লগতে সমাজৰ সামগ্ৰিক উন্নতিত জনসাধাৰণক অন্তৰ্ভুক্ত কৰাটোৱেই হৈছে শিক্ষা ব্যৱস্থাৰ মূল লক্ষ্য। শিক্ষাৰ উপলব্ধিক মানৱ জাতিৰ কল্যাণৰ অৰ্থে উছৰ্গা কৰাই হৈছে শিক্ষিতৰ প্ৰধান বৈশিষ্ট্য। জ্ঞানৰ প্ৰসাৰেৰে পৃথিৱীৰ বুকুত প্ৰগতিৰ জোৱাৰৰ সৃষ্টি কৰাই হৈছে শিক্ষাৰ উদ্দেশ্য। পুৰণিকলীয়া অবৈজ্ঞানিক ধ্যান-ধাৰণা আঁতৰাই মানুহৰ মাজত সমাজবোধ আৰু জীৱনবোধৰ উন্মেষ ঘটোৱা তত্ত্বই হৈছে শিক্ষা।

শিক্ষা কাৰো ব্যক্তিগত সম্পদ নহয়, ই মানুহৰ জীৱন শৈলীৰ আধুনিকীকৰণৰ এক আহিলাহে মাথোঁ। শিক্ষাই একেই আকাশৰ তলত মানৱ জাতিক সমাজগঠনৰ প্ৰক্ৰিয়াৰ অংশীদাৰ হৈ মানৱ সভ্যতাক আগুৱাই লৈ যোৱাৰ অনুপ্ৰেৰণা যোগায়। বিশ্ববিশ্ৰুত বিজ্ঞানী মেডাম কুৰীয়ে ৰেডিয়াম আৱিষ্কাৰৰ পিছত সেয়া পেটেন্ট কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু মানৱতা তথা সমাজৰ বাবেই যে শিক্ষা এই ঐতিহাসিক সত্য দাঙি ধৰি কৈছিল— 'যিমানদিন এইটো গৱেষণাগাৰৰ বিষয় আছিল, সিমানদিন সেইটো আছিল আমাৰ (তেখেত আৰু পিয়েৰ কুৰী), কিন্তু যি মুহূৰ্তত এইটো আৱিষ্কাৰ হৈ গ'ল সেই মুহূৰ্ততে ইয়াৰ ওপৰত আমাৰ কোনো অধিকাৰ নাই, এইটো এতিয়া বিশ্ব মানৱৰ। মানৱ সভ্যতাৰ সম্পদক লৈ ব্যক্তিগত প্ৰয়োজনত ব্যৱসায় কৰিব নোৱাৰোঁ।' এখন ৰাষ্ট্ৰত শিক্ষাৰ ৰূপৰেখাই সেই দেশৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰে। শিক্ষাৰ সৈতে আত্মনিৰ্ভৰশীলতা আৰু সেই দেশৰ সম্পদসমূহৰ সদ্ব্যৱহাৰ ওতপ্ৰোতভাৱে জড়িত। সেই দেশকহে আত্মনিৰ্ভৰশীল বুলি ক'ব পাৰি, যি দেশ ৰাজনৈতিক আৰু অৰ্থনৈতিক উভয় দিশতে স্বাৱলম্বী। এখন দেশৰ আভ্যন্তৰীণ সম্পদসমূহৰ সঠিক ব্যৱহাৰ নহ'লে সেই দেশৰ সামগ্ৰিক উন্নয়নৰ গতি লেহেম হোৱাটো স্বাভাৱিক। ৰাজনৈতিকভাৱে স্বাধীন হ'লেও তেনে ব্যৱস্থাত প্ৰাকৃতিক আৰু মানৱ সম্পদৰ অপচয়ে সমাজৰ প্ৰগতিত বাধাৰ সৃষ্টি কৰা দেখা যায়। সেয়েহে এখন ৰাষ্ট্ৰৰ স্বাধীনতা তথা সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰখাৰ বাবে এই দুই ধৰণৰ সম্পদৰ সদ্ব্যৱহাৰ অপৰিহাৰ্য। ভাৰতৰ স্বাধীনতা সংগ্ৰামীসকলৰ নেতৃত্বত ভাৰতৰ শিক্ষাপ্ৰেমী ৰাইজে সাৰ্বজনীন, গোষ্ঠী আৰু ধৰ্মনিৰপেক্ষ, বৈজ্ঞানিক আৰু গণতান্ত্ৰিক শিক্ষা ব্যৱস্থা স্থাপনৰ হেতু যি দুৰ্বাৰ আন্দোলন গঢ়ি তুলিছিল, তাৰ সমৰ্থনত হেজাৰ হেজাৰ শিক্ষক, ছাত্ৰ আৰু শিক্ষানুৰাগীয়ে নিজৰ সৰ্বস্ব ত্যাগ কৰিছিল। ৰাষ্ট্ৰই সকলোকে শিক্ষালাভৰ সম-অধিকাৰ প্ৰদান কৰাৰ লগতে প্ৰচলিত শ্ৰেণীবৈষম্যৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাক সম্পূৰ্ণ অব্যৱসায়িক ৰূপত গঢ় দিয়াই আছিল প্ৰকৃত স্বাধীনতা-সংগ্ৰামীসকলৰ লক্ষ্য। পৰাধীনতাৰ শিকলি ছিঙি শিক্ষাক প্ৰকৃত মানুহ গঢ়াৰ লগতে সামাজিক বৈষম্য দূৰীকৰণৰ আহিলা ৰূপে ব্যৱহাৰ কৰাৰ উদ্দেশ্যে জনমত গঢ়ি তোলা হৈছিল। এনে উদ্দেশ্য সাধনৰ পদক্ষেপ ৰূপে ১৯৬৪ চনত 'কোঠাৰী আয়োগ'-এ এক আদৰ্শ প্ৰতিবেদন প্ৰস্তুত কৰে। কোঠাৰী আয়োগে শিক্ষাৰ গণতান্ত্ৰিক অধিকাৰ আৰু সামাজিক ন্যায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে দেশৰ জনসাধাৰণক বৌদ্ধিক তথা মানসিক বিকাশৰ পূৰ্ণ সুযোগ দিয়াৰ পোষকতা কৰিছিল। শিক্ষাৰ সম্প্ৰসাৰণৰ হেতু বি জি খেৰ আয়োগৰ প্ৰতিবেদনেও একেদৰে শিক্ষাক অবৈজ্ঞানিক কৰাৰ লক্ষ্য আগত ৰাখি কেন্দ্ৰীয় বাজেটৰ ১০ শতাংশ শিক্ষা শিতানত ব্যয়ৰ বাবে মঞ্জুৰ কৰাৰ আৱেদন জনাইছিল। শিক্ষা সকলোৰে বাবে উপলব্ধ হোৱাৰ এই সপোন আয়োগসমূহৰ লগতে ভাৰতৰ শিক্ষানুৰাগী জনসাধাৰণে দেখিছিল যদিও তথাকথিত স্বাধীনতা লাভৰ দিনৰে পৰাই পুঁজিপতি শ্ৰেণীৰ আজ্ঞাবাহী দেশীয় শাসকবৰ্গই শিক্ষাক উৎপাদক বিপ্লৱৰ চালিকাশক্তি ৰূপে ব্যৱহাৰ কৰাৰ বিপৰীতে কেনেকুৱা দৃষ্টিভংগী গ্ৰহণ কৰিছিল, তাৰ উমান ১৯৫৭ চনত UGCৰ চেয়াৰমেন চি ডি দেশমুখৰ শিক্ষা সম্পৰ্কে কৰাৰ মন্তব্য স্পষ্টভাৱে প্ৰতিফলিত



হয়। শিক্ষা আৰু ৰোজগাৰৰ বিষয়ত তেখেতে কৰা মন্তব্য আছিল এনেধৰণৰ— 'We want to restrict education in order to minimise the number of educated unemployed.' ৰাষ্ট্ৰই শিক্ষিতসকলক জনসেৱা আগবঢ়োৱাৰ সুযোগ নিদিয়াৰ কথাই কৌশলগতভাৱে ইয়াত কোৱা হৈছে।

১৯৮০ৰ দশকৰ আগলৈকে ছোভিয়েট ইউনিয়ন আৰু পূব ইউৰোপৰ লগত ভাৰতৰ আংশিক ৰাজনৈতিক সাদৃশ্য আৰু সমাজবাদৰ প্ৰতি ভাৰতৰ জনগণৰ আস্থাৰ প্ৰতি লক্ষ্য ৰাখি দেশীয় নেতৃত্বই শিক্ষাৰ লগতে অন্যান্য জনস্বাৰ্থ নিহিত খণ্ডবোৰক ৰাষ্ট্ৰৰ অধীনত ৰাখিবলগীয়া হৈছিল। পুঁজিবাদৰ অৱশ্যম্ভাবী ফলাফল দ্বিতীয় বিশ্বযুদ্ধৰ ধ্বংসলীলাই উদঙাই দিয়াৰ লগতে ছোভিয়েট শিবিৰৰ প্ৰযুক্তিবিদ্যাৰ পৰা ক্ৰীড়াক্ষেত্ৰলৈ সৰ্বদিশতে আগবঢ়োৱা চমকপ্ৰদ প্ৰদৰ্শনে বিশ্বক স্তম্ভিত কৰি তুলিছিল। কিন্তু ১৯৯১ চনত ছোভিয়েট ইউনিয়নৰ পতনে পুঁজিবাদী দেশবোৰৰ সাম্ৰাজ্যবাদী আগ্ৰাসনক পুনৰ গতিশীলতা প্ৰদান কৰে। মাত্ৰাধিক উৎপাদনৰ ফলত প্ৰয়োজন হোৱা বজাৰৰ অভাৱত এই দেশবোৰত আৰ্থিক সংকটে জটিল ৰূপ ধাৰণ কৰে। এই দেশবোৰৰ অহৰহ হেঁচা আৰু পূৰ্বৰে পৰা উদ্যোগীকৰণৰ প্ৰতি দেশীয় নেতৃত্বৰ অমনোযোগিতাৰ ফলত সৃষ্টি হোৱা আৰ্থিক সংকটৰ অজুহাত দেখুৱাই ভাৰতীয় অৰ্থনীতিত উদাৰীকৰণৰ নীতি গ্ৰহণ কৰা হয়। ইয়াৰ লগে লগে ভাৰতত বিদেশী পুঁজিৰ মুক্ত প্ৰৱেশৰ অনুমতি প্ৰদান কৰা হয়। পুঁজিবাদী দেশবোৰৰেই বহতীয়া সংস্থা যেনে বিশ্ব বেংক, আই এম এফ আৰু বিশ্ব বাণিজ্য সংস্থাৰ নিৰ্দেশমৰ্মে ভাৰতীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক ব্যক্তিগতকৰণ আৰু বাণিজ্যিকীকৰণৰ মাজেৰে এই দেশবোৰৰ বিনিয়োগৰ ক্ষেত্ৰ হিচাপে মুকলি কৰি দিবলগীয়া হয়। ভাৰতবৰ্ষত যদিও প্ৰত্যক্ষভাৱে উদাৰীকৰণ, যাক আমি বিশ্বায়ন (Globalisation) বুলিও ক'ব পাৰোঁ, ১৯৯৩ চনতহে কাৰ্যকৰী কৰা হয়, শিক্ষা খণ্ডত ইয়াৰ প্ৰভাৱ কুৰি শতিকাৰ আশীৰ দশকতেই পৰিলক্ষিত হয়। ১৯৮৬ চনত প্ৰৱৰ্তন কৰা নতুন জাতীয় শিক্ষানীতিত পোনপ্ৰথমবাৰৰ বাবে শিক্ষাক এক 'অসাধাৰণ বিনিয়োগ ক্ষেত্ৰ' আখ্যা দিয়া হয়। নতুন জাতীয় শিক্ষানীতিয়ে শিক্ষা খণ্ডত বাণিজ্যিকীকৰণৰ পথ প্ৰশস্ত কৰাৰ লগতে অদূৰ ভৱিষ্যতে জনসাধাৰণৰ শিক্ষাৰ ওপৰত থকা মৌলিক অধিকাৰ লোপ পোৱাৰ সম্ভাৱনাই দেখা দিয়ে।

১৯৯৪ চনত 'গেট'ৰ উৰুগুৱে ৰাউণ্ডৰ পিছত ১৯৯৫ চনত গেটক বিশ্ব বাণিজ্য সংস্থা (WTO) লৈ পৰিৱৰ্তিত কৰা হয়। 'গেট' চুক্তিক অনুমোদন জনোৱা ভাৰতবৰ্ষত নব্য-উদাৰবাদী নীতি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত WTOৰ সকলো নীতি-নিৰ্দেশ আখৰে-আখৰে মানি ল'বলৈ বাধ্য। গেটৰ অন্তৰ্ভুক্ত GATS (General Agreememt of Trade in Services)ৰ চৰ্ত অনুযায়ী মানৱ সম্পদৰ লগতে শিক্ষা খণ্ডত ব্যক্তিগত আৰু সাম্ৰাজ্যবাদী ধনতান্ত্ৰিক দেশসমূহৰ পুঁজি বিনিয়োগৰ ক্ষেত্ৰত থকা সকলো বাধা দূৰ কৰা হয় আৰু শিক্ষাৰ প্ৰতি থকা ৰাষ্ট্ৰৰ দায়বদ্ধতা ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰে। বিশ্বায়নোত্তৰ কালৰ শিক্ষা শিতানৰ ব্যয়ৰ পৰিমাণেই ইয়াৰ জ্বলন্ত উদাহৰণ। ২০০১-২০০২ চনত বহু পূৰ্বেই প্ৰস্তাৱিত ৬ শতাংশৰ বিপৰীতে শিক্ষা শিতানত ব্যয়ৰ পৰিমাণ মুঠ জাতীয় উৎপাদনৰ (GNP) ২.২ শতাংশলৈ নিম্নগামী হয়। অনাগত দিনবোৰত ভাৰতীয় শিক্ষা ব্যৱস্থাত হ'বলগীয়া সংস্কাৰৰ বিষয়ে চমু আভাস ১৯৯৮ চনৰ ৫-৯ অক্টোবৰত পেৰিছৰ আন্তৰ্জাতিক সন্মিলনত কেন্দ্ৰীয় মানৱ সম্পদ মন্ত্ৰী মুৰলী মনোহৰ যোশীৰ বক্তব্যৰ পৰা পাব পাৰি। ভাৰত চৰকাৰৰ প্ৰতিনিধি হিচাপে তেখেতে আগবঢ়োৱা ভাষণ আছিল এনেধৰণৰ— '...institutions of higher education should make effortes to raise their own resources by raising the fee levels, encouraging private donations and by generating revenues through consultancy and other activities.' – (Education in India : Vision and action, Country paper/8)

NDA চৰকাৰৰ কাৰ্যকালৰে পৰা শিক্ষাই কল্যাণকামী চৰিত্ৰ প্ৰায় হেৰুৱাই পেলায় আৰু ই বৃহৎ পুঁজিপতিসকলৰ ব্যক্তিগত মুনাফা লাভৰ মুকলি বজাৰলৈ ৰূপান্তৰিত হয়। NDA চৰকাৰৰ শাসনকালতেই শিক্ষা ব্যৱস্থাৰ আৰ্হি প্ৰস্তুতকৰণৰ দায়িত্ব কোনো বিশিষ্ট শিক্ষাবিদৰ বিপৰীতে ঐশ্বৰ্যশীল পুঁজিপতিয়ে লাভ কৰাৰ দৰে নজিৰবিহীন ঘটনাই বাস্তৱ ৰূপ লয়। তৎকালীন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ উপদেষ্টা পৰিষদে 'নতুন বিশ্বনীতি'ৰ পৰিপ্ৰেক্ষিতত শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ (?) হেতু এখন কমিটী গঠন কৰে আৰু এই কমিটীক নেতৃত্ব দিয়াৰ বাবে আমন্ত্ৰণ জনায় দেশৰ আগশাৰীৰ দুই উদ্যোগপতি মুকেশ আম্বানী আৰু কুমাৰমঙ্গলম বিৰলাক। এই কমিটীয়ে ২০০০ চনৰ এপ্ৰিল মাহত "A policy framework for reforms in education" শীৰ্ষক এখন প্ৰতিবেদন প্ৰধানমন্ত্ৰীৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰণালয়ত দাখিল কৰে। এই ৰিপ'ৰ্টত চকু ফুৰালেই নতুন শিক্ষানীতিৰ ৰেহৰূপ সম্পৰ্কে এটি স্বচ্ছ আভাস পাব পাৰি। কমিটীৰ প্ৰতিবেদন অনুসৰি শিক্ষাক সমাজ বিকাশৰ উপাদান হিচাপে বিবেচনা কৰাৰ মানসিকতা আজি সলনি কৰাৰ প্ৰয়োজন। উক্ত প্ৰতিবেদনে উচ্চ শিক্ষাত ৰাজসাহায্য কৰ্তনৰ লগতে ততালিকে উচ্চ শিক্ষাৰ ব্যক্তিগতকৰণৰ পোষকতা কৰিছে। Private University Billৰ ভিত্তিত কমিটীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাচুলৰ নিৰিখ, আসনৰ সংখ্যা আৰু পাঠ্যক্ৰম নিৰ্ধাৰণৰ স্বাধীনতাৰ ক্ষেত্ৰত বেচৰকাৰী বিনিয়োগকাৰীসকলক অগ্ৰাধিকাৰ দিয়াৰ কথা উল্লেখ কৰে। একেদৰে বেচৰকাৰী শিক্ষানুষ্ঠানসমূহত বৃত্তিমুখী পাঠ্যক্ৰম (Professional Course) যাতে বাধাগ্ৰস্ত নহয় সেইবাবে চৰকাৰী শিক্ষানুষ্ঠানৰ ফীজ বেচৰকাৰী প্ৰতিষ্ঠানৰ সমপৰ্যায়লৈ বৃদ্ধি কৰাৰ বাবে কমিটীয়ে আবেদন জনায়। ভৱিষ্যতে শিক্ষা ব্যয়বহুল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি 'Education Guarantee Scheme' পৰিৱৰ্তন কৰাৰ কথা কমিটীয়ে উল্লেখ কৰিছে। এই আঁচনিৰ অধীনত বিনিয়োগকাৰীসকলে চৰকাৰক শিক্ষা ঋণৰ ধন মঞ্জুৰ কৰিব। বৰ্তমানৰ বহুচৰ্চিত শিক্ষা ঋণৰ ধাৰণাটো এই ৰিপ'ৰ্টত দাঙি ধৰা হয়।

নব্য-উদাৰবাদী নীতি গ্ৰহণৰ পিছত ভাৰতত কাৰিকৰী শিক্ষাৰ

প্ৰয়োজনীয়তাই উচ্চ শিক্ষাৰ গুৰুত্বক পৰোক্ষভাৱে ম্লান কৰিব ধৰিছে। বহুজাতিক নিগমসমূহৰ অধীনস্থ শিক্ষানুষ্ঠানসমূহে প্ৰৱৰ্তন কৰা হ্ৰস্বম্যাদী (short term) পাঠ্যক্ৰমবোৰৰ দ্বাৰা মাচুল আহৰণৰ এয়া আন এক সংযোজন। সেয়েহে কিছুমান ব্যক্তিগত প্ৰচাৰ মাধ্যমে আজিকালি উচ্চ শিক্ষাৰ বিপৰীতে কাৰিকৰী (Vocational) শিক্ষা গ্ৰহণেৰে ছাত্ৰ-ছাত্ৰীসকলক স্বাৱলম্বী হোৱাৰ বিভিন্ন বাতৰি তথা বিজ্ঞাপন প্ৰচাৰ কৰিব ধৰিছে। উচ্চ শিক্ষাত সংকোচনৰ ওকালতি কৰা কিছুসংখ্যকৰ মতে ভাৰতত উচ্চ শিক্ষিতৰ বৰ্ধিত হাৰে জটিল ৰূপ লৈছে আৰু সেইবাবে উচ্চ শিক্ষাত ব্যয়ৰ পৰিমাণ হ্ৰাস কৰিব লাগে আৰু লগতে কাৰিকৰী শিক্ষাৰ অধিক সম্প্ৰসাৰণ ঘটাব লাগে। কিন্তু ভাৰতত উচ্চ শিক্ষাৰ প্ৰকৃত ছবিখন তেনে নহয়। কানাডা, আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী আদি উন্নত দেশসমূহত ১৮-৩০ বছৰ বয়সৰ ৩০ শংতাশতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ সুযোগ পোৱাৰ বিপৰীতে ভাৰতত এই গড় ৬ শতাংশহে। ২০০০ চনত প্ৰকাশিত UNESCOৰ সমীক্ষা মতে ভাৰতত গড়ে প্ৰতি ১১ হেজাৰ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মহাবিদ্যালয়ৰ সংখ্যা হৈছে ১খন আৰু প্ৰায় ৫ লাখ ছাত্ৰী-ছাত্ৰীৰ বিপৰীতে বিশ্ববিদ্যালয় হৈছে মাত্ৰ ১খন।

শিক্ষাৰ প্ৰতি ৰাষ্ট্ৰৰ অমনোযোগিতাৰ বাবেই আজি প্ৰাদেশীকৃত শিক্ষা প্ৰতিষ্ঠানসমূহত ব্যাপক আৰ্থিক সংকটে দেখা দিছে। যি সময়ত শিক্ষাৰ দৰে এক বিশাল ৰাজহুৱা খণ্ডত সংস্কাৰৰ প্ৰয়োজন শিক্ষানুৰাগী-জনসাধাৰণে বাৰুকৈয়ে অনুভৱ কৰিছে, সেই সময়তে দেশীয় কৰ্তৃপক্ষই শিক্ষাক ব্যৱসায়িক পণ্যলৈ ৰূপান্তৰিত কৰাৰ বাবে উঠি-পৰি লাগিছে। আমাৰ অসমতেই ক্ৰমবৰ্ধিত শিক্ষাৰ্থীৰ তুলনাত বিগত দুটা দশকত কিমানখন বিদ্যালয়, মহাবিদ্যালয় প্ৰাদেশিকীকৰণ কৰা হৈছে তাৰ উমান পোৱা যায়। যাৰ ফলত ৰাইজৰ প্ৰচেষ্টাত গঢ় লৈ উঠা শ-শ শিক্ষানুষ্ঠান অনিশ্চিত ভৱিষ্যতৰ দিশে ধাৱমান হৈছে। মহাবিদ্যালয়সমূহত দীৰ্ঘদিন ধৰি শিক্ষকৰ খালী হৈ থকা পদসমূহ পূৰণ নকৰাৰ বাবে শৈক্ষিক পাঠদানত বিজুতি ঘটিছে। মহাবিদ্যালয়ৰ প্ৰসাসনসমূহে উপায়হীন হৈ ৫০০/১০০০ টকাৰ বিনিময়ত কিছুদিনলৈ শিক্ষক নিযুক্তি দিব লগা হৈছে। পৰ্যাপ্ত আসনৰ অভাৱত, অস্বাভাৱিক হাৰত মাচুল বৃদ্ধিৰ ফলত হাজাৰ হাজাৰ দুখীয়া, নিম্ন মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ সপোন এতিয়া অলীক কল্পনাহে মাথোঁ।

দেশৰ প্ৰাথমিক শিক্ষাৰ অৱস্থাও প্ৰায় সমপৰ্যায়ৰ। যি সময়ত দেশৰ প্ৰতিটো শিশুৱে এক সোণালী ভৱিষ্যতৰ সপোন লৈ বিদ্যালয়লৈ যোৱাৰ সপোন দেখে, সেই সময়তে আৰ্থিক দুৰৱস্থাই ভাৰতৰ প্ৰায় ৬ কোটি শিশুক কাৰখানাৰ বনুৱাৰ ভূমিকা পালন কৰিবলৈ বাধ্য কৰায়। আজিও দেশৰ ৪০ শতাংশ শিশু স্কুলীয়া শিক্ষাৰ পৰা বঞ্চিত। ৰাজ্যৰ শিক্ষা বিভাগৰ তথ্য মতে ২০০৩-২০০৪ বৰ্ষত প্ৰাদেশীকৃত ৩১,৫৮৮খন প্ৰাথমিক বিদ্যালয়ত শিক্ষকৰ সংখ্যা হৈছে ৮৩,৯১৯জন। অৰ্থাৎ প্ৰত্যেক স্কুলে প্ৰতি ৩জনতকৈও কম শিক্ষক। আনহাতে ৰাজ্যৰ ৬,৭৪,৮৯৫জন ছাত্ৰ-ছাত্ৰীয়ে অপ্ৰাদেশীকৃত স্কুলত শিক্ষাগ্ৰহণ কৰি আছে। শিক্ষাত সংকোচন নীতিৰ ফলস্বৰূপে এই স্কুলবোৰ অনিশ্চিত ভৱিষ্যতৰ দিশে গতি কৰিছে। আজীৱন শিক্ষাদানৰ পিছতো বহুতো শিক্ষকে বিনাবেতনেই অৱসৰগ্ৰহণ কৰিবলগীয়া হৈছে। শিক্ষা ব্যৱস্থা কৰ্মমুখী নোহোৱাৰ বাবেই প্ৰাথমিক শিক্ষাত নামভৰ্তিকৰণৰ হাৰ নিম্নগামী হ'বলৈ ধৰিছে। এই হাৰ ১৯৯০/৯১ চনৰ ৬২.১ শতাংশৰ পৰা নিম্নগামী হৈ ১৯৯৮/৯৯ চনত ৫৬.৮ শতাংশ হয়গৈ।

উক্ত আলোচনাৰ পৰাই আমি উপলব্ধি কৰিব পাৰোঁ নব্য-উদাৰীকৰণৰ নামত কাৰ্যকৰী কৰা বাণিজ্যিকীকৰণ আৰু ব্যক্তিগতকৰণ নীতিৰ পৰা সাধাৰণ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে কেনে পৰিণাম আশা কৰিব পাৰে। আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিভা থকা সত্বেও শিক্ষা ক্ৰয়ৰ প্ৰতিযোগিতাত তিষ্ঠিব নোৱাৰি বিভিন্ন অনৈতিক পদ্ধতিৰে অৰ্থ উপাৰ্জনৰ পথকে বাছি ল'বলগীয়া হৈছে। যিয়ে দেশৰ শিক্ষাক বজাৰৰ পণ্য ৰূপে স্থাপন কৰা এনে দৃষ্টিভংগীৰ ফলত শিক্ষা আৰু সাধাৰণ শ্ৰেণীৰ মাজত সৃষ্টি হোৱা প্ৰাচীৰে শিক্ষাৰ ওপৰত মানুহৰ মৌলিক অধিকাৰৰ ঐতিহাসিক সত্যকেই ভূলুণ্ঠিত কৰিব ধৰিছে।

এনে এক জটিল সন্ধিক্ষণত সচেতন ছাত্ৰ সমাজে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি শিক্ষাৰ পণ্যকৰণৰ বিৰুদ্ধে এক বিপুল জনমত গ্ৰহণ কৰিব লাগিব। এচাম সুবিধাভোগী শ্ৰেণীৰ হাতৰ মুঠিত থকা ছাত্ৰ সংগঠনসমূহে দেশীয় চৰকাৰৰ অকৰ্মণ্যতাকেই ছাত্ৰ সমাজৰ দুৰৱস্থাৰ মূল কাৰণ বুলি কৈ আহিছে যদিও সাম্প্ৰতিক সময়ৰ বিশ্ব নীতিৰ প্ৰতি তেওঁলোকৰ অজ্ঞতাই নতুন প্ৰজন্মৰ মাজত আশাৰ সঞ্চাৰ কৰিব পৰা নাই। সেইবাবে এই ছাত্ৰ সংগঠনসমূহৰ নেতৃত্বৰ সান্নিধ্যলৈ অহা বেছিভাগ ছাত্ৰ-ছাত্ৰী দলীয় ৰাজনীতিতেই সীমাবদ্ধ থাকি শিক্ষা ব্যৱস্থাৰ সংস্কাৰৰ কথা ভাবিবলগীয়া হয়, যিটো এই মুলুকত সম্ভৱ নহয়। ছাত্ৰ সমাজক বিপথে পৰিচালিত কৰা এনে অপশক্তিসমূহৰ বিৰুদ্ধে ঐক্যবদ্ধ সংগ্ৰামেহে ছাত্ৰ সমাজক ন-পথৰ সন্ধান দিব পাৰিব। শ্ৰেণী সংগ্ৰামৰ ভিত্তিত গঢ়ি তোলা এক জন আন্দোলন অবিহনে শিক্ষাৰ বাঘজৰী ধনীক শ্ৰেণীৰ হাততেই নিহিত হৈ থকাটো নিশ্চিত। সাম্ৰাজ্যবাদী শক্তিসমূহৰ চৰম পতনত এই সময়ছোৱাত শুদ্ধ ৰাজনৈতিক মতাদৰ্শ আগত লৈ গঢ়ি তোলা শিক্ষা আন্দোলনেহে বৰ্তমানৰ শিক্ষা ব্যৱস্থাক সাধাৰণ শ্ৰেণীৰ মানুহৰ মৌলিক প্ৰয়োজন পূৰণত সহায় কৰি দেশত প্ৰগতিত জোৱাৰ আনিব পাৰিব। ■

**সহায়ক লেখা আৰু প্ৰসংগ পুথি :**

(১) উন্নয়ন আৰু শৈক্ষিক অগ্ৰগতি — ড° দেৱপ্ৰসাদ বৰুৱা,
(২) বিশ্বায়ন আৰু উচ্চ শিক্ষাৰ বাণিজ্যিকীকৰণ— বিপুল কুমাৰ দত্ত,
(৩) অসমত উচ্চ শিক্ষাৰ ভৱিষ্যৎ— ড° কন্দৰ্প দাস,
(৪) উচ্চ শিক্ষাৰ সংকট— গণশক্তি প্ৰকাশন আৰু
অন্যান্য গ্ৰন্থ আৰু পত্ৰিকা।

# মহাপুৰুষ শঙ্কৰদেৱৰ দশমত শৰতৰ চিত্ৰ আৰু তত্ত্ব

ড° বিনীতা বৰুৱা

*বাছনি মানৰ প্ৰবক্তা, অসমীয়া বিভাগ*

সাত্বিক আৰু মহাপুৰাণ বুলি খ্যাত শ্ৰীমদ্ভাগৱত পুৰাণৰ দশম স্কন্ধৰ অনুবাদ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ এক মহৎ কৃতি। শঙ্কৰদেৱে শ্ৰীমদ্ভাগৱত পুৰাণৰ আদি দশম ৰচনা প্ৰসংগত এইদৰে উল্লেখ কৰিছে —

নমো নমো ভগৱন্ত ভকতৰ নিধি।
হৰিক স্মৰণে আৰম্ভৰ হৌক সিদ্ধি।।
মহাভাগৱত কথা দশম স্কন্ধৰ।
বিৰচিলা পদ কৃষ্ণ কিঙ্কৰ শঙ্কৰ।।

মহাপুৰুষ শঙ্কৰদেৱে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে শ্ৰীমদ্ভাগৱত পুৰাণকেই সৰ্বশ্ৰেষ্ঠ আৰু প্ৰামাণ্য গ্ৰন্থ ৰূপে গ্ৰহণ কৰিছে। সুপ্ৰাচীন কালৰে পৰাই ভাৰতবৰ্ষত প্ৰচলিত হৈ অহা ভাগৱতক পুৰাণৰ সূৰ্য বুলি কোৱা হয়। শঙ্কৰদেৱে কৈছে—

শুনা সভাসদ পদ মহাভাগৱত।
পুৰাণৰ সূৰ্য্য আৰ শুনিয়ো মহত।।

ভাগৱত পুৰাণৰ বিষয়বস্তু দ্বাদশ স্কন্ধত বিভক্ত। ইয়াৰ প্ৰতিপাদ্য বিষয় হৈছে বেদ, বৈকুণ্ঠ আৰু শ্ৰীকৃষ্ণ। শ্ৰীকৃষ্ণ পৰমব্ৰহ্ম, সদানন্দ স্বৰূপ। তেৱেঁই বসুদেৱসুত দৈৱকীনন্দন, কৃষ্ণস্তু ভগৱান স্বয়ম্। দশম স্কন্ধত শ্ৰীকৃষ্ণৰ জন্ম আৰু বাল্যলীলাৰ পৰা আৰম্ভ কৰি গোপী-উদ্ধৱ সংবাদ আৰু উদ্ধৱৰ মথুৰালৈ প্ৰত্যাৱৰ্তনলৈকে বিভিন্ন কাহিনীৰ মনোৰম বৰ্ণনা পোৱা যায়।



অসমৰ জাতীয় জীৱনত বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তিত্ব, সমাজ সংস্কাৰক শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান অতুলনীয়। একেধাৰে কবি, নাট্যকাৰ, সঙ্গীতজ্ঞ, ধৰ্মপ্ৰৱৰ্তক, ধৰ্মসংস্কাৰক, পৰমভক্ত শঙ্কৰদেৱে অসমৰ ধৰ্ম, সমাজ, সাহিত্য-সংস্কৃতিৰ জগতত এক অভূতপূৰ্ব আলোড়ন আনি মানসিক আৰু আধ্যাত্মিকভাৱে জাতিটোক গঢ় দি থৈ গ'ল। শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিভা অকল ধৰ্মৰ ক্ষেত্ৰতে নহয়, সাহিত্যৰ ক্ষেত্ৰতো আছিল অপৰিসীম। গুৰুজনাৰ ক্ষেত্ৰত ধৰ্ম আৰু সাহিত্য পৰিপূৰক আছিল। ধৰ্মপ্ৰচাৰক কেন্দ্ৰ কৰি সৃষ্টি কৰা অমূল্য গ্ৰন্থ আৰু ৰচনাৰাজিয়ে, সুকুমাৰ কলা সাধনাই পঞ্চদশ-ষোড়শ শতিকাত এক নৱজাগৰণ আনিবলৈ সক্ষম হৈছিল।

শঙ্কৰদেৱৰ অনুবাদমূলক গ্ৰন্থৰাজিৰ ভিতৰত ভাগৱতৰ দশম স্কন্ধ (আদি ছোৱা) শ্ৰেষ্ঠ আৰু অনুপম। এইটো ঠিক যে ভাগৱতৰ সকলো স্কন্ধৰে ভিতৰত দশম স্কন্ধৰ কাহিনী, বিষয়বস্তু বৰ্ণনা, জনপ্ৰিয়তা, তাৎপৰ্য সকলো দিশৰ পৰাই চিত্তাকৰ্ষক আৰু মহত্বপূৰ্ণ। ভাগৱতৰ অনুবাদত তেওঁ শ্ৰীধৰ স্বামীৰ ভাষ্য ভাগৱত ভাবাৰ্থ দীপিকা অনুসৰণ কৰিছিল। তেওঁৰ অনুবাদ ৰীতিৰ বৈশিষ্ট্য এয়ে যে মূলৰ হুবহু অনুবাদ, সাৰভাগ অনুবাদ, জনসাধাৰণক আকৰ্ষণ কৰিব পৰাখিনি অনুবাদ। বিশেষকৈ পদৰ জৰিয়তে বিষয়বস্তুৰ আভাস দাঙি ধৰি পিচত তাক বহলাই বুজাই দিয়া ৰীতি পৰিলক্ষিত হয়। গুৰুজনাই ধৰ্মীয় জীৱনৰ শেষ কালছোৱাত পাটবাউসীত থাকোঁতে ভাগৱতৰ দশম স্কন্ধৰ আদি ছোৱা অতি শুৱলা আৰু ভক্তিধৰ্মৰ মূলতত্ত্বসমূহ জনসাধাৰণে বুজিব পৰাকৈ ভাঙনি কৰিছিল। সেইকাৰণে বৈষ্ণৱ জনমানসত বৈষ্ণৱ ধৰ্মৰ চাৰিপুথিৰ অন্তৰ্গত দশম পুথি অন্যতম আৰু জনপ্ৰিয়।

দশমত শৰতৰ চিত্ৰ আৰু তত্ত্ব সম্বন্ধে আলোচনাৰ প্ৰসংগত স্মৰণ কৰিব লাগিব শঙ্কৰদেৱৰ ৰচনাশক্তিৰ অপূৰ্ব দক্ষতা। বিশেষকৈ প্ৰাকৃতিক বৰ্ণনাৰ ক্ষেত্ৰত অসমৰ ছয় ঋতুৰ বিভিন্ন পৰিৱেশ, অসমৰ গছ-গছনি, ফুল-ফুলনি, চৰাই-চিৰিকটি, নদ-নদী, জলাশয় আদিৰ চিত্ৰৰ মনোৰম আৰু জীৱন্ত বৰ্ণনাই শঙ্কৰদেৱক যেন এজন প্ৰকৃতিবিদলৈ উন্নীত

কৰিছে। শৰতৰ চিত্ৰ অংকনত শঙ্কৰদেৱে প্ৰয়োগ কৰা শব্দচয়ন, উপমা, ৰূপকৰ তুলনা নাই। শৰত কালৰ প্ৰত্যেকটো যোজনা, পটন্তৰ আদিৰ জৰিয়তে প্ৰকাশ কৰিছে। একোটা গধুৰ দাৰ্শনিক ভাবচিত্ৰ পৰিচিত চিত্ৰকল্পৰ দ্বাৰা বৰ্ণনা কৰিব পৰাতেই তেওঁৰ পাণ্ডিত্য প্ৰকাশ পাইছে। কাৰণ অতি পৰিচিত শৰত কালৰ বৰ্ণনাৰ জৰিয়তে মহাপুৰুষজনাই এফালে শৰতৰ স্নিগ্ধ প্ৰতিচ্ছবি আৰু আনফালে অনভিজ্ঞ সৰল জনসাধাৰণক ভক্তিধৰ্মৰ তত্ত্ব, মাহাত্ম্য আৰু মধুৰতা ব্যাখ্যা কৰিছে। শঙ্কৰদেৱৰ দশম স্কন্ধৰ শৰত বৰ্ণনা এক অখণ্ড চিত্ৰ; তদুপৰি শ্ৰীকৃষ্ণৰ ৰাসলীলা অধ্যায়তো শৰতৰ চিত্ৰ অতি মনোৰমকৈ পৰিস্ফুট হৈছে।

**মহাপুৰুষ শঙ্কৰদেৱৰ আদি দশম কল্পনা, চিত্ৰধৰ্মিতা, ৰচনাশৈলী আৰু চিন্তাদৰ্শনৰ ফালৰ পৰা উৎকৃষ্ট কাব্য আৰু সুখপাঠ্য**

শুকমুনিয়ে বৰ্ষা ঋতুৰ সময় পাৰ হৈ যোৱাৰ পিছতে শৰত কালৰ আগমনৰ কথা ৰজা পৰীক্ষিতৰ আগত ব্যক্ত কৰিছে। শঙ্কৰদেৱে দশমৰ 'শৰত বৰ্ণনা'ৰ আৰম্ভণি এনেদৰে কৰিছে—

ৰাজাক সম্বোধি কহে শুকে যেৱে
বাৰিষা সময় গৈল।
শৰত কালৰ যত মহাগুণ
সবেও বিদিত ভৈল।।

ছয় ঋতুৰ অনন্য লীলাভূমি ভাৰতবৰ্ষ। সংস্কৃত সাহিত্যত ছয় ঋতুৰ অপূৰ্ব বৰ্ণনা পোৱা যায়। বসন্ত ঋতুক ঋতুৰাজ বসন্ত বুলি অভিহিত কৰা হয়। শৰত ঋতুকো উচ্চ স্থান দিয়া দেখা যায়।

সকলো ঋতুৰ ভিতৰতে শৰত কাল হৈছে সুখকৰ কাল। এই ঋতুৰ আগমনত আকাশ মেঘমুক্ত হৈ নিৰ্মল হয়; সৰোবৰত ফুলবোৰ ফুলি উঠে, বিবিধ পক্ষীয়ে কলধ্বনিৰে চৌদিশ মুখৰ কৰে— ইয়াক যোগভ্ৰষ্ট যোগীয়ে পুনৰ সাধনাৰ দ্বাৰা সিদ্ধি লাভ কৰা কথাৰ সৈতে ৰিজাইছে—

গগণ নিৰ্ম্মল স্বচ্ছ ভৈল জল
দূৰ গৈল মেঘগণ।
মহাসুখকৰ সুৰভি শীতল
বহে বায়ু সৰ্ব্বক্ষণ।। ৭২২
পক্ষী কৰৈ ধ্বনি সৰোবৰ ছানি
বিকশিত পুষ্পবন।
যেন যোগভ্ৰষ্টে দুনাই অভ্যাসিয়া
কৰিল নিৰ্ম্মল মন।।

শৰত কালে প্ৰধানকৈ চাৰিটা কাৰ্য সাধন কৰে বুলি কবিয়ে বৰ্ণনা কৰিছে। শৰতে মেঘাচ্ছন্ন আকাশ মুক্ত কৰে; বাৰিষা বিপদসঙ্কুল অৱস্থাত থকা জীৱ-জন্তুবোৰে মুক্তমনে বিচৰণ কৰে শৰত কালতে। বাৰিষাৰ পঙ্কিলতাৰে ভৰপূৰ বাট-পথবোৰ শৰতত সুচল হৈ পৰে। জলৰাশি স্বচ্ছ নিৰ্মল হৈ পৰে।

শৰত কালত বাৰিষাৰ প্ৰচণ্ড উৰ্মিযুক্ত সাগৰ শান্ত হৈ পৰে; সূৰ্যৰ প্ৰখৰ তাপৰ ক্লান্তি চন্দ্ৰই দূৰ কৰে। নীলিম আকাশত নক্ষত্ৰসমূহে বিশেষকৈ পূৰ্ণচন্দ্ৰই এক অপৰূপ শোভা বৰ্ধন কৰে। এই ঋতুতেই সুগন্ধ সুশীতল বায়ুৰ পৰশত ৰৌদ্ৰকান্তি আঁতৰি যায়। শতদল বিকশিত হৈ উঠে। শৰত ঋতুতে সোণালী ধাননিয়ে গাঁও-নগৰ ওপচাই তোলে, যেনেকৈ ৰাম-কৃষ্ণ দুয়ো গোকুল উজলাই তোলে।

লক্ষ্যণীয় যে শঙ্কৰদেৱৰ দশমৰ শৰত বৰ্ণনা আৰু ৰাসলীলা অধ্যায়ৰ শৰত কালৰ বৰ্ণনাত প্ৰকৃতিৰ চিত্ৰ অধিক বিস্তৃত আৰু সজীৱ হৈ উঠিছে। শৰত কালৰ মনোমোহা চিত্ৰ একোটাৰ লগত তাত্ত্বিক দিশৰ অৱতাৰণা কৰি এফালে সাহিত্যৰ ৰস আৰু আনফালে ভক্তিৰসৰ নিজৰা বোৱাইছে। শৰতৰ প্ৰাকৃতিক চিত্ৰই আধ্যাত্মিক জগত উদ্ভাসিত কৰি তুলিছে আৰু তাৰ লগে লগে ভক্তিৰস সঞ্চাৰ কৰিছে।

পৰমব্ৰহ্ম শ্ৰীকৃষ্ণৰ লীলা আৰু গুণানুকীৰ্তন, কাৰ্যকাৰণ অতি সুন্দৰকৈ প্ৰকাশ কৰিছে—

পৃথিৱীৰো সবে কৰ্দ্দম গুচিল
বৈ গৈল পথ সুচল।
যত জলমানে সবে স্বচ্ছ ভৈল
শৰতে হৰিল মল।।
চাৰি ঠাইৰ চাৰি কাৰ্য্য সাধিলেক
সুনা তাৰ পটন্তৰ।
কৃষ্ণৰ ভকতি যেন চাৰি দুখ
হৰৈ চাৰি আশ্ৰমৰ।।

শৰতৰ চাৰি কাৰ্যৰ লগত মানৱ জীৱনৰ চাৰি আশ্ৰমৰ তাৎপৰ্য ব্যক্ত কৰিছে। ব্ৰহ্মচৰ্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্ন্যাস— এই চাৰি আশ্ৰমৰে সুকীয়া সুকীয়া কৰ্মৰাজি আছে। প্ৰত্যেক আশ্ৰমৰ কৰ্মৰাজিতেই কঠোৰ শ্ৰম লাগে, সাধনা লাগে। কিন্তু পৰমপুৰুষ কৃষ্ণৰ ভকতিয়ে একেলগে চাৰি আশ্ৰমৰ দুখ মোচন কৰিব পাৰে। ইয়াৰ দ্বাৰা কৃষ্ণভক্তিৰ মাহাত্ম্য তথা বৈষ্ণৱ ধৰ্মৰ মূলতত্ত্ব মধুৰ ৰূপত প্ৰকাশ কৰিছে। আকৌ হৰিভক্তিৰ মাহাত্ম্য প্ৰকাশৰ ক্ষেত্ৰত বৰ্ণনা কৰিছে—

যাৰে কৃষ্ণকথা শ্ৰৱণ কীৰ্ত্তনে
নতু কৰৈ নৰে ৰতি।
শৰত কালৰ এতেক উপমা
জানিবা হৰি ভকতি।। ৭২৬

হৰিভক্তি অবিহনে মনুষ্য জীৱন যে ব্যথা, হৰিভক্তিক আশ্ৰয় কৰি জীৱন সাৰ্থক কৰা জ্ঞানীজন আৰু ভক্তিধৰ্ম বুজিব নোৱৰা অজ্ঞানীজনৰ জীৱনত অসাৰ্থকতাক অলপ পানীৰ মাছৰ বিপদৰ লগত তুলনা কৰি বৰ্ণনা কৰিছে—

অলপ পানীৰ মৎস্যে নজানিল
শুখাই টুটি পৰে পানী।
আয়ু যায় নিত তাত নেদে চিত
যেন মহামূঢ় প্ৰাণী।।

অলপ পানীৰ মৎস্য অজানিতে বিপদত পৰাৰ দৰে অজ্ঞানী লোকেও মিছাতে আয়ুস ক্ষয় কৰে। জ্ঞানীসকলে সাংসাৰিক মায়া-মোহ ত্যাগ কৰি জীৱন সাৰ্থক কৰি তোলে। শৰত কালত উত্তাল তৰংগযুক্ত বিশাল সাগৰো স্থিৰ, শান্ত হৈ পৰে; মুনিসকলেও বেদতত্ত্ব হৃদয়ঙ্গম কৰি চিত্ত শান্তময় কৰি তোলে—

শৰত কালৰ নিশ্চল সাগৰ
উৰ্ম্মিৰ ৰোল নুশুনি।
চিত শান্ত কৰি বেদ পাঠ এৰি
যেন মৌন থাকে মুনি।।
* * *
শৰত কালত সূৰ্য্যৰ তাপত
চন্দ্ৰ দূৰ কৰৈ দুখ।
যেন গোপবধূ বিৰহ তাপত
তৰৈ দেখি কৃষ্ণ মুখ।।

শৰত কালত সূৰ্যৰ উত্তাপ চন্দ্ৰই হৰণ কৰাৰ দৰে গোপীসকলৰ বিৰহ প্ৰাণৰ বেদনা কৃষ্ণ দৰ্শনত দূৰ হয়। আকাশৰ অগণন তৰাৰ মাজত যিদৰে চন্দ্ৰই অখণ্ডভাৱে শোভা কৰে, সেইদৰে বৃষ্ণি বংশৰ মাজত যদুপতি শ্ৰীকৃষ্ণই অধিক দীপ্তিমন্ত।

এহিমতে সিটো শৰতৰ গুণে
আমোদিত বৃন্দাবন।
গৰুগোপ গণ সমে ভ্ৰমৈ তাত
আনন্দে নন্দ নন্দন।।

এইদৰে শৰত ঋতুৰ সুন্দৰ আনন্দমুখৰ পৰিৱেশতেই জগতৰ পতি নন্দকুমাৰ শ্ৰীকৃষ্ণই গোপবালকৰ সৈতে শৰতৰ গুণত আমোলমোল বৃন্দাবনত গৰু চৰাই ফুৰিছে, নানা ক্ৰীড়া কৌতুক কৰি ফুৰিছে। শৰতৰ লগত যেন বৃন্দাবনৰ এক নিবিড় সম্বন্ধ।

দশম কাব্যৰ অন্য এক সুন্দৰ শাৰদীয় চিত্ৰ আৰু পৰম তত্ত্ব হ'ল ৰাসলীলা— যি শৰত কালৰ পূৰ্ণিমাত আৰম্ভ হৈছিল ঃ

শৰত কালৰ ৰাত্ৰি অতি বিতোপন।
বহুবিধে পুষ্পে বিকশিত বৃন্দাবন।।
দেখি যোগমায়া বলে হৰিষে তহিত।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত।। ১২১০
* * *
দেখিলাহা ইটো বৃন্দাবন বিকশিত।
পূৰ্ণ চন্দ্ৰমাৰ চাৰু ৰশ্মিয়ে ৰঞ্জিত।।
* * *
কোকিলৰ কুহু কুহু ধ্বনি সুললিত।
শৰত চন্দ্ৰৰ কান্তি আতি প্ৰকাশিত।।

পৰম ভগৱন্ত শ্ৰীকৃষ্ণই ৰাসলীলা কৰিবলৈ শৰত ঋতুকেই প্ৰাধান্য দিয়াৰ তাৎপৰ্য আছে। শৰতৰ নিৰ্মল সুষমা পৰিৱেশে জীৱনৰ সকলো মলিনতা, দেহ-মনৰ কলুষতা নিকা কৰে। ভগৱন্তৰ নাম শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা সজ্ঞান মানৱৰ জীৱন সাৰ্থক হয়। শৰত কালৰ উপস্থিতিতেই জীৱাত্মা পৰমাত্মাত মিলিত হ'বলৈ প্ৰশস্ত সময়। সেয়েহে হৃদয় মুক্ত কৰি চিত্ত শুদ্ধ কৰি অন্তৰ্যামী পৰমজনৰ লগত সপ্ৰেম ভক্তি কৰিবলৈকে ভগৱানৰ ভক্তলৈ আহ্বান— এই ৰাসলীলাৰ।

প্ৰকৃতিৰ সহায়ত জীৱক ঈশ্বৰমুখী কৰাই পূৰ্ণ অৱতাৰ শ্ৰীকৃষ্ণৰ দুৰন্ত প্ৰচেষ্টা। অনন্ত কালজুৰি জীৱাত্মা আৰু পৰমাত্মাৰ যি লীলা, সেই লীলা জনসাধাৰণক বুজাবৰ বাবে মায়াৰ দ্বাৰাই শ্ৰীকৃষ্ণই গোপীসকলৰে সৈতে বৃন্দাবনত ৰাসলীলাত অৱতীৰ্ণ হৈছিল। সংসাৰ ধৰ্মত থাকিও যে একান্ত ভক্তিৰে ঈশ্বৰক পাব পাৰি, সেয়া প্ৰতিপন্ন হৈছে ৰাসলীলাত—

শুনিয়োক বুদ্ধজন জনম সাফলি।
কামজয় নামে ইটো কেশৱৰ কেলি।।

প্ৰকৃততে মহাপুৰুষ শঙ্কৰদেৱৰ আদি দশম কল্পনা, চিত্ৰধৰ্মিতা, ৰচনাশৈলী আৰু চিন্তাদৰ্শনৰ ফালৰ পৰা উৎকৃষ্ট কাব্য আৰু সুখপাঠ্য। ■

# প্ৰব্ৰজন আৰু সাংস্কৃতিক-সামাজিক আগ্ৰাসন

**জাহ্নু ভৰদ্বাজ**
*স্নাতক দ্বিতীয় বৰ্ষ, ইতিহাস বিভাগ*

**ভা**ৰতীয় সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। আবহমান কালৰে পৰা বাস কৰি অহা বা প্ৰব্ৰজিত হোৱা বিভিন্ন জনগোষ্ঠীৰ পাৰস্পৰিক সংস্পৰ্শ আৰু সমন্বয়ত গঢ়ি উঠিছে শক্তিশালী একক ভাৰতীয় সংস্কৃতি। কিছু কিছু ক্ষেত্ৰত ৰাজনৈতিক তথা ধৰ্মীয় একত্ৰীকৰণ আৰু পৃথকীকৰণে এই সাংস্কৃতিক সমন্বয়ত প্ৰভাৱ পেলালেও মূলতঃ আদান-প্ৰদান, দিয়া-লোৱাৰ মাধ্যমেৰে গঢ়ি উঠিছে সমন্বিত ভাৰতীয় সংস্কৃতি। বিশাল ভাৰতীয় সংস্কৃতিৰে এক তাঙৰণ অসমীয়া সংস্কৃতি। ই গঢ়ি উঠিছে বিভিন্ন জনগোষ্ঠীৰ নৃতাত্ত্বিক তথা সাংস্কৃতিক সমন্বয়ত। বহুক্ষেত্ৰত ভৌগোলিক তথা নৃতাত্ত্বিক কাৰণৰ বাবে অসমীয়া সংস্কৃতি বা অসমীয়া জাতি ভাৰতীয় সংস্কৃতিতকৈও অনন্য তথা স্বকীয় হৈ পৰিছে। সমন্বয়ৰ এই প্ৰক্ৰিয়াত এক ভাৰতীয় বুলি কোৱাৰ লগে লগে প্ৰত্যেক জনগোষ্ঠীৰ নিজস্ব নৃতাত্ত্বিক তথা সাংস্কৃতিক স্বকীয়তাৰ কথাও নহাকৈ নাথাকে। সমন্বয়ৰ প্ৰক্ৰিয়াত জড়িত হৈও নিজস্ব সুকীয়া পৰিচয় দিয়াসকল প্ৰত্যেকেই এক নিৰ্দিষ্ট ভৌগোলিক পৰিসীমাত বাস কৰা স্বকীয় সংস্কৃতি তথা নৃতাত্ত্বিক বৈশিষ্ট্যসম্পন্ন একো একোটা জনগোষ্ঠী। আদান-প্ৰদানৰ মাজেৰে এই স্বকীয় সাংস্কৃতিক-নৃতাত্ত্বিক বৈশিষ্ট্যসম্পন্ন জনগোষ্ঠীসমূহ বিশাল ভাৰতীয় জাতিৰ অন্তৰ্ভুক্ত হৈ পৰিছে। কিন্তু বৰ্তমানৰ পৰিস্থিতিত জনগোষ্ঠীয় তথা ভৌগোলিক-নৃতাত্ত্বিক বিচ্ছিন্নতাবাদৰ উত্থানে এক গুৰুত্বপূৰ্ণ বিষয়ৰ অৱতাৰণা কৰিছে, সেইটো হ'ল— "সমন্বিত 'ভাৰতবৰ্ষ'ৰ ধাৰণাৰ আঁৰত কাৰ্যক্ষেত্ৰত অতি শক্তিশালী একীভূত শাসন ব্যৱস্থাই বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক স্বকীয়তা বজাই ৰখাত সহায় কৰিছেনে?" ঐক্য আৰু সমন্বয়ৰ আদৰ্শ বা প্ৰক্ৰিয়াৰ আঁৰত বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক স্বকীয়তা দমনৰ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া চলি আছে নেকি?

সাম্প্ৰতিক ভাৰতবৰ্ষৰ (বা অসমৰো) পৰিস্থিতি অতি গভীৰভাৱে অধ্যয়ন কৰিলে বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক স্বকীয়তা দমনৰ অবিৰত চেষ্টাৰ কথা উমান কৰিব পাৰি। নীৰৱ আৰু নিৰৱচ্ছিন্ন এই প্ৰক্ৰিয়াৰ ফলতে ইতিমধ্যে বহুকেইটা জনগোষ্ঠীয়ে নিজস্ব সাংস্কৃতিক পৰিচয় হেৰুৱাব লগাত পৰিছে আৰু অন্যান্য কিছুসংখ্যক জনগোষ্ঠী এই একেটা পৰ্যায়ত উপনীত হৈছে। ঔপনিৱেশিক আগ্ৰাসন— অবাধ প্ৰব্ৰজন আৰু সাংস্কৃতিক দমনৰ এই প্ৰক্ৰিয়াৰ মাজত অৱধাৰিতভাৱেই যোগসূত্ৰ আছে। বহুক্ষেত্ৰত ইয়াৰ বাবে সংশ্লিষ্ট জনগোষ্ঠীসমূহেই মুখ্যতঃ দায়ী যদিও ইয়াৰ আঁৰত এখন বিদেশী ৰাষ্ট্ৰ বা চুবুৰীয়া ৰাজ্যৰ চৰকাৰী বা বেচৰকাৰী পৃষ্ঠপোষকতাত উক্ত বিদেশী ৰাষ্ট্ৰ বা চুবুৰীয়া ৰাজ্যৰ শক্তিশালী জনগোষ্ঠীয়ে উক্ত নিৰ্দিষ্ট ভূখণ্ডত বাস কৰা তুলনামূলকভাৱে দুৰ্বল (সংখ্যাগত দিশত) তথা আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত অনগ্ৰসৰ জনগোষ্ঠীক উচ্ছেদ-দমনৰ বা নিৰ্মূল কৰাৰ আঁচনি বা অন্যাৰ্থত সেই অনুন্নত জনগোষ্ঠীৰ ওপৰত নীৰৱ অবিৰত আক্ৰমণৰো অৰিহণা থাকে।

ভাৰতবৰ্ষৰ ক্ষেত্ৰত সাধাৰণ দৃষ্টিত ৰাজনৈতিকভাৱে বা অৰ্থনৈতিকভাৱে এই ধাৰণা বা প্ৰক্ৰিয়া পৰিস্ফুট নহ'লেও সামাজিকভাৱে এই প্ৰক্ৰিয়াৰ ফলশ্ৰুতি অতি লক্ষ্যণীয়। সমগ্ৰ পূৰ্ব ভাৰতৰ জনগাঁথনিৰ দৃশ্যপট মন কৰিলে এই আৰ্থ-সামাজিক আৰু সাংস্কৃতিক আগ্ৰাসনৰ বিষয়টো অধিক স্পষ্ট হৈ পৰিব। ত্ৰিপুৰীসকল নিজৰ মাতৃভূমিত বৰ্তমান সংখ্যালঘু বুলি স্বীকৃত হৈছে। অতি কম সময়ৰ ভিতৰতে পূৰ্ব বংগৰ পৰা আহি ত্ৰিপুৰাত থিতাপি লোৱা প্ৰব্ৰজনকাৰীসকলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক আগ্ৰাসনে (শোষণে!) ত্ৰিপুৰী জনগোষ্ঠীৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। দুখজনক কথাটো হ'ল যে নিৰ্যাতিত-অৱদমিত ত্ৰিপুৰীসকলে বৰ্তমান নিজৰ ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে, আৰ্থ-সামাজিক অধিকাৰ সাব্যস্ত কৰিবৰ বাবে নিজৰ মাতৃভূমিতে আন্দোলন কৰিবলীয়া হৈছে। একেদৰেই, নেপালীসকলৰ অবাধ প্ৰব্ৰজন তথা আগ্ৰাসনৰ ফলত ছিকিমত থকাৰ অধিকাৰ হেৰুৱাই পেলাইছে। অনুৰূপ আৰ্থ-সামাজিক দমন তথা আগ্ৰাসনৰ প্ৰক্ৰিয়া এটা পূব ভাৰতৰ অসমকে ধৰি অন্যান্য কেইবাখনো ৰাজ্যত চলি আছে। এই ৰাজ্যসমূহতো খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ নিজ নিজ গৃহভূমিৰ ওপৰত থকা অধিকাৰ

... ... ...

**সাধাৰণ দৃষ্টিত ৰাজনৈতিকভাৱে বা অৰ্থনৈতিকভাৱে এই ধাৰণা বা প্ৰক্ৰিয়া পৰিস্ফুট নহ'লেও সামাজিকভাৱে এই প্ৰক্ৰিয়াৰ ফলশ্ৰুতি অতি লক্ষ্যণীয়। সমগ্ৰ পূৰ্ব ভাৰতৰ জনগাঁথনিৰ দৃশ্যপট মন কৰিলে এই আৰ্থ-সামাজিক আৰু সাংস্কৃতিক আগ্ৰাসনৰ বিষয়টো অধিক স্পষ্ট হৈ পৰিব। ত্ৰিপুৰীসকল নিজৰ মাতৃভূমিত বৰ্তমান সংখ্যালঘু বুলি স্বীকৃত হৈছে। অতি কম সময়ৰ ভিতৰতে পূৰ্ব বংগৰ পৰা আহি ত্ৰিপুৰাত থিতাপি লোৱা প্ৰব্ৰজনকাৰীসকলৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক আগ্ৰাসনে (শোষণে!) ত্ৰিপুৰী জনগোষ্ঠীৰ অস্তিত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। দুখজনক কথাটো হ'ল যে নিৰ্যাতিত-অৱদমিত ত্ৰিপুৰীসকলে বৰ্তমান নিজৰ ভাষা-সংস্কৃতি ৰক্ষাৰ বাবে, আৰ্থ-সামাজিক অধিকাৰ সাব্যস্ত কৰিবৰ বাবে নিজৰ মাতৃভূমিতে আন্দোলন কৰিবলীয়া হৈছে**

... ... ...

আৰু সাংস্কৃতিক স্বকীয়তা বিপন্ন হৈ পৰিছে। এই পৰিস্থিতিয়ে এক ভয়াৱহ ভৱিষ্যতৰ সূচনা কৰিছে।

সাধাৰণভাৱে সৰ্বভাৰতীয় পৰিস্থিতিৰ লগত মিল আছে যদিও বৰ্তমান পৰিস্থিতিত অসমৰ সমস্যা অধিক গভীৰ তথা জটিল হৈ পৰিছে। বিগত সময়ত কিছু ঘটনাই অসমৰ ক্ষেত্ৰত এই অনুপ্ৰৱেশ আৰু ভাষিক-সাংস্কৃতিক আগ্ৰাসনৰ বিষয়টো অধিক স্পষ্ট কৰি তুলিছে। স্বাধীনতাৰ আগৰে পৰা বৰ্তমানলৈ অসমলৈ হৈ থকা বিদেশী বা স্বদেশীৰ অবাধ প্ৰব্ৰজনে অসমৰ জনগাঁথনিৰ ব্যাপক পৰিৱৰ্তন ঘটাইছে। দিয়া-লোৱা তথা সহনশীলতাৰে অসমত বহুদিন ধৰি বসবাস কৰি অসমৰ মাটি-পানী-বায়ু-আকাশক আপোন কৰি অসমীয়া সংস্কৃতিত বিলীন হৈ যোৱা প্ৰত্যেকজন প্ৰব্ৰজনকাৰীয়ে প্ৰকৃতাৰ্থত অসমীয়া। এইক্ষেত্ৰত সাংবিধানিক সীমাবদ্ধতা তথা ৰাজনৈতিক নিষেধে বিশেষ প্ৰভাৱ নেপেলায়। কিন্তু অন্য এটা জনগোষ্ঠীৰ সামাজিক আচাৰ-বিচাৰ, ভাষা-সংস্কৃতিক আপোন বুলি আঁকোৱালি ল'বলৈ নিশ্চয় কিছু দীঘলীয়া সময়ৰ প্ৰয়োজন হয়। সেয়ে অতি শেহতীয়াকৈ অসমত প্ৰৱেশ কৰা প্ৰত্যেকজন প্ৰব্ৰজনকাৰী (ভাৰতীয় অথবা বিদেশী)য়ে সম্পূৰ্ণৰূপে অসমীয়া হ'ব পৰা নাই বা অসমীয়া হ'বলৈ ইচ্ছা কৰা নাই। আদান-প্ৰদান তথা সাংস্কৃতিক-ভাষিক সমন্বয়ৰ মাজেদি স্বকীয় উপাদানেৰে অসমীয়া সংস্কৃতিক চহকী কৰি অসমীয়া সংস্কৃতিক আপোন বুলি আঁকোৱালি লোৱা দূৰৰে কথা, স্বৰাজোত্তৰ অসমলৈ প্ৰব্ৰজন কৰা অধিকাংশ প্ৰব্ৰজনকাৰীয়ে নিজস্ব অহমিকাভাবত ভাষিক-সাংস্কৃতিক আৰু আৰ্থ-ৰাজনৈতিকভাৱে অসমীয়া তথা অসমীয়া সংস্কৃতিৰ ওপৰত আগ্ৰাসনৰ প্ৰচেষ্টাহে চলাইছে। ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা জীৱিকা সূত্ৰে অহা এক বৃহৎসংখ্যক মাৰোৱাৰী, গুজৰাটী, বঙালী, বিহাৰী লোকে এতিয়াও অসম তথা এই ৰাজ্যৰ সংস্কৃতিক আপোন বুলি আঁকোৱালি লোৱা নাই। এইসকল লোকে থলুৱা অসমীয়াসকলৰ ৰাজনৈতিক আৰু অন্যান্য কিছুমান অধিকাৰৰ ক্ষেত্ৰতো হস্তক্ষেপ কৰিবলৈ চেষ্টা চলাইছে, যিটো অতি দুখজনক কথা। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা অসমলৈ প্ৰব্ৰজন কৰা এই লোকসমূহৰ এনেকুৱা মনোভাবে অসমৰ থলুৱা ভাষা-সংস্কৃতিৰ বিপদৰ সূচনা কৰাৰ লগতে খিলঞ্জীয়া লোকৰ মনত ক্ষোভৰো জন্ম দিছে।

প্ৰব্ৰজন-আগ্ৰাসনৰ এই পটভূমিত আটাইতকৈ চৰ্চিত বিষয় হ'ল বাংলাদেশী অনুপ্ৰৱেশ। যোৱা কেইবাটাও দশকজুৰি অসমৰ আটাইতকৈ জটিল আৰু স্পৰ্শকাতৰ সমস্যা ৰূপে চিহ্নিত হৈ আহিছে এই বাংলাদেশী অনুপ্ৰৱেশৰ সমস্যাটো। জীয়াই থকাৰ উপযুক্ত পৰিৱেশ বিচাৰি প্ৰব্ৰজন কৰাটো মানৱ সমাজৰ এক চিৰন্তন প্ৰক্ৰিয়া। খাদ্য-বস্ত্ৰ-বাসস্থানৰ বাবে প্ৰব্ৰজন কৰাটো মানৱ সমাজত আদিম অৱস্থাৰ পৰাই চলি আহিছে। বাংলাদেশৰ পৰা সাৰুৱা মাটিৰ সন্ধানত স্বাধীনতাৰ বহু আগৰে পৰা (তেতিয়াৰ পূৰ্ব বংগ-পূব পাকিস্তান আৰু স্বৰাজোত্তৰ বাংলাদেশ) প্ৰব্ৰজন ঘটি আছে। এই বৃহৎসংখ্যক প্ৰব্ৰজনকাৰীৰ অৰ্দ্ধেকসংখ্যকে দিয়া-লোৱাৰ মাধ্যমেৰে অসমীয়া সংস্কৃতিক আপোন বুলি আঁকোৱালি লৈছে। জনগোষ্ঠীয় গাঁথনি তথা সাংস্কৃতিক বৈচিত্ৰতাৰ ফালৰ পৰা এই প্ৰব্ৰজন আৰু সমন্বয়ৰ প্ৰক্ৰিয়া স্বাভাৱিক। কিন্তু এই কথা অনস্বীকাৰ্য যে যোৱা কেইবছৰমান ধৰি বাংলাদেশৰ পৰা অসমলৈ প্ৰব্ৰজন কৰা বৃহৎসংখ্যক অবৈধ বাংলাদেশী নাগৰিকে অসমৰ অৰ্থনৈতিক দিশৰ উপৰি অন্যান্য কিছুমান দিশতো সমস্যাৰ সৃষ্টি কৰি আহিছে।

অসমলৈ স্বাধীনতাৰ কালছোৱাত হোৱা অবাধ প্ৰব্ৰজনৰ এটি অতি নেতিবাচক ফল হৈছে জনসংখ্যা বিস্ফোৰণ আৰু থলুৱাসকলৰ দ্বাৰা মাটিৰ মালিকীস্বত্ব হেৰোৱাটো। ৰাজনৈতিক চক্ৰান্তৰ ফলত থলুৱাৰ স্বাৰ্থত তৈয়াৰ কৰা 'ট্ৰাইবেল বেল্ট'ৰ মাটিসমূহো ক্ৰমান্বয়ে প্ৰব্ৰজনকাৰীসকলে দখল কৰিছে। ভূমি বেদখলৰ এই অবিৰত প্ৰক্ৰিয়াই খিলঞ্জীয়া অসমীয়াসকলক অৰ্থনৈতিক দিশত মাধমাৰ শোধাইছে। বাণিজ্যিকভাৱে গুৰুত্বপূৰ্ণ ঠাইৰ মাটিসমূহ থলুৱাসকলৰ হাতৰ পৰা বাহিৰা লোকে হস্তগত কৰিছে। ভূমিৰ ওপৰত ক্ৰমান্বয়ে অধিকাৰ হেৰুৱাই পেলোৱা খিলঞ্জীয়া অসমীয়াসকলৰ বহুতেই নিজৰ মাটিতে আলহী হোৱাৰ উপক্ৰম ঘটিছে।

আনহাতে বিভিন্ন সমীক্ষাত প্ৰকাশ পাইছে যে অসমৰ কেইখনমান জিলাত যোৱা কেইবছৰমান ধৰি মুছলমান জনসংখ্যা অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে। অবৈধ বাংলাদেশী অনুপ্ৰৱেশ ইয়াৰ মুখ্য কাৰণ। জনসংখ্যা বিস্ফোৰণৰ উপৰি এই অবৈধ অনুপ্ৰৱেশকাৰী লোকসকলৰ মাজত বিভিন্ন ইছলামিক মৌলবাদী সংগঠনে প্ৰভাৱ বিস্তাৰ কৰি বহুতো সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। মৌলবাদী গোটৰ উপৰি ইছলামিক জেহাদী উগ্ৰপন্থী গোটেও এই অনুপ্ৰৱেশকাৰীসকলৰ জৰিয়তে অসমত খোপনি পুতি অসমক এখন বৃহৎ ইছলামিকস্তানৰ অংগ কৰি তোলাৰ বাবে চেষ্টা চলাই আহিছে। অৰ্থনৈতিকভাৱে অনগ্ৰসৰ এই অনুপ্ৰৱেশকাৰীসকলৰ মাজত ধৰ্মৰ ভিত্তিত সন্ত্ৰাসৰ বীজ ৰোপণ কৰি বিভিন্ন জেহাদী গোটে অসমত তেওঁলোকৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ পূৰ্ণগতিত চলাই আহিছে। অতি শেহতীয়াকৈ দৰং-ওদালগুৰিৰ ঘটনা তথা গোটেই নামনি অসমতে ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাই জেহাদী উগ্ৰবাদী গোটৰ সশস্ত্ৰ কাৰ্যকলাপৰ কথা উদঙাই দিলে। ৰাজনৈতিক দলসমূহে নিজৰ স্বাৰ্থৰ বাবে এই ঘটনাৰ পৰা লাভ আদায় কৰিবলৈ চেষ্টা চলাই আহিছে আৰু সমস্যাৰ জটিলতাক আওকাণ কৰিছে। অনুপ্ৰৱেশ আৰু আগ্ৰাসনৰ এই প্ৰক্ৰিয়াত অতি পুতৌলগাকৈ দেখা দিয়া বিষয়টো হৈছে থলুৱাৰ স্বাৰ্থ সুৰক্ষা। ৰাজনৈতিক লাভৰ বাবে বিষয়টো অতি কৌশলেৰে ব্যৱহৃত হৈ আহিছে যদিও থলুৱাৰ স্বাৰ্থ সুৰক্ষাৰ বাবে অসমত অদ্যাপি চৰকাৰ-প্ৰশাসনে উপযুক্ত ব্যৱস্থা লোৱা নাই। নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ আহিলা ৰূপে থলুৱাৰ স্বাৰ্থ সুৰক্ষা আৰু অনুপ্ৰৱেশৰ বিষয়টো ব্যৱহাৰ কৰি অহা ৰাজনৈতিক দলবোৰৰ কোনেও বিষয়টো স্থায়ী সমাধানৰ বাবে ফলপ্ৰসূ উপায় উদ্ভাৱনৰ চেষ্টা কৰা নাই। বিভিন্ন দল-সংগঠন, সচেতন ৰাইজৰ দাবীৰ বাবে মাজে-সময়ে দুই-এখন আইন, দুই-এটা নতুন ব্যৱস্থা আদিৰে আভুৱা ভাঁৰি স্বাধীনতাৰ অসমৰ অধিকাংশ চৰকাৰে বিষয়টো সন্দৰ্ভত গা এৰা দিয়া মনোভাব প্ৰদৰ্শন কৰিছে। কোনো এখন চৰকাৰ, বিৰোধী ৰাজনৈতিক দল আদিয়ে বিষয়টোৰ যথোপযুক্ত সমাধানৰ বাবে সুচিন্তিতভাৱে আন্তৰিকতাৰে আগবাঢ়ি অহা নাই।

এনে এটা বিষয়ৰ সমাধান নিশ্চয়কৈ খন্তেকীয়া কাৰ্য নহয়। অসমৰ ৰাইজক জড়িত কৰি বিভিন্ন চিন্তাবিদ-ইতিহাসবিদ-সমাজ বিজ্ঞানীৰ সহায়ত 'খিলঞ্জীয়া অসমীয়া'ৰ এক যথাৰ্থ সংজ্ঞা নিৰূপণ কৰাটো বৰ্তমান সময়ত অতি প্ৰয়োজনীয় হৈ পৰিছে। ভাৰতৰ কেইখনমান ৰাজ্যই ইতিমধ্যে সেইসমূহ ৰাজ্যৰ 'খিলঞ্জীয়া লোক'ৰ সংজ্ঞা নিৰূপণ কৰি তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ্থে বিভিন্ন আইন প্ৰণয়ন কৰিছে। জনগোষ্ঠীয় ভাষিক আৰু ভৌগোলিক গাঁথনিৰ বৈচিত্ৰতাই অসমৰ ক্ষেত্ৰত খিলঞ্জীয়াৰ সংজ্ঞা নিৰূপণ কিছু কঠিন কৰি তুলিছে যদিও উপযুক্ত বাদানুবাদ, মত বিনিময়, বিভিন্ন ঐতিহাসিক তথ্যৰ অনুসন্ধান, সাম্প্ৰতিক ঘটনাৱলী তথা জনগোষ্ঠীয় ভৌগোলিক গাঁথনি আদিৰ সঠিক বিশ্লেষণেৰে অসমতো 'খিলঞ্জীয়া' অধিবাসীৰ সংজ্ঞা নিৰূপণ অতি প্ৰয়োজনীয় হৈ পৰিছে। তেতিয়াহে খিলঞ্জীয়া অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ্থে বিভিন্ন ব্যৱস্থা গ্ৰহণ সম্ভৱ হ'ব। চৰকাৰ, বিৰোধী দল, জনগণ— প্ৰত্যেকৰে আন্তৰিকতাপূৰ্ণ সহযোগেৰেহে এই প্ৰক্ৰিয়া সফল হ'ব। অসমীয়াৰ ভৱিষ্যতৰ দিক্-নিৰ্দেশক এই ক্ষণত প্ৰত্যেকজন প্ৰকৃত অসমীয়াৰ ইতিবাচক সহযোগিতা একান্তই কাম্য। জয় আই অসম। ■

# পটভূমি বিচাৰ ঃ অতি সাম্প্ৰতিক অসমীয়া কবিতা



**ড° মহেশ্বৰ কলিতা**
*জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগ*

অসমীয়া কবিতাৰ আধুনিক যুগ (Modern age) আৰম্ভ হয় যোৱা শতিকাৰ চল্লিছৰ দশকত। ১৮৮৯ চনত চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী — এই ত্ৰিমূৰ্তিৰ নেতৃত্বত জন্মলাভ কৰা 'জোনাকী' আলোচনীৰ জৰিয়তে প্ৰথমবাৰৰ বাবে অসমীয়া সাহিত্য-ক্ষেত্ৰত যি ধৰ্মনিৰপেক্ষ কাব্য তথা সাহিত্য-ধাৰাৰ সৃষ্টি হৈছিল, সি আছিল ৰোমাণ্টিক ভাবধাৰাৰ। ইংৰাজী সাহিত্যত ওৱৰ্ডছৱৰ্থ, কলেৰিজ, শ্বেলী, কীট্‌ছ আদি; চুবুৰীয়া বাংলা সাহিত্যত ৰবীন্দ্ৰনাথ ঠাকুৰ, মোহিতলাল মজুমদাৰ, নজৰুল ইচলাম আদি; উৰিয়া সাহিত্যত ৰাধানাথ ৰয়, মধুসূদন ৰাও, গংগাধৰ মেহেৰ, গোপবন্ধু দাস আদি কবিয়ে যি ভাব-ভংগীৰে কবিতা লিখিছিল, সেই একে ভাব-ভংগীৰে কবিতা লিখি অসমীয়া কবিতাৰ ভঁৰাল চহকী কৰিছিল জোনাকী যুগৰ কবিসকলে। বাস্তৱবিমুখিতা, পৰম্পৰাগত মূল্যবোধৰ ওপৰত গভীৰ আস্থা, কল্পনাপ্ৰীতি, প্ৰকৃতিপ্ৰীতি, অতীতপ্ৰীতি, লৌকিক প্ৰেমৰ বন্দনা, ৰহস্যবাদী চিন্তাৰ প্ৰকাশ, ভৱিষ্যতৰ ৰঙীণ কল্পনা, দেশপ্ৰেম, মৃত্যু চেতনা, সাধাৰণ বস্তুত অসাধাৰণত্ব আৰোপ, মানৱতাবাদ— এইবোৰেই আছিল জোনাকী যুগ তথা কবিতাৰ বৈশিষ্ট্য।

কুৰি শতিকাৰ চল্লিছৰ দশকৰ আৰম্ভণিতে ভয়াবহ ৰূপ লোৱা দ্বিতীয় বিশ্বযুদ্ধই সচেতন মানুহৰ চিন্তা-চৰ্চা, ধ্যান-ধাৰণালৈ বৈপ্লৱিক পৰিৱৰ্তন আনে। সেই পৰিৱৰ্তনৰ এটি স্বাক্ষৰ দেখা যায় সমসাময়িক অসমীয়া কবিতাত। যুদ্ধই সৃষ্টি কৰা অস্থিৰতা, অনিশ্চয়তা, ভয়াৱহতাৰ মাজতে কমল নাৰায়ণ দেৱ আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ যুটীয়া সম্পাদনাত নতুন ৰূপত প্ৰকাশ পোৱা 'জয়ন্তী' আলোচনীয়ে অসমীয়া কবিতালৈ প্ৰথমবাৰৰ বাবে আধুনিকতাৰ জোৱাৰ আনে। কাৰ্যতঃ জয়ন্তীয়ে অসমীয়া কবিতাক ৰোমাণ্টিকতাৰ পৰা মুক্ত কৰি বাস্তৱবাদী বা আধুনিক ৰূপলৈ উত্তৰণ ঘটায়। জোনাকীৰ ত্ৰিমূৰ্তিৰ নেতৃত্বত ঊনবিংশ শতিকাৰ শেষ দশকত অসমীয়া কবিতাই আধ্যাত্মিক আৱেশৰ পৰা মুক্ত হৈ ৰোমাণ্টিক যাদু-পৰশেৰে ধৰ্মনিৰপেক্ষ ৰূপ লৈছিল। তাৰ অৰ্ধশতিকা কালৰ পিছত, জয়ন্তীৰ ত্ৰিৰত্ন কমল নাৰায়ণ দেৱ, চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু ভৱানন্দ দত্তৰ সাহসী পদক্ষেপত

ৰোমাণ্টিকতাৰ পৰা মুক্ত হৈ বাস্তৱতাক আঁকোৱালি আধুনিক ৰূপ লৈছিল। হেম বৰুৱা, ভৱানন্দ দত্ত, অমূল্য বৰুৱা, নৱকান্ত বৰুৱা, অজিৎ বৰুৱা আদি কবিসকল হ'ল জয়ন্তীয়ে সৃষ্টি কৰা আধুনিক অসমীয়া কবিতাৰ প্ৰথম পৰ্বৰ কবি। জ্যোতিপ্ৰসাদ আগৰৱালাই এই পৰ্বৰ কবিতাৰ গুণাগুণ বখানি 'আজিৰ কবিতা' শীৰ্ষক কবিতাত লিখিছিল—

আজিৰ কবিতা তাই
খোজকঢ়া ছন্দেৰে যায় দিঠকলে',
.......................................
খুলি থৈ সোণ খাৰু
কঙ্কণ—
গাৰ পৰা মচি থৈ
কুম্‌কুম-চন্দন;
ৰেলৰে ট্ৰেইনৰ তৃতীয় শ্ৰেণীত উঠি
বনুৱা-হজুৱাৰ গাঁৱলৈ যায়,
শাক-ভাত খায়।

চল্লিছৰ দশকৰ শেষ ভাগত প্ৰকাশ পোৱা, হেম বৰুৱা সম্পাদিত পছোৱাই (১৯৪৮-৪৯) জয়ন্তীৰ কাব্যধাৰাৰ বিকাশত বিশেষ অৰিহণা যোগাইছিল যদিও এই ধাৰাৰ অৰ্থাৎ আধুনিক অসমীয়া কবিতাৰ দ্বিতীয় পৰ্ব সৃষ্টি কৰিছিল বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য সম্পাদিত ৰামধেনু (১৯৫১-৬৩)য়ে। উল্লেখযোগ্য যে এই দ্বিতীয় পৰ্বটোৱে আধুনিক অসমীয়া কবিতাৰ স্বৰ্ণ যুগ সৃষ্টি কৰে। হেম বৰুৱা, নৱকান্ত বৰুৱা আৰু অজিৎ বৰুৱাৰ উপৰি বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য, কেশৱ মহন্ত, হৰি বৰকাকতি, মহেন্দ্ৰ বৰা, মহিম বৰা, নিৰ্মলপ্ৰভা বৰদলৈ, ৰাম গগৈ, নীলমণি ফুকন, হীৰেন্দ্ৰ নাথ দত্ত, হীৰেন ভট্টাচাৰ্য, ভৱেন বৰুৱা আদি প্ৰতিভাৱান কবিসকলৰ সৃষ্টিয়ে আধুনিক অসমীয়া কবিতাৰ গুৰুত্বপূৰ্ণ বিকাশ সাধন কৰে। উল্লেখযোগ্য যে ৰামধেনু ১৯৭৩ চনলৈকে (ছেগা-চোৰোকাকৈ) প্ৰকাশ পাইছিল যদিও 'ৰামধেনু যুগ' বুলি যথাৰ্থভাৱেই বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাৰ কালছোৱা (১৯৫১-৬৩)কহে বুজোৱা হয়। বিশেষ প্ৰতিভাৱান সম্পাদক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ ৰামধেনুয়েহে প্ৰকৃতাৰ্থত 'যুগ' সৃষ্টি কৰি অসমীয়া আধুনিক কবিতাৰ স্বৰ্ণ যুগৰ সৌধ নিৰ্মাণ কৰিছিল।

ৰামধেনুৰ কবিসকলে দেখুৱাই যোৱা পথেৰে অগ্ৰসৰ হয় পৰৱৰ্তী কালৰ কবিসকল, যেনে— হৰেকৃষ্ণ ডেকা, আনিছ উজ জামান, ৰবীন্দ্ৰ সৰকাৰ, মোহনকৃষ্ণ মিশ্ৰ, জ্ঞান পূজাৰী, ৰবীন্দ্ৰ বৰা, বিজনলাল চৌধুৰী, কৰবী হাজৰিকা, সুভাষ সাহা, ৰফিকুল হুছেইন, সুমিত্ৰা গোস্বামী আদি। ৰামধেনুৰ কবিতাত টি এছ এলিয়ট, এজৰা পাউণ্ড, ডব্লিও বি অ'ডেন, মায়াকভস্কি, পাবলো নেৰুদা, খলিল জিব্ৰান আদিৰ উপৰি জাপানী টংকা আৰু হাইকু আদিৰ গভীৰ প্ৰভাৱ লক্ষ্য কৰা যায়। কিন্তু ৰামধেনু-পৰৱৰ্তী কালত প্ৰতিষ্ঠা লাভ কৰা কবিসকলৰ কবিতাত সেই প্ৰভাৱৰ মাত্ৰা কমি যোৱাটো পৰিলক্ষিত হয়। ৰামধেনুৰ সময়ত আধুনিক কবিতা দুৰ্বোধ্য বুলি যি অভিযোগ উঠিছিল, তাৰ পৰাও এই সময়ৰ কবিতাই ক্ৰমে মুক্তি লাভ কৰাটো পৰিলক্ষিত হয়। ৰামধেনু-পৰৱৰ্তী ষাঠি আৰু সত্তৰৰ দশকত প্ৰতিষ্ঠা লাভ কৰা উক্ত কবিসকলৰ কবিতাই আধুনিক অসমীয়া কবিতাৰ তৃতীয় পৰ্ব সৃষ্টি কৰে।

আধুনিক অসমীয়া কবিতাৰ চতুৰ্থ পৰ্বটোৰ বিকাশ আৰম্ভ হয় যোৱা শতিকাৰ আশীৰ দশকত। এই পৰ্ব বৰ্তমান সময়লৈকে বিকাশমুখী হৈ আছে। এই পৰ্বটোৰ কবিতাকে আমি অতি সাম্প্ৰতিক আধুনিক অসমীয়া কবিতা বুলি চিহ্নিত কৰিব বিচাৰিছোঁ। উল্লেখযোগ্য যে কেইবাগৰাকীও প্ৰতিভাৱান কবিয়ে এই সময়ছোৱাত (১৯৮০ৰ পৰা বৰ্তমানলৈকে) আত্মপ্ৰকাশ কৰি প্ৰতিষ্ঠা লাভ কৰিছে অথবা প্ৰতিষ্ঠাৰ পথত অগ্ৰসৰ হৈছে। এই কবিসকলৰ ভিতৰত উল্লেখযোগ্য হ'ল সনন্ত তাঁতি, সমীৰ তাঁতী, ৰোহিণী কুমাৰ পাঠক, কৌস্তুভমণি শইকীয়া, উদয় কুমাৰ শৰ্মা, দিলীপ তালুকদাৰ, পূৰ্ণ ভট্টাচাৰ্য, সমীন্দ্ৰ হুজুৰী, বিজয় ৰবিদাস, অনুভৱ তুলসী, প্ৰয়াগ শইকীয়া, চেনিৰাম গগৈ, অনুপমা বসুমতাৰী, অনুপন কুমাৰ, নীলিম কুমাৰ, অৰ্চনা পূজাৰী, লুৎফা হানুম চেলিমা বেগম, বিপুলজ্যোতি শইকীয়া, ইছমাইল হুছেইন, সৌৰভ শইখীয়া, গংগামোহন মিলি, জীৱন নৰহ, কামালুদ্দিন আহমেদ, হৃদয়ানন্দ গগৈ, হেমাংগ কুমাৰ দত্ত, মৃণাল কুমাৰ গগৈ, কুশল দত্ত, প্ৰণৱ কুমাৰ বৰ্মন, বিমান কুমাৰ দলে আদি।

ৰামধেনুৰ কবিগোষ্ঠীৰ দৰে অতি সাম্প্ৰতিক কালৰ কবিসকলো উচ্চ শিক্ষিত। সমসাময়িক সমাজ, জাতি, দেশ তথা বিশ্ব সম্পৰ্কত সজাগ দৃষ্টি নিক্ষেপ কৰিবলৈ এওঁলোক সমৰ্থৱান। এইখিনিতে এই কথাটো স্পষ্ট কৰা ভাল যে এই কবিসকলে অগ্ৰজসকলৰ তুলনাত ভিন্ন আৰু অধিকতৰ জটিল সময়ৰ সন্মুখীন হৈছে। যোৱা শতিকাৰ আশীৰ দশকৰ পৰাই আমাৰ ৰাজ্যখন, দেশখন আনকি গোটেই বিশ্বখন অধিকতৰ জটিল সমস্যাৰ মাজেৰে অগ্ৰসৰ হৈছে। কবিসকলে সন্মুখীন হোৱা সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিৱেশৰ বিচাৰ নকৰাকৈ, অথবা তেওঁলোকৰ কবি-মানসৰ ভিত্তি নিৰ্মাণকাৰক উৎসৰ সন্ধান নকৰাকৈ কেৱল কবিতাৰ শব্দ-ব্ৰহ্মাৰ বিচাৰ-বিশ্লেষণেৰে মান নিৰ্ণয় কৰিবলৈ গ'লে সি সম্পূৰ্ণ বা উচিত বিচাৰ নহ'ব।

ৰামধেনুৰ কবিসকলৰ কাব্য-চৰ্চাৰ নেপথ্যত এটি শক্তিশালী আদৰ্শবাদে ক্ৰিয়া কৰি আছিল। সি আছিল নতুন বিশ্বজনীন

মানৱতাবাদ। এইসকল কবিয়ে জন্মলাভ কৰিছিল ক্ৰান্তিকালত, অৰ্থাৎ পৰাধীনতাৰ কবলৰ পৰা দেশমাতৃক স্বাধীন কৰিবলৈ যিটো সময়ত ভাৰতীয় সমাজ সংগ্ৰামত লিপ্ত হৈ আছিল, সেই সময়ত। মহাত্মা গান্ধী, ৰবীন্দ্ৰনাথ ঠাকুৰ, কাৰ্ল মাৰ্ক্স, জৱাহৰলাল নেহৰু আদি নমস্য ব্যক্তিৰ আদৰ্শ, ৰাষ্ট্ৰসংঘৰ যুদ্ধ আৰু উপনিৱেশবিৰোধী ঘোষণা, বিশ্ব স্বাস্থ্য সংস্থা (WHO), ইউনেস্কো আদিৰ জনকল্যাণকামী কাৰ্যসূচী আদিয়ে কবিসকলক প্ৰত্যক্ষ বা পৰোক্ষভাৱে উজ্জীৱিত কৰিছিল। ইয়াৰ ফলত তেওঁলোক আকৰ্ষিত হৈছিল বিশ্বজনীন মানৱতাবাদৰ প্ৰতি। এই মানৱতাবাদৰ পোহৰত নিজৰ দেশখনো উজলি উঠাতো তেওঁলোকে কামনা কৰিছিল।

সোনকালেই আশা ভংগৰ বেদনাই ৰামধেনুৰ কবিকুলক ব্যথিত কৰিছিল যদিও যৌৱনৰ স্মৃতিয়ে তেওঁলোকৰ কবি-মানস জীপাল কৰি ৰখাত সহায় কৰিছিল। গুৰুত্বপূৰ্ণ কথাটো হ'ল মানুহ আৰু সমাজৰ লগত সহৃদয়তা স্থাপন কৰিবলৈ তেওঁলোকে পৰিৱেশ লাভ কৰিছিল। তেওঁলোকৰ কাব্যিক বক্তব্য বৌদ্ধিক মহলত চৰ্চিত হৈছিল। সহজ ভাষাত ক'বলৈ গ'লে ৰামধেনুত কবিতা প্ৰকাশ হোৱাৰ পিছতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে কবিগৰাকী 'চিনাকি' কবিত পৰিণত হৈছিল। এনে পৰিৱেশে তেওঁলোকক একাণপতীয়াকৈ কাব্য-সাধনাত ব্ৰতী হ'বলৈ নিশ্চয় অনুপ্ৰেৰণা যোগাইছিল।

সাহিত্য-চৰ্চা বা কাব্য-সাধনাৰ সেই সুস্থ পৰিৱেশ ক'বলৈ গ'লে সত্তৰৰ দশকৰ শেষলৈকে অব্যাহত আছিল। মহেন্দ্ৰ বৰা সম্পাদিত মণিদীপ (১৯৬০-৬৮), চন্দ্ৰপ্ৰসাদ শইকীয়া সম্পাদিত মাহেকীয়া অসমীয়া (১৯৬৮-৭৪) আৰু প্ৰকাশ (১৯৭৫-৮৫), ভৱেন বৰুৱা সম্পাদিত সংলাপ আদি সাহিত্য-পত্ৰিকাৰ জৰিয়তে কবি-সাহিত্যিকসকলে এক অনুকূল পৰিৱেশ লাভ কৰিবলৈ সক্ষম হৈছিল।

আশীৰ দশকৰ আৰম্ভণিৰে পৰা আমাৰ ৰাজ্যখন তথা দেশখন কিছুমান জটিল ঘটনা-দুৰ্ঘটনাৰ মুখামুখি হয়। যাৰ ফলত সামাজিক পৰিৱেশ বিঘ্নিত হৈ পৰে। পাৰস্পৰিক ঘৃণা সৃষ্টিকাৰী পৰিৱেশে কাব্য-সাধনাৰ সুস্থ পৰিৱেশ নষ্ট কৰে। সমাজৰ সচেতন নাগৰিক হিচাপে কবিসকলো গভীৰ অনিশ্চয়তাৰ কবলত পৰে। আলোচ্য দশকটোৰ পৰা এতিয়ালৈকে অসমৰ সমাজ জীৱন কলুষিত কৰা প্ৰধান ঘটনাবোৰ হ'ল—

(ক) ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈকে চলা অসমীয়া জাতীয়তাবাদী কিন্তু সামাজিক অবিশ্বাস সৃষ্টিকাৰী 'অসম-আন্দোলন' বা 'বিদেশী খেদা আন্দোলন'।

(খ) অসম আন্দোলনৰ অব্যৱহিত পৰৱৰ্তী কালৰ পৰা বৰ্তমানলৈকে চলি থকা জাতিধ্বংসী সন্ত্ৰাসবাদ।

(গ) স্বায়ত্ত শাসনৰ বাবে বিভিন্ন জনগোষ্ঠীয়ে চলোৱা আৱেগসৰ্বস্ব আন্দোলনবোৰ, যিবোৰে সমাজত অবিশ্বাস আৰু ঘৃণা বিয়পাইছে।

(ঘ) চৰকাৰৰ বিভিন্ন বিভাগত নিযুক্তি বন্ধ, পদ কৰ্তন।

(ঙ) নিবনুৱা সমস্যাৰ জটিল ৰূপ ধাৰণ।

অসমৰ পৰা অবৈধ বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত চলা অসম আন্দোলনে সমাজত উগ্ৰ-জাতীয়তাবাদী ভাব বিয়পায়। ইয়াৰ প্ৰতিক্ৰিয়া হিচাপে ৰাজ্যখনত বাস কৰি থকা জনজাতিসমূহৰ মাজতো স্বায়ত্তশাসনৰ বাবে চলি থকা আন্দোলনবোৰে হিংসাত্মক ৰূপ লয়। বিভিন্ন জনজাতীয় নেতাই প্ৰকাশ্যে তেওঁলোক অসমীয়া নহয়, বড়ো/মিচিং/আহোমহে বুলি ঘোষণা কৰি পৰিৱেশ উত্তপ্ত হোৱাটোত বৰঙণি যোগায়। এই জনজাতিসমূহৰ মাজতো অনেক উগ্ৰপন্থী গোটে আত্মপ্ৰকাশ কৰি সমাজত অবিশ্বাস আৰু ঘৃণা বিয়পায়। আনহাতে, অসম আন্দোলনৰ 'ব্যৰ্থতা'কে সাৰথি হিচাপে লৈ আশীৰ দশকৰ প্ৰথম ভাগতে সংযুক্ত মুক্তি বাহিনী, অসম নামৰ বিচ্ছিন্নতাবাদী সংগঠনটোৱে আত্মপ্ৰকাশ কৰি অসমৰ সমাজ-জীৱনত হত্যা, অপহৰণ আৰু ভাবুকিৰে বিভীষিকাৰ সৃষ্টি কৰে। তাৰ প্ৰতিক্ৰিয়া হিচাপে চলা চৰকাৰী হিংসায়ো মাত্ৰা চেৰায়। ফলত অস্থিৰতা আৰু ক্ষয়িষ্ণুতা বিয়পে। এনে ক্ষয়িষ্ণু পৰিৱেশৰ সুবিধা লয় দগাবাজ ৰাজনৈতিক দালাল চক্ৰই। ফলত স্বাধীনতাৰ পিছৰে পৰা সমাজ কলুষিত কৰা দুৰ্নীতিয়ে ভয়াৱহ ৰূপ লয়। এসময়ত পৰিস্থিতি এনে পৰ্যায় পায় যে পাইকাৰী হাৰত শিক্ষকৰ দৰে পৱিত্ৰ বৃত্তিৰ চাকৰিও বিক্ৰী হ'বলৈ ধৰে।

দেশে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা সত্তৰৰ দশকলৈ আমাৰ সমাজৰ সিংহভাগ মানুহকে মহাত্মা গান্ধীৰ আদৰ্শই বাট দেখুৱাই আছিল। দেশৰ প্ৰতি ভালপোৱাৰ মনোভাৱে মানুহক উৎসাহিত কৰি ৰাখিছিল। ফলত, দুৰ্নীতিৰ প্ৰতি বৰ্ষিত হৈছিল সামাজিক ঘৃণা। কিন্তু আশীৰ দশকৰ পৰা পৰিৱেশ ক্ৰমে এনেদৰে অৱনমিত হ'ল যে দুৰ্নীতিয়ে যেন সামাজিক স্বীকৃতিহে লাভ কৰিলে! সৰ্বভাৰতীয় স্তৰতো পৰিস্থিতি উন্নত বুলি ক'ব পৰা নাযায়। ভাৰত চৰকাৰে বিশ্বায়ন আৰু বাণিজ্যিকীকৰণৰ নামত মুক্ত অৰ্থনীতিৰ পৃষ্ঠপোষকতা কৰাৰ ফলত সমাজত শ্ৰেণী-বৈষম্যৰ প্ৰকোপ বাঢ়িছে। যদিও মুক্ত অৰ্থনীতিৰ 'সুফল' সমাজৰ সাধাৰণ দৰিদ্ৰ শ্ৰেণীটোৱেও পাব বুলি চৰকাৰীভাৱে ঘোষণা কৰা হৈছে, বাস্তৱত সেইটো পৰিলক্ষিত হোৱা নাই। প্ৰতিবছৰে শ শ দৰিদ্ৰ কৃষকে আত্মহত্যা কৰা ঘটনাৰ পৰা এই কথাৰ সত্যতা নিৰূপণ হয়।

অসম তথা ভাৰতবৰ্ষৰ উক্ত সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক পৰিৱেশে আমাৰ তৰুণ কবিসকলক স্বাভাৱিকতে ব্যথিত কৰিছে। সত্তৰৰ দশকলৈ সৰহভাগ কবিকে আকৰ্ষিত কৰিছিল বিশ্বৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা সংযুক্ত ছোভিয়েট ৰাছিয়াই। কিন্তু আশীৰ দশকৰ মাজভাগৰ পৰাই এই আদৰ্শ সাম্যবাদী ৰাষ্ট্ৰখন সংকটৰ গৰাহত পৰে আৰু নব্বৈৰ দশকৰ আৰম্ভণিতে ইয়াৰ পতন হয়। বিশ্ব ৰাজনীতিত নতুন সংকট আৰু বিন্যাসৰ সৃষ্টি কৰা এই ঘটনাই আমাৰ কবিসকলকো উদ্বিগ্ন কৰি তোলে। বিশ্ব ৰাজনীতিত ধনী দেশ আমেৰিকাৰ সীমাহীন প্ৰভুত্ব, মৌলবাদী শক্তিৰ সন্ত্ৰাস, উন্নয়নশীল দেশসমূহে সন্মুখীন হোৱা মুদ্ৰাস্ফীতি আদি সমস্যাই বিভিন্ন দেশৰ সাধাৰণ মানুহৰ জীৱন-যাত্ৰা দুৰ্বিষহ কৰি তুলিছে। এই সমস্যাবোৰৰ বিৰুদ্ধে যুঁজ দিবলৈ কোনো আদৰ্শবাদী শক্তিৰ আৱিৰ্ভাৱ নোহোৱা কাৰণে সচেতন নাগৰিক হিচাপে কবিসকলো ব্যথিত হৈছে।

উক্ত ঘটনাৰাজিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই অতি সাম্প্ৰতিক কালৰ যুৱ কবি-মানসৰ পটভূমি নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সংগ্ৰামী মানসিকতা সৃষ্টিৰ নিমিত্তে কোনো শক্তিশালী আদৰ্শও তেওঁলোকৰ সন্মুখত নাই। এনে অৱস্থাত, তেওঁলোকৰ কিছুসংখ্যকে ভুগিছে হতাশাত। হতাশা আঁতৰাবলৈ তেওঁলোকে বাছি লৈছে ৰোমাণ্টিক ভাবাৱেগক। আন কেইগৰাকীমান কবিয়ে প্ৰতিবাদী সুৰ প্ৰকাশ কৰিছে যদিও প্ৰতিকূল পৰিৱেশৰ কৰ্কশ ৰূপৰ ওপৰত তেওঁলোকৰ সেই সুৰে কোনো প্ৰতিক্ৰিয়া সৃষ্টি নকৰা কাৰণে তেওঁলোকো যেন হতাশ হৈ পৰিছে। এই সময়ছোৱাৰ এগৰাকী শক্তিশালী কবি সনন্ত তাঁতিৰ কবিতাত হতাশাই কেনে ৰূপ লৈছে চাওক—

> এদিন মই সপোনতে দেখিছিলোঁ ভাটিকান চিটীৰ ছেন্ট পিটাৰ্ছ
> গীৰ্জা ঘৰৰ ওপৰত উৰিছে কম্যুনিজমৰ পতাকা। ৰাম জনমভূমি
> আৰু বাব্ৰি মছজিদৰ বিবদমান ঠাইত এখন সুদৃশ্য মিউজিয়াম।
> কাবেৰী নদীৰ জলযানত ভ্ৰমণ কৰিছে গুৱাহাটীৰ পদপথত
> সচৰাচৰ দেখা কেইগৰাকীমান অনাথ শিশুক বিলীয়মান সূৰ্যৰ
> সুন্দৰতাত মুগ্ধ হৈ।
> মোৰ সপোনবোৰৰ গাত আজিকালি কোনো কাপোৰ নাথাকে
> যেনেদৰে কোনো নদীৰ অথবা আকাশৰ। সেয়ে মই লাজত
> দুৰ্বল হৈ পৰোঁ কেতিয়াবা। কেতিয়াবা আত্মজাহৰ ইচ্ছা হয় যেতিয়া
> প্ৰায়েই সপোনতে দেখা পাওঁ পৃথিৱীৰ সকলো শিশুক ৰখা হৈছে
> ফায়াৰিং স্কোৱাডত।
>
> (মোৰ সপোনবোৰ)

যোৱা শতিকাৰ আশীৰ দশকৰ পৰা অসমীয়া আলোচনী আৰু বাতৰিকাকতৰ সংখ্যা যথেষ্ট বাঢ়িছে। সাহিত্য-আলোচনীবোৰৰ উপৰি দৈনিক কাকতবোৰেও 'সাহিত্য-পৃষ্ঠা' নিয়মীয়াকৈ প্ৰকাশ কৰি আছে। ইয়াৰ ফলত যুৱ কবিসকলে তেওঁলোকৰ সৃষ্টি ছপা ৰূপত প্ৰকাশ কৰিবলৈ যথেষ্ট সুবিধা পাইছে। কিন্তু এই 'যথেষ্ট সুবিধা'ই সাহিত্য-কলা হিচাপে অসমীয়া কাব্য-ক্ষেত্ৰত এটি নতুন প্ৰত্যাহ্বানো সৃষ্টি কৰিছে। কম বয়সীয়া কবিসকলে যি লিখে তাকে সম্পাদকে প্ৰকাশ কৰে অৰ্থাৎ কবিতা লিখিলেই ছপা ৰূপত প্ৰকাশ হয়। এনে অৱস্থাই দুটা পৰস্পৰবিৰোধী ফল দেখুৱাইছে ঃ

(ক) কবিতা লিখিবলৈ তৰুণ কবিসকল উৎসাহিত হৈছে। গতিকে তেওঁলোকৰ সৃষ্টিৰ সংখ্যা বাঢ়িছে। তেনেই তৰুণ কালতে একাধিক ব্যক্তিগত সংকলনো তেওঁলোকে প্ৰকাশ কৰি উলিয়াইছে।

(খ) ভাল কবিতা লিখিবলৈ যি সাধনা বা একাণপতীয়া চৰ্চাৰ প্ৰয়োজন, তাৰ পৰা তেওঁলোক আঁতৰি আহিছে আৰু ভুকু মাৰি কলটো পকাবলৈ যত্নৱান হোৱাৰ ফলত তেওঁলোকৰ সৃষ্টিয়ে কাব্যিক মান ৰক্ষা কৰিব পৰা নাই। অৰ্থাৎ কাব্য-কলা হিচাপে সিবোৰ তৰাং বা নিৰস হৈ পৰিছে।

বাতৰিকাকতৰ সাহিত্য-পৃষ্ঠাৰ দ্বাৰা সৃষ্টি হোৱা জনপ্ৰিয়তাক কবিতাৰ মান জোখাৰ একমাত্ৰ উপায় বুলি ভাবি অতি সাম্প্ৰতিক কালৰ কেইবাগৰাকীও সম্ভাৱনাপূৰ্ণ কবিয়ে তেওঁলোকৰ কাব্যিক-যাত্ৰা ভুল পথেৰে পৰিচালিত কৰিছে। বাতৰিকাকতৰ সাধাৰণ পাঠকে ভাল পোৱা আৱেগময়ী শ্লোগানধৰ্মী পংক্তি অথবা 'পাণবজাৰৰ ফুটপাথত তুমি অনামিকা/তোমাৰ প্ৰেমৰ স্কুলত নাই দেওবাৰ' জাতীয় ৰোমাঞ্চ সৃষ্টিকাৰী পংক্তিবোৰকেই উৎকৃষ্ট কবিতা বুলি ভাবিবলৈ লৈছে। দুগৰাকীমান অতি উৎসাহী সম্পাদকেও তেওঁলোকৰ সেই ভাবনাৰ জুইত ঘিউ ঢালিছে।

আশাৰ কথাটো হ'ল তেনে বিপৰীতে পৰিৱেশতো কেইগৰাকীমান তৰুণ কবিয়ে চৰ্চা, পৰ্যবেক্ষণ আৰু অধ্যয়নৰ জৰিয়তে আধুনিক অসমীয়া কবিতাৰ চহকী পৰম্পৰাৰ সোঁতটি বোৱাই ৰাখিবলৈ সক্ষম হৈছে। নতুন পৰিৱেশ-পৰিস্থিতিত কবিতা ৰচনাৰ নতুন সমলৰ সন্ধানো তেওঁলোকে কৰিছে। কেৱল ইউৰোপীয় কবিৰ কবিতালৈ নাচায় নিজৰ গাতে লাগি থকা জনজাতিসমূহৰ লোক-কবিতাবোৰ অধ্যয়ন কৰি তাৰ পৰাও সমল সংগ্ৰহ কৰি তেওঁলোকে সাৰ্থক কবিতা ৰচনা কৰিছে। ভাষা ব্যৱহাৰৰ ক্ষেত্ৰতো তেওঁলোক সচেতন। সংখ্যাত কম হ'লেও অতি সাম্প্ৰতিক কালৰ এই কবিসকলেই এদিন অসমীয়া কবিতাৰ অন্য এক যুগ সৃষ্টি কৰিবলৈ সক্ষম হ'ব। ■

*...সময়ৰ সোঁতত আহি পৰা বিভিন্ন আৰ্থ-সামাজিক, ৰাজনৈতিক পট পৰিৱৰ্তনেও অসমক চুই গৈছে। ইয়াৰ পৰা ভাল-বেয়া বহুখিনি হৈছে। আজিৰ দিনত অসমৰ ৰাজনৈতিক ক্ষেত্ৰখন ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ জোকাৰণিত কঁপি উঠিছে। আকৌ উন্নয়ন আৰু অনুন্নয়নৰ মাজৰ দোদুল্যমান অৱস্থাত আছে অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰ। অসমৰ এইবোৰ কথাৰো সঠিক উপস্থাপন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত হোৱাটো জৰুৰী...*

# ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ প্ৰতিনিধিত্ব

**শান্তনু বৌমূৰীয়া**
*স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ*

সূৰ্যৰ প্ৰথম কিৰণে আলোকিত কৰি তোলা ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এখন ৰাজ্য অসম। ইয়াৰ ন পৰিচয় দি পাতনি মেলা নিষ্প্ৰয়োজন। ভাৰতবৰ্ষৰ আন ৰাজ্যবোৰৰ দৰে অসমো ভাৰতীয় সংবিধান তথা অন্যান্য ৰাজনৈতিক নীতি-নিয়মৰ অধীন। ইয়াৰ অৰ্থ পৰাধীনতা নহয়। অৱশ্যে বিষয়টো বিতৰ্কিত। কিয়নো স্বৰাজোত্তৰ ভাৰতত ভীষণ সমস্যাৰ সৃষ্টি কৰা ইছ্যুসমূহৰ ভিতৰত অন্যতম জ্বলন্ত ইছ্যুটো হ'ল সন্ত্ৰাসবাদীৰ সমস্যা আৰু সন্ত্ৰাসবাদীৰ দ্বাৰা সংঘটিত বিভিন্ন বিক্ষিপ্ত ঘটনা। অৰ্থ্যৎ ভাৰতবৰ্ষৰ এখন ৰাজ্য হিচাপে স্বীকৃত হ'লেও অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ ৰাজনৈতিক স্থিতি বিবদমান। কাৰণ ৰাজ্যৰ জনতাৰ এটা অংশই (সংখ্যাত কম হ'লেও যাক উপেক্ষা কৰিব নোৱাৰি) অসমক ভাৰতৰ অংগৰাজ্য হিচাপে মানি ল'ব নিবিচাৰে। যিয়েই নহওক, বৰ্তমান সময়ত অসম ভাৰতীয় গণতন্ত্ৰৰ অধীন, অৰ্থাৎ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ সমমৰ্যাদাপ্ৰাপ্ত এখন স্বাধীন প্ৰদেশ! আমাৰ এই আলোচনা বৰ্তমানৰ এই স্থিতিক ভিত্তি কৰিয়েই কৰা হৈছে।

প্ৰত্যেক অঞ্চলৰ মানুহৰ নিজা কৃষ্টি-সংস্কৃতি থাকে। বিশ্বৰ দৰবাৰত একোটা জাতি-জনগোষ্ঠীৰ মান-মৰ্যাদা প্ৰতিষ্ঠা কৰে ইয়াৰ ঐতিহ্য তথা সংস্কৃতিয়ে। এই সংস্কৃতিয়ে উৎসৱ-পাৰ্বণ, পৰম্পৰাগত নীতি-নিয়ম, গীত-মাত, নৃত্য, শিল্পকলা, সাহিত্য, ক্ৰীড়া ইত্যাদিৰ উপৰি ঐক্য-সংহতিৰ বাণী কঢ়িয়ায়। গতিকে এটা জাতি বা এটা বিশেষ অঞ্চলৰ বিশেষত্বখিনিক অন্য মানুহৰ আগত সুন্দৰভাৱে দেখুৱাবৰ বাবে কৃষ্টি-সংস্কৃতিৰ উচিত মূল্যায়ন তথা ইয়াৰ মাধ্যমত সকলো ক্ষেত্ৰতে উচিত প্ৰতিনিধিত্বৰ প্ৰয়োজন। অৰ্থাৎ কৃষ্টি-সংস্কৃতি তথা অন্যান্য জাতীয় ঐতিহ্যৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে এইবোৰৰ অৰ্থবহ তথা উচিত গুণসম্পন্ন উপস্থাপনৰ প্ৰয়োজনীয়তা আছে। ভাৰতবৰ্ষৰ আন বহু ৰাজ্যৰ তুলনাত অসম কৃষ্টি-সংস্কৃতিৰ দিশৰ পৰা বহু চহকী। জাতি-জনগোষ্ঠীৰ মিলনক্ষেত্ৰ অসম প্ৰকৃতিৰ কোলাত অৱস্থিত। প্ৰকৃতি দেৱীয়ে অসমক সজাই-পৰাই তোলোঁতে কৃপণালি কৰা নাই। নদ-নদী, পাহাৰ-ভৈয়ামৰ দেশ অসমৰ প্ৰতি আকৰ্ষিত হৈ সময়ে সময়ে ইয়াত আহি থিতাপি লৈছেহি বিভিন্ন ঠাইৰ বিভিন্ন জনগোষ্ঠী, বিভিন্ন ভাষা-ধৰ্মৰ লোকে। নিজৰ জোলোঙাত লৈ ফুৰা নিজস্ব সাংস্কৃতিক উপাদানবোৰক প্ৰতিটো গোষ্ঠীয়ে উবুৰিয়াই দিছে অসমীৰ বুকুত। ইয়াৰ মহামিলনত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে পাহাৰে-ভৈয়ামে ফুলি উঠিছে কৃষ্টিৰ সুগন্ধি পুষ্প। এইবোৰেই সুশোভিত কৰিছে অসম আৰু অসমীয়াৰ জাতিসত্তাক। বৰ অসমৰ সাংস্কৃতিক এনাজৰী প্ৰতিজন অসমীয়াৰ বাবে গৌৰৱস্বৰূপ। প্ৰতিজন প্ৰকৃত অসমীয়াই নিজ পৰাণৰ গভীৰতম প্ৰদেশৰ পৰা অনুভৱ কৰে অসমীয়া মাটিৰ গোন্ধ, ইয়াৰ থলুৱা সংস্কৃতি তথা জাতীয় গৌৰৱ। সেইবাবেই অসমৰ জাতীয় সংস্কৃতি, অসমৰ গৌৰৱময় ইতিহাস, অসমৰ প্ৰাকৃতিক সম্পদৰ বিশেষত্ব আৰু গুৰুত্ব আদিক বিশ্ব তথা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত মৰ্যাদাসহকাৰে প্ৰতিষ্ঠা কৰাৰ দায়িত্ব প্ৰতিজন অসমীয়াৰ। এইখিনিতে আৰু এটা বিষয় গুৰুত্বপূৰ্ণ। অসমীয়া সংস্কৃতি মিলনৰ ভেটিত প্ৰতিষ্ঠিত যদিও পৰিৱৰ্তনৰ ধামখুমীয়াত পৰি বৰ্তমান ইয়াৰ অৱস্থা বিশেষ সুস্থিৰ নহয়। তদুপৰি সময়ৰ সোঁতত আহি পৰা বিভিন্ন আৰ্থ-সামাজিক, ৰাজনৈতিক পট পৰিৱৰ্তনেও অসমক চুই গৈছে। ইয়াৰ পৰা ভাল-বেয়া বহুখিনি হৈছে। আজিৰ দিনত অসমৰ ৰাজনৈতিক ক্ষেত্ৰখন ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ জোকাৰণিত কঁপি উঠিছে। আকৌ উন্নয়ন আৰু অনুন্নয়নৰ মাজৰ দোদুল্যমান অৱস্থাত আছে অসমৰ আৰ্থ-সামাজিক ক্ষেত্ৰ। অসমৰ এইবোৰ কথাৰো সঠিক উপস্থাপন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত হোৱাটো জৰুৰী। কাৰণ উন্নয়ন তথা প্ৰগতিৰ বাবে এখন ৰাজ্যৰ বা এটা অঞ্চলৰ এক সুস্থিৰ আৰু মৰ্যাদাপূৰ্ণ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় স্থিতি থকাটো বৰ দৰকাৰী। গতিকে অসমৰ বাহিৰৰ মানুহৰ দ্বাৰাই হওক বা অসমীয়া মানুহৰ দ্বাৰাই হওক ভাৰতৰ ৰাষ্ট্ৰীয় পৰ্যায়ত আৰু

আন্তঃৰাষ্ট্ৰীয় স্তৰত অসমৰ সকলো দিশৰে উচিত প্ৰতিনিধিত্ব হ'ব লাগিব।

সাম্প্ৰতিক সময়ক গুৰুত্ব দি বিভিন্ন ক্ষেত্ৰত অসমৰ প্ৰতিনিধিত্ব কিদৰে হৈছে তাক লক্ষ্য কৰিলে আশা আৰু নিৰাশাৰ মিশ্ৰিত ছবি এখন চকুৰ আগত ভাহি উঠে। কিন্তু বহুতো হতাশাজনক খবৰৰ মাজত দুটা-এটা আশাব্যঞ্জক খবৰে সামগ্ৰিক অৱস্থাটোৰ ক্ষিপ্ৰ পৰিৱৰ্তন সাধিব পৰা নাই।

**ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ ৰাজনীতি**

প্ৰথমেই উল্লেখ কৰা হৈছে যে ভাৰতৰ ৰাজনৈতিক মানচিত্ৰত অসম এখন অংগৰাজ্য। কেন্দ্ৰীয় চৰকাৰৰ নীতি-নিয়ম, আঁচনি আদিৰ ৰূপায়ণ হয় ৰাজ্যিক চৰকাৰৰ তত্বাৱধানত। ভাৰতীয় সংবিধান অনুসৰি ৰাজ্য চৰকাৰসমূহৰ কিছুমান নিজা দায়িত্বও থাকে। কেন্দ্ৰ আৰু ৰাজ্যৰ পাৰস্পৰিক সহযোগিতাৰ ভিত্তিত সকলো চৰকাৰী কাম-কাজ সম্পন্ন হয়। দেশৰ বিভিন্ন ৰাজ্যৰ বিভিন্ন সমষ্টিবোৰৰ পৰা নিৰ্বাচিত সাংসদসকলেৰে গঠিত হয় ভাৰতীয় সংসদ। গৰিষ্ঠসংখ্যক সাংসদ থকা ৰাজনৈতিক দলেই চৰকাৰ গঠন কৰে। সাধাৰণভাৱে ক'বলৈ গ'লে এইদৰেই ভাৰতত চৰকাৰ গঠন হয়। কিন্তু চৰকাৰে জনমংগলৰ বাবে কিমানদূৰলৈকে সফলভাৱে কাম কৰিছে, তাতহে সন্দেহৰ থল আছে!

এজন সাংসদ বা বিধানসভাৰ সদস্য হৈছে ৰাইজৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি। তেওঁ যি ৰাজনৈতিক দলৰে সদস্য নহওক কিয়, তেওঁৰ প্ৰথম আৰু প্ৰধান কাম হৈছে ৰাইজৰ উন্নতিৰ বাবে কাম কৰা। নিজৰ অঞ্চলৰ মানুহৰ সমস্যাৱলী আৰু দাবীসমূহক সঠিকভাৱে উচ্চ পৰ্যায়ত উপস্থাপন কৰি এইবোৰৰ সমাধানৰ বাবে কাম কৰাটো এজন নিৰ্বাচিত প্ৰতিনিধিৰ নৈতিক কৰ্তব্য। অসমৰ পৰা ১৪জন লোকসভাৰ সাংসদ আৰু ৭জন ৰাজ্যসভাৰ সাংসদ প্ৰতিবাৰ নিৰ্বাচনত বিজয়ী হৈ সংসদলৈ যায়। তদুপৰি বিধানসভা, নগৰপালিকা আৰু পঞ্চায়তৰ সদস্যসকল আছেই। অসমীয়া ৰাইজৰ ভোটেৰে নিৰ্বাচিত হয় এওঁলোক। অসমৰ জনসাধাৰণে বহু প্ৰত্যাশাৰে ভোটদান কৰে। কিন্তু ৰাইজৰ প্ৰত্যাশা পূৰণত কিমানদূৰলৈ সফল হয় নিৰ্বাচিত প্ৰতিনিধিসকল? সফলতা-বিফলতালৈ নচাই এইটো প্ৰশ্নও উত্থাপন কৰিব পাৰি যে সকলোবোৰ সাংসদ-বিধায়কে ৰাইজৰ প্ৰত্যাশা পূৰণৰ বাবে নিঃস্বাৰ্থভাৱে চেষ্টা চলায়নে? সাম্প্ৰতিক দৃশ্যপটত এই প্ৰশ্নৰ উত্তৰ পৰিষ্কাৰ, অথচ ধূসৰ। ক্ষমতালিপ্সু ৰাজনৈতিক খোৱা-কামোৰা তথা দুৰ্নীতি, অনিয়ম আদিত মত্ত হৈ আজি অসমৰ সৰহসংখ্যক মন্ত্ৰী, বিধায়ক, সাংসদে উপেক্ষা কৰে ৰাইজৰ আশা-আকাংক্ষাক। জনসাধাৰণৰ অভাৱ-অভিযোগ, সমস্যাৱলী সমাধানত মনোনিৱেশ কৰাৰ বিপৰীতে ৰাজনৈতিক নেতা, পালিনেতাসকল ব্যস্ত থাকে নিজ ক্ষমতাক সুৰক্ষিত কৰাৰ বাবে উচ্চ নেতৃবৰ্গৰ তৈলমৰ্দনত।

কেন্দ্ৰীয় চৰকাৰে অসমক মাহী আইৰ দৃষ্টিৰে চায় বুলি সময়ে সময়ে অভিযোগ উঠে। ই সম্পূৰ্ণ মিছাও নহয়। তদুপৰি কিছুমান ক্ষেত্ৰত অসমৰ উন্নয়ন আন ৰাজ্যৰ তুলনাত লেহেমীয়া গতিত হৈছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ উদাসীনতাই মূলতঃ দায়ী যদিও অসমীয়া সাংসদ তথা আন ৰাজনৈতিক নেতাসকলৰো বহুতো দোষ আছে। কাৰণ অসমৰ উন্নয়নৰ দাবী কেন্দ্ৰৰ মজিয়াত সজোৰে উপস্থাপন কৰাৰ দায়িত্ব সাংসদসকলৰ। কিন্তু দুৰ্ভাগ্যজনকভাৱে হেম বৰুৱাৰ পিছত সংসদৰ মজিয়াত অসমৰ হকে সজোৰে মাত মাতিব পৰাকৈ তেখেতৰ সমকক্ষ সাংসদ অসমৰ পৰা আজিলৈকে নোলাল বুলি ক'লেও বঢ়াই কোৱা নহয়। যোৱা কেইবাটাও নিৰ্বাচনত বিজয়ী হৈও সংসদৰ মজিয়াত কেৱল মৌন দৰ্শক হোৱা সাংসদসকলে অসমৰ হাজাৰটা সমস্যাৰ এটাকো ভালদৰে সংসদত উপস্থাপন কৰিব নোৱাৰিলে; এইবোৰৰ সমাধান কৰাটো দূৰৰে কথা। এইসকল সাংসদৰ মাজত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী হোৱা দুই-এজনো আছে। চলিত লোকসভালৈ লক্ষ্য কৰিলে দেখা যায় যে সৰ্বানন্দ সোণোৱাল আৰু অৰুণ শৰ্মাৰ বাদে বাকী সাংসদসকল সংসদত আপেক্ষিকভাৱে নিমাত। আনকি অসমৰে সাংসদ স্বয়ং প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙেও অসমৰ বাবে বিশেষ কাৰ্যপন্থা লোৱা চকুত নপৰে। আধাৰশিলা স্থাপন আৰু আঁচনিৰ ঘোষণা কৰিলেই অসমৰ উন্নয়ন হোৱাটো নুবুজায়।

লোকসভা আৰু ৰাজ্যসভাৰ সাংসদসকলক বাদ দি বাকী বিধায়ক, ৰাজ্যিক মন্ত্ৰী তথা আন ৰাজনৈতিক নেতাসকললৈ মন কৰিলেও অসমৰ সামগ্ৰিক বিকাশৰ বাবে মাত মতা নেতাৰ অভাৱ স্পষ্টকৈ চকুত পৰে। প্ৰতিটো দলৰ প্ৰতিজন নেতাই যেন প্ৰৱঞ্চনা কৰি আহিছে অসমৰ জনসাধাৰণক। কেইবাখনো চৰকাৰ অসমৰ জ্বলন্ত সমস্যাবোৰৰ স্থায়ী সমাধান কৰাত ব্যৰ্থ হৈছে। নিবনুৱা সমস্যা, বিদেশী সমস্যা আৰু বানপানীৰ সমস্যাই কোঙা কৰি পেলাইছে আমাৰ অৰ্থনীতি। উগ্ৰপন্থীৰ সমস্যা আছেই। এইবোৰৰ বিষয়ে সুস্থিৰ আৰু দূৰদৰ্শী চিন্তা-চৰ্চাৰে নিজৰ স্থিতি ৰাষ্ট্ৰীয় পৰ্যায়ত দাঙি ধৰি কেন্দ্ৰীয় চৰকাৰক এইবোৰৰ সমাধানৰ বাবে উচিত ব্যৱস্থা ল'বলৈ বাধ্য কৰিব পৰা নাই অসমৰ ৰাজনৈতিক প্ৰতিনিধিসকলে। অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় নালাগে ৰাষ্ট্ৰীয় স্তৰতে অসমৰ উচিত প্ৰতিনিধিত্ব কৰাত আজিকোপতি বিফল অসমৰ ৰাজনৈতিক ক্ষেত্ৰ।

**পৰিধি ভঙাৰ যুঁজত অসমৰ (অসমীয়া?) ভাষা-সাহিত্য**

অসমীয়া ভাষা সাহিত্যিক দিশৰ পৰা যথেষ্ট শক্তিশালী। মূল সংস্কৃত ভাষাৰ পৰাই পৰিৱৰ্তিত হৈ অসমীয়া ভাষাই আজিৰ

**অসমৰ জনসাধাৰণে বহু প্ৰত্যাশাৰে ভোটদান কৰে। কিন্তু ৰাইজৰ প্ৰত্যাশা পূৰণত কিমানদূৰলৈ সফল হয় নিৰ্বাচিত প্ৰতিনিধিসকল? সফলতা-বিফলতালৈ নগৈ এইটো প্ৰশ্নও উত্থাপন কৰিব পাৰি যে সকলোবোৰ সাংসদ-বিধায়কে ৰাইজৰ প্ৰত্যাশা পূৰণৰ বাবে নিঃস্বাৰ্থভাৱে চেষ্টা চলায়নে? সাম্প্ৰতিক দৃশ্যপটত এই প্ৰশ্নৰ উত্তৰ পৰিষ্কাৰ, অথচ ধূসৰ।**

ৰূপ পাইছে। অসমত থকা বিভিন্ন জনগোষ্ঠীসমূহে বিভিন্ন ভাষা কয় যদিও অসমীয়াই হ'ল অসমৰ মানুহৰ মূল ভাষা। বড়ো, মিচিং, দেউৰী, কাৰ্বি, ডিমাচা আদি জনগোষ্ঠীসমূহৰ ভাষাও বিভিন্ন সাহিত্যিক উপাদানেৰে ভৰপূৰ। এইবোৰ ভাষা কোৱা মানুহৰ সংখ্যা কম হ'লেও ভাষাবোৰৰ গুৰুত্বক আওকাণ কৰিব নোৱাৰি। তদুপৰি এনে ভাষা একোটাৰ লগত একোটা জনগোষ্ঠীৰ আবেগ জড়িত হৈ থাকে। এই আবেগক আওকাণ কৰা মানে সমগ্ৰ জনগোষ্ঠীটোক অপমান কৰা। এইখিনিতে আৰু এটা কথা ক'ব পাৰি যে অসমীয়া ভাষাৰে উজনি অসমৰ উপভাষা, কামৰূপী উপভাষা আৰু গোৱালপৰীয়া উপভাষা এই তিনিটা ৰূপ আছে।

অসমৰ ভাষা-সাহিত্যক লৈ আমি কিমানদূৰলৈ ভাবিব পাৰোঁ? নোবেল বঁটা! নিশ্চয় পাৰোঁ। বহুতে হয়তো হাঁহিব। কিন্তু অসমীয়া ভাষা কোৱা মানুহতকৈও কমসংখ্যক মানুহে কোৱা ভাষা এটাৰ সাহিত্যিকে যদি নোবেল বঁটা পাব পাৰে, তেন্তে অসমৰ সাহিত্যিকে নোবেল বঁটা পাব নোৱৰাৰ মানে নাই। অসমতো সাহিত্যিক উপাদনাৰ অভাৱ নাই। সাহিত্য প্ৰতিভাৰো আকাল হোৱা নাই। অথচ আজিলৈকে মাত্ৰ দুজন অসমীয়া সাহিত্যিকেহে (ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আৰু মামণি ৰয়ছম গোস্বামী) ভাৰতবৰ্ষৰ সৰ্বোচ্চ সাহিত্য পুৰস্কাৰ জ্ঞানপীঠ বঁটা লাভ কৰিছে। আমাৰ বোধেৰে ইয়াৰ মূল কাৰণ দুটা— অসমৰ সাহিত্যিকে নিজ প্ৰতিভাৰ পূৰ্ণ প্ৰয়োগেৰে অসমৰ লোকসাহিত্য, অসমৰ বিশেষত্ব, ইয়াৰ সমস্যাৱলীক নিজৰ সাহিত্য কৰ্মত উচিতভাৱে প্ৰতিফলিত কৰিব পৰা নাই আৰু দ্বিতীয়তে অসমৰ বাহিৰত অসমৰ সাহিত্যিকৰ সাহিত্য কৰ্মৰ উচিত প্ৰচাৰ হোৱা নাই। অসমৰ সাহিত্যকৰ্ম ইংৰাজী, হিন্দী বা অন্যান্য ভাষালৈ পৰ্যাপ্ত পৰিমাণে ভাল অনুবাদ নোহোৱাটোও এটা আনুষঙ্গিক কাৰণ। বঁটা বা পুৰস্কাৰৰ কথা আহোঁতে এইটো কথাও উল্লেখ কৰাটো প্ৰয়োজনীয় যে বঁটা লাভ কৰা মানেই সাহিত্যিকৰ উচিত মূল্যায়ন হোৱাটো নুসূচায়। বঁটা, পুৰস্কাৰ আদিবোৰক একো একোটা বাহ্যিক প্ৰচাৰ বুলিও ক'ব পাৰি। তথাপি এইবোৰে এটা ভাষা বা ইয়াৰ সাহিত্যৰ এটা পৰিচয় আন মানুহৰ আগত দাঙি ধৰাত সামান্য হ'লেও সহায় কৰে।

সাম্প্ৰতিক অসমীয়া সাহিত্যত কিছু নতুনত্বৰ প্ৰৱেশ ঘটিছে। গল্প, কবিতা, উপন্যাস ইত্যাদিৰ বিষয়বস্তু, উপস্থাপন শৈলী আদিত বহুধৰণৰ পৰীক্ষা-নিৰীক্ষা দেখিবলৈ পোৱা গৈছে।

অসমীয়া সাহিত্যৰ শেহতীয়া পৰিৱৰ্তনখিনি কেৱল মুষ্টিমেয় অসমীয়া পাঠকৰ মাজতে সীমাবদ্ধ হৈ আছে। অসমীয়া সাহিত্যৰ প্ৰচাৰ এতিয়াও সীমিত। যিটো অসমীয়া সাহিত্যৰ বাবে ডাঙৰ সমস্যা। অসমৰ সংবাদ মাধ্যমেও অসমীয়া সাহিত্যৰ প্ৰচাৰৰ বাবে বিশেষ একো কৰিব পৰা নাই। অসমীয়া আলোচনীৰ প্ৰচলনো অসমীয়া মানুহৰ মাজতে সীমাবদ্ধ। অথচ বাংলা ভাষাৰ আলোচনী অসমীয়া মানুহৰ মাজতো জনপ্ৰিয়। তদুপৰি অসমীয়াৰ উপৰি অসমৰ অন্যান্য জনগোষ্ঠীয় ভাষাবোৰৰো প্ৰচাৰৰ প্ৰয়োজন আছে। এইবোৰ ভাষাৰ সাহিত্যক আজিও আমি ৰাষ্ট্ৰীয় পৰ্যায়ত উপযুক্ত সন্মান দিয়াব পৰা নাই। তাৰ বাবে আমাৰ প্ৰকাশক, পাঠক, সমালোচক, সংবাদ মাধ্যম সকলোৰে কৰণীয় আছে। আমি স্বীকাৰ কৰিবলৈ বাধ্য যে আশাপ্ৰদ নতুনত্বৰ আগমন সত্বেও বিশ্বৰ দৰবাৰত অসমৰ ভাষা-সাহিত্যৰ উচিত প্ৰতিনিধিত্ব এতিয়ালৈকে হোৱা নাই।

### জোৱাৰৰ প্ৰতীক্ষাত অসমৰ সাংস্কৃতিক জগত

গৌৰৱময় অসমীয়া সংস্কৃতিৰ গঠনৰ বৰ্ণনা দিবলৈ গ'লে বিষয়টো বহুগুণে দীঘল হ'ব। পূৰ্বতে উল্লেখ কৰা হৈছেই যে বিভিন্ন জাতিগোষ্ঠীৰ সাংস্কৃতিক উপাদানেৰে অসমীয়া সংস্কৃতি সমৃদ্ধ। শংকৰদেৱ, মাধৱদেৱ,আজান ফকীৰৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আদিলৈকে অনেক মহান কলাকাৰৰ অৱদানেৰে অসমীয়া সংস্কৃতি জাতিষ্কাৰ। এইসকলৰ বিষয়ে হয়তো ন-কৈ কোৱাৰ প্ৰয়োজন নাই। প্ৰয়োজন আছে এখেতসকলৰ সৃষ্টিৰাজিক সন্মান জনাই নতুন প্ৰজন্মই ন-ন সৃষ্টিৰে অসমীয়া সংস্কৃতিক চহকী কৰাৰ।

অগ্ৰজসকলৰ পিছতে অসমত সদায় নতুন নতুন সাংস্কৃতিক প্ৰতিভা ওলাই আহিছে। অৱশ্যে তাৰে সকলোৰে নিজ প্ৰতিভাক সম্পূৰ্ণ ৰূপে বিকশিত কৰিব পৰা নাই বা কৰাৰ সুযোগ পোৱা নাই। অসমৰ গাঁৱে-ভূঞে লুকাই থকা অজস্ৰ প্ৰতিভা উপযুক্ত প্ৰচাৰ তথা সুযোগৰ অভাৱত মৰহি গৈছে। ওলাই আহি প্ৰতিষ্ঠা লাভ কৰিছে বহুজনে, অথচ কলিতে মৰহি গৈছে তাতকৈও অধিক। ইয়াৰ বাবে দায়ী অসমৰ ৰাইজ। অসমীয়া মানুহে শিল্পীৰ আদৰ কৰিব নাজানে বুলিও এষাৰ কথা আছে। ঢোলৰ যাদুকৰ মঘাই ওজাই মৃত্যুৰ পিছতো প্ৰাপ্য সন্মান নাপালে। অথচ এইজন মহান শিল্পীক বিশ্বৰ মজিয়াত সন্মানেৰে পৰিচয় কৰাই দিয়াৰ

দায়িত্ব আছিল অসমীয়া জনসাধাৰণৰ।

ওপৰত উল্লেখ কৰাৰ দৰে হতাশাজনক খবৰবোৰ পাই থকাৰ পিছতো বহুতে নিৰলস সাধনা চলাই গৈছে। নিজা চেষ্টা আৰু প্ৰতিভাৰ বলত যোৱা কেইবছৰমানত বহুকেইজন অসমীয়াই ৰাষ্ট্ৰীয় সংগীত জগতত সুনাম অৰ্জন কৰিছে। ড° ভূপেন হাজৰিকাৰ পিছত এতিয়াৰ প্ৰজন্মৰ জুবিন গাৰ্গ, তৰালি শৰ্মা আদিৰ দৰে গায়ক-গায়িকাই সৰ্বভাৰতীয় স্তৰত সুনাম অৰ্জন কৰিছে। জুবিন গাৰ্গ এতিয়া কেৱল অসমৰে নহয় সমগ্ৰ ভাৰতৰে এজন অন্যতম জনপ্ৰিয় গায়ক। ইয়াৰ উপৰি বলীউডৰ সংগীত আৰু অভিনয় জগতত এতিয়া বহুকেইজন অসমীয়া ডেকা-গাভৰুৱে প্ৰতিষ্ঠা লাভ কৰিছে। বয়সত অগ্ৰজ হ'লেও জাহ্নু বৰুৱা, মঞ্জু বৰা আদিয়ে চলচ্চিত্ৰ নিৰ্মাণেৰে ৰাষ্ট্ৰীয় স্তৰত মৰ্যাদা লাভ কৰিছে যোৱা কেইবছৰমানত। আৰু বহুজন থাকিলেও সকলোৰে নাম উল্লেখ কৰাটো সম্ভৱপৰ নহ'ল। এইবোৰ খবৰে ভৱিষ্যতৰ উজ্জ্বল দিনৰ সম্ভাৱনা বহন কৰিছে।

ৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয়তা লাভ কৰাসকলৰ কিছুমান দায়িত্বও আছে। গ্লেমাৰসৰ্বস্বতাকে জীৱনৰ একমাত্ৰ লক্ষ্যৰ জ্ঞান কৰি অসমৰ সংস্কৃতিক আওকাণ কৰিলে অসমক এওঁলোকে অন্যায় কৰা হ'ব। বহুকেইজন অসম সন্তানে ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিতি লাভ কৰিছে যদিও ই নিশ্চয় পৰ্যাপ্ত নহয়। নিজৰ লগতে পাছৰখিনিকো আগবঢ়াই লৈ যোৱাৰ দায়িত্ব তেওঁলোকৰ। লগতে অসমৰ বাৰেবৰণীয়া সংস্কৃতিক বিশ্বৰ সকলো প্ৰান্তলৈ গৌৰৱেৰে আগবঢ়াই নিয়াৰ গুৰু দায়িত্বও এতিয়া এইচাম তৰুণ প্ৰতিভাৰ হাতত। তৰুণ চামে চিন্তাৰ গভীৰতা আৰু জাতীয়তাবোধেৰে কাম কৰি যাওক। ন-ন সৃষ্টিৰে মুগ্ধ কৰক কলাপ্ৰেমীক। অসমীয়া সংস্কৃতিৰ গৌৰৱগাথা পৃথিৱীৰ সকলো মানুহৰে কাণত গুঞ্জৰিত হওক। সেইবাবে এক সাংস্কৃতিক জোৱাৰৰ বাবে সকলো অসমীয়াৰে এতিয়া অধীৰ অপেক্ষা।

ওপৰত অসমৰ ৰাজনীতি, ভাষা-সাহিত্য আৰু সংস্কৃতিৰ সাম্প্ৰতিক ছবিখনৰ বিষয়ে নিজা ভাবনাৰে এক আভাস দিয়াৰ চেষ্টা কৰা হৈছে। এইকেইটা বিষয়ৰ উপৰি ক্ৰীড়া, শিল্পকলা, প্ৰশাসন ইত্যাদি বিষয়তো বহু কথা কোৱাৰ, বহু কথা ভবাৰ আৰু বহু কাম কৰাৰ থল আছে। অসমত অনেক ক্ৰীড়া প্ৰতিভা আছে। উপযুক্ত সা-সুবিধাৰ অভাৱত বেছিভাগেই ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ যাব পৰা নাই। তাৰ মাজতো অত্যন্ত কষ্ট, আৰ্থিক সংকটত ভুগিও বহুকেইজন অসম সন্তানে ক্ৰীড়াক্ষেত্ৰত সুখ্যাতি অৰ্জন কৰিছে। ভোগেশ্বৰ বৰুৱা, দীপাংকৰ ভট্টাচাৰ্য, মনালিছা বৰুৱা মেহতা, এলভিছ্ আলী হাজৰিকা, মিঠু বৰুৱা, আবু নেছিম আহমেদ, কল্পনা চৌধুৰী, প্ৰণামিকা বৰা আদি ইয়াৰে প্ৰমাণ। গতিকে উপযুক্ত প্ৰশিক্ষণ তথা চৰকাৰী আৰ্থিক সাহায্যই অসমৰ বহু তৰুণ প্ৰতিভাক সফলতাৰে আগুৱাই যোৱাত সহায় কৰিব। অৱশ্যে ২০০৭ বৰ্ষত হৈ যোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পিছত অসমত ক্ৰীড়াৰ আন্তঃগাঁথনি কিছু উন্নত হৈছে। শিল্পকলাৰ ক্ষেত্ৰত অসমীয়া শিল্পীয়ে এতিয়া অসমৰ বাহিৰত বিশেষ প্ৰতিষ্ঠা লাভ কৰিব পৰা নাই। অসমৰ শিল্পীয়ে উপযুক্ত প্ৰচাৰ নোপোৱাটোৱেই ইয়াৰ মূল কাৰণ। অসমতো বহু শিল্পীয়ে শেষ বয়সতহে কিছু সন্মান লাভ কৰিছে। উপযুক্ত সময়ত আদৰ আৰু প্ৰচাৰ লাভ কৰা হ'লে হয়তো এইসকল শিল্পীৰ পৰা বহু উন্নত শিল্পকৰ্ম পোৱা গ'লহেঁতেন।

আলোচনা শেষ কৰাৰ আগতে এটা কথা উল্লেখ কৰা উচিত হ'ব যে অসমৰ শিল্পী, সাহিত্যিক বা তেনে ক্ষেত্ৰৰ প্ৰতিভাধৰসকলে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত যথোপযুক্ত প্ৰচাৰ তথা সন্মান লাভ নকৰাৰ আঁৰত আছে অসমীয়া মানুহৰ ৰক্ষণশীল মনোভাব। একবিংশ শতিকাতো বেছিভাগ অসমীয়া মানুহ এলান্ধুকলীয়া ধৰ্মবিশ্বাস কিছুমানত বিশ্বাসী। ধৰ্ম মানি চলাটো এটা সুকীয়া কথা আৰু অন্ধবিশ্বাসী আৰু ৰক্ষণশীল হোৱাটো অন্য এটা কথা। অসমীয়া মানুহৰ বহুতে ধৰ্মৰ আঁৰ লৈ অন্ধবিশ্বাস আৰু ৰক্ষণশীল গোড়া মনোভাবকহে আগস্থান দিয়ে। আধুনিক অসমীয়া সমাজৰ ভেটি নিৰ্মাতা শংকৰদেৱক অসমৰ মানুহে আজিলৈকে ধৰ্মপ্ৰচাৰক সজায়ে ৰাখিছে। শংকৰদেৱে যিটো সময়ত সমাজ সংগঠনৰ উপৰি শিল্পকলা, সাহিত্য, গীত, নৃত্য-অভিনয়ৰ নিজস্ব ধাৰা সৃষ্টিৰে অসমক চহকী কৰিথৈ গ'ল, সেই কথা ভাবিলেই বিস্ময়ত হতবাক হোৱা যায়। সেইদৰে মাধৱদেৱৰ কথাও ক'ব পাৰি। এওঁলোকৰ মহানতাক ধৰ্মৰ ঠেক গণ্ডীৰ ভিতৰত জোৰ-জবৰদস্তি সুমুৱাই শংকৰ-মাধৱৰ শিল্পীসত্তাক অসমীয়া মানুহে আজিও অপমান কৰি আহিছে। শংকৰদেৱ, মাধৱদেৱক একমাত্ৰ ধৰ্মীয় সংকীৰ্ণতাৰ বাবেই আমি বিশ্বৰ আন বৰেণ্য শিল্পীসকলৰ শাৰীত সন্মানীয়ভাৱে স্থান দিব নোৱাৰিলোঁ।

আচলতে আলোচনা, সমালোচনা বা বিতৰ্ক ইত্যাদিৰ পৰা বিশেষ লাভালাভ একো নহয়, যদিহে জাতিৰ হকে নিঃস্বাৰ্থভাৱে কাম কৰাৰ মানসিকতা নাথাকে। অসমক যদি ভাল পাওঁ তেন্তে বিশ্বৰ মজিয়াত অসমীয়া কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্য আদিক উচ্চ মৰ্যাদাসহ প্ৰতিষ্ঠা কৰাৰ দায়িত্ব আমি প্ৰতিজন অসমীয়াই ল'ব লাগিব আৰু জাতীয় ঐতিহ্য অক্ষুণ্ণ ৰাখি এই দায়িত্ব পালন কৰিব লাগিব। গতিকে অসমীয়া জাতীয় জীৱনৰ বিশালতাক পৃথিৱীৰ সকলো প্ৰান্তলৈ লৈ যাবলৈ তথা অসমৰ সকলো দিশৰে বাস্তৱ ছবিখন সকলো স্তৰতে সঠিকভাৱে প্ৰদৰ্শন কৰি সমস্যাৰাজি নোহোৱা কৰি অসমক প্ৰগতি আৰু সভ্যতাৰ উচ্চতম শিখৰলৈ লৈ যোৱাৰ বাবে প্ৰতিজন অসমীয়াই হাতে-কামে অসমীয়া জাতিৰ প্ৰকৃত প্ৰতিনিধি হওঁ আহক! ■

# প্ৰসংগ ঃ ভাৰতীয় অৰ্থনীতিৰ উন্নয়ন আৰু দুৰ্নীতি

**সুৰেশ কুমাৰ নাথ**
*জ্যেষ্ঠ প্ৰবক্তা, অৰ্থনীতি বিভাগ*

'ঊনবিংশ শতিকাটো আছিল ইংৰাজসকলৰ, বিংশ শতিকাটো গ'ল আমেৰিকাৰ হাতলৈ; কিন্তু একবিংশ শতিকাটো হ'ব এছিয়াৰ— মানে বিশেষভাৱে চীন আৰু ভাৰতৰ।' — কথাষাৰৰ সত্যতা লাহে লাহে আন্তৰ্জাতিকভাৱে স্বীকৃত হৈ উঠিছে। অলপ দিনৰ আগলৈ 'এছিয়াৰ বাঘ' বুলিলে মাত্ৰ চাৰিখন পূব এছিয়াৰ দেশ ক্ৰমে হংকং, টাইৱান, দক্ষিণ কোৰিয়া আৰু ছিংগাপুৰকেই বুজা গৈছিল যদিও তুলনামূলকভাৱে ক্ষুদ্ৰ অৰ্থনীতি যেনে থাইলেণ্ড, মালয়েছিয়া আৰু ইণ্ডোনেছিয়াও কিন্তু একেবাৰে পিছপৰি থকা নাছিল। চীন আৰু ভাৰতৰ দৰে বিশাল জনসংখ্যা আৰু আয়তনৰ দেশ দুখনত অৰ্থনৈতিক জাগৰণ অহাটো একপ্ৰকাৰ দুৰূহ বুলিয়েই গণ্য কৰা হৈছিল যদিও অৰ্থনৈতিক সংস্কাৰ প্ৰক্ৰিয়াৰ সফলতাই দুয়োখন দেশকে কিন্তু সম্প্ৰতি অতিশয় সন্মানজনক অৱস্থাত উপনীত কৰোৱাইছে। যোৱা প্ৰায় আঢ়ৈশ বছৰ ভাৰত দৰিদ্ৰ হৈ থাকিল। আনহাতে চীনা অৰ্থনীতিৰ আভ্যন্তৰীণ খবৰবোৰ আনৰ বাবে বহুদিন ধৰি সদৰী কৰি দিয়া হোৱা নাছিল বাবে দেশখনত দৰিদ্ৰতাৰ দৰে মৌলিক সমস্যাবোৰৰ গভীৰতা বুজাৰ ক্ষেত্ৰত আনৰ যথেষ্ট অসুবিধা হৈছিল। ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰ প্ৰক্ৰিয়া ১৯৮৫ চনতেই আৰম্ভ হৈ ১৯৯১ চনত যথেষ্ট বিস্তাৰিত ৰূপ লোৱাৰ বিপৰীতে চীনত এই প্ৰক্ৰিয়া আৰম্ভ হৈছিল ১৯৭৮ চনতেই।



**'সাম্প্ৰতিক গতিধাৰাৰ্লৈ চাই কোৱা হৈছে যে অহা পঁচিছ বছৰৰ সময়ছোৱাত ভাৰতবৰ্ষই হ'ব বিশ্বৰ ভিতৰতে ক্ষিপ্ৰতম গতিসম্পন্ন অৰ্থনীতি, কিয়নো এইখনেই হ'ব সৰ্বাধিক ডেকাশক্তিৰে সমৃদ্ধ এখন দেশ। অনাগত প্ৰতি বাৰ বছৰত ভাৰতৰ জাতীয় আয় দুগুণ হ'ব বুলি আশা কৰা হৈছে আৰু ২০২০ চনৰ ভিতৰত আমেৰিকা, চীনৰ পিছতে (ক্ৰয়ক্ষমতা সমতাৰ ভিত্তিত) ভাৰতীয় অৰ্থনীতি হৈ পৰিব বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি'**

সোতৰশ শতিকাত ভাৰতে বিশ্ব বাণিজ্যৰ প্ৰায় চৌবিছ শতাংশ নিজৰ অধীনত ৰখাৰ বিপৰীতে চীনৰ নিয়ন্ত্ৰণত আছিল প্ৰায় বাইছ শতাংশ। সম্প্ৰতি চীন আৰু ভাৰতে মিলি বিশ্বৰ প্ৰায় চল্লিছ শতাংশ জনসংখ্যাক আশ্ৰয় দিছে যদিও সৰ্বমুঠ বিশ্ব আয়লৈ চীনে এঘাৰ শতাংশ আৰু ভাৰতে চাৰি শতাংশহে অৰিহণা যোগায়। এইটো সঁচা যে ইউৰোপৰ আৱিৰ্ভাৱ হোৱাৰ আগলৈ বিশ্ব ইতিহাসৰ এটা বিশেষ সময়ত ভাৰত আৰু চীন আছিল পৃথিৱীৰ ভিতৰতেই দুখন অতি চহকী দেশ। দেশ দুখনৰ জনসাধাৰণৰ জীৱন নিৰ্বাহৰ মানো আছিল আনৰ তুলনাত যথেষ্ট ঈৰ্ষণীয়।

ইংৰাজৰ শোষণমূলক নীতিত প্ৰৱৰ্তিত শাসন ব্যৱস্থা, ভাৰতীয় শাসনকৰ্তাসকলৰ অদূৰদৰ্শিতা, পৰস্পৰৰ শত্ৰুতা, কাজিয়া-পেচাল, ভাৰতীয় জনগণৰ ক্ৰমবৰ্ধমান দৰিদ্ৰতা, অনৈক্য আদিৰ ফলত ভাৰতীয় সমাজ আৰু অৰ্থনীতি এটা সময়ত বিধ্বস্ত হৈ পৰিছিল যদিও স্বৰাজোত্তৰ কালত এই জৰাজীৰ্ণ অৱস্থাটোৰ কিছু পৰিৱৰ্তন তথা উন্নতি সাধন হ'ব বুলি যুক্তিগতভাৱেই আশা কৰা হৈছিল। কিন্তু আশীৰ দশকলৈ অৰ্থনৈতিক ক্ষেত্ৰত কোনো বৈপ্লৱিক পৰিৱৰ্তন দৃষ্টিগোচৰ নহ'ল। স্বাধীনতাৰ সময়তে দেশখনত সমাজবাদৰ আৰ্হিত মিশ্ৰ অৰ্থনীতিক আধাৰ হিচাপে লৈ পৰিকল্পিত উন্নয়নৰ যি সোপান ৰচনা কৰা হৈছিল, সেয়া অদূৰদৰ্শিতা, ৰূপায়ণৰ দক্ষতাহীনতাৰ ফলত চূৰমাৰ হৈ গৈছিল। প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ, মূলধনৰ অভাৱ, অনেক অপ্ৰয়োজনীয় চৰকাৰী নিয়ন্ত্ৰণ, দুৰ্নীতি, ৰাজনৈতিক অস্থিৰতা, নিৰক্ষৰতা,

চুবুৰীয়া দেশৰ লগত হোৱা যুদ্ধ-বিগ্ৰহ, খৰাং বতৰ আদিয়ে পৰিস্থিতি একেবাৰে নিয়ন্ত্ৰণহীন কৰি তুলিছিল। দৰিদ্ৰতাই হৈ পৰিছিল ভাৰতীয় অৰ্থনীতিৰ বৈশিষ্ট্য। তাৰ মাজতেই পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে অৰ্থনৈতিক উন্নয়নৰ প্ৰক্ৰিয়াটো জীয়াই ৰখা হৈছিল। তথাপি কিন্তু দীৰ্ঘদিন ধৰি দেশখনত নিম্ন জনমূৰি আয়, নিবনুৱা সমস্যা, নিৰক্ষৰতা আদি প্ৰাথমিক সমস্যা হৈয়েই ৰৈ গ'ল। আন্তৰ্জাতিক পৰ্যায়ত এক মৰ্যাদাপূৰ্ণ স্থিতি লাভ কৰাৰ স্বপ্ন যেন দূৰাকাংক্ষালৈ পৰ্যবসিত হৈ পৰিল। খাদ্য সামগ্ৰী, প্ৰযুক্তি বিদ্যাত আত্মনিৰ্ভৰশীলতা অৰ্জন কৰা আৰু সামাজিক ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতো যথেষ্ট অসুবিধাই দেখা দিলে। ১৯৬৯ চনত কৃষি খণ্ডত সংঘটিত সেউজ বিপ্লৱে কেৱল মাত্ৰ পঞ্জাব, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ পশ্চিম অঞ্চলকহে সামৰি লোৱা বাবে আঞ্চলিক অৰ্থনৈতিক বৈষম্যও প্ৰকট হৈ পৰিল। তেনেদৰে উদ্যোগীকৰণো মহাৰাষ্ট্ৰ, পঞ্জাব, কৰ্ণাটক, গুজৰাট আদি প্ৰদেশবোৰতেই কেন্দ্ৰীভূত হৈ থাকিল। প্ৰায়ভাগ ৰাজ্যতেই ঘাটি বাজেট সৃষ্টি হ'বলৈ ধৰিলে। বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰৰ অৱস্থাও তথৈবচ হৈ পৰিল। মুঠতে এনে অনেক ত্ৰুটি-বিচ্যুতিৰ বাবে ভাৰতবৰ্ষ বিভীষিকাময় দৰিদ্ৰ চক্ৰৰ গ্ৰাসৰ পৰা মুক্ত হ'ব নোৱাৰিলে। স্বাধীনতাৰ প্ৰায় চল্লিছ বছৰৰ পিছত সেই অভিশপ্ত চক্ৰটোৰ পৰা উদ্ধাৰ পোৱাৰ আশাৰে লাহে লাহে অৰ্থনীতিত কিছু পৰিৱৰ্তন সূচনা কৰাৰ চেষ্টা কৰা হ'ল। ১৯৮৫ চনৰ পৰা প্ৰয়াত ৰাজীৱ গান্ধীৰ নেতৃত্বত এই পৰিৱৰ্তনৰ বতাহ ব'বলৈ ধৰিছিল যদিও প্ৰথম অৱস্থাত প্ৰক্ৰিয়াটো যথেষ্ট মন্থৰ হৈ আছিল। পৰিৱৰ্তনক সহজে আদৰি ল'ব নোখোজা ভাৰতীয় জনসাধাৰণেও প্ৰথমে পৰিৱৰ্তনৰ এই বতাহক স্বাগতম জনোৱা নাছিল। কিন্তু লাহে লাহে বিশ্বায়ন, উদাৰীকৰণ, আধুনিকীকৰণ, ব্যক্তিগতকৰণ আদি শব্দবোৰ ভাৰতীয় জনগণে সহজভাৱে গ্ৰহণ কৰিবলৈ ল'লে। ১৯৯১ চনত ভাৰতীয় অৰ্থনীতিত দেখা দিয়া তীব্ৰ সংকটৰ গৰাহৰ পৰা দেশখনক সকাহ দিবলৈ আগবাঢ়ি আহিল আন্তৰ্জাতিক মুদ্ৰানিধি। ভাৰতবৰ্ষই তেতিয়াই নিজৰ স্বৰ্ণভাণ্ডাৰ বন্ধকত ৰাখি থৈ হ'লেও সেই মুদ্ৰানিধিৰ পৰা সাত বিলিয়ন আমেৰিকান ডলাৰ পৰিমাণৰ এক বৃহৎ ঋণ ল'বলৈ বাধ্য হৈ পৰিল। যেতিয়া সৰু-বৰ উদ্যোগবোৰত থকা যন্ত্ৰবোৰৰ চকা ঘূৰিবলৈ আৰম্ভ কৰিলে, তেতিয়াই সামাজিক বিষয়বোৰতো ইয়াৰ প্ৰভাৱ পৰিলক্ষিত হ'ল। ১৯৯১ চনৰে পৰা এতিয়ালৈ যোৱা সোতৰটা বছৰত ভাৰতীয় অৰ্থনীতিত যথেষ্ট উল্লেখযোগ্য ঘটনা সংঘটিত হৈছে। ভাৰতবৰ্ষত ব্যক্তিগত খণ্ডৰ এনে চমৎকাৰ প্ৰদৰ্শন যোৱা শতিকাটোত কাহানিও দেখা পোৱা নগৈছিল যদিও পুঁজিবাদী দেশসমূহৰ তুলনাত এতিয়াও ভাৰতবৰ্ষৰ চৰকাৰে বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ত চৰকাৰী নিয়ন্ত্ৰণ অব্যাহত ৰাখিছে। গোড়া সমাজবাদৰ কুফলবোৰ আৰু চৰম পুঁজিবাদী ব্যৱস্থাৰ অশুভ দিশবোৰলৈ লক্ষ্য ৰাখি সচেতনভাৱে আগবঢ়াৰ বাবেই ভাৰতীয় অৰ্থনীতিৰ উন্নয়নৰ প্ৰক্ৰিয়াটো আপেক্ষিকভাৱে কিছু মন্থৰ হৈ পৰিছে যদিও বিশ্লেষকসকলে কিন্তু ইয়াক নেতিবাচক দিশ বুলি কোৱা নাই। তথাপি ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহক 'কোন পথেৰেনো গতি কৰা উচিত হ'ব' লেখীয়া এক প্ৰাথমিক প্ৰশ্নই আজিও চিন্তাত পেলাই ৰাখিছে। সাম্প্ৰতিক গতিধাৰালৈ চাই কোৱা হৈছে যে অহা পঁচিছ বছৰৰ সময়ছোৱাত ভাৰতবৰ্ষই হ'ব বিশ্বৰ ভিতৰতে ক্ষিপ্ৰতম গতিসম্পন্ন অৰ্থনীতি, কিয়নো এইখনেই হ'ব সৰ্বাধিক ডেকাশক্তিৰে সমৃদ্ধ এখন দেশ। অনাগত প্ৰতি বাৰ বছৰত ভাৰতৰ জাতীয় আয় দুগুণ হ'ব বুলি আশা কৰা হৈছে আৰু ২০২০ চনৰ ভিতৰত আমেৰিকা, চীনৰ পিছতে (ক্ৰয়ক্ষমতা সমতাৰ ভিত্তিত) ভাৰতীয় অৰ্থনীতি হৈ পৰিব বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি।

আজি শিক্ষিত, দক্ষ, কষ্টসহিষ্ণু আৰু ইংৰাজীভাষী বিজ্ঞানী, অভিযন্তা, কোম্পানীৰ কাৰ্যবাহী, শিক্ষক, গৱেষক, প্ৰযুক্তিবিদ আদি জ্ঞাননিৰ্ভৰ শ্ৰমিকেই ভাৰতবৰ্ষৰ আটাইতকৈ ডাঙৰ শক্তি বা সামৰ্থ্য। দেশখনৰ উন্নত মানৰ শিক্ষা প্ৰতিষ্ঠানসমূহে এই শ্ৰমিক সৃষ্টিত মুখ্য অৰিহণা আগবঢ়াইছে। আজি বিশ্বত দক্ষ শ্ৰমিক সৃষ্টিৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ স্থান সপ্তম। তাৰ উপৰি কম মজুৰিৰ দক্ষ শ্ৰমিক যোগানৰ ক্ষেত্ৰতো ভাৰত সফল হোৱা হেতুকে বহুজাতিক কোম্পানীবোৰে ভাৰতত উৎপাদন আৰম্ভ কৰাৰ লগতে গৱেষণাগাৰো মুকলি কৰিছে। ভাৰতীয় বেংকসেৱাৰ উত্থানেও অৰ্থনৈতিক সমৃদ্ধিৰ গতি খৰতকীয়া কৰাত যথেষ্ট সহায় কৰিছে। সম্প্ৰতি ভাৰতৰ বেংকসমূহত অপৰিশোধিত ঋণৰ পৰিমাণ জাতীয় আয়ৰ মাত্ৰ তিনি শতাংশহে, যিটো চীনত পঁচিছ শতাংশৰো অধিক।

আজি ভাৰতবৰ্ষই যিটো গতিময়তাৰে সমৃদ্ধিৰ পথত ভৰি দিছে, সেয়া অৱশ্যে প্ৰশংসাযোগ্য যদিও বিশ্ব অৰ্থনীতিত দীৰ্ঘদিনীয়া বা স্থায়ী আঁচোৰ পেলাবলৈ আৰু অনেক বাট অতিক্ৰম কৰিব লাগিব। বিশ্ব অৰ্থনীতি মানে হ'ল প্ৰায় এশ আঠান্নখন বা ততোধিক দেশৰ মুঠ দ্ৰব্য আৰু সেৱা উৎপাদনৰ মুদ্ৰামূল্য— যিটো বৰ্তমান বছৰি চাৰি শতাংশ হাৰত বৃদ্ধি হৈ আছে। আন্তৰ্জাতিক মুদ্ৰানিধিয়ে কৰা এক হিচাপ অনুসৰি ২০০৫ চনত ইয়াৰ পৰিমাণ আছিল চৌৰাল্লিছ হেজাৰ বিলিয়ন আমেৰিকান ডলাৰ। ২০০৮ চনৰ শেষ ভাগত ই পঞ্চাছ হেজাৰ বিলিয়ন আমেৰিকান ডলাৰতকৈ অধিক হ'ব বুলি ভবা হৈছে। এইক্ষেত্ৰত অৱশ্যে আমেৰিকাই নিজৰ প্ৰায় তেৰ হেজাৰ বিলিয়ন ডলাৰেৰে বিশ্ব অৰ্থনীতিৰ অভ্যুত্থানত শীৰ্ষস্থান অধিকাৰ কৰি আছে। এই সমগ্ৰ হিচাপটোত ভাৰতীয় অৰ্থনীতিৰ অৰিহণা মাথোন বাৰশ বিলিয়ন আমেৰিকান ডলাৰতকৈ অলপহে বেছি।

**আন এটা গুৰুত্বপূৰ্ণ সমস্যা ঃ** ভাৰতৰ এই সাম্প্ৰতিক উত্থানৰ সময়তে যিটো সমস্যাই ভাৰতীয় অৰ্থনীতি, সমাজনীতিক কোঙা কৰি পেলাইছে, সেইটো হ'ল দেশখনত

**ভাৰতবৰ্ষই যিটো গতিময়তাৰে সমৃদ্ধিৰ পথত ভৰি দিছে, সেয়া অৱশ্যে প্ৰশংসাযোগ্য যদিও বিশ্ব অৰ্থনীতিত দীৰ্ঘদিনীয়া বা স্থায়ী আঁচোৰ পেলাবলৈ আৰু অনেক বাট অতিক্ৰম কৰিব লাগিব।**

বিশাল পৰিমাণত সংঘটিত হৈ থকা দুৰ্নীতিৰ সমস্যা। ব্যৱসায়িক, বৌদ্ধিক, বিত্তীয়, সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰসমূহত দেখা দিয়া দুৰ্নীতিৰ পয়োভৰে জনসাধাৰণ আৰু বিদেশীসকলৰ মনত এক বিশ্বাসহীনতাৰ সৃষ্টি কৰিছে। বিশ্ব বেংকৰ ব্যাখ্যা অনুসৰি দুৰ্নীতি মানে হ'ল ৰাজহুৱা বা চৰকাৰী যন্ত্ৰ (প্ৰক্ৰিয়া বা কাৰ্য) ব্যক্তিগত লাভালাভৰ বাবে ব্যৱহাৰ কৰা। ই একেধাৰে অনৈতিক, অনাকাংক্ষিত আৰু উন্নয়নৰ পথত ডাঙৰ অন্তৰায়। চৰকাৰী কাম-কাজ তথা ৰাজহুৱা স্বাৰ্থজড়িত কাৰ্যত দুৰ্নীতিয়ে ভাৰতৰ দৰে অৰ্থনীতিসমূহত খোপনি পুতি বহাৰ বাবেই দেশসমূহৰ জনসাধাৰণে উন্নয়নৰ সমগ্ৰ প্ৰক্ৰিয়া বা সমাজ ব্যৱস্থাটোতেই আস্থা হেৰুৱাই পেলাইছে। সাধাৰণ ৰাইজে বিশেষভাৱে চৰকাৰী কাৰ্যকলাপত সন্দেহ প্ৰকাশ কৰিছে। ৰাষ্ট্ৰসংঘই ২০০৩ চনত 'দুৰ্নীতিনিবাৰক পৰামৰ্শাৱলী' গ্ৰহণ কৰিছিল। শীতল যুদ্ধৰ শেষত দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰাটো আন্তৰ্জাতিক পৰ্যায়ত এটি বিশেষ বিষয় হিচাপে গণ্য কৰা হৈছে। বিগত কালত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাছিয়াৰ দৰে দুটা চৰম শক্তি থকাৰ সময়তো বিশ্ববেংকৰ দৰে সংস্থাসমূহে দৰিদ্ৰ দেশসমূহক প্ৰদান কৰা অৰ্থনৈতিক সাহায্য বা ঋণ প্ৰদানত দুৰ্নীতি এতিয়াৰ দৰে তীব্ৰতৰ হৈ উঠা নাছিল বুলি কোৱা হৈছে। কিন্তু কিছুসংখ্যক উন্নয়নশীল ৰাষ্ট্ৰত কেইগৰাকীমান অতিশয় দুৰ্নীতিপৰায়ণ স্বেচ্ছাচাৰী ৰাজনৈতিক নেতাৰ ছত্ৰছায়াতেই দুৰ্নীতিয়ে গা কৰি উঠিল আৰু আন্তৰ্জাতিক পৰ্যায়তো সেইটোৰে প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিলে বুলি মত প্ৰকাশ কৰা হৈছে।

দুৰ্নীতি যে জাতীয়তাবাদৰ বিৰোধী আৰু দৰিদ্ৰতা দূৰীকৰণৰ পথত এখন ডাঙৰ হেঙাৰ, সেই কথাটো ভাৰতৰ দৰে দেশসমূহৰ নেতৃত্বই বুজি উঠিছে আৰু দুৰ্নীতি নিয়ন্ত্ৰণ বা নিৰ্মূলকৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। চৰকাৰী শাসন প্ৰক্ৰিয়াত স্বচ্ছতাৰ অভাৱে দুৰ্নীতিক উৎসাহিত কৰিছে। ফলত চৰকাৰী নিয়ন্ত্ৰণ ব্যৱস্থাটোক কোনেও বিশেষ সমীহ নকৰা হৈছে। দুৰ্নীতিক প্ৰশ্ৰয় দিয়াৰ ক্ষেত্ৰত ৰাজনৈতিক হস্তক্ষেপক এক বিশেষ কাৰক হিচাপে চিহ্নিত কৰা হৈছে। সমগ্ৰ প্ৰক্ৰিয়াটোত আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে সৰ্বসাধাৰণ লোক— যিয়ে চৰকাৰী তথা ন্যায়িক নিৰপেক্ষতা আশা কৰে। কৰ ফাঁকি, কৰ প্ৰৱঞ্চনা, ক'লা বজাৰৰ আধিপত্য, অত্যাৱশ্যকীয় সামগ্ৰীৰ দৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ অন্তঃসাৰশূন্যতা, মুদ্ৰাস্ফীতি প্ৰত্যক্ষ কৰি দৰিদ্ৰ আৰু নিম্ন-মধ্যবিত্ত লোকসকলে হতাশাত দিন কটাইছে। শেষত দুৰ্নীতিক সৰ্বসাধাৰণ জনতাই সামাজিক ব্যৱস্থাটোৰে এক এৰাব নোৱৰা অংশ বুলি ধৰি লৈছে।

দুৰ্নীতিৰ বিষয়ে সোধাত এবাৰ ইন্দিৰা গান্ধীয়ে কৈছিল যে 'দুৰ্নীতি হ'ল এটা বিশ্বব্যাপ্ত ঘটনা।' উক্তিটোত দুৰ্নীতি আমাৰ সহচৰেই যেন ভাব এটা প্ৰকট হোৱাৰ উপৰি এইটো কেৱল ভাৰতীয় সমস্যাই নহয় বুলি ইঙ্গিত দিয়া হৈছে। কথাটো হ'ল, বিশ্বৰ বিভিন্ন দেশত প্ৰচলিত দুৰ্নীতিৰ ধৰণ, পৰিমাণ দেশভেদে বেলেগ বেলেগ। বাৰ্লিনত থকা 'দ্য ট্ৰেন্সপাৰেঞ্চী ইণ্টাৰনেচনেল' নামৰ বেচৰকাৰী সংস্থাটোৱে প্ৰতিবছৰে 'দুৰ্নীতি উপলব্ধি সূচক'ৰ ভিত্তিত বিশ্বৰ দেশসমূহত চলি থকা দুৰ্নীতিৰ পৰিমাণ উলিয়ায়। ২০০৫ চনত কৰা এই পৰিমাপ অনুসৰি এশ ছাপন্নখন দেশৰ ভিতৰত ভাৰতৰ স্থান অষ্টাশীতম্। আইচলেণ্ড, ফিনলেণ্ড আটাইতকৈ কম দুৰ্নীতিপৰায়ণ দেশ হোৱাৰ বিপৰীতে বাংলাদেশ হৈছে সৰ্বাধিক দুৰ্নীতিগ্ৰস্ত দেশ। চীন আৰু পাকিস্তানৰ স্থান এইক্ষেত্ৰত ক্ৰমে ৭৮ আৰু ১৪৪।

১৯৯৯ চনত প্ৰকাশিত ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদন অনুসৰি যদিহে ভাৰতবৰ্ষৰ দুৰ্নীতিৰ পৰ্যায় নৰৱে, চুইডেন, ডেনমাৰ্ক, ফিনলেণ্ড, আইচলেণ্ড আদি স্কান্দিনেভিয়ান দেশসমূহৰ পৰ্যায়লৈ নমি আহে, তেন্তে ভাৰতবৰ্ষৰ জাতীয় আয় বছৰি ১.৫ শতাংশ অধিক বৃদ্ধি হ'ব আৰু ভাৰতত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগৰ পৰিমাণো বছৰি ১২.৫ শতাংশ বৃদ্ধি পাব। এক হিচাপ অনুসৰি সাধাৰণ ভাৰতীয় জনতাই প্ৰতিবছৰে এটা বা ততোধিক চৰকাৰী সেৱা লাভ কৰিবলৈ সৰ্বমুঠ ২১,০৬৯ কোটি টকা উৎকোচ বা উপঢৌকন দিবলগীয়া হয়। সমীক্ষাটোৱে বিশেষভাৱে পুলিচ প্ৰশাসন, ন্যায়িক, ভূমি প্ৰশাসন, পৌৰ প্ৰশাসন, চৰকাৰী চিকিৎসালয়, বিজুলী যোগান, চৰকাৰী সুলভ মূল্যৰ যোগান ব্যৱস্থা, আয়কৰ, পানী যোগান, বিদ্যালয় আৰু গ্ৰাম্য বিত্তীয় প্ৰতিষ্ঠানসমূহৰ কাম-কাজক সামৰি লৈছে।

মুঠতে দুৰ্নীতিৰ কৰাল গ্ৰাসৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু অৰ্থনৈতিক, সামাজিক উন্নয়নৰ গতি ত্বৰান্বিত কৰিবলৈ ভাৰতবৰ্ষৰ দৰে উন্নয়নশীল দেশসমূহে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব; যাতে সমগ্ৰ প্ৰক্ৰিয়াটোত এক স্বচ্ছতা বিৰাজ কৰে আৰু উন্নয়নৰ প্ৰক্ৰিয়াটোত জনসাধাৰণে নিজকে অন্তঃকৰণেৰে জড়িত কৰিবলৈ এক স্বাস্থ্যকৰ, বিশ্বাসভৰা পৰিৱেশ বিচাৰি পায়। তাৰ বাবে প্ৰয়োজন হ'ব চৰকাৰৰ পূৰ্ণ সদিচ্ছা আৰু বলিষ্ঠ নেতৃত্বৰ লগতে শিক্ষিত নাগৰিকসকলৰ দেশ আৰু সমাজখনৰ প্ৰতি জাগ্ৰত এক নৈতিক দায়িত্ববোধৰ। কোনোবাই এইটোক দেশপ্ৰেম বুলিও অভিহিত কৰিব পাৰে। ■

# মাজুলীৰ মুখা শিল্পৰ পৰম্পৰা আৰু চৰ্চা

**উজ্জীৱন কুমাৰ দত্ত**

*স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, গণসংযোগ আৰু সাংবাদিকতা বিভাগ*



মুখা (Musk) মানুহৰ আদিম কৃতি। সেয়ে ইয়াক কলাৰো আদিম প্ৰকাশ বুলিব পাৰি। কাৰোবাৰ ৰূপ ধাৰণ বা কোনো অতি-মানৱীয় সত্তাক প্ৰকাশ কৰিবলৈ মানুহৰ সাধাৰণ মুখমণ্ডল যিখিনিতেই অপাৰগ, সেইখিনিতেই মুখা ব্যৱহাৰ কৰা হয়।

আমাৰ অসমতো মুখাৰ প্ৰচলন আদিম কালৰ পৰাই আছিল। খেতিপথাৰত বা লাও এজোপাৰ কাষত চূণ সানি থোৱা টেকেলিটোত বা পথাৰৰ মাজৰ ধানখেৰৰ জুমুঠিৰে কিবা এটা ভয়ঙ্কৰ ৰূপৰ প্ৰকাশ কৰাৰ চেষ্টাতে মুখাৰ সত্তাটো সততে লুকাই আছিল বা ছেগা-চোৰোকাকৈ অ'ত-ত'ত ভুমুকিও মাৰিছিল। মহাপুৰুষ শংকৰদেৱে মুখাকো এক সুকীয়া মৰ্যাদা দান কৰি, গাম্ভীৰ্য সানি তাক এটি বিশিষ্ট কলালৈ ৰূপান্তৰ কৰিলে। শংকৰদেৱৰ ভক্তি-ধৰ্ম প্ৰচাৰৰ বাবে অভিনৱ সৃষ্টি ভাওনাতে মুখাই এক সংহত ৰূপ পালে। সমগ্ৰ অসমতে সাংস্কৃতিক আন্দোলনৰ গুৰি ধৰা সত্ৰসমূহত এতিয়াও সেই পৰম্পৰা তথা ঐতিহ্যৰ স্বাক্ষৰ বহন কৰি আছে। মাজুলীত থকা বৰ্তমান প্ৰায় ৩৫খন সত্ৰৰ ভিতৰত প্ৰধানকৈ নতুন চামগুৰি, পুৰণি চামগুৰি, এলেঙি, বিহিমপুৰ আৰু নৰসিংহ সত্ৰত মুখাৰ পৰম্পৰাগত চৰ্চা অব্যাহত আছে।

মুখা বুলিলে সাধাৰণতে আমি বাঁহৰ কাঠিৰে সজা মুখাকেই বুজোঁ। অসমৰ কিছুমান সত্ৰত বাঁহৰ কাঠিৰে সজা অতি পুৰণি মুখাৰ নিদৰ্শন আছে। ইয়াৰ বাহিৰেও কাঠৰ মুখাৰো প্ৰচলন আছিল, সেই বিষয়ে সম্প্ৰতি জনা গৈছে। প্ৰাচীন কালত কলহ, টেকেলি, তামোলৰ ঢকুৱা আদিতো মুখা সজাৰ আৰ্হি দেখা যায়।

ভাৰতৰ অন্যান্য ৰাজ্যৰ মুখাতকৈ অসমৰ মুখাৰ এটা নিজস্ব বৈশিষ্ট্য আছে। অসমত সাধাৰণ সামগ্ৰীকে মাধ্যম কৰি মুখা সজা হয়। সেই সামগ্ৰীসমূহ হ'ল বাঁহ, বেত, কাপোৰ, গোবৰ আৰু মাটি। অৱশ্যে পিছলৈ নতুন মাধ্যমো মুখাত ব্যৱহাৰ কৰা দেখা যায়। অসমত বাঁহৰ কাঠিৰে মুখা সজা সূত্ৰটো অতি পুৰণি। এই সূত্ৰটোক 'লখিমী সূত্ৰ' বুলি কোৱা হয়। কিয়নো এই সূত্ৰৰ সহায়তেই অসমৰ কৃষকসকলে শস্যৰ কঠীয়া ৰখাৰ বাবে টোম সাজি আহিছে।

এতিয়া মুখা সজা পদ্ধতিৰ বিষয়ে আলোচনা কৰা হওক। প্ৰথম পৰ্যায় হ'ল, আধা পৈণত দীঘল পাব থকা জাতি বাঁহৰ টুকুৰা ৪/৫ দিনমান পানীত বুৰাই তাৰ পিছত তুলিব লাগে। মুখা সজাৰ প্ৰাৰম্ভিক কাম 'লখিমী সূত্ৰ'ৰে আৰম্ভ কৰা হয়। মুখাৰ আকাৰ সম্পূৰ্ণ হ'লে তাক পোনকৈ ধৰি ৰাখিবৰ বাবে কিছুমান বাঁহৰ শলি আৰু কামি কৰি কেতবোৰ নিৰ্দিষ্ট স্থানত বেতৰ সূতাৰে বন্ধা হয়। কুমাৰ মাটি গুলি বোকা কৰি কাপোৰত সানি কাপোৰখন বাঁহৰ খাংটোৰ ওপৰত লগাই সম্পূৰ্ণকৈ কাঠিবোৰ ঢাকি দি ৰ'দত শুকাবৰ বাবে দিয়া হয়।

দ্বিতীয় পৰ্যায়ত পোৱালি গৰুৰ গোবৰ আৰু আলতীয়া মাটি একেলগ কৰি খামুচীয়াকৈ হাতেৰে মাৰিব লাগে। বাঁহৰ কৰণি বা হাতেৰে, কাপোৰ মেৰিওৱা মুখাৰ ওপৰত মাটি লগাই 'চেহেৰা' দিয়া হয়। তাৰ পিছত পুনৰ কুমাৰ মাটি বোকা লগোৱা কাপোৰেৰে মাটিৰ ওপৰত ঢাকি দি মুখা শুকাবৰ কাৰণে ৰ'দত দিয়া হয়।

তৃতীয়তে, মুখাত ৰং-বৰণ সনা কাম আৰম্ভ হয়। ইয়াৰ বাবে আৱশ্যক হয় খনিজ পদাৰ্থ, পাথৰজাতীয় হেঙুল-হাইতাল, নীল আৰু বগামাটি আদি।

সত্ৰত আজিৰ খনিকৰসকলে হেঙুল-হাইতালৰ ব্যৱহাৰ খুব কমেইহে কৰে। বৰ্তমান বজাৰত পোৱা সহজ মূল্যৰ ৰঙৰহে ব্যৱহাৰ দেখা যায়।

সাধাৰণতে সত্ৰসমূহত তিনি ধৰণৰ মুখা সজা দেখা যায়, যেনে— ছোঁ-মুখা, লোটোকাই-মুখা আৰু মুখ মুখা। ছোঁ-মুখা সৰ্বসাধাৰণতকৈ বহুগুণে ডাঙৰ। এই মুখাৰ মূৰ অংশ আৰু শৰীৰভাগ সুকীয়া সুকীয়াকৈ সজা হয়। ভাওনাত অভিনয় বা ভাও দিয়াৰ সময়ত মূৰ অংশ শৰীৰৰ লগত বান্ধি মুখাৰ ভিতৰত মানুহ সোমাই যায় আৰু ব্যৱস্থা অনুসৰি কান্ধত পিন্ধি লৈ ভাও আৰু যুদ্ধাদি কৰে। ভাওনাৰ ভাৱৰীয়াৰ চৰিত্ৰৰ প্ৰতি লক্ষ্য ৰাখিহে এই ছোঁ-মুখা সজা হয়। যেনে— ৰাৱণ, কুম্ভকৰ্ণ, নৰসিংহ আদি।

লোটোকাই-মুখা ছোঁ-মুখাতকৈ সৰু। এই মুখাৰ ধৰণ-কৰণ প্ৰায় ছোঁ-মুখাৰ দৰেই। এই মুখাৰো মূৰ আৰু শৰীৰ অংশ পৃথক

পৃথককৈ সজা হয়। হাত, মূৰ অংগসমূহ লৰচৰ কৰিব পৰাৰ সুবিধা ৰখা হয়। ছোঁ-মুখাৰ দৰে এই মুখাৰ মূৰটো গাৰ অংশৰ গলত বান্ধি নিদি মানুহজনৰ নিজৰ মূৰত পিন্ধা হয়। পুতনা, তাৰকা, যক্ষ আদি এনে চৰিত্ৰৰ ভাৱৰীয়াসকলে লোটোকাই-মুখা ব্যৱহাৰ কৰে।

মুখ-মুখা কেৱল মুখমণ্ডলত পৰিধান কৰিব পৰাকৈ তৈয়াৰ কৰা হয়। অভিনয়ৰ সময়ত মুখাটো মানুহৰ মুখত পিন্ধি ভাও দিয়ে। সুবাহু, উপনন্দ, ব্ৰহ্মা আদিৰ কাৰণে এনে মুখ-মুখা ব্যৱহাৰ কৰা হয়।

মুখা শিল্পৰ বাবে উল্লেখ কৰা সত্ৰসমূহৰ ভিতৰত পুৰণি আৰু নতুন চামগুৰি সত্ৰৰ পৰম্পৰা অতি উল্লেখযোগ্য। এই সত্ৰৰ মুখা শিল্প চৰ্চাৰ পৰম্পৰা তিনিশ বছৰৰো অধিক পুৰণি।

গুৰুজনাৰ নাতি শ্ৰীশ্ৰী চক্ৰপাণি আতাই ১৫৮৫ শকত মাজুলীৰ চামগছৰ তলত প্ৰতিষ্ঠা কৰা সত্ৰখনেই হ'ল শ্ৰীশ্ৰী চামগুৰি সত্ৰ। সত্ৰীয়া সংস্কৃতি আৰু মুখা কলাৰ পৰম্পৰাই হৈছে



এই সত্ৰৰ প্ৰধান বৈশিষ্ট্য। সত্ৰ প্ৰতিষ্ঠাৰ পৰাই বংশানুক্ৰমে সত্ৰীয়া গীত-নৃত্যৰ লগতে সমানে মুখা শিল্প আৰু মূৰ্তি সজা কাম চলি আহিছে বুলি জনা যায়। সত্ৰৰ পূৰ্বপুৰুষসকলৰ ভিতৰত স্বৰ্গীয় টংকেশ্বৰদেৱ, স্বৰ্গীয় মোক্ষেশ্বৰদেৱ, স্বৰ্গীয় ৰোমেশ্বৰদেৱ, স্বৰ্গীয় চৈতন্যদেৱ আৰু স্বৰ্গীয় শৈশৱচন্দ্ৰ দেৱগোস্বামী আতাসকলে এই শিল্পকৰ্মৰ এটি বলিষ্ঠ পৰম্পৰা ৰাখি গৈছে।

কালক্ৰমে বংশ বৃদ্ধিৰ হেতু এই সত্ৰখনি দুটা ভাগত বিভক্ত হৈ পুৰণি আৰু নতুন চামগুৰি সত্ৰ হিচাপে স্থাপিত হয়। নতুন চামগুৰি সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ তথা মুখা-শিল্পৰ নিপুণ শিল্পী শ্ৰীৰুদ্ৰকান্ত দেৱগোস্বামীয়ে একনিষ্ঠভাৱে এই কলাৰ সাধনা কৰি গৈছে। পৰম্পৰাগতভাৱে চলি অহা সত্ৰৰ ৩৪৫ বছৰীয়া এই শিল্পবৃক্ষৰ ঘাই শিপাৰ পৰা নতুন পুলি-পোখাই এই পৰম্পৰাক বৰ্তমানেও শক্তিশালী কৰি ৰাখিছে। এই সত্ৰৰ বিভিন্ন মুখা ৰাজ্যিক সংগ্ৰহালয়, শংকৰদেৱ কলাক্ষেত্ৰ, বিশ্বভাৰতী কলা ভৱন আদিত সংৰক্ষিত কৰা হৈছে। নতুন চামুগুৰি সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰ কোষকান্ত গোস্বামী, পুৰণি চামগুৰি সত্ৰৰ ডেকা সত্ৰাধিকাৰ ফণীধৰ গোস্বামী আৰু জয়চন্দ্ৰ গোস্বামী প্ৰমুখ্যে উদীয়মান ডেকাসকলৰ হাততো মুখা-শিল্পৰ চৰ্চা দেখা যায়।

এনে এটি পুৰণি মুখা পৰম্পৰা সময়ৰ সোঁতত সত্ৰৰ পৰা যাতে হেৰাই যাব নোৱাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি হেমচন্দ্ৰ গোস্বামীদেৱে ১৯৮০ চনত চামগুৰি সত্ৰত 'সুকুমাৰ কলাপীঠ' নামেৰে এটি মুখা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি, উদীয়মান শিকাৰুক মুখা সজাৰ প্ৰশিক্ষণ দি আহিছে। এয়া অত্যন্ত সুখৰ কথা।

ইয়াৰ বাহিৰেও এলেঙি, নৰসিংহ সত্ৰ আৰু নতুন চামগুৰি সত্ৰৰ ওচৰত অৱস্থিত বিহিমপুৰ সত্ৰতো মুখা শিল্প চৰ্চাৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। মূলতঃ ভাওনা আৰু স্থানীয়ভাৱে উদ্‌যাপিত ৰাসোৎসৱৰ বাবে চাহিদা অনুসৰি এতিয়াও নতুন মুখা নিৰ্মাণ কৰি থকাটো সুখৰ বিষয়। নৰসিংহ সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ লীলাকান্ত মহন্ত আৰু প্ৰিয়কান্ত মহন্তই উচ্চ মানৰ মুখা নিৰ্মাণ কৰিছিল। এই দুই শিল্পীৰ পদাংক অনুসৰণ কৰি বৰ্তমান ললিত মহন্ত আৰু গোপাল মহন্তই মুখা শিল্পক অৱলুপ্তিৰ পৰা বচাই ৰাখিছে। এইদৰে বিহিমপুৰ, নতুন কমলাবাৰী সত্ৰৰ একাংশ শিল্পীয়ে মুখা শিল্পৰ চৰ্চা অব্যহত ৰাখিছে।

অতি দুখৰ কথা যে অতি পুৰণিকলীয়া এই লোককলা পদৰ ব্যৱহাৰৰ ক্ষেত্ৰখন সীমিত হৈ অহাৰ লগে লগে ইয়াৰ চৰ্চা বা বিকাশৰ পৰিধিও সংকুচিত হৈ আহিছে। প্ৰধানতঃ ভাওনা আৰু ৰাসৰ ব্যৱহাৰৰ বাবেহে মুখা নিৰ্মাণ কৰা হয়, অন্য উপলক্ষ্যত মুখাৰ ব্যৱহাৰ তেনেদৰে নোহোৱাটোৱেই ইয়াৰ মূল কাৰণ।

মুখা অসমীয়া সংস্কৃতিৰ এক বৰ্ণাঢ্য উপাদান। এই শিল্প কৰ্ম যদি কিবা কাৰণত নোহোৱা হয়, তেন্তে অসমীয়া সাংস্কৃতিক ক্ষেত্ৰখনৰ এক অপূৰণীয় ক্ষতি হ'ব। সেইবাবে এই শিল্প চৰ্চাৰ পৰম্পৰা অব্যাহত ৰখাৰ বাবে সকলো মানুহে এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব লাগিব। শংকৰদেৱে প্ৰৱৰ্তন কৰা এই ঐতিহ্যমণ্ডিত লোককলাপদক জীয়াই ৰাখিবৰ বাবে তথা ইয়াৰ চৰ্চা আৰু প্ৰসাৰৰ বাবে সঘনে মুখা প্ৰশিক্ষণ আৰু কৰ্মশালা অনুষ্ঠিত কৰিব লাগিব। ■

# বিশ্বায়ন

## সংকটৰ গৰাহত থলুৱা সংস্কৃতি

**আতিকুৰ ৰহমান**
*স্নাতক দ্বিতীয় বৰ্ষ, আৰবিক বিভাগ*



সম্প্ৰতি বিশ্বজুৰি চলা বিশ্বায়নৰ আগ্ৰাসনে বিশ্ববাসীক নানান সংকটৰ গৰাহলৈ লৈ যাব ধৰিছে। এই বিশ্বায়ন প্ৰধানকৈ যদিও অৰ্থনীতিৰ লগত জড়িত, তথাপি ই ৰাজনীতি, সমাজনীতি, সংস্কৃতি আদি সকলো দিশৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ এই দিশসমূহৰ ওপৰতো বাৰুকৈয়ে প্ৰভুত্ব বিস্তাৰ কৰিছে।

মূলতঃ স্বাৰ্থ তথা আধিপত্য বিস্তাৰৰ বাবে আমেৰিকাৰ দৰে পুঁজিবাদী ৰাষ্ট্ৰৰ নেতৃত্বত বিশ্বায়নে এক বৃহৎ কৌশলপূৰ্ণ অভিযানত নামি পৰিছে, য'ত সবাতোকৈ ক্ষতিগ্ৰস্ত হৈছে এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দেশসমূহ। পশ্চিমীয়া ৰংচঙীয়া মুক্ত অৰ্থনীতিৰ মায়াজালত ক'ব নোৱৰাকৈ আকৃষ্ট হৈ পৰিছে এই দেশসমূহ। সুস্থ চিন্তা-চৰ্চা তথা চেতনাবোধৰ পৰা আঁতৰত ৰাখি এক ব্যক্তিগত ঠেক গণ্ডীত মানুহক আবদ্ধ ৰখাত এই অৰ্থনীতি যথেষ্ট পৰিমাণে সফল হৈছে।

বিশ্বায়নৰ প্ৰভাৱৰ ফলত একোটা জাতিৰ সাংস্কৃতিক দিশ যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। বিশ্বায়নৰ জৰিয়তে সমগ্ৰ বিশ্বতে ক্ৰমে ক্ৰমে এক নতুন বিশ্ব-সংস্কৃতিৰ জন্ম দিব বিচৰা হৈছে। পুঁজিপতি ৰাষ্ট্ৰৰ কৌশলপূৰ্ণ নেতৃত্বত চলি থকা এই নব্য-সংস্কৃতিৰ ধামখুমীয়াত ক্ৰমান্বয়ে বিপদাপন্ন হৈছে সৰু-সৰু জাতি-জনগোষ্ঠীসমূহৰ সংস্কৃতি। এই সংস্কৃতিসমূহৰ অস্তিত্বক অস্বীকাৰ কৰি এক নব্য-বিশ্ব সংস্কৃতিৰ গঢ় দিয়াৰ প্ৰচেষ্টাত বিশ্বায়নৰ চতুৰতাপূৰ্ণ কৌশল পৰিলক্ষিত হৈছে। এক সমীক্ষা মতে পৃথিৱীৰ প্ৰায় ৫৬৯টা জাতি-জনগোষ্ঠীয়ে এই নব্য-সংস্কৃতিৰ কবলত পৰি নিজৰ মুখৰ ভাষাপৰ্যন্ত হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। এই পৰিসংখ্যাই বৰ্তমান বৰ্তি থকা ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহৰ ওপৰত আহি পৰা ভয়ংকৰ বিপদৰ আশংকাৰেই আগজাননী বহন কৰিছে।

আমাৰ অসমকো এই বিপদৰ আশংকাই চুই গৈছে। পশ্চিমীয়া সংস্কৃতিৰ আগ্ৰাসনৰ কবলত পৰি অসমীয়া সংস্কৃতি মূলসুঁতিৰ পৰা ক্ৰমে যেন আঁতৰিবলৈ ধৰিছে। অসমীয়া সংস্কৃতিৰ অন্যতম অংগবিশেষ বিয়ানাম, ফকৰা-যোজনা আদিৰ বৰ্তমান প্ৰায় লুপ্তপ্ৰায় অৱস্থা। মুকলি পথাৰৰ বিহু গৈ মঞ্চত উঠিল। তাহানিৰ সুস্থ সাংস্কৃতিক পৰিৱেশৰ ঠাইত প্ৰায় সৰ্বত্ৰে পৰিলক্ষিত হৈছে পশ্চিমীয়া ভাবধাৰাৰ এক বিকৃত সাংস্কৃতিক পৰিৱেশ। বজাৰত এতিয়া বিহুসুৰীয়া গীত সহজলভ্য, যিবোৰে নিভাজ বিহুগীতবোৰৰ সুৰত কালিমা সানিছে। পৰিস্থিতি এনে পৰ্যায়লৈ গৈছে যে পাশ্চাত্যৰ গ্ৰাসত পৰি আমি অসমী আইৰ প্ৰাণস্বৰূপ জাতীয় সংগীতটোকো বিকৃত সুৰত গাবলৈ ওলাইছোঁ।

দূৰদৰ্শন, ৰেডিঅ', আলোচনী আদি গণসংযোগ মাধ্যমবোৰৰ যোগেদি অনবৰতে প্ৰচাৰিত হৈ থকা যৌন-আৱেদনমূলক দৃশ্য, চিনেমা, ছিৰিয়েল, পপ-মিউজিক, বিজ্ঞাপন আদিৰ দ্বাৰা আমাৰ সমাজে আমদানি কৰিছে পশ্চিমীয়া পণ্যসংস্কৃতি আৰু ইয়ে সমাজত বিয়পাইছে 'অপসংস্কৃতি'। অসুস্থ চিন্তাধাৰাৰ সহজলভ্য দৃশ্যসমূহ নহ'লে চিনেমা, ছিৰিয়েলসমূহ বহুতৰ বাবে মনোৰঞ্জনমূলক নহয়, সেয়া তেওঁলোকৰ বাবে আমনিদায়ক।

নানা বিলাসী সামগ্ৰীৰ মায়াজালত আবদ্ধ মানুহে যেন সংস্কৃতি আৰু অপসংস্কৃতিৰ মাজত পাৰ্থক্য বিচাৰ কৰিব নোৱৰা হৈছে।

বিশ্বায়নৰ অভিশাপকে আশীৰ্বাদ বুলি আঁকোৱালি লৈ এইচাম মানুহে অহৰহ ব্ৰতী হৈছে পশ্চিমীয়া সংস্কৃতিৰ সাধনাত। এই কাৰ্যত যুৱচাম সকলোতকৈ আগৰণুৱা। অনেকেই নাজানে নিজৰ সংস্কৃতিৰ ইতিহাস, দৰ্শন আদিৰ বিষয়ে। নাজানে শংকৰদেৱ, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, বেজবৰুৱা আদিৰ বিষয়ে। তলপতে এখন সাপ্তাহিক কাকতত পঢ়িবলৈ পালোঁ যে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ এজন ছাত্ৰই জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিষয়ে নাজানে। ৰূপকোঁৱৰ কোন বুলি সোধাত তেওঁ অবাক। এজন অসমীয়াৰ বাবে ইয়াতকৈ দুখৰ আৰু লাজৰ বিষয় আৰু কি হ'ব পাৰে!

মই স্বচক্ষে দেখা এখন সভাৰ অভিজ্ঞতাই অসমীয়া সংস্কৃতিৰ ভবিষ্যৎ সম্পৰ্কে ভবাই তুলিবলৈ মোক বাধ্য কৰাইছিল। বিষ্ণু ৰাভাক শ্ৰদ্ধাঞ্জলি জনোৱাৰ মানসেৰে বিষ্ণু ৰাভা দিৱসৰ আয়োজন কৰা হ'ল। ৰাইজৰ পৰা জোৰ-জুলুম কৰি টকা উঠোৱা হ'ল। দিনজোৰা কাৰ্যসূচীৰে চলা সভাখনত এটাও সুস্থ-সাংস্কৃতিক পৰিবেশ দেখা নগ'ল, তাৰ পৰিবৰ্তে গধূলিৰ পৰাই ৰাইজৰ লানি-নিছিগা ভিৰ। মঞ্চত নৰ্তকীৰ উদ্দাম নৃত্য। দেখা গ'ল পশ্চিমীয়া ষ্টাইলৰ বিকৃত মানসিকতাৰ এক বীভৎস ৰূপ।

পুৱাই পতাকা উত্তোলনৰ পিছত অসমৰ এখন আগশাৰীৰ কলেজৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপকে ৰাভাৰ বিষয়ে দিয়া ভাষণৰ একাংশ আছিল এনেধৰণৰ— 'আজি আমাৰ আটাইৰে শ্ৰদ্ধাৰ, মৰমৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যুবাৰ্ষিকী। গতিকে আজিৰ দিনটো ৰাভা দিৱস হিচাপে উদ্‌যাপন কৰা হয়।' গোটেই ভাষণটিত ৰাভাৰ বিষয়ে উল্লেখ মাত্ৰ এইখিনিয়েই। বৰ্তমান সমাজত অকল বিষ্ণু ৰাভা দিৱসেই নহয়, গুৰুত্বপূৰ্ণ শিল্পী দিৱস, গান্ধী জয়ন্তী আৰু অন্যান্য দিৱসতো এইচাম উদাসীন ব্যক্তি। ৰাইজৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ দিশত নগৈ বিপৰীত দিশত অৱস্থান কৰে। সংস্কৃতিৰ সংকটৰ সময়ত সমাজৰ এই ব্যক্তিসকলে ৰাইজৰ মাজত সুস্থ সাংস্কৃতিক পৰিৱেশ সৃষ্টি কৰাত গুৰুত্ব দিব লাগিছিল। তেনে এটা সময়ত কিন্তু এইসকল লোকৰ গা-এৰা দিয়া মনোবৃত্তি সঁচাকৈয়ে গৰিহণাৰ যোগ্য।

এইখিনিতে উল্লেখ কৰিব পাৰি যে কেইদিনমান পূৰ্বে এন ই টিভিৰ দ্বাৰা আয়োজিত ভইচ অব অসম শীৰ্ষক অনুষ্ঠানৰ চূড়ান্ত পৰ্বত অসমৰ এজন জনপ্ৰিয় গায়কক আমন্ত্ৰণ কৰা হৈছিল। উক্ত অনুষ্ঠানটো ৰেডিঅ' উলালা, এন ই টিভি, এন ই হাই-ফাই আৰু কেইটামান ছেটেলাইট চেনেলত পোনপটীয়াকৈ সম্প্ৰচাৰ হৈ আছিল। যিটো অসমবাসীৰ লগতে সমগ্ৰ দেশবাসীয়ে অসমৰ কলা-কৃষ্টি, সংস্কৃতি উপভোগ কৰি আছিল। অনুষ্ঠানৰ মাজতে আমন্ত্ৰিত গায়কজনৰ আচৰণত যিটো পৰিস্থিতিৰ সৃষ্টি হৈছিল, সেয়া আছিল অসমবাসীৰ বাবে চৰম লজ্জাজনক। যেন সেয়া আছিল অসমীয়া কলা-কৃষ্টি, সংস্কৃতিৰ ওপৰত কালিমা সনা কেইটামান স্নেপশ্বট।

নিশ্চিতভাৱে এয়া এক সুস্থিৰ সামাজিক মূল্যবোধৰ অভাব নহয়নে?

বিদেশীৰ কৰাল গ্ৰাসত আজি ক্ৰমে সোমাই পৰিছে আমাৰ সংস্কৃতি। সকলোবোৰ দেখি-শুনিও সমাজৰ গৰিষ্ঠসংখ্যক গণ্য-মান্য ব্যক্তি এই বিষয়ে নিমাত। নিজৰ স্বাৰ্থানুযায়ী দুই-এটা ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনে মাজে-সময়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰে যদিও সেয়া সময়সাপেক্ষহে। জাতীয় স্বাৰ্থ আওকাণ কৰি কেৱল পৰস্পৰে-পৰস্পৰক দোষ জাপি দিয়েই স্বাৰ্থ পূৰণ কৰি থকা পৰিলক্ষিত হৈছে দল-সংগঠনসমূহ।

বিশ্বায়নৰ আশীৰ্বাদতেই হওক বা অভিশাপতেই হওক তেওঁলোকে নিজৰ ব্যক্তিগত জীৱনটো নানা ভোগ-বিলাসত কটোৱাৰ সুবিধা পোৱাৰ পিছত আৰু কিহৰ চিন্তা! সংস্কৃতি ধ্বংস হ'বলৈ ওলাইছে নে সংস্কৃতিত অপসংস্কৃতিয়েই সোমাইছে তাত তেওঁলোকৰ কি আহে-যায়! মাত্ৰ নিজৰ সুবিধাখিনি আদায় কৰিব পাৰিলেই হয়। এনেকুৱা স্বাৰ্থান্বেষী চিন্তাধাৰাই এটা জাতিক ধ্বংসৰ মুখলৈ ঠেলি দিয়ে।

এটা পৰিসংখ্যাত পোৱা গৈছে যে বিগত চল্লিছ বছৰত ভাৰতৰ কেইবাটাও ভাষা কালৰ বুকুত হেৰাই গৈছে। এই কথা জানি আমি শংকিত হওঁ— আমাৰ ভৱিষ্যতৰ কথা ভাবি।

ভাষা-সংস্কৃতি এটা জাতিৰ দাপোণস্বৰূপ। বৰ্তমান ইয়াৰ সন্মুখত উপস্থিত হোৱা সংকটৰ বাবে তাৰ প্ৰতিচ্ছবিখনেই বিকৃত হ'ব লাগিছে। আকৌ, সংস্কৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰৱাহিত হয়। কিন্তু বৰ্তমান যুৱচামে আঁকোৱালি লোৱা বিজতৰীয়া সংস্কৃতি ভৱিষ্যৎ প্ৰজন্মলৈ প্ৰৱাহিত হ'ব লাগিলে অসমীয়া জাতিৰ ভৱিষ্যৎ কি হ'ব, তাক সহজে অনুমান কৰিব পাৰি। অৱশ্যে এই সকলোবোৰৰ বাবে অকল ব্যক্তিবিশেষকেই দোষাৰোপ কৰিলেই সমস্যাৰ সমাধান নহয়। এই সকলোবোৰৰ গুৰিশিপা বিশ্বায়নৰ কুপ্ৰভাৱ প্ৰতিৰোধত গুৰুত্ব দিয়াটোহে বৰ্তমান পৰিস্থিতিত অধিক জৰুৰী হৈ পৰিছে।

যিহেতু এটা জাতিৰ ভাষা-সংস্কৃতিকে আদি কৰি সকলোৰে ভৱিষ্যৎ আমাৰ যুৱচামৰ হাততেই, গতিকে এটা সুস্থ সাংস্কৃতিক পৰিৱেশ ভৱিষ্যতলৈ কঢ়িয়াই নিয়াটো আমাৰ প্ৰত্যেকৰে দায়িত্ব তথা কৰ্তব্য। ■

# সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটত নাৰী ঃ এটি আলোচনা

নিয়ন্তা শৰ্মা

*স্নাতক তৃতীয় বাৰ্ষিক, ৰসায়ন বিজ্ঞান বিভাগ*

'নাৰী'— যি শব্দই এক সুকীয়া ব্যক্তিত্বৰ অস্তিত্ব বহন কৰে। নাৰী— সমাজৰ যি অভিন্ন আৰু অবিচ্ছেদ্য অংগ। সভ্যতাৰ আৰম্ভণিৰে পৰা যুগ যুগ ধৰি নাৰী সন্মান আৰু মৰ্যাদাৰ উচ্চাসনত আসিত হৈ আহিছে। বিশেষকৈ ভাৰতবৰ্ষৰ দৰে দেশত নাৰীৰ স্থান সুকীয়া। তাহানিৰ বিদুষী আৰু মহীয়সী নাৰী মৈত্ৰেয়ী, গাৰ্গী, ঝান্সীৰ ৰাণী লক্ষ্মীবাই আদিৰ নাম ইতিহাসৰ পাতত জিলিকি আছে। আমি কুৰি শতিকাৰ ডেওনা পাৰ হৈ ২১ শতিকাত ভৰি দিছোঁ। আমাৰ দেশে স্বাধীনতা লাভ কৰাৰো তিনি কুৰি বছৰ সম্পূৰ্ণ হ'ল। তেনেস্থলত 'উজ্জ্বলিত ভাৰত'ৰ নাৰী সমাজৰ সৰ্বপ্ৰকাৰ বৈষম্যৰ বিৰুদ্ধে হাতত কলম তুলি ল'বলগীয়া হোৱাটোৱেই লজ্জাজনক! আন্তঃৰাষ্ট্ৰীয় সংস্থা 'ইউনিফেম' পৰিচালিত প্ৰকল্প অনুযায়ী জাতিসংঘৰ উদ্যোগত অনুষ্ঠিত Convention on the Elimination of all forms of Discrimination Against Women (CEDAW)ৰ অভিৱৰ্তনত অংশগ্ৰহণ আৰু স্বাক্ষৰ দান কৰা দেশবিলাকৰ ভিতৰত আমাৰ দেশ ভাৰতবৰ্ষ অন্যতম। সেইমৰ্মে আমাৰ দেশৰ নাৰী সমাজৰ সৰ্বপ্ৰকাৰ বৈষম্যৰ বিৰুদ্ধে চৰকাৰে ল'বলগীয়া অৱস্থান আৰু দায়বদ্ধতা অৱশ্যে অনস্বীকাৰ্য। কিন্তু বাস্তৱত আমি কি দেখিছোঁ। দেশৰ নাৰী সমাজ অৰ্থনৈতিকভাৱে শোষিত হোৱাৰ উপৰি জাত-পাত, গোষ্ঠী, ধৰ্ম, সম্প্ৰদায়ৰ ভিত্তিত বিভক্ত হৈ শোষণ আৰু বঞ্চনাৰ চিকাৰ হৈ আহিছে। বিগত সময়ত নাৰী আন্দোলনৰ হেঁচাত নাৰীৰ অধিকাৰ ৰক্ষাৰ স্বাৰ্থত দুই-এখন আইন ৰচিত হ'লেও তাক আৰু বাস্তৱত প্ৰয়োগ কৰা নহয়। মহিলাসকলৰ সামাজিক মৰ্যাদা, নিৰাপত্তা আজিও নিশ্চিত নহ'ল। নাৰী-পুৰুষ উভয়ৰ সন্মিলিত প্ৰচেষ্টাতহে একোখন সমাজ, দেশ তথা বিশ্বৰ উন্নতি সম্ভৱ। সমাজ আৰু দেশৰ উন্নতিত নাৰীসকলৰ এনেধৰণৰ ভূমিকাৰ কথা বৰ্তমান সময়ত স্বীকাৰ কৰি লোৱাৰ মানসিকতা গঢ় লৈ উঠিলেও আজিও পৃথিৱীৰ বহু দেশৰ নাৰী বিভিন্ন সমস্যাৰে জৰ্জৰিত আৰু অৱহেলিত, যি নিঃসন্দেহে বিশ্বৰ সামগ্ৰিক উন্নতিত এক বৃহৎ অন্তৰায়।

এইখিনিতে অসমৰ প্ৰবাদপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ কথা উনুকিয়াব বিচাৰিছোঁ। জাতিভেদৰ প্ৰসঙ্গতে তেওঁ বাৰম্বাৰ 'স্ত্ৰী' শব্দটো ব্যৱহাৰ কৰাটো উল্লেখযোগ্য। নাৰীসকলক তেওঁ তেওঁৰ ধৰ্মীয় জগতখনত যে এক উচ্চ স্থান দিছিল তাৰ প্ৰমাণ যথেষ্ট। কাৰণ অসমৰ জনজাতীয় গাঁথনিৰ সমাজ ব্যৱস্থাত অতীজৰে পৰা নাৰীৰ এক সুকীয়া মৰ্যাদা আছিল আৰু এতিয়াও আছে। তেওঁৰ ব্যক্তিগত জীৱনতো নাৰীৰ ভূমিকা সুদূৰপ্ৰসাৰী।

আমাৰ দেশত বিশ্বায়নৰ বিৰূপ প্ৰভাৱ নাৰীৰ শিক্ষা, সংস্থাপন, স্বাস্থ্য আদিত পৰাৰ লগে লগে নাৰী সমাজৰ সমস্যাৰ ক্ষেত্ৰখন দিনকদিনে প্ৰসাৰিত হৈ গৈ আছে। শিক্ষাগ্ৰহণৰ সমস্যা, যৌন-নিৰ্যাতন, যৌতুক-প্ৰথা, কন্যা ভ্ৰূণ হত্যা আদিৰ দৰে অভাৱনীয় সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে নাৰী সমাজ। হাস্যকৰভাৱে এই একৈছ শতিকাত বিজ্ঞান-প্ৰযুক্তিৰ জয়যাত্ৰাৰ ঢাক-ঢোল বজাই ঘোষণা কৰি বিভিন্ন ৰঙীণ বিজ্ঞাপনেৰে বাট-পথ সুশোভিত কৰাৰ সময়তেই আমাৰ সমাজত এতিয়াও ডাইনী হত্যাৰ দৰে বৰ্বৰ নৰহত্যা বৰ্তি আছে। স্বাধীনতাৰ অৰ্ধ-শতাব্দীৰ পিছতো ভাৰতৰ বহু ৰাজ্যৰ অনুন্নত অঞ্চলত ডাইনী তন্ত্ৰ আৰু ডাইনী হত্যা ৰুধিব পৰা হোৱা নাই।

আমাৰ দেশত স্ত্ৰী-শিক্ষাৰ চিত্ৰখন অতি দুখজনক। ২০০১ চনত চলোৱা এক জৰীপ অনুসৰি আমাৰ দেশৰ শিক্ষিতৰ হাৰ ৬৪.৮ শতাংশ। ইয়াৰে মহিলাৰ শিক্ষিতৰ হাৰ মাত্ৰ ৫৩.৭ শতাংশ আৰু পুৰুষ শিক্ষিতৰ হাৰ ৭৫.৩ শতাংশ। আমাৰ দেশৰ ৬-১৪ বছৰ বয়সৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ দুই-তৃতীয়াংশই ছাত্ৰী। আৰ্থিক দুৰ্বলতাৰ উপৰি আন কেতবোৰ কাৰণত এগৰাকী ছোৱালী স্কুলৰ চাৰিবেৰৰ বাহিৰত থাকিবলগীয়া হয়। তদুপৰি যাতায়াত তথা ছাত্ৰী নিৱাস আদিৰ অভাৱত এগৰাকী ছাত্ৰী মাধ্যমিক আৰু উচ্চ-মাধ্যমিক শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হয়। তদুপৰি বৰ্তমান যুগত যৌন নিৰ্যাতনৰ দৰে ঘটনাই স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰখনত বাধা ৰূপে থিয় দিছে।

শিক্ষাই হৈছে উন্নয়নৰ চাবি-কাঠি। আজিৰ বিজ্ঞান প্ৰযুক্তি আৰু প্ৰতিযোগিতাৰ দিনত যুগৰ লগত ফেৰ মাৰি আগুৱাই যাবলৈ সাধাৰণ শিক্ষা লাভ অতীব প্ৰয়োজনীয়। কেতবোৰ কাৰণত এগৰাকী নাৰী শিক্ষা লাভৰ পৰা বঞ্চিত হয়। হাৰিয়ানাৰ এগৰাকী ৭-৮ বছৰীয়া ছাত্ৰীক সাংস্কৃতিক অনুষ্ঠানত ভাগ লোৱাৰ বাবেই অপৰাধী সাব্যস্ত কৰি মাদ্ৰাছাৰ পৰা বহিষ্কাৰ কৰা হৈছিল। তদুপৰি বাল্য বিবাহৰ দৰে কু-প্ৰথা বন্ধ কৰিবলৈ শিক্ষাৰ লগতে এনে সংস্কৃতিৰ ওপৰতো জোৰ দিব লাগিব, যি সংস্কৃতিয়ে মহিলাৰ স্থান নিৰ্ণয় কৰাত সহায় কৰিব।

বৰ্তমান সমাজ ব্যৱস্থাত নাৰীসকলক আগৰ দৰে পুৰুষৰ অধীন হিচাপে ৰাখি থোৱাৰ মনোভাব নাই যদিও পুৰুষৰ দ্বাৰা নাৰীৰ ওপৰত চলা নিৰ্যাতন এতিয়াও বন্ধ হোৱা নাই। নাৰীসকলে এতিয়াও সমাজত মুক্তভাৱে বিচৰণ কৰিব পৰা অৱস্থা হোৱা নাই। বিশ্বৰ বিভিন্ন প্ৰান্তত বহুতো শিক্ষিত আৰু অশিক্ষিত নাৰীয়ে সমানেই পুৰুষৰ নিৰ্যাতনৰ বলি হ'ব লগা হৈছে। ভাৰতবৰ্ষত প্ৰতিবছৰে এতিয়াও বহুতো নাৰীয়ে ইয়াৰ বাবে আত্মহত্যাৰ পথো বিচাৰি ল'বলগীয়া হৈছে। পুৰুষৰ দ্বাৰা ধৰ্ষিতা হৈ বহুতো নাৰীয়ে কটাবলগীয়া হৈছে কলংকিত জীৱন। গাঁও অঞ্চল বা অন্যান্য পিছপৰা অঞ্চলসমূহত শিক্ষাৰ অভাৱত কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ বলি হয় সাধাৰণ মানুহ। গাঁৱৰ স্বাস্থ্য এতিয়া কেতবোৰ স্বয়ম্ভু ভগৱানৰ হাতত! আমাৰ দেশৰ বাতৰিকাকতৰ শিৰোনাম দখল কৰে ডাইনী নিগ্ৰহৰ ঘটনাই। মধ্য প্ৰদেশৰ এখন গাঁৱত তাৰ পঞ্চায়তে জনজাতীয় মহিলা এগৰাকীক ডাইনী বুলি ঘোষণা কৰি শাস্তি হিচাপে গাহৰিৰ বিষ্ঠা পানীত মিহলাই খাবলৈ বাধ্য কৰাইছিল। কেন্দ্ৰীয় চৰকাৰৰ তথ্য মতে যোৱা ডেৰ দশকত আমাৰ দেশত কমেও ২৫ হাজাৰ লোকক ডাইনী অভিযোগত হত্যা কৰা হৈছে, য'ত প্ৰশাসনে কেৱল অসহায় দৰ্শকৰ ভূমিকাহে পালন কৰে। আধুনিক কালৰ প্ৰেক্ষাপটত পিছপৰা সামন্তবাদী অৰ্থনৈতিক সামাজিক ব্যৱস্থাৰ দ্বাৰা পৰিচালিত সমাজৰ ওপৰতে পুঁজিবাদী ধনতান্ত্ৰিক অৰ্থনীতিয়ে প্ৰভুত্ব চলোৱা সমাজ-ব্যৱস্থাৰ পৰিণতি হিচাপে শিক্ষা, স্বাস্থ্য আৰু সৰ্বাংগীণ উন্নয়ন আদি সকলো ক্ষেত্ৰতে অভাৱনীয় বৈষম্য সুৰক্ষিত হৈ আহিছে। যাৰ বাবেই মানৱ সমাজৰ এটা অংশত বৰ্তমানেও ক'লা অন্ধকাৰে বিৰাজ কৰিছে।

ভাৰতৰ ৰাজনৈতিক চিত্ৰখনত মহিলাৰ গণতান্ত্ৰিক ভূমিকা অতি গুৰুত্বপূৰ্ণ। এখন সুস্থ সমাজত পুৰুষৰ সমানেই নাৰীৰো অৰিহণা থাকে। গতিকে দেশৰ বিভিন্ন পৰিকল্পনা তথা নীতি নিৰ্মাণৰ বাবে তথা ভাৰতৰ দৰে গণতান্ত্ৰিক দেশত সমঅধিকাৰৰ দাবীত 'মহিলা সংৰক্ষণ বিধি' প্ৰস্তাৱিত হৈছে, যাৰ দ্বাৰা ভাৰতীয় সংসদৰ ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষিত হ'ব। পশ্চাৎপদ পুৰুষপ্ৰধান সমাজত নাৰী সমাজৰ ৰাজনৈতিক সচেতনতা অতি দুৰ্বল। তেনেস্থলত সংসদত মহিলাৰ সংখ্যাৰ আধিক্যই নাৰীৰ সমস্যাসমূহত দৃষ্টিপাত কৰাতেই নহয়, গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ভেটি সমঅধিকাৰৰ যোগেদি সবল কৰাতো সহায়ক হ'ব।

নাৰীসকলৰ সামাজিক অৱস্থা উন্নত কৰি তেওঁলোকৰ মনত আত্মমুক্তিৰ ভাব জগাই তুলিবলৈ ১৯৭৫ চনৰ বছৰটো বিশ্বত 'আন্তৰ্জাতিক নাৰী বৰ্ষ' হিচাপে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। সন্মিলিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে ইয়াৰ অন্তৰ্গত শিক্ষা-বিজ্ঞান আৰু সংস্কৃতি বিভাগৰ পৰিচালনাত বিশ্বৰ নাৰীসকলৰ মৰ্যাদা আৰু আত্ম-প্ৰতিষ্ঠাৰ বাবে আন্তৰ্জাতিক নাৰী বৰ্ষ উদ্‌যাপনৰ আৰম্ভণি কৰিছিল। ইয়াৰ ফলস্বৰূপে ভাৰতৰ বিভিন্ন ৰাজ্যত আঞ্চলিক ভিত্তিত বিভিন্ন নাৰী সংগঠনৰ জন্ম হৈছে। সমাজৰ সকলো স্তৰৰ নাৰীৰ বিভিন্ন সমস্যাসমূহ আগত ৰাখি নাৰী সমাজৰ সমস্যা সমাধানৰ বাবে এই সংগঠনবোৰ উঠিপৰি লাগিছে। অৱশ্যে দুৰ্ঘোৰ 'নাৰীবাদী' এচাম লোকৰ কু-দৃষ্টিৰ বলি হ'ব লগা হৈছে কিছুসংখ্যক দুৰ্ভগীয়া পুৰুষ। যি সময়ত এগৰাকী আন্তৰ্জাতিক খ্যাতিসম্পন্ন অল্পবস্ত্ৰধাৰী মডেলে ৰেম্পত দুখোজ দি লাখ লাখ ডলাৰ অৰ্জন কৰে, সেই সময়ত হয়তো এগৰাকী ৮-১০ বছৰীয়া নাবালিকা ঘৃণনীয় যৌন অত্যাচাৰৰ বলি হয় পুৰুষৰ দ্বাৰা। যি সময়ত সৌন্দৰ্যৰ উপাসনা কৰা নাৰীসকল ব্যস্ত থাকে নামী-দামী কোম্পানীৰ চাবোন গাত ঘঁহি বিজ্ঞাপনৰ প্ৰচাৰ চলোৱাত, সেই সময়ত হয়তো এগৰাকী গ্ৰাম্য অঞ্চলৰ নাৰী পুষ্টিহীনতা, ৰক্তহীনতা বা অস্বাস্থ্যকৰ পৰিৱেশজনিত ৰোগত মৃত্যুবৰণ কৰে। যি সময়ত উচ্চ মৰ্যাদাসম্পন্ন এদল মহিলাই সমঅধিকাৰৰ দাবীত, পুৰুষৰ দ্বাৰা নিৰ্যাতিত হোৱাৰ প্ৰতিবাদত ৰাজপথত উদাত্ত কণ্ঠেৰে শ্লোগান দিয়ে, সেই সময়ত আন এদল হয়তো ব্যস্ত থাকে ৰাস্তাৰ কাষত শিল ভঙা কাৰ্যত... পেটৰ তাড়নাত... জীয়াই থকাৰ হেঁপাহত।

এনে সময়ত 'নাৰীৰ সন্মান'ৰ দাবী কৰিবলৈ হয়তো বহুসংখ্যক নাৰীৰ মনত এক অপৰাধবোধে ক্ৰিয়া কৰে। আজিৰ যুগত নাৰীৰ মৰ্যাদা নাৰীয়ে নিজে ধ্বংস কৰিবলৈ ধৰিছে। নাৰীয়ে নিজে নিজৰ সন্মান অটুট ৰাখিবলৈ যেন অপাৰগ। নিজকে ভোগ আৰু পণ্যৰ জগতখনলৈ ক্ৰমাৎ ঠেলি লৈ গৈছে নাৰী সমাজে। নাৰী বৰ্তমান পৰিণত হৈছে বজাৰৰ 'সস্তীয়া পণ্য'ত। জ্ঞান, প্ৰজ্ঞা আদি সকলো গৌণ বুলি বিবেচনা কৰি এক নিদাৰুণ প্ৰতিযোগিতাৰ আৱৰ্তত মানুহ সোমাই পৰিছে ইয়াত মানুহ বস্তুবাদী হ'ব পাৰে, কিন্তু বস্তুনিষ্ঠ হোৱা টান। এই ব্যৱস্থাত নিৰ্যাতন হয়, শোষণ চলি থাকে কিন্তু বাধা দিওঁতা নাই। এনে জটিল সময়ত আমি নাৰী সমাজৰ সমস্যা সমাধানৰ বাবে, লগতে দেশৰ সৰ্বাংগীণ উন্নতি সাধনৰ বাবে এনে এক বাটেৰে ঐক্যবদ্ধ হৈ আগুৱাই যাব লাগিব, যি বাটত প্ৰতিবাদ থাকিব— কিন্তু সি সংস্কৃতিহীন নহয়, বিবেকহীন নহয়, সকলো বৌদ্ধিক জিজ্ঞাসাৰে আমি কৈ উঠিব লাগিব—

Physician, heal thyself. ■

# নৱবৈষ্ণৱ ধৰ্মৰ বিশ্বজনীনতা

গীতামণি ডেকা
*স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ*

'হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শংকৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি।।'

পৃথিৱীত যেতিয়া ধৰ্মৰ গ্লানি হয়, তেতিয়া স্থান-কাল-পাত্ৰভেদে একো একোজন মহাপুৰুষৰ জন্ম হয়। এনে এজন মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। অসমৰ সমাজ-সংস্কৃতি; ভাষা-সাহিত্যৰ যেতিয়া আন্ধাৰ যুগ আহিল, ঋষি-মুনিসকলে লিখি থৈ যোৱা বেদ-উপনিষদৰ কথা যেতিয়া মানুহে পাহৰি পেলালে, দেৱ-দেৱীৰ নামত পূজা কৰি যেতিয়া জীৱ-জন্তুৰ বলিদান প্ৰথা জোৰকৈ চলালে আৰু নিজৰ ভোগ-সুখৰ বাবে যেতিয়া সমাজত দুৰ্নীতি, অনাচাৰ-ব্যাভিচাৰ আদিত লিপ্ত হ'ল— এনে এটা চৰম দুৰ্যোগৰ সময়তে শ্ৰীমন্ত শংকৰদেৱৰ নগাঁৱৰ বৰদোৱাৰ আলিপুখুৰীৰ কুসুম্বৰ ভূঞাৰ ঔৰসত সত্যসন্ধাৰ গৰ্ভত অৱতাৰ হ'ল ১৩৭১ শকত (১৪৪৯ খ্ৰীষ্টাব্দত)। 'সকলো ব্ৰহ্মাণ্ডৰ যি একমাত্ৰ অধিপতি' সেই বিৰাট পুৰুষৰ আদৰ্শ উদ্ধাৰ কৰি; কেনেকৈ সকলো কামনাৰ নিবৃত্তি সাধন কৰি মুকুতিৰ পথত আগুৱাব পাৰি, তাৰ উদ্দেশ্য আগত ৰাখি মহাপুৰুষ শংকৰদেৱে অসমত এক নতুন ধৰ্ম 'একশৰণ নামধৰ্ম' বা 'নৱ-বৈষ্ণৱ ধৰ্ম' প্ৰচাৰ কৰিছিল।

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰধান বৈশিষ্ট্য দুটা— এটা হ'ল ভক্তি; আনটো একেশ্বৰবাদ। এই ধৰ্মত ভক্তিৰ প্ৰাধান্য ইমানেই বেছি যে ই বহু সময়ত 'ভক্তিধৰ্ম' নামেৰেও জনাজাত। ভক্তিধৰ্মত ভক্তিয়েই সকলো। 'ভকতি সে মাতা/ভকতি সে পিতা/ভকতি সে বন্ধুজন/ভকতি সুহৃদ/সোধৰ বিধাতা/ভকতি সে মহাধন।' জ্ঞান মাৰ্গেৰে নহয়, পূজা-পাতল আদি কৰ্ম মাৰ্গেৰেও নহয়, অচলা ভক্তিৰ যোগেদিহে ভগৱন্তৰ লগত ভক্তই এক পোনপটীয়া সম্পৰ্ক স্থাপন কৰিব পাৰে। ভক্তিবাদৰ সামাজিক তাৎপৰ্য হ'ল ই সমাজত সামন্ততন্ত্ৰ সুদৃঢ় কৰাৰ ভাবাদৰ্শ।

নৱবৈষ্ণৱ ধৰ্মৰ আনটো বৈশিষ্ট্য হ'ল একেশ্বৰবাদ। এই ধৰ্ম অনুসৰি ঈশ্বৰৰ সহস্ৰ নাম থাকিলেও তেওঁ মূলতঃ এজনেই আৰু কেৱল তেৱেঁইহে পূজনীয়। তেওঁৰ বিনে 'কোন দেৱে দিব গতি।' এই কাৰণেই এই ধৰ্ম 'একশৰণ ধৰ্ম' নামেৰেও জনাজাত।

ধৰ্মৰ মূল উদ্দেশ্য মানৱৰ মানসিক উৎকৰ্ষ সাধন কৰা। পশুত্বৰ পৰা মানৱত্বৰ মাধ্যমেদি দেৱত্বলৈ মানুহক লৈ যোৱাৰ বাট দেখুৱাই দিয়া। জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে নামকীৰ্তন তথা ভক্তিত সমান অধিকাৰ থকাৰ কথা হাতে-কামে দেখুৱাই দিয়া। একাগ্ৰতা আৰু আন্তৰিকতাৰে কৃষ্ণৰ চৰণ চিন্তা কৰি তেওঁৰ গুণানুকীৰ্ত্তন কৰা ইত্যাদি।

শংকৰদেৱৰ ধৰ্ম সাংখ্য, বেদান্ত আৰু ভাগৱত পুৰাণৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে, ধৰ্মৰ মূল বস্তু ঈশ্বৰৰ নাম। মানুহৰ বিশুদ্ধ হৃদয় আৰু বিশুদ্ধ মন ঈশ্বৰ চিন্তাৰ প্ৰধান ক্ষেত্ৰ। এজন মানুহৰ সৎ চিন্তা আৰু সৎ ভাবে তেওঁক যিমান নিকা কৰে, সিমানে ঈশ্বৰক উপলব্ধি কৰা সহজ। শংকৰদেৱৰ ধৰ্মত বা নৱ-বৈষ্ণৱ ধৰ্মত কোনো জাতিভেদ নাই। ইয়াত সকলো সমান। শংকৰদেৱৰ নিজৰেই ভাষাত—

'কুকুৰ, শৃগাল, গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।'

অসমত বৈষ্ণৱ আদৰ্শৰ ঐতিহ্য অতি প্ৰাচীন; কিন্তু বৈষ্ণৱ আদৰ্শই অসমত সুৰুঙা উলিয়াবলৈ বিৰাট হৰিহৰৰ যুদ্ধ আৰু ৰুক্মবীৰ-কৃষ্ণৰ যুদ্ধ পাৰ হ'বলগীয়া হৈছিল। অসমৰ ধৰ্মীয় ঐতিহ্যত শ্ৰীমন্ত শংকৰদেৱৰ অৱদান অনস্বীকাৰ্য। পঞ্চদশ শতিকাৰ ঠিক সোঁমাজত জন্মগ্ৰহণ কৰা শংকৰদেৱৰ পূৰ্বপুৰুষসকল শক্তি উপাসক আছিল। শিৱ আৰু দুৰ্গা দুয়োকে সমভাৱে শ্ৰদ্ধা আৰু পূজা কৰাৰ প্ৰমাণ পোৱা যায়। ত্ৰয়োদশ-চতুৰ্দশ শতিকাতে বৈষ্ণৱ আদৰ্শই নতুনকৈ মূৰ দাঙি উঠিছিল। শংকৰদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত নৱ-বৈষ্ণৱ ধৰ্ম কাৰোবাৰ দীক্ষা লৈ অসমত প্ৰৱৰ্তন কৰাৰ কোনো তথ্যনিৰ্ভৰ যুক্তি নাই। শাস্ত্ৰ জ্ঞান, তীৰ্থ ভ্ৰমণৰ অভিজ্ঞতা, সাধুৰ সংগ লাভ কৰি শংকৰদেৱৰ যি উপলব্ধি হৈছিল, সেই উপলব্ধিৰ আধাৰতে নৱ-বৈষ্ণৱ ধৰ্মৰ ভেটিয়ে গঢ় লৈ উঠিছিল। শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত বৈষ্ণৱ আদৰ্শ যথাৰ্থতে মৌলিক আৰু বহিঃপ্ৰভাৱযুক্ত। শংকৰদেৱৰ মূল আদৰ্শ ভক্তি। কায়মনোবাক্যে ঈশ্বৰক চিন্তা কৰি সকলো ঈশ্বৰত অৰ্পণ কৰাই তেওঁৰ উপলব্ধ সত্য। ভাগৱতেই মূল শাস্ত্ৰ। ভক্তি যিহেতু আচাৰবিহীন; ভক্তি যিহেতু মানসিক উৎকৰ্ষ সাধনৰ দ্বাৰাহে

সম্ভৱ, গতিকে অসম মুলুকৰ ৰজা 'তুৰুক কুবাচ কঙ্ক গোৱাল' সকলোৰে ভক্তিত সমান অধিকাৰ আছে। নৱবৈষ্ণৱ ধৰ্মত গুৰু-শিষ্য সকলো সমান। শংকৰদেৱৰ ধৰ্মীয় আদৰ্শই ব্যক্তিৰ পাৰমাৰ্থিক স্তৰৰ আধ্যাত্মিক উন্নতিৰ লগত সুৰুচিবোধ আৰু তাৰ বাবে প্ৰয়োজনীয় সামাজিক সংগঠনৰ ওপৰতো গুৰুত্ব দিছিল।

শংকৰদেৱে ভাগৱত পুৰাণক প্ৰধান আধাৰ ৰূপে গ্ৰহণ কৰি যি ধৰ্ম প্ৰচাৰ কৰিলে, সেই ধৰ্ম অৰ্থাৎ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি ৰাজকীয় পোষকতাৰ প্ৰথম পোনপটীয়া নিদৰ্শন হ'ল কোচ ৰজা লক্ষ্মীনাৰায়ণে (১৫৫৭-১৬২৭) দামোদৰদেৱক বিহাৰত সজাই দিয়া তৰুৱাচাপ সত্ৰ। এই সত্ৰলৈ ৰজাঘৰীয়া অনুদান কিমান মুক্তহস্তে আগবঢ়োৱা হৈছিল ৰামৰায়ৰ 'গুৰুলীলা'ত তাৰ বিৱৰণ এনেদৰে পোৱা যায়—

'ধৰ্ম প্ৰৱৰ্তাৱে লাগি সাধু নৃপবৰ।
অসংখ্যাতে টংকা দেন্ত নিত্য নৈবেদ্যৰ।।
তৈল বাতি অতিথিক লাগি নৃপবৰ।
আৰু টংকা দেয় ৰাজ ভাণ্ডাৰৰ।।
কুম্ভকাৰ ৰজক নাপিত সোণাৰীক।
ভূমি মেলি দিলা ৰাজা সাধিতে ধৰ্মক।।' (পদ ৭০৩-৯)

নৱ-বৈষ্ণৱ ধৰ্মই আহোম ৰাজ্যত ৰাজশক্তিৰ অনুগ্ৰহ পলমকৈ পাইছিল। প্ৰথম অৱস্থাত বংশীগোপালদেৱ (১৫৪৮-১৬১২) প্ৰমুখ্যে এই ধৰ্মৰ কোনো কোনো প্ৰচাৰকে ৰাজৰোষতহে পৰিছিল। ১৫৪৮ চনৰ পিছত জয়ধ্বজ সিংহ সিংহাসনত উঠাৰ পৰাহে আহোম ৰাজ্যত বৈষ্ণৱ ধৰ্ম প্ৰচাৰকসকলে কিছু নিৰাপদে ধৰ্মপ্ৰচাৰ কৰিব পৰা হৈছিল।

নৱ-বৈষ্ণৱ ধৰ্মৰ সাহিত্যিক মূল্যবোধ উল্লেখনীয়। ভাগৱতকেন্দ্ৰী, কৃষ্ণ চৰিত্ৰপ্ৰধান সাহিত্যৰ মাধ্যমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ দিহা কৰি শংকৰদেৱে সাহিত্য সৃষ্টিৰ প্ৰয়াস কৰিছিল। সংস্কৃত ভাষাৰ তত্ত্বপ্ৰধান গভীৰ দৰ্শন কেৱল পণ্ডিতবোধ্য আছিল; কিন্তু শংকৰদেৱে তাক সাধাৰণ মানুহৰ ভাষালৈ ৰূপান্তৰিত কৰি সৰ্বজনবোধগম্য কৰি তুলিছিল। সাহিত্যৰ জৰিয়তে সৰ্বসাধাৰণ লোকক বৈষ্ণৱ ধৰ্মলৈ আকৰ্ষিত কৰিবৰ বাবে সহজ অসমীয়া ভাষাত 'ভক্তি প্ৰদীপ'ৰ দৰে গ্ৰন্থ শংকৰদেৱে ৰচনা কৰিছিল। 'কীৰ্ত্তন' বৈষ্ণৱসকলৰ মুখ্য ধৰ্মগ্ৰন্থ হ'লেও তাত কাব্য ৰসাস্বাদীৰ বাবেও প্ৰচুৰ সমল পোৱা যায়। 'ভক্তি প্ৰদীপ'ৰ জৰিয়তে শংকৰী ধৰ্মাদৰ্শ সুন্দৰভাৱে পৰিস্ফুট হৈ ওলাইছে।

সাংস্কৃতিক মূল্যবোধৰ লগতো নৱ-বৈষ্ণৱ ধৰ্ম জড়িত। শংকৰদেৱে উপলব্ধি কৰা একশৰণ বৈষ্ণৱ আদৰ্শ প্ৰতিষ্ঠা, প্ৰচাৰ আৰু প্ৰকাশ কৰিবলৈ লৈ এক বিশাল সাংস্কৃতিক পটভূমি সৃষ্টিত অৰিহণা যোগাইছিল। ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে তেওঁ চিত্ৰ আঁকিছিল; সাত বৈকুণ্ঠৰ পট আঁকি 'চিহ্নযাত্ৰা' ভাওনা কৰিছিল। গীত ৰচনা কৰি গাইছিল। ভোটৰ দেশৰ পৰা ভোটতাল বা ভোৰতাল আনি বৰগীত আৰু নাম-কীৰ্তনত ব্যৱহাৰ কৰি সাধাৰণ লোকক আকৰ্ষিত কৰিছিল।

নৱ-বৈষ্ণৱ ধৰ্মৰ সামাজিক মূল্যবোধ অতি যুগমীয়া ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি স্থাপন কৰা নামঘৰসমূহ জনজাতীয় লোকসকলৰ মৰং ঘৰত আলোচনা কৰাৰ দৰে সামূহিক আৰু সামাজিক সমস্যাসমূহ আলোচনা আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰ ৰূপে পৰিগণিত হৈছিল। সামাজিক অনুষ্ঠান ৰূপে সত্ৰৰ ভূমিকাও উল্লেখনীয়। ব্ৰহ্মসত্ৰত বক্তা আৰু শ্ৰোতা সমানে বহি ব্ৰহ্ম সম্পৰ্কে আলোচনা কৰে। নৱ-বৈষ্ণৱ ধৰ্মত কোনো জাতিভেদ নাছিল। ভক্তি সাধন জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে বাবে মুকলি কৰি দি বৈদিক সংস্কৃতিৰ চতুৰ্বৰ্ণ ধাৰণাৰ ৰক্ষণশীলতাক অস্বীকাৰ কৰি সকলো মানুহ সমান— এই মহান আদৰ্শ প্ৰতিষ্ঠা কৰিলে। আদৰ্শ যেতিয়া ৰক্ষণশীল হয়; সমাজ তেতিয়াই সংকুচিত হয়, আদৰ্শ যেতিয়া উদাৰ আৰু গুণগ্ৰাহী হয় তেতিয়াই সমাজ বিকশিত হয়। নৱবৈষ্ণৱ ধৰ্মৰ সামাজিক মূল্যবোধৰ মূল ভেটি— উদাৰতা আৰু গুণগ্ৰাহিতা। ধৰ্মৰ ক্ষেত্ৰত এই উদাৰ আদৰ্শৰে নানা তৰহৰ দেৱ-দেৱী আৰু প্ৰাচীন পৰম্পৰাৰ উচ্ছেদ সাধন কৰি সহজ-সৰল নানা ধৰ্মৰ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল।

পূৰ্ণাংগ ধৰ্মৰ ৰূপত নৱ-বৈষ্ণৱৰ স্থান অতি উচ্চত। ধৰ্মৰ সাধনাত বিচাৰ আৰু আচৰণ দুটা বস্তুৰ ওপৰত নিৰ্ভৰ কৰিহে আধ্যাত্মিক উপলব্ধি আৰু আৱেগৰ বিকাশ হয়। ভক্তি এই আৱেগৰহে নাম। বিচাৰেই দৰ্শন আৰু সেই দৰ্শনৰ আধাৰত গঢ় দিয়া বিধি-ব্যৱস্থাই আচৰণ গঢ় দিয়ে। বিচাৰ-বিবেচনাৰ স্তৰলৈ উঠিব নোৱৰা সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকৰ বাবে এই আচৰণেই ধৰ্ম। আচৰণজনিত সংস্কাৰে ভাব বা আৱেগৰ বিকাশত সহায় কৰে। এইদৰে বিকশিত হ'বলৈ ধৰা আৱেগৰ লগত দাৰ্শনিক বিচাৰৰ সহযোগ হ'লে পূৰ্ণাংগ ধৰ্ম হ'ব পাৰে। মানৱতাৰ ক্ৰমবিকাশৰ প্ৰেৰণাস্বৰূপে এই ধৰ্মটোক সূক্ষ্মৰূপে আধ্যাত্মিক আৱেগ (ভক্তি); বিচাৰ-বুদ্ধি (দৰ্শন) আৰু ব্যৱহাৰিক স্তৰত আচৰণ বা কৰ্ম (সামাজিক বিধি-ব্যৱস্থা) —এই তিনিওটাৰ পাৰস্পৰিক সম্পৰ্কটো এখন নৈৰ নিচিনা। বুদ্ধি আৰু আচৰণ এই নৈখনৰ দুটা পাৰ আৰু আৱেগ তাৰ মাজেদি আগবাঢ়ি যোৱা পানীৰ সোঁত। এখন নদীৰ অস্তিত্বৰ মূল উপাদান পানী আৰু তাৰ সোঁত বা গতিশীলতাটো। পাৰ দুটাই পানীৰ সেই সোঁতটোক অনুশাসনৰ মাজত ৰাখি সহায় কৰে। পাৰ নথকা পানীৰ সোঁত কম আৰু ছেদেলি-ভেদেলি হৈ শুকাই যায় অৰ্থাৎ নদীৰ অস্তিত্ব ৰক্ষা কৰিবলৈ অসমৰ্থ হয়। দৰ্শন অৰ্থাৎ বিচাৰ-বুদ্ধি বা জ্ঞান কৰ্ম আৰু ভক্তিৰ সমন্বয়ে মানৱতাক বিকাশৰ পথত আগুৱাই নিয়ে।

পূৰ্ণাংগ ধৰ্মৰ অস্তিত্বৰ ওপৰত সূক্ষ্মভাৱে বিচাৰ-বিশ্লেষণ কৰিলে দেখা যায় যে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰকৃততে পূৰ্ণাংগ ধৰ্ম। কিয়নো এই ধৰ্মই মানুহক আত্মমুক্তিৰ সন্ধান দিয়ে। নৱ-বৈষ্ণৱ ধৰ্ম বোৱঁতী নৈৰ দৰে, যি সমাজৰ জাতিভেদ আঁতৰাই প্ৰতিগৰাকী মানৱক একেলগে এক ঈশ্বৰক আৰাধনা কৰাৰ সুযোগ প্ৰদান কৰিছে।

বৰ্তমান পৰিস্থিতিত নৱ-বৈষ্ণৱ ধৰ্মৰ অস্তিত্ব জাকতজিলিকা। সংঘৰ্ষৰ জৰিয়তে যি অস্তিত্ব লাভ হয়, সি সদায় যুগমীয়া হয়। আহোমৰ ৰাজকীয় কাৰ্যকালত নানা বিভ্ৰাটৰ সন্মুখীন হৈ আহোমৰ ৰাজকীয় কাৰ্যকালতে প্ৰতিষ্ঠা লাভ কৰা নৱ-বৈষ্ণৱ ধৰ্মই যি বিশ্বজনীন দৃষ্টি ধৰ্মৰ ওপৰত নিক্ষেপ কৰিছিল, সেয়া সৰ্বজনবোধগম্য। আধুনিক সমাজ বিজ্ঞানৰ দিশত ধাৱমান যদিও নৱ-বৈষ্ণৱ ধৰ্ম ইয়াৰ কোঁহে কোঁহে বিৰাজমান। বিজ্ঞানে মানুহৰ অন্ধবিশ্বাসৰ জৰীডাল ছিঙি পেলালে। লগে লগে মানুহ আকৰ্ষিত হ'ল একতাৰ দিশত। এখন সুস্থ আৰু সৰল সমাজৰ মূল ভেটি হৈছে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে মানুহৰ মাজত থকা একতা। বিজ্ঞানৰ যুগমীয়া আৱিষ্কাৰৰ বাবেও এই একতাৰ প্ৰয়োজন। নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰধান আদৰ্শ এখন সম-সমাজ স্থাপন কৰা, য'ত উচ্চ-নীচৰ ভেদাভেদ নাই। ঈশ্বৰসৃষ্ট প্ৰতিগৰাকী ব্যক্তিয়ে সমান। বিজ্ঞানৰ আৱিষ্কাৰসমূহৰ পূৰ্ণতাৰ বাবেও সম-সমাজৰ আদৰ্শৰ প্ৰয়োজন। নৱ-বৈষ্ণৱ ধৰ্ম যদিও এক ধৰ্মীয় পৰম্পৰা, তথাপি ইয়াৰ যি আদৰ্শ, লক্ষ্য, উদ্দেশ্য— সকলো বিশ্বজনীন। ই মানুহক পশুত্বৰ পৰা মানৱত্বৰ স্থানলৈ নিয়ে। নৱ-বৈষ্ণৱ ধৰ্ম প্ৰতিগৰাকী মুক্তিকামী মানুহৰ হৃদয়ৰ কোঁহে কোঁহে বৰ্তমান। ■

## সম্পাদকীয়ৰ লেছেৰি বোটলা

'অতীতত এখন দেশৰ ৰজা আৰু শাসকসকলেই আছিল সাহিত্য আৰু সংস্কৃতিৰ পৃষ্ঠপোষক। সেই পটভূমিৰ আজি পৰিৱৰ্তন হৈছে। সামন্তবাদী ৰজাৰ সলনি আজি আহিছে শক্তিশালী ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত নায়কসকল হৈছে সেই ৰাষ্ট্ৰৰ কৰ্ণধাৰ। গতিকে ৰাষ্ট্ৰই ল'ব লাগে দেশৰ শিল্প-সংস্কৃতি, জ্ঞান-বিজ্ঞানৰ ভাৰ। কিন্তু প্ৰকৃত শংকা হৈছে সৰ্বাঙ্গীন চৰকাৰী পৃষ্ঠপোষকতাৰ দ্বাৰা সাহিত্য, শিল্প আৰু জ্ঞান-বিজ্ঞান আদি যদি চৰকাৰী নীতি আৰু পদ্ধতিৰ প্ৰভাৱাধীন হৈ পৰে! যদি শিল্পী আৰু সাহিত্যিকে চৰকাৰী প্ৰভাৱত তেওঁলোকৰ নিজস্বতা হেৰুৱায় পেলায়? যদি তেনে হয়, তেতিয়া কিন্তু দেশৰ অমঙ্গলেই হ'ব বেছি। সংস্কৃতিৰ বুনিয়াদটো বালিঘৰৰ দৰে ভাগি যাব, জীৱনোপলব্ধিৰ গভীৰতা ৰসহীন ফলৰ দৰে নিস্তেজ হৈ পৰিব।'

—নগেন তালুকদাৰ, সম্পাদক, 'কটনিয়ান', ৩৫তম্ সংখ্যা, ১৯৫৯ চন

... ... ...

'পবিত্ৰ শিক্ষানুষ্ঠান এখনৰ ভক্তি, প্ৰেম, বন্ধুত্ব আৰু স্নেহৰ এনাজৰীৰে বান্ধ খাই থকা ছাত্ৰ আৰু অধ্যাপক প্ৰত্যেকেই এজনৰ সমস্যাক নিজৰ সমস্যা বুলি অনুভৱ কৰিব পৰিব লাগিব আৰু তাৰ যোগ্য সমাধানৰ বাবে স্বতঃস্ফূৰ্তভাৱে আগবাঢ়ি আহিব লাগিব। কোনো সমস্যাই সাধাৰণ নহয় আৰু কোনো সমস্যাই সমাধানৰ বাহিৰত নহয়। তদুপৰি শিক্ষানুষ্ঠান এখনৰ কোনো সমস্যাই ব্যক্তিবিশেষৰ নহয়; ই শিক্ষানুষ্ঠানৰ সৈতে সংশ্লিষ্ট প্ৰত্যেক ব্যক্তিৰে সমস্যা, এক সমূহীয়া সমস্যা। গতিকে সামূহিকভাৱে ইয়াৰ সমাধানৰ চেষ্টা কৰাটোহে বাঞ্ছনীয়। তাকে কৰিবলৈ হ'লে যি একাত্মভূত জ্ঞানৰ আৱশ্যক (The knowledge of oneness), তাক আমি প্ৰত্যেকেই আহৰণ কৰিব লাগিব, অন্তৰেৰে উপলব্ধি কৰিব লাগিব আৰু কৰ্মক্ষেত্ৰত তাৰ বিশাল প্ৰয়োগ কৰিব লাগিব।'

—শ্যামাপ্ৰসাদ শৰ্মা, সম্পাদক, 'কটনিয়ান', ৩৮তম্ সংখ্যা, ১৯৬২ চন

... ... ...

'সাহিত্যত নতুনৰ থল নিতান্ত প্ৰয়োজন। কাৰো মতে আজি আমি উদণ্ড, আমি অবাধ্য, আমি অশ্লীল, আমি সমাজক বিপদত পেলাওঁ (কিমানদূৰ সঁচা, তাক বিচাৰ কৰিব আপোনালোকেই), কিন্তু আমিয়েই ভৱিষ্যৎ। অতীত আমাক লাগে। কিন্তু আমি অতীতৰ বোজা বোৱা গাধ হ'লেই নহ'ব। আমি ভৱিষ্যতকো গঢ়িব লাগিব। গঢ়িম সুন্দৰভাৱে। ভৱিষ্যৎ সুন্দৰভাৱে গঢ়িবলৈ হ'লে আৱশ্যক নতুনৰ ঢল অনাৰ, তেতিয়া নতুনক বাদ দিলে নহ'ব নাইবা পুৰণিক সাবটি থাকিলেই নহ'ব। কাৰণ সকলো পুৰণি ৰীতি-নীতিয়েই শ্ৰেষ্ঠ হোৱা হ'লে, শাস্ত্ৰ-পুৰাণেই একমাত্ৰ সত্য হোৱা হ'লে, বিজ্ঞান মৃত হ'লহেঁতেন। মানুহ আৰু প্ৰগতি তাতেই ক্ষান্ত থাকিলহেঁতেন, কিন্তু নাথাকিল। মানুহ সদায় নৱপ্ৰয়াসী। নতুন কিবা এটা পোৱাৰ হেঁপাহ মানুহৰ আছে। আমাৰ আছে।'

—কেশৱ বৰুৱা, সম্পাদক, 'কটনিয়ান', ৪৪তম্ সংখ্যা, ১৯৬৮ চন

# ভাৰতৰ আধুনিক শিল্পকলা ঃ এক আলোকপাত

**সুব্ৰতা গোস্বামী**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)*

মোগল ৰাজত্বৰ প্ৰায় শেষ ভাগৰ পৰাই শিল্পকলাৰ জগতত অন্ধকাৰ যুগৰ সূত্ৰপাত হয় বুলি ক'ব পাৰি। অৱশ্যে উনবিংশ শতাব্দীৰ ভাৰতবৰ্ষত শিল্পকলাৰ চাকিগছি টিমিক-টামাককৈ জ্বলি আছিল পঞ্জাবৰ পাহাৰ প্ৰদেশত আৰু ৰাজস্থানৰ ৰাজসভাবিলাকত। ১৮৫৪ খ্ৰীষ্টাব্দত ৰাজেন্দ্ৰলাল মিত্ৰ, যতীন্দ্ৰ মোহন ঠাকুৰ আৰু মিষ্টাৰ জাষ্টিম প্ৰেটটৰ নিৰ্দেশনাত কলকাতা চহৰত 'ইণ্ডাষ্ট্ৰিয়েল আৰ্ট ছ'চাইটী'ৰ জন্ম হয় আৰু এই ছ'চাইটীয়ে পিছলৈ 'স্কুল অব ইণ্ডাষ্ট্ৰিয়েল আৰ্টছ' প্ৰতিষ্ঠা কৰে। লৰ্ড নৰ্থব্ৰুক গৱৰ্ণৰ জেনেৰেল হৈ থকা কালতে এই স্কুলখনকে কলকাতাৰ 'গৱৰ্ণমেণ্ট স্কুল অব আৰ্ট' নাম দি পিছলৈ পুনৰনিৰ্মিত কৰা হয়।

শিল্প বিপ্লৱৰ অভ্যুত্থানৰ ফলত ভাৰতবৰ্ষত মানুহে ৰে'লগাড়ী, মটৰগাড়ী, পানীজাহাজ, আকাশী জাহাজ, কল-কাৰখানা তথা সংসাৰ যাত্ৰাৰ অধিকাংশ সামগ্ৰী কম পৰিশ্ৰমতে লাভ কৰিবলৈ সমৰ্থ হয় আৰু ইয়াৰ পৰিণতিস্বৰূপে হস্তনিৰ্মিত শিল্পৰ বিলুপ্তি ঘটিবলৈ আৰম্ভ হয়। ব্ৰিটিছ চৰকাৰে মাদ্ৰাজ (চেন্নাই), কলিকতা (কলকাতা), বোম্বাই (মুম্বাই) আদি চহৰত আৰ্ট স্কুল প্ৰতিষ্ঠা কৰে। এই কথা প্ৰণিধানযোগ্য যে ইয়াত ভাৰতীয় শিল্পকলাৰ আদৰ্শৰ অনুকূল সৃষ্টি কৰ্মৰ স্থানৰ পৰিৱৰ্তে ইউৰোপৰ চিত্ৰ বা মূৰ্তি, গ্ৰীক-ৰোমান মূৰ্তি ইত্যাদিৰ পৰা লোৱা নিকৃষ্ট মানৰ প্লাষ্টাৰৰ ঢালাই নাইবা অনুকৃতিৰ নিদৰ্শনসমূহহে ছাত্ৰ-ছাত্ৰীসকলক অংকন কৰিবলৈ দিয়া হৈছিল।

ভাৰতবৰ্ষৰ প্ৰাচীন শিল্পকলাৰ পৰম্পৰা ৰক্ষা কৰি তাত নতুনত্ব প্ৰদান কৰা দুজন উল্লেখযোগ্য ব্যক্তি হ'ল লৰ্ড কাৰ্জন আৰু ই বি হেভেল। দৰাচলতে ভাৰতবৰ্ষৰ আধুনিক শিল্প আন্দোলনৰ শুভ উদ্বোধন হেভেলৰ দ্বাৰা হোৱা বুলি ক'ব পাৰি। এনে এটি সন্ধিক্ষণতে ভাৰতীয় শিল্পকলাক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিল এচাম উৎসাহী শিল্পী যুৱক, যাৰ পথ-প্ৰদৰ্শক আছিল শিল্পী অবনীন্দ্ৰ নাথ ঠাকুৰ। অবনীন্দ্ৰ নাথ ঠাকুৰে ইউৰোপীয় পদ্ধতিত শিল্পৰ প্ৰশিক্ষণ লৈছিল। উনবিংশ শতাব্দীত শিল্পী ৰজা ৰবি বৰ্মা তেল ৰঙৰ কাম কৰা ভাৰতীয় শিল্পীসকলৰ ভিতৰত নিঃসন্দেহে অন্যতম আছিল। তেওঁ ভাৰতীয় পুৰাণ, ইতিহাস, কাব্য আদিত বৰ্ণিত দেৱ-দেৱীক চূড়ান্ত বাস্তৱায়িত ৰূপদানেৰে ফটোগ্ৰাফীৰ জনপ্ৰিয়তা দুগুণে বঢ়াই তুলিছিল। ৰবি বৰ্মাৰ এই তৈল চিত্ৰ (oil painting)সমূহে কলকাতাৰ ঠাকুৰ পৰিয়ালত সমানে সমাদৰ পাইছিল আৰু সেয়েহে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে অবনীন্দ্ৰক ইউৰোপীয় চিত্ৰ এৰি ৰবি বৰ্মাৰ চিত্ৰক অনুকৰণ কৰিবলৈ উপদেশ দিছিল।

হেভেলৰ নেতৃত্বত গঢ়ি উঠা শিল্পীচামৰ গভীৰ অন্তৰ্দৃষ্টিৰ ফলত শিল্পকলাৰ প্ৰতি দৃষ্টিভংগীৰ আমূল পৰিৱৰ্তন ঘটিবলৈ ধৰিলে আৰু প্ৰাচীন ভাৰতীয় শিল্পকলাৰ আদৰ্শৰ পুনৰুদ্ধাৰ আৰু পুনঃপ্ৰতিষ্ঠাৰ দিবালোকত ৰবি বৰ্মাৰ দৰে শিল্পীৰ ন-আংগিকৰ শিল্প কৰ্মই প্ৰভুত অৱিহণা যোগাবলৈ সক্ষম হয়।

ভাৰতীয় পৰম্পৰা নিহিত চিত্ৰ যেনে, ৰাজপুত, মোগল সম্ৰাটৰ ৰাজদৰবাৰৰ চিত্ৰাৱলী, ইলোৰা-অজন্তাৰ চিত্ৰ, ভাস্কৰ্য, পাহাৰ-পৰ্বতৰ মনোৰম চিত্ৰশৈলী আদি নানা আংগিক আয়ত্ত কৰি নতুন শিল্প পদ্ধতি নিৰ্মাণৰ প্ৰচেষ্টা চলাইছিল। ভাৰতীয় চিন্তা-ভাবনাৰে নিজৰ বৈশিষ্ট্য চিত্ৰত ফুটাই তুলিবলৈ যত্নপৰ হৈছিল আৰু চীন, পাৰস্য আদি দেশত প্ৰচলিত শিল্প ৰীতিবোৰ বিশ্লেষণ কৰি চাইছিল। এনে চিন্তাৰ ফলস্বৰূপে জন্ম পাইছিল 'বেংগল স্কুল' বা বংগৰ শিল্পধাৰাই। ইয়াত কাম কৰা প্ৰায়বোৰ শিল্পীয়ে টেম্পেৰা ৰীতি গ্ৰহণ কৰিছিল আৰু পানী ৰং (water colour) ব্যৱহাৰ কৰিছিল। চীন আৰু জাপানী কৌশলো ইয়াত প্ৰয়োগ কৰা হৈছিল। ইয়াক জনা গৈছিল 'ৱাশ্ব' (wash) ৰূপে।

শিল্পী নন্দলাল বসু অবনীন্দ্ৰ নাথ ঠাকুৰৰ অতি প্ৰিয় শিষ্য

আছিল। মহাকবি কালিদাসৰ অমৰ কাব্য 'মেঘদূত'ৰ চিত্ৰৰূপ দি শিল্পী নন্দলাল বসুৱে ৰসগ্ৰাহী পাঠকৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। অবনীন্দ্ৰ নাথৰ পিছত নন্দলাল বসুৱে বিশ্বভাৰতীৰ 'কলা ভৱনৰ' অধ্যক্ষৰ আসন শুৱনি কৰিছিল।

কবিগুৰু ৰবীন্দ্ৰনাথ, গগনেন্দ্ৰ নাথ, যামিনী ৰায় আৰু অমৃতা শ্বেৰগিলক আধুনিক ভাৰতৰ চিত্ৰকলাৰ পথিকৃৎ আখ্যা দিয়া হয়। কবিগুৰু ৰবীন্দ্ৰনাথে স্বতঃস্ফূৰ্ত কল্পনাৰ আশ্ৰয়ত ৰং-তুলিকাৰে প্ৰায় দুহেজাৰ চিত্ৰ প্ৰস্তুত কৰিছিল। যিবোৰৰ সৰহসংখ্যকতেই পৰিস্ফুট হয় ভাৰতীয় সংস্কৃতি। ঠিক তেনেদৰে গগনেন্দ্ৰই প্ৰাচ্য আৰু পাশ্চাত্যৰ সংমিশ্ৰণত শিল্পকৰ্মৰ সৃষ্টি কৰা হেতুকে নবীন চিত্ৰ শিল্পীৰ বাবে তেওঁ আদৰ্শস্বৰূপ আছিল। সামাজিক দায়বদ্ধতা তেওঁৰ চিত্ৰত অনুৰণিত হৈছিল। শিল্পী যামিনী ৰায়ৰ চিত্ৰকলাত প্ৰতিষ্ঠা হয় ভাৰতীয় শিল্পকলাৰ এক সুকীয়া ধাৰা। যিয়ে তেওঁক অকল ভাৰতবৰ্ষতে নহয় সমগ্ৰ বিশ্বতে এক মহান শিল্পীৰ মৰ্যাদা প্ৰদান কৰিছে। অমৃতা শ্বেৰগিলৰ শিল্প প্ৰতিভা পাশ্চাত্য পদ্ধতিত প্ৰতিষ্ঠিত হোৱা সত্ত্বেও অজন্তা-ইলোৰাৰ শিল্পৰাজি আৰু ইজিপ্তৰ পিৰামিড শিল্পয়ো তেওঁক অনুপ্ৰাণিত কৰি আহিছিল। তেওঁ ভিন্নৰঙী চিত্ৰ অংকন কৰিছিল আৰু মানৱ শৰীৰ অংকন কৰি বিশেষ আনন্দ লাভ কৰিছিল।

চল্লিছৰ দশকৰ এদল নতুন শিল্পীয় প্ৰাচ্য আৰু পাশ্চাত্যৰ শিল্পধাৰাৰ সমন্বয় সাধনৰ মানসেৰে ১৯৪৩ চনত জন্ম দিয়ে 'কলিকতা গ্ৰুপ'ৰ'। দেশৰ আকাল, দুৰ্ভিক্ষ, মহামাৰী, মানুহৰ হিংস্ৰতা-বৰ্বৰতা আদিৰ চিত্ৰ শিল্পীৰ তুলিকাত স্পষ্ট ৰূপত প্ৰতিভাত হয়। ঠিক সেইদৰে, ১৯৪৭ চনত জন্ম হয় 'বোম্বাই গ্ৰুপ'ৰ। এইসকলৰ শিল্পীৰো উদ্দেশ্য একেটাই আছিল।

ভাৰতবৰ্ষৰ স্বাধীনতাৰ পৰৱৰ্তী কালবোৰত শিল্পকলাৰ জগতখনলৈ নতুন নতুন আংগিকৰ পৰীক্ষা-নিৰীক্ষাৰ জোৱাৰ আহিবলৈ ধৰিলে। এই সময়ছোৱাত নানা প্ৰতিভাধৰ শিল্পী, চিত্ৰকৰৰ জন্ম হয়।

পশ্চিমীয়া কলাৰ অভিব্যক্তিবাদ, প্ৰতীকবাদ, মনচ্ছায়াবাদ ইত্যাদিয়ে শিল্পীসকলৰ শিল্প কৰ্মত স্থান লাভ কৰিবলৈ আৰম্ভ কৰিলে আৰু ইয়াৰ ফলস্বৰূপে সৃষ্টি হ'ল বহুতো অমূল্য চিত্ৰকৰ্মৰ।

ষাঠিৰ দশকত দিল্লী, মুম্বাই আৰু গুজৰাটৰ শিল্পীসকলৰ সমন্বয়ত শিল্পী জে স্বামীনাথনে '১৮৯০' নামৰ গ্ৰুপটো স্থাপন কৰে আৰু নতুন ধাৰাৰ সন্ধান কৰে। আকৌ ১৯৫০ চনত ভাৰতৰ 'আধুনিক কলা শাস্ত্ৰীয় বীথিকা' আৰু 'ললিত কলা একাডেমী' প্ৰতিষ্ঠা হয়। এই প্ৰতিষ্ঠানৰ জৰিয়তে আধুনিক কলাৰ বিকাশৰ বাবে নানা শিল্পীয়ে অৰিহণা যোগাই আহিছে আৰু সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত প্ৰদৰ্শনীৰ আয়োজনেৰে কলাৰ পূৰ্ণ বিকাশত এক অন্য মাত্ৰা প্ৰদান কৰিছে।

আশী-নব্বৈৰ দশকত ভাৰতীয় কলাত এক গভীৰ পৰিৱৰ্তন লক্ষ্য কৰা হয়। চিত্ৰকলা, ভাস্কৰ্য আদিৰ বাহিৰেও ভিডিঅ' কলা, ডিজিটেল কলা আদিৰ প্ৰচাৰ হ'বলৈ ধৰে আৰু কলাই ৰাইজৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হয়। ভাৰতবৰ্ষৰ আধুনিক কলাই পৃথিৱীবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। ভাৰতীয় শিল্পীৰ শিল্পকৰ্মবোৰ হাজাৰ হাজাৰ টকাত বিক্ৰী হোৱা দেখা যায়। সুখৰ বিষয় এয়ে যে বৰ্তমান ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ লগতে অসমতো 'কলা মহাবিদ্যালয়' আৰু অন্যান্য কলা প্ৰতিষ্ঠান স্থাপন কৰা হৈছে আৰু ফলস্বৰূপে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে আৰু কলাৰ প্ৰতি ধাউতি বাঢ়িছে। আজিৰ বিজ্ঞানৰ যুগত চাৰুকলাৰ ব্যৱহাৰ অতিকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। বিশ্ববিশ্ৰুত শিল্পীসকলে ভাৰতীয় শিল্পকলাৰ জয়ধ্বজা গোটেই পৃথিৱীত উৰুৱাই বিশ্বজয় অভিযানত নামি পৰিছে। ■



'চিত্ৰকলা, ভাস্কৰ্য আদিৰ বাহিৰেও ভিডিঅ' কলা, ডিজিটেল কলা আদিৰ প্ৰচাৰ হ'বলৈ ধৰে আৰু কলাই ৰাইজৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হয়। ভাৰতবৰ্ষৰ আধুনিক কলাই পৃথিৱীবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।'

# মন ঃ এক মনোবৈজ্ঞানিক দৃষ্টিভংগী

**ছাবিনা ইয়াছমিন**
স্নাতক দ্বিতীয় বৰ্ষ, শিক্ষা বিভাগ

**প্ৰস্তাৱনা ঃ** মন এক চিৰন্তন শক্তিৰ আধাৰ। ই এনে এক আভ্যন্তৰীণ শক্তি, যাৰ জৰিয়তে প্ৰতিজন মানুহে জীৱনৰ কাঁইটীয়া পথচক্ৰত সাহসেৰে আগবাঢ়ি যাবলৈ এক উদ্যম লাভ কৰে। ই জীৱন যন্ত্ৰণাত জৰ্জৰিত হোৱাজনৰ বাবে এক মৃত সঞ্জীৱনী সুধা। অৱশ্যে, মানসিকভাৱে দুৰ্বল হৈ কোনো কোনোৱে জীৱনৰ সকলো ইতিবাচক দৃষ্টিভংগীক কৱৰস্থ কৰা দেখা যায়। এইক্ষেত্ৰত অৱশ্যে 'সুস্থ দেহত সুস্থ মনৰ সৃষ্টি' এই আপ্তবাক্যশাৰীৰ প্ৰয়োজনীয়তা উলাই কৰিব পৰা বিধৰ নহয়। তথাপি ক'ব পাৰি, দৈহিক অসুস্থতাৰ সময়তো যদিহে মনোবল অটুট থাকে, তেন্তে বহুক্ষেত্ৰত দৈহিক ব্যাধিয়ে মনৰ ওচৰত হাৰ মানিবলৈ বাধ্য হয়। যিয়েইনহওক, মনেই হৈছে আমাৰ চালিকাশক্তি। ই অতি বেগী আৰু কোনোক্ষেত্ৰত দৃঢ় অথবা ক্ষণভংগুৰ।

**মনৰ অৱস্থান ঃ** প্ৰাচীন কালৰে পৰা মন আৰু কলিজাক একাৰ্থক বুলি গণ্য কৰি অহা হৈছে যদিও চতুৰ্থ খ্ৰীষ্টপূৰ্বতে হিপ'ক্ৰেটিছে মনক মগজুৰ অংশ বুলি দাবী কৰি প্ৰকাশ কৰিছিল যে মানুহৰ চিন্তা, অনুভূতি, আৱেগ আদিবোৰ একমাত্ৰ মগজুতহে সৃষ্টি হয়। এইদৰে মনৰ সংজ্ঞা, অৱস্থান আদিৰ বাবে আগৰে পৰা বহু বাদানুবাদ চলি আহিছে যদিও বৈজ্ঞানিক দৃষ্টিভংগীৰ অভাৱত কোনোটোকে গ্ৰহণযোগ্য হিচাপে ল'ব পৰা হোৱা নাই। কিন্তু বৰ্তমানে বিজ্ঞানীসকল একমত হৈছে যে মন হৈছে আমাৰ মগজুৰ দ্বাৰা নিয়ন্ত্ৰিত কোটি কোটি স্নায়ুতন্ত্ৰৰ এক জটিল সংযোগক্ষেত্ৰ। গতিকে মন হৈছে মগজুৰ দ্বাৰা নিয়ন্ত্ৰিত স্নায়ুতন্ত্ৰবোৰৰ এক জটিল নেটৱৰ্ক।

আধুনিক বিজ্ঞানৰ মতে, মগজুটোক উলম্বভাৱে দুটা ভাগত বিভক্ত কৰিলে দুই গোলাৰ্ধত দুই মগজু অৰ্থাৎ বাঁও আৰু সোঁ মগজু দৃষ্টিগোচৰ হ'ব। বাঁও মগজু হৈছে মানুহৰ যুক্তিবাদী মনৰ স্বৰূপ— ই লিখা-মেলা, গণনা, কথা-বতৰা, বিচাৰ-বিবেচনা আদিৰ ক্ষমতা যোগায় আৰু সোঁ মগজুটো হৈছে মানুহৰ সহজাত প্ৰজ্ঞাযুক্ত মনৰ বাহক। ই কোনো বস্তুক ত্ৰিমাত্ৰিকৰূপত কল্পনা কৰা, গান-বাদ্যত নিপুণতা, কল্পনাশক্তি, সৃজনীশক্তি আদিৰ উৎপত্তিস্থল। এই দুই অংশই বেলেগ বেলেগ কাৰ্যকলাপ নিয়ন্ত্ৰিত কৰে। যেনে— বাঁও মগজুৱে শব্দৰ মাধ্যমত চিন্তা কৰাৰ বিপৰীতে সোঁ মগজুৰ চিন্তা-চৰ্চাক শব্দৰ মাধ্যমেদি প্ৰকাশ কৰা টান।

**যুক্তিবাদী মন বনাম সৃষ্টিশীল মন ঃ** বাঁও মগজু অৰ্থাৎ যুক্তিবাদী মনৰ অধিক কচৰতে সৃষ্টিশীল মনটোত বিৰূপ প্ৰভাৱ পেলাব পাৰে। উদাহৰণস্বৰূপে, এজন বুদ্ধিজীৱীয়ে কোনো এখন খেলৰ বিষয়ে বিস্তৃত জ্ঞান লাভ কৰাৰ পিছতো তেওঁ খেলখনত প'ৰদৰ্শিতা দেখুৱাব নোৱাৰিব পাৰে। কাৰণ, খেলৰ বিষয়ে অধিক চিন্তা-চৰ্চাই তেওঁৰ সৃজনীশীলতাত বাধা প্ৰদান কৰে।

আনহাতে, সৃষ্টিশীল মন অৰ্থাৎ সোঁ মগজুৰ কাৰ্যকলাপ তেতিয়াহে বৃদ্ধি পায়, যেতিয়া বাঁও মগজুৰ সক্ৰিয়তা হ্ৰাস পায়। এইক্ষেত্ৰত জাৰ্মান ৰসায়ন বিজ্ঞানী অগাষ্ট কেকুলেৰ কথাই ক'ব পাৰি। বেনজিন পৰমাণু গঠনৰ আৰ্হি সম্পৰ্কত কোনো সিদ্ধান্তত উপনীত হ'ব নোৱাৰি তেওঁ বিপাঙত পৰিছিল। এদিন সপোনত এডাল সাপে নিজৰ নেজ কামুৰি ধৰা দেখি পিছত তেনে চক্ৰীয় শৃংখলাতে বেনজিন গঠন কৰি সমস্যা সমাধান কৰিছিল। অৰ্থাৎ সমস্যাৰ ভৰত বাঁও মগজু দোঁ খাই পৰাৰ সময়তে সোঁ মগজু সক্ৰিয় হৈ উঠিছিল। গতিকে দেখা গ'ল যে সৃজনীমূলক কামত সোঁ মগজুৰ অৱিহণা বেছি। তথাপি সোঁ মগজুৰ চিন্তা-চৰ্চা বাঁও মগজুৰ বিচাৰ-বুদ্ধিৰূপী কমাৰশালত গঢ় লৈ আৱিষ্কাৰৰ ৰূপ লয়।

**মনোবৈজ্ঞানিক দৃষ্টিত মনৰ ভাগ ঃ** মনস্তত্ত্ববিদসকলে মনক চেতন, অৱচেতন আৰু অচেতন— এই তিনিভাগত বিভক্ত কৰিছে। আমাৰ চেতন মনত প্ৰতিফলিত হোৱা দৈনন্দিন ঘটনা, আনন্দ, বিষাদ, উত্তেজনা আদিবোৰ সময় যোৱাৰ লগে লগে অৱচেতন মনলৈ গুচি যায় আৰু এটা সময়ত অচেতন মনত সংৰক্ষিত হৈ থাকেগৈ। সময়সাপেক্ষে সেইবোৰ মনলৈ আনিব পৰা শক্তিটোকে আমি স্মৃতি বুলি কওঁ।

**কিছু মানসিক সমস্যা ঃ** প্ৰতিজন মানুহকে বিভিন্ন মনোদৈহিক প্ৰয়োজনবোৰ পূৰণ কৰাৰ আকাংক্ষাই আকৰ্ষণ কৰি থাকে। মনৰ বা দেহৰ এইপ্ৰয়োজনবোৰ পূৰণ নোহোৱাৰ ফলস্বৰূপে কাৰোবাৰ ক্ষেত্ৰত কিছু লক্ষণে দেখা দিব পাৰে। তেনে লক্ষণবোৰ হৈছে— মানসিক অস্থিৰতা, নিঃসংগতা, হীনমন্যতা, দুৰ্বলতা আদি আৰু এইবোৰৰ ফলতে কেতিয়াবা কোনোজন বিভিন্ন মানসিক ৰোগ, ফ'বিয়া, স্কিজোফ্ৰেনিয়া, জুভেনাইল ডেলিকুৱেঞ্চি আদিৰ বলি হয়। এনেক্ষেত্ৰত পৰিয়াল তথা আত্মীয়-স্বজনে মৰম-চেনেহেৰে সুস্থ-সবল পথেৰে তেওঁলোকৰ প্ৰয়োজনীয়তা পূৰণৰ চেষ্টা কৰা উচিত। তথাপি তেওঁলোকক বিভিন্ন সৃষ্টিশীল কামত নিয়োগ কৰা উচিত।

**উপসংহাৰ ঃ** যিয়েই নহওক, আৱেগ-অনুভূতি, উত্তেজনা, দৈহিক-মানসিক প্ৰয়োজনীয়তা, বিভিন্ন ধৰণৰ স্নায়ৱিক চেতনা আদিক লৈয়ে মন নামৰ অদৃশ্যমান শক্তিশালী সত্তাটোৰ উপস্থিতি। এই মনেই অহৰহ প্ৰতিজন মানুহৰ আৱেগিক, বিবেচিত জীৱনটোক পৰিচালিত কৰি থাকে। গতিকে মন হৈছে আমাৰ অন্তৰ্নিহিত এক অদম্য শক্তিৰ স্বৰূপ, যি বিয়পি থাকে আমাৰ সৰ্বাংগ সত্তাজুৰি। সেয়েহে, জীৱনত সফল হ'বৰ বাবে অথবা বিভিন্ন ঘাত-প্ৰতিঘাততো নিজৰ মনোবল সদায়ে অটুট ৰাখিবলৈ চেষ্টা কৰিব লাগে। কিয়নো মনৰ বলে কৰ্মত জোৰ আনে, কৰ্মত বিশ্বাসে নিজৰ সাফল্য মাতি আনে। ■

# ছন্দশিল্প


প্ৰিয়ম্বদা, শুনা নদীৰ গল্প ঃ **সমুদ্ৰপ্ৰতিম বৰুৱা**/৪১
কিবা এটা কৰিব বিচাৰে সকলোৱে ঃ **কাংকান কাকলি পেগু**/৪২
উন্মেষ ঃ **জ্যোতিৰূপা নাথ**/৪২
চিঠিবোৰ কেতিয়াবা পঢ়িবা ঃ **মৌচুমী সন্দিকৈ**/৪৩
বেশ্যা ঃ **অঞ্জন কলিতা**/৪৩
এটা জীয়া কবিতা ঃ আস্থাৰ অন্য এটি নাম ঃ পিতাই ঃ **হিমাশ্ৰী ভূঞা**/৪৪
হৃদয়, প্ৰেম আৰু এজাক বৰষুণ ঃ **মৌচুমী দাস**/৪৪
চাকৰি ঃ **পুলিন ভূঞা**/৪৫
কুঁৱলী ঃ **অনুপম মেধি**/৪৫
যাত্ৰা ঃ **পূৰ্ণিমা বৰুৱা**/৪৬
সপোনৰ ছাই ঃ **ধনদা শইকীয়া** /৪৬
সংগীন সময় ঃ **আভা বৈশ্য**/৪৭
ক্ৰিছেন্থিমামৰ সুবাসত তুমি ঃ **চুমি কলিতা**/৪৭
কৃচ্ছ্ৰ ঃ **হিমাশ্ৰী নাথ**/৪৮
এবুকু সেউজীয়া সপোন ঃ **মীনাক্ষী ভট্টাচাৰ্য**/৪৮
অনুভৱৰ একলম ঃ **অৰুণিমা মেধি**/৪৯
দুৰ্বোধ্য চেতনা ঃ **ফ্ৰেংকী বড়ো**/৪৯
সুখৰ সংজ্ঞা ঃ **মৌতুচি তামুলী**/৫০
আমন্ত্ৰণ ঃ **লভিতা দত্ত**/৫০
ডেউকা ভগা সপোন... জীৱনৰ ঃ **চন্দামিতা গোস্বামী**/৫১
আমি দুয়ো পৃথিৱী সজাম ঃ **তাপসজিৎ শইকীয়া**/৫১
ভালপোৱা ঃ **সুশান্ত পেগু**/৫২
অনুসন্ধান ঃ **উৰুকা শৰ্মা**/৫২
বিষয় মূলতঃ নাৰী ঃ **উৎপল ভূঞা**/৫৩
অনুভৱ ঃ **বুদ্ধদেৱ মহন্ত**/৫৩
কটন কলেজৰ ছাত্ৰাবাসৰ আৱাসীলৈ এখন মুকলি চিঠি ঃ **ভগৱান গোস্বামী**/৫৪




# প্ৰিয়ম্বদা, শুনা নদীৰ গল্প

**সমুদ্ৰপ্ৰতিম বৰুৱা**
*স্নাতক তৃতীয় বৰ্ষ, ইংৰাজী বিভাগ*



আকাশ আহিছে গোমাই অ' মোৰ ভৈয়াই ঐ
বান্ধাহি নাও তোমাৰ এই ঘাটে ঢৌ খেলা পাল সামৰি থৈ...

* * *

নাৱৰীয়াৰ ওঁঠত খেলি গ'ল নদী
এই নদী পাৰ হৈ কতবাৰ সি নাও চপাইছিলে পাটমাদৈৰ ঘাটত!
স্বৰ্গদেউ আৰু মাদৈৰ প্ৰমোদ বিহাৰৰ সাক্ষী আছিল তাৰ আল্পনা অঁকা নাও
নদীৰ বুকুত টুপাই বুৰ মৰা শিহুবোৰে ৰং লগাইছিল ৰজাঘৰীয়াৰ মনত
অথচ, মাদৈৰ বকুলসৰা পদূলিত
তাৰ দিল-দৰিয়াত খলখলাই থকা মাছৰ পোহাৰ নেমেলিলে সি কাহানিও
(কিজানি মাছৰ গোন্ধত হেৰায় বকুলৰ নিৰ্যাস!)
মাথোঁ তাৰ কঁহুৱা ফুলা সিঘাটত বহি মাদৈক শুনাইছিল সি বাঁহী।

এদিন পুৱতিনিশাতে নাৱৰীয়াই নাও মেলিলে নদীত
মাজ নৈত সি ব'ঠা এৰি ফুঁ দিলে বাঁহীত
বাঁহীৰ সুৰত নাচি উঠিল এই নদী
আৰু আকাশ গলি গলি ঢলি পৰিল নদীৰ বুকুত বৰষুণ হৈ
আকাশ আৰু নদীৰ প্ৰেমৰ ঘূৰ্ণীত ঘূৰি ঘূৰি
নাৱৰীয়া জানো লুকাল ক'ত!
তাৰ দিল-দৰিয়াৰ সোণালী মাছবোৰ নদীৰ বুকুত নাচি উঠিল...

নদীৰ গৰ্ভত
নাৱৰীয়াৰ নৱজন্ম হ'ল নদীপুত্ৰ ৰূপে।

নদীপুত্ৰ সাঁতুৰি-নাদুৰি থাকিল মানুহৰ মুখে মুখে গীত হৈ...
ৰজাঘৰীয়া কবিয়ে খেও মাৰি তুলি নিছিল নাৱৰীয়াৰ দিল-দৰিয়াৰ দুটিমান মাছ
আৰু সাধু সাধু ধ্বনিৰে মুখৰিত হৈছিল ৰাজপ্ৰাসাদ।
সিপাৰৰ কঁহুৱা ফুলা ঘাটত
অগণন মানুহে গীত গাই থাকিল নদীপুত্ৰক ধিয়াই...

প্ৰিয়ম্বদা, আজিও সেই গীত শুনি
তুমি আৰু মই প্ৰাচীন নদীৰ পাৰত বহোঁ
এই নদীতে আমি আমাৰ তৰী মেলোঁ
হিয়ালি-জিয়ালিকৈ নাচি থকা কঁহুৱাবোৰৰ মাজত
বৈ বৈ বাজি থাকে এটি বাঁহী
মাদৈৰ ঘাটতো প্ৰাচীন বকুলজোপাৰ ছাঁত জিৰাই
ভাগৰুৱা নাৱৰীয়াই ফুঁ দিয়ে বাঁহীত।

পুৰণি হেৰেমৰ দেৱাল ভাঙি ভাঙি
মাদৈয়েও যেন শেলুৱৈৰে ঢাকি দিছে এটা প্ৰাচীন কাহিনী।
ঘৰমুৱা চৰাইৰ ডেউকাৰ পৰা সৰি পৰে
ব'দৰ চেকুৰা সনা এখিলা পাখি তোমাৰ কোলাত
প্ৰিয়ম্বদা, সেই পাখিৰে তুমি লিখিবা এটা নতুন বহমান কাহিনী...

প্ৰিয়ম্বদা, নদীৰ ঢৌ লাগি কঁপি উঠে মনবীণাৰ তাঁৰ
আমি নোসোধোঁ— কি ৰাগ বাজে মনবীণাত?
ক্ৰমশঃ সেই ৰাগৰ সুৰে সুৰে
প্ৰাচীন নদীৰ সোঁতত আমি দুয়ো বিলীন হৈ যাওঁ
নদীৰ সোঁতত মাছ হৈ স্বচ্ছন্দে নাচি উঠোঁ।
ৰাজকবিৰ জালত বন্দী হ'বৰ ইচ্ছা আমাৰ নাই।
সেয়ে বৃদ্ধ ৰাজকবিক 'সসন্মানে' জিৰণি দিওঁ কোনো পুথিৰ পাদটীকাত।

কিন্তু নদীৰে উজাই আহিছে জানো ক'ৰ জাহাজ?
একো একোবাৰ বাঁহীৰ মাত তল পেলাই সেই জাহাজে উকিয়াইছে
কোনোবাই জাহাজৰ পৰা নদীত খেও মাৰিছে
শুভ্ৰ কঁহুৱাবোৰৰ ওপৰত হালধীয়া সোণবোৰ সিহঁতে ছটিয়াইছে
নদীৰ দুয়োপাৰ বৰকৈ ধোঁৱাইছে
(হয়তো নাৱৰীয়াহঁতে সোণ গলাইছে)

প্ৰিয়ম্বদা, এতিয়া ক'ত বাৰু পাতিছোঁ আমি নদীৰ কথা?
নদীৰ বোৱঁতী পানীত নে নদীৰ আভাস দিয়া কাঁচৰ বন্ধ গোলকত?
প্ৰিয়ম্বদা??
প্ৰিয়ম্বদা, নুশুনো দেখোঁ নদীপুত্ৰৰ গান! ■

# কিবা এটা কৰিব বিচাৰে সকলোৱে

**কাংকান কাকলি পেগু**
*স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ*

সৰাপাতবোৰ খৰমৰাই উঠিল
শুকালে
টান হ'ল
আৰু অলপ
হালধীয়া পৰিল
আকৌ খৰমৰাই উঠিল
এই যেন প্ৰস্তুতি
দপ্‌কৈ জ্বলি উঠাৰ

প্ৰতিবাদী মিছিলবোৰে চিঞৰি থাকিল
শাৰীবোৰ আৰু
দীঘল হ'ল
মুখৰ হ'ল
দীঘল শাৰী ভাঙি
এতিয়াই যেন উফৰি পৰিব
ক্ষোভবোৰ
ৰাস্তাই-পদূলিয়ে,
মানুহৰ বুকুৰ পৰা
তেজে ডোঙা বন্ধা দুপৰীয়লৈ...

মেঘবোৰ গৰজি থাকিল
গোট মাৰিলে
কজলা হ'ল
আৰু সাঁতুৰি ফুৰিলে
আকাশৰ বুকুত
মানুহৰ চকুত
এতিয়াই যেন নামি পৰিব
সকলোতে
এতিয়াই যেন ডুবাই পেলাব
সকলোকে
বৰষুণৰ কাঁড়বোৰ মাৰি পঠিয়াব
বুকুলে
বুকুৰ পৰাও টোপ্ টোপ্ বৰষুণ পৰিব
ৰঙা ৰঙা বৰষুণ...

কিবা এটা কৰিব বিচাৰে
সকলোৱে
বৈ থকাৰ ধৈৰ্য ক'ত
বৈ থকাৰ সময় ক'ত!!

ঢপলিয়াই ফুৰিছে ব্যস্ত সময়
খৰকৈ হ'বলৈ ধৰিছে
ঘটনাবোৰ...
আজি মোৰ
কাইলৈ
আপোনাৰ জীৱনত... ■



# উন্মেষ

**জ্যোতিৰূপা নাথ**
*স্নাতক দ্বিতীয় বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

তন্দ্ৰা নামে চকুৰ পতাত
উদ্ভ্ৰান্ত মন থৌকি-বাথৌ
প্ৰাপ্তিৰ আনন্দনে?
স্বপ্নভংগৰ বেদনা!

বাস্তৱৰ কঠোৰ আঘাতত
দিবাস্বপ্ন ক্ষত-বিক্ষত
স্মৃতিৰ বালিচৰত কাৰ পদচিহ্ন!
অলিখিত কবিতাৰ সাৰমৰ্ম। ■

# চিঠিবোৰ কেতিয়াবা পঢ়িবা

**মৌচুমী সন্দিকৈ**
*স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক, ইংৰাজী বিভাগ*

চিঠিবোৰ কেতিয়াবা পঢ়িবা
চুই চাবা তাৰ প্ৰতিটো আখৰত
প্ৰতিডাল 'আ'কাৰ, 'ই'কাৰত
প্ৰতিটো কটা-কুটাত লাগি থকা
ভালপোৱাৰ সোণালী নিশাহৰ জলকণাবোৰ...।

চিঠিবোৰ কেতিয়াবা পঢ়িবা
ভাঁজে ভাঁজে শুই থকা পুৰাতন স্মৃতিৰ
আপং পি
এদিনৰ বাবে হ'লেও মাতাল হ'বা,
চিঠিবোৰে তোমাক লৈ যাব
এৰি অহা আহিনৰ পথাৰ এখনলৈ,
বেলি ডুবা আকাশৰ সীমনাত য'ত
সৰু চৰাই টোপনি যায়।

চিঠিবোৰ কেতিয়াবা পঢ়িবা
এক লহমাৰ বাবে হ'লেও
বুকুত জাগি উঠিব দিবা
ছাইৰঙী সন্ধিয়া এটা,
য'ত লুকাই আছিল
আমাৰ একালৰ অভিমানৰ চুবুৰিৰ
সৰু ফুলবোৰ
চুটি চুটি খোজৰ সান্ধ্যভ্ৰমণৰ সংগী
লেনিন, পিকাছো অথবা ৰুশ্বডিৰ
উদ্ধৃতিৰ জ্বলন্ত স্ফুলিংগবোৰ
আৰু আমি নীৰৱ হ'লেই
মিচিকিয়াই হাঁহি দিয়া
সন্ধ্যাতৰাবোৰ।

চিঠিবোৰ কেতিয়াবা পঢ়িবা
কিমান আধৰুৱা সপোনৰ কুঁহিপাতে
পাতৰ আঁৰত লুকুৱাই ৰাখে
দুখৰ প্ৰেমিক চৰাই,
টোকোৰা চৰাইৰ দৰে
অ'ৰ-ত'ৰ পৰা কুটা কঢ়িয়াই
কিদৰে প্ৰেমিকবোৰে সাজে
হেঁপাহৰ ঘৰ,
হিচাপ ল'ব এদিনৰ বাবে হ'লেও
যিমানেই বে-হিচাপী নোহোৱা কিয়।

চিঠিবোৰ কেতিয়াবা পঢ়িবা...
শব্দবোৰে তোমাক লৈ যাব
হাতত ধৰি।
স্মৃতিৰ শেলুৱৈ শীতে ঢকা
একা-বেঁকা আৰণ্যক বাট এটাইদি,
আৰু তুমি অনুভৱ কৰিবা
সৰাপাতৰ নৈঃশব্দত কিদৰে
সাৰ পাই উঠে সোঁৱৰণীৰ নিতাল বেলি। ■



# বেশ্যা

**অঞ্জন কলিতা**
*স্নাতক প্ৰথম বৰ্ষ, ৰাজনীতি বিজ্ঞান বিভাগ*

অন্য এখন মহাভাৰতৰ
এয়া মই অভিমন্যু
চাৰিওফালে
সপ্তৰথীৰ হাঁহি আৰু কটাক্ষ।

নীলা বাসনাৰে
কংক্ৰীটৰ মকৰাজালত
বিচাৰি ফুৰোঁ প্ৰাপ্তি-অপ্ৰাপ্তিৰ ভূগোল।

হালধীয়া মৃত্যুৰে মোৰ অষ্টাদশ দিন... ■

# এটা জীয়া কবিতা
# আস্থাৰ অন্য এটি নাম ঃ পিতাই

**হিমাশ্ৰী ভূঞা**
উচ্চতম মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)

কোনে সিঁচিছিল এই পৃথিৱীত তেওঁৰ বীজ
তেওঁ যেন এটি জীয়া কবিতা
যাৰ আৰম্ভণি আছে, নাই শেষ...

তেওঁ জোনাক ভাল পায়
তাতোকৈয়ো ভালপায় ৰাতি—
কিয়নো
ৰাতিৰ বুকুতেই জন্মে—
পোহৰক ধৰি ৰখাৰ প্ৰচণ্ড হাবিয়াস;
আন্ধাৰ অবিহনে
জানো বুজিব পাৰি—
পোহৰৰ অস্তিত্ব!!!

স্বপ্ন প্ৰগলভ তেওঁৰ চকুত
ৰামধেনুৰ সাতোটি ৰং;
যিয়ে ক'ব খুজিও ক'ব নোৱাৰে
এক অজান ইতিহাস...

তেওঁ লুকাই থাকে
কেঁচা ধানৰ কোমল গোন্ধত—
মোৰ কাষলে নিতে আহে—
বগা বগলীৰ পাখিৰ মাজত,
যাৰ উন্মীলিত হৃদয়ৰ
বটবৃক্ষৰ ছাঁই—
মোক আবৰি ৰাখে...

...এক গভীৰ আস্থাৰ গান।
প্ৰতিটো মুহূৰ্তত মোক শুনায়
যিয়ে—
তেৱেঁইতো মোৰ পিতাই। ■



# হৃদয়, প্ৰেম আৰু এজাক বৰষুণ

**মৌচুমী দাস**
*স্নাতক প্ৰথম বৰ্ষ, ইংৰাজী বিভাগ*

এজাক সেউজীয়া বৰষুণ
সেই বৰষুণজাক আপুনি দেখা পাইছেনে?
বৰষুণজাকৰ মাজত তিতি-বুৰি জুৰুলি-জুপুৰি হৈ থকা
'মই'জনীক আপুনি চিনি পায়নে?
এবুকু সপোনৰ উমত তাই শুই আছিল...
ক'ৰ পৰা জানো আহিল
সেই আপদীয়া বৰষুণজাক!
আহিয়েই তিয়াই পেলালে 'মই'জনীক—
বৰষুণৰ প্ৰেমত পৰা 'মই'জনী ওলাই আহিল
বৰষুণত তিতিবলৈ...।
তেওঁৰ হৃদয় নামৰ আকাশখনৰ পৰা
বৰষুণজাক সৰিছিল—
এজাক উষ্ম বৰষুণ।
এতিয়া,
বৰষুণজাকত তিতিবলৈ তাইৰ ভয় লগা হ'ল—
অসুখ হোৱাৰ ভয়—
'হৃদয়ৰ অসুখ'—
বৰষুণজাকৰ পৰা হাত সাৰিবলৈ
আপুনি 'মই'জনীক ছাতি এটা দিব নেকি?
হৃদয়ৰ নিৰাপত্তাৰ ছাতি??
কাৰণ—
সেই বৰষুণজাক যে প্ৰেমৰ আছিল... ■

# চাকৰি

**পুলিন ভূঞা**
*স্নাতক দ্বিতীয় বৰ্ষ, ইংৰাজী বিভাগ*

বেকাৰ উপনামটোৰ যন্ত্ৰণাৰ পৰা মুক্ত হ'বলৈ
চাকৰি এটাৰ খুবেই প্ৰয়োজন।

আত্মহনন বা ৰক্তপাতৰ সম্ভাৱনা নাই
নাই অট্টালিকা ৰচাৰ সপোন,
বন্ধকত ৰখা মাটিখিনি, দুবছৰ ধৰি
সলাওঁ বুলি সলাব নোৱৰা মাৰ চছ্মাযোৰ
ভাইটিৰ উদ্‌ফাইৰ হুমুনিয়াহবোৰ...

দেউতাৰ সামান্য পেন্সনটো মাত্ৰ!
চাকৰি এটাৰ খুবেই প্ৰয়োজন।

নাভাবিব মই দিক্‌ভ্ৰান্ত বুলি
এটা সেউজীয়া উপকূল লাগে
এখন সেউজীয়া পথাৰ;
ৰুটীৰ তাড়নাত বন্দুক লোৱাৰ সম্ভাৱনা নাই
নকৰোঁ আমৰণ অনশন বা প্ৰতিবাদৰ মিছিল
এটা সামান্য চাকৰিৰ নামত আদৰ্শক খুন কৰিব নিবিচাৰোঁ,
ভঙা হিয়াখন জোৰাই ৰাখিবলৈতো
'চাকৰি এটাৰ খুবেই প্ৰয়োজন'

অপেক্ষাৰোতো সীমা আছে
অতদিনে গঢ়ি থকা বিষাদ চহৰক
বুঢ়া আঙুলি দেখুৱাই,
নিয়ৰসনা পুৰাবোৰলৈ
আবেলিৰ ৰং কঢ়িয়াই অনাৰ বাবে
'চাকৰি এটাৰ খুবেই প্ৰয়োজন'

মুদ্ৰাৰ দেশত অৰ্হতাৰ স্থান যদিও শূন্য
আশাবাদী মই চাকৰি এটা পাম—
চক্ৰবৎ পৰিবৰ্তন্তে সুখানি শচ দুখানি শচ।
হালধীয়া খামত খম্‌খমীয়া এপইন্টমেণ্ট লেটাৰখন আহিব
দেউতাই পঢ়িব নোৱাৰি মোক দিব,
মানুহে নধৰা হ'ব আমাৰ পদূলি, মায়ে
ছেগ বুজি ডাকোৱালজনক একাপ ৰঙাচাহ দিব
গধূলিলৈ গোসাঁই ঘৰত বৰগীত এফাকি ঃ
অথিৰ ধন জন জীৱন যৌৱন...
বন্ধক খুলিবৰ বাবে আগধন
প্ৰথম মাহৰ দৰমহাৰেই যাচিম
ভাইটোৰ বাবে ফাৰ্মাচীৰ দামী দৰব
মাৰ চছ্মাযোৰ 'আই কেয়াৰ'তে সলামগৈ
ফুলনিখনত দুজোপামান বিদেশী ফুল
তৰা দেখা চালখনত কেইগাঠমান টিনপাত...

চাকৰি এটাৰ খুবেই প্ৰয়োজন
নিবনুৱা নহওঁ মই
(দুখন হাতৰ গৰাকী জানো নিবনুৱা হ'ব পাৰে?)
ভঙা হিয়াখন জোৰাই ৰাখিব বিচাৰোঁ!
আছেনে ক'ৰবাত মোৰ বাবে এটা চাকৰি...
আছেনে ক'ৰবাত... এটা চাকৰি? ■



# কুঁৱলী

**অনুপম মেধি**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)*

মৰ্মান্তিক!
আবেলিৰ নিৰ্জনতাৰ পৰশেৰে
সি গৈছিলগৈ।
বিদায়ৰ মৌন সন্মতিত
আন এজনা অহাৰ কথা আছে।
জানা?
তেওঁ আহিলে, ৰ'দে কথা কয়,
নিশ্চুপ গোলাপজোপাৰ লাজ হেৰায়,
সেমেকা নিয়ৰৰ উষ্ণ চুম্বনত
ওৰণি গুচাই বহা,
আবেগত কঁপা ওঁঠ দুখনিৰে
সিচঁৰতি হোৱা এমুঠি জোনাক।
অনুভৱৰ বঁকিয়াইদি তেওঁ নামি আহিছিল;
আৰু বাৰীৰ বিজন গলিটিৰে
তোমাক কথা এটা ক'ব লগা আছে, কুঁৱলী। ■

# যাত্ৰা

**পূৰ্ণিমা বৰুৱা**
*স্নাতক প্ৰথম বৰ্ষ, ৰসায়ন বিজ্ঞান বিভাগ*

ঘাটটোত আপোনাক লগ নোপোৱাহেঁতেন,
মই দিশহাৰা হৈ পৰিলোঁহেঁতেন।
নিৰুদ্দিষ্ট হোৱাৰ চিৰ-যন্ত্ৰণাই কোঙা কৰি পেলালেহেঁতেন মোক—
ভটিয়নী সোঁতৰ কোবাল গতিত...
... ... ...
সেই যে আগমনী—
এটি ভ্ৰূণৰ ৰূপত,
কালক্ৰমত একলা-দুকলাকৈ পৰিবৰ্ধন
আইৰ উমাল গৰ্ভত।
শৈশৱতে আইৰ মুখত শুনিছিলো— তৰালি আকাশৰ তলত,
প্ৰশান্ত নৈখনৰ ধীৰ গতিৰ কথা;
কৈশোৰৰ হেঙুলীয়া দিনবোৰত পিতায়ে দিক্‌দৰ্শন কৰিছিল—
মোৰ প্ৰশস্ত যাত্ৰাপথৰ।
ময়ো নাও মেলি দিলোঁ।
এটি আকলুৱা সপোন আছিলো মই—
পিতাই আৰু আইৰ বাবে।
অথচ সেই যে নাও মেলিলোঁ,
ঠিক তেতিয়াৰে পৰাই নৈখন পৰিবৰ্তিত হ'ল—
এক অচিনাকি দোমোজালৈ,
কিবা নোপোৱাৰ বোবা যন্ত্ৰণা...
... ... ...
মোৰ অজলা আই-বোপাইৰ বাবে যি অবোধ্য আছিল;
সেয়া আপুনি মোক বুজাইছিল,
অকলশৰীয়া ঘাটটোত।
বিশ্বায়ন আৰু মুদ্ৰাস্ফীতিৰ ধামখুমীয়াত—
নদীখন হৈ পৰিছিল,
খোৱা-কামোৰাৰ এক উত্তপ্ত ৰণাঙ্গন।
হেঁপেহুৱা বিশ্বাসী সপোন এটাক ঘূৰ্মুটিয়াই—
প্ৰতাৰিত হোৱাৰ আক্ষেপত,
পিতাইৰ হেনো বহুদিন হ'ল— চকুত টোপনি নহাৰ;
আইৰ সেন্দূৰীয়া দুগালত হেনো
চকুলোৰ প্লাৱন— বহুদিনৰ পৰা।
অথচ কোনো মূল্যৰ বিনিময়ত,
মই ক্ৰুছবিদ্ধ কৰিব খোজা নাছিলো;
সেই সাতোৰঙী সপোন— স্বপ্নৰ ঘাটটি।
আপোনাৰ যুক্তিয়ে মোক দিছিল,
মুক্তিৰ আস্বাদ—
বিষাদৰ কুঁৱলীৰে ধূসৰিত আকাশৰ তলত।
বহুদিনীয়া দোমোজাটো লঘু হোৱাৰ বিশ্বাসত, ...
একঘেয়ামিৰ পৰা পোৱা পৰিত্ৰাণৰ আনন্দত...
অত দূৰৰ ক্লান্তি কাটি কৰি—
মই পুনৰ নাও মেলিলোঁ—
স্বপ্নৰ ঘাটৰ সন্ধানত...
শান্তি, সমৃদ্ধি আৰু প্ৰাচুৰ্যৰ ভঁৰালৰ সন্ধানত...। ■



# সপোনৰ ছাই

**ধনদা শইকীয়া**
*স্নাতক তৃতীয় বৰ্ষ, ইতিহাস বিভাগ*

ক্ৰমশঃ
পাহে পাহে
কেনেকৈ ছানিলে
অপতৃণৰ সাদৃশ্যৰে
তোৰ বুকুৰ গভীৰতা
পিছে,
দুখৰ বেলিটো হেনো
নপৰে সুখৰ ছাঁত সদায়
সেয়ে,
কামনাৰ অগ্নিগড়
গৰ্ভত তাইৰ একেই
সোঁৱৰণি অভিশপ্ত
বিশ্বাসৰ চিতা
অচিন বতাহত
আকৌ উমি উমি জ্বলা
তাৰ পিছতো,
মূক-বধিৰ ইতিহাস দোহাৰি
কিয় সপোনৰ ছাই হৈ উৰা! ■

# সংগীন সময়

**আভা বৈশ্য**
*স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ*

বিধ্বস্ত সময়
ধূলিয়ৰি সপোন
আশাহত পখীজনীৰ
ভগা ডেউকাৰ ধপধপনি
কোবাল বতাহে উৰুৱাই নিব খোজে
বৰঘৰৰ খোপনি।
বগা পাৰযুৰিও থমকি থমকি
ৰৈ যাব খোজে।
সেউজীয়া সপোনবোৰ গচকি
বাঢ়ি আহে হালধীয়া সপোনবোৰ
কিন্তু হঠাৎ... শুনিছোঁ
অদূৰৰ পৰা ভাহি অহা
চিনাকি পখীৰ ধ্বনি
খিৰিকী মুখৰ লঠঙা গছজোপাতো
কোনোবাই সেউজীয়া আঁকি দিছে
নিঃশব্দে নীৰৱে বুকুৰ মাজেৰে
অনুভৱ কৰিছোঁ
শীতল নীৰেৰে বৈ অহা
কুলু কুলু ঝৰ্ণা।
এই ঝৰ্ণা বৈ আহক
প্ৰতিজনৰ বুকুৰ মাজেৰে... ■



# ক্ৰিছেন্থিমামৰ সুবাসত তুমি

**চুমি কলিতা**
*স্নাতক তৃতীয় বৰ্ষ, উদ্ভিদ বিজ্ঞান বিভাগ*

বহুদিনৰ মূৰত কলেজলৈ যোৱা বাটত
ঠিক তোমালোকৰ হোষ্টেলৰ চতিয়নাজোপাৰ তলত
আজি তোমাক দেখিলোঁ...

টোপনিহীন ৰাতিবোৰ কটাই অভ্যস্ত হোৱা
তোমাৰ চকুযুৰিত
দুলি আছিল কিছুমান সাগৰনীলা বিষাদ;
চিগাৰেটৰ ওঁঠত ওঁঠ লগাই
তুমি পান কৰি আছিলা দুখৰ স্বাদ।

মোৰ ওপৰত ইমান অভিমান তোমাৰ
বুজি নাপাওঁ মই
নুবুজোঁ মই... কিয়?
অভিমানৰ সৌধ ইমান ওখ!
ওখ নে আকাশতকৈ?
ওখ নে প্ৰেমতকৈও?

হেমন্তৰ নীৰৱ দিনৰ কবিতা পাঠ কৰি কৰি
ভাগৰি পৰিছোঁ মই।
সঁচাকৈ, তুমি আহিলে দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
বাজিব সংগীতৰ ন লয়
গভীৰ দুখতো মোৰ বুকুৰ উপত্যকাত
বৈ পৰিব জোনাকৰ নৈ।
সপোনক চুব পৰাকৈ তুমি যদি এবাৰ আহিলাহেঁতেন!

শুনা, পথাৰৰ সেউজীয়াবোৰে আজি গাইছে
তুমি উভতি অহাৰ গান;
ক্ৰিছেন্থিমামৰ সুবাসতো তোমাৰ ঘ্ৰাণ
মোৰ বুকুৰ গুলঞ্চজোপাৰ ন-কৈ ওলোৱা কলিবোৰৰ
তোমালৈ কি যে আকুল আহ্বান।
পাৰিবা তুমি কৰিব আওকাণ
মোৰ এই হৃদয়ৰ যুগান্তৰৰ তান?

বাউলি ফাগুনে আৰুনো কিমান কৰিব আমনি?
মোৰ বাটে বাটে ক্ৰিছেন্থিমাম ফুলৰ সুবাসে
ৰচিব আকৌ সুন্দৰৰ পাতনি। ■

# কৃচ্ছ্র

**হিমাশ্ৰী নাথ**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)*

নিশাৰ আঁচল উৰুৱাই ভাহি আহিছে
এটি কৰুণ বাঁহীৰ সুৰ।
অঞ্জনৰ নীলিম চকুপানীবোৰ
কৃষ্ণচূড়াৰ পাপৰিৰ মাজেৰে
সৰ্‌সৰ্‌কৈ সৰি পৰিছে।
চকুপানীবোৰত নাও বাই বাই
আগুৱাই আহিছে
এজাক অশান্ত ধুমুহা।
মোৰ হৃদয়ৰ পাতল হালধীয়া ঘাটত
ধুমুহাজাকে নাও চপাইছে।
হৃদয়ৰ কেন্‌ভাছত সংগোপনে সাঁচি ৰখা ছবিখন
ধুমুহাজাকে উৰুৱাই নিছে অনন্ত উপত্যকালৈ।
ৰিক্ত হৃদয়খন লৈ মই উচুপি উঠিছোঁ।
আঁহতজোপাত'পৰি কুৰুলিয়াই থকা ফেঁচাটোৱে
মোক সান্ত্বনা দিবলৈ চেষ্টা কৰিছে।
দাউ-দাউকৈ জ্বলি থকা চিতাৰ বতাহ
ইউকেলিপ্‌টাছৰ দৰে ওখ ৰিং একোটা হৈ
জোনটোৰ ওচৰলৈ উৰি গৈছে।
জোনটোৰ পৰা বৈ আহিছে এসোঁতা তেজ
তেজৰ টোপালবোৰত তিতি তিতি
জীৱনৰ অলিয়ে-গলিয়ে বিচাৰি ফুৰিছোঁ
সেই হেৰোৱা ছবিখন।
কিন্তু... মই ছবিখন বিচাৰি পোৱা নাই।
নিয়তিৰ কিৰীলিয়ে, মোৰ তেজৰ তৃণত এৰি দিছে
কেইটিমান বিষাক্ত বেজী।
মোৰ হৃদয় ফালি নামি আহিছে
যন্ত্ৰণাকাতৰ আৰ্তনাদৰ, এজাক এণ্ডাৰৰঙী বৰষুণ
মোৰ হৃদয়ত সৃষ্টি হৈছে এখন উকা কেন্‌ভাছ
এখন ধূসৰ আৰু অস্পষ্ট কেন্‌ভাছ
ঠিক চিতাৰ বতাহৰ দৰে.... ■



# এবুকু সেউজীয়া সপোন

**মীনাক্ষী ভট্টাচাৰ্য**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (বিজ্ঞান)*

ঘন সেউজ বুকুত এজাক পুৱতি চৰাইৰ
কিচিৰ-মিচিৰে বাগৰ সলায়
চৰাইজাকে খুঁটি-খুঁটি খায়
মোৰ সপোনৰ কলিজা

বাসন্তী সন্ধ্যা নিশাজনী গাভৰু হোৱাৰ পৰত
এজাক ৰূপোৱালী বৰষুণে খহাই পেলায়
ঘন সেউজ বুকুৰ পাৰ
অদূৰত জোনবাইজনীয়েও চকু টিপিয়ায়

কিন্তু মনৰ এই এজাৰফুলীয়া বতৰতো
তুমি হৈছা গহীন বনৰ ফুল।
গহীন বনৰ ফুলপাহি এবাৰলৈ হালি-জালি দিয়াচোন
মোৰ যে তোমাক ভোমোৰা হৈ চুমিবলৈ বৰ হেঁপাহ। ■

# অনুভৱৰ একলম

**অৰুণিমা মেধি**
*স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ*

কুঁৱলী, মোৰ সপোনৰ
অন্য এক নাম,
যি হিমচেঁচা বতাহজাকৰ হেঁপাহৰ আৱৰণ!
সাগৰ, মোৰ সপোনৰ
অন্য এক পৃথিৱী
যিয়ে গ্ৰাস কৰে অন্তৰৰ নীলাভ সেউজীয়া!
জোনাক, মোৰ সপোনৰ
নতুন পৰশৰ গুঞ্জন
যি হৃদয়ত আঁকে মোৰ নতুন আকাশ!
এইদৰেই আপোন মোৰ সন্ধ্যা,
এইদৰেই আপোন মোৰ নিশা!

এইদৰেই সোণসেৰীয়া সপোনবোৰ
দিঠক হোৱালে
এক নিজৰামৱী অপেক্ষাৰ আলোড়ন বুকুত...
এয়াইতো মোৰ
সাগৰ জোনাক,
এয়াইতো মোৰ
কুঁৱলী সন্ধ্যা...
এয়াইতো মোৰ নতুন পৃথিৱীখনৰ নতুন আকাশ...
সীমাহীন স্তব্ধতাৰ অসীম মৰীচিকা ■



# দুৰ্বোধ্য চেতনা

**ফ্ৰেংকী বড়ো**
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)*

অমীমাংগিত ভাবনা
অনিয়ন্ত্ৰিত মন
বৈ বৈ ভাহি আহে
ৰিণিকি ৰিণিকি সুৰ
থমকি ৰয়
উচ্ছৃংখল সুহুৰিবোৰ।

ক'ত হেৰুৱাইছিলো মই সেই সপোন
এন্ধাৰৰ প্ৰাচীৰ অতিক্ৰমি
গৈয়েইতো আছিলো
আলোকৰ সন্ধানত...।

সপোনবোৰ সোঁৱৰণী হয়
খিচিৰ-মিচিৰ ভাববোৰ
কুণ্ডলী পকাই উৰি যায়
দুহাতেৰে খামুচি ধৰোঁ
বাস্তৱৰ কঠিন প্ৰত্যাহ্বান।

কুঁৱলীৰ শুকুলা চাদৰ ধূসৰ হয়
সাগৰৰ নীলাখিনিত
জলমল কৰি থাকে সূৰ্যটোৱে
নিজক নেদেখাকৈয়ে
সাগৰ বৈ নাযায়
খুন্দিয়াই থাকে খুন্দিয়াই থাকে
ইতিহাস হৈ ৰোৱা অৰ্ধচেতন শিলবোৰক

মোৰ ভাববোৰো একেদৰেই
আগুৱাই গৈও
ঘূৰি ঘূৰি আহে কুণ্ডলী পকাই পকাই
যেন কাৰখানাৰ চিমনীৰ ধূসৰতা
মোৰ খেয়ালী মনৰ
দুৰ্বোধ্য চেতনা...। ■

# সুখৰ সংজ্ঞা

**মৌতুচি তামুলী**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (কলা)*

আপোনাৰ বিচাৰত
সুখী মানুহৰ সংজ্ঞাটো কেনে হ'ব বাৰু!

যি জীৱনত দুখ পোৱা নাই
যি কেতিয়াও বিদায়ৰ সন্মুখীন হোৱা নাই
যাক বিচ্ছেদৰ দুখে এবাৰো
জীৱনৰ প্ৰতি বিতৃষ্ণা জগোৱা নাই
হয়তো... আপুনি সুখী মানুহ তেওঁকেই বুলিব
কিন্তু জীৱনত যি দুখ পোৱা নাই
তেওঁৰ বাবে দুখ মাথোঁ এক অলীক কল্পনাহে
যিজনে কাহানিও বিদায়ৰ সন্মুখীন হোৱা নাই
তেওঁৰ বাবে বিদায় মাথোঁ এক আভিধানিক অনুভূতিহে
যাৰ নাথাকে কোনো ৰোমন্থনৰ নষ্টালজিয়া
আৰু... যাক বিচ্ছেদৰ দুখে এবাৰো
জীৱনৰ প্ৰতি বিতৃষ্ণা জগোৱা নাই
তেওঁৰ বাবে প্ৰেম মাথোঁ দৈহিক সম্পৰ্ক
আৰু মনৰ লালসা পূৰণৰ অভিপ্ৰায়হে মাথোন।

অ' পাহৰিছিলোৱেই...

আপোনাৰ সুখী মানুহৰ ধাৰণাটোৰ প্ৰতি যদি বিশ্বাস আছে
তেন্তে সেই বিশ্বাসক অবিশ্বাসলৈ ৰূপান্তৰ কৰক,
কাৰণ আপোনাৰ কাৰণে সুখৰ সামঞ্জস্যত থকা
প্ৰতিটো শব্দ একো একোটা আভিধানিক
... শব্দহে মাথোন! ■





# আমন্ত্ৰণ

**লভিতা দত্ত**
*স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ*

কোনে মাতে ৰিঙিয়ায়?
দূৰৈৰ শিলৰ পাহাৰ... ৰঙা মাটি...
আৰু ভৈৰৱীৰ কোবাল সোঁতৰ মাজত
ৰিং মাৰি জাহ যায়
আকুলতাৰ শাব্দিক ৰূপ
নীৰৱে... নিৰৱধিৰ দিশে...

দুৰ্বাৰ স্পৃহাৰে খপজপকৈ ফালোঁ খাকী ৰঙৰ খাম
...শূন্য!
কোনে আহি কাণে কাণে কৈ যায়—
'ভালকৈ চা, এখন হৃদয় আছে ওপঙি...
বান আহিলে কাষত আৰু নাপাবি,
তাৰ আগেয়েই...'

নিৰ্বাক হৈ থকাটো ক্ৰমশঃ দুঃসহ হৈ পৰিছে;
সেয়েহে ভাবিছোঁ...
বতাহৰ আঁচলত ধৰি হঠাতে ওলামগৈ এদিন
তোৰ হৃদয়ৰ শূন্য ঘাটত...
চিৰিলা-চিৰিল কৰিম অতদিনৰ বিষাদগাথা...
ৰ'দ পুৱাম শিলৰ পাহাৰত বহি...
বকুল বিচাৰি বিচাৰি পাৰ কৰিম বলুকাত
এক আশৈশৱৰ বিয়লি...
ৰঙামাটিৰ অলি-গলি ফালি
বিচাৰি উলিয়াম ভালপোৱাৰ নিগাজি কুঠৰী...
আৰু যাচিম...
হৃদয়ক কোনোদিনে বানত জাহ যাবলৈ নিদিয়াৰ
এসাগৰ নিৰ্ভেজাল প্ৰতিশ্ৰুতি। ■

# ডেউকা ভগা সপোন... জীৱনৰ

**চন্দামিতা গোস্বামী**
*স্নাতক দ্বিতীয় বৰ্ষ, নৃতত্ত্ব বিভাগ*

তোমাৰ বুকুৰ গভীৰতাত
শুই থকা এটি
চৰাই পোৱালি মই।
তোমাৰ উশাহত
ডেউকা মেলি উৰি যাওঁ
নিশাহত উভতি আহি
বাহ সাজোঁ
তোমাৰ দুচকুত;
এনেকৈয়ে বুকুৰ পৰা
চকুলৈ এটি যাত্ৰা
শেষ নোহোৱা।

চকু মুদিলেই
তোমাৰ বুকুৰ এধানমানি
কোণটিত শুই পৰোঁ মই।

তুমি চুলেই
উৰি যাওঁ দিগন্তলৈ
প্ৰভাতী পখী হৈ
উভতি আহি আকৌ জিৰাওঁ
তোমাৰ মৰমৰ সজাত।

অকলশৰীয়াকৈ থাকোঁ মই
কোনো নাহে মোৰ কাষলৈ
কাৰণ মই তোমাৰ
প্ৰেমত বন্দী চৰাই।

নিশা নামিলেই
ডেউকা জপাই শুই পৰোঁ
তোমাৰ হৃদয়ৰ গভীৰ অৰণ্যত
দেখোঁ ডেউকা ভগা সপোন
জীৱনৰ...। ■



# আমি দুয়ো পৃথিৱী সজাম

**তাপসজিৎ শইকীয়া**
*স্নাতক তৃতীয় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ*

এক নীলাভ প্ৰতিশ্ৰুতিৰ অপেক্ষাত
কল্পনাত ছটিয়ালোঁ ৰংবোৰ
আৰু তাতেই বিজৃম্ভিত হ'ল
সপোনবোৰ বাস্তৱৰ সীমনালৈ,
অনুভৱী সত্তাৰ নতুনত্ব আৰু
মানৱতাৰ সহস্ৰাধিক প্ৰসূন।

ৰহস্যময় কেন্‌ভাছত তুলিকাৰে বোলালোঁ
নীৰৱতাবোৰ, ধ্বংসযজ্ঞৰ প্ৰতিচ্ছবি,
জীৱশ্ৰেষ্ঠৰ বৰ্বৰতা আৰু
সোণালী ভৱিষ্যতৰ নিৰ্মম পৰিণতি।

আজি সমাজত সৃষ্টি হৈছে গৌৰৱৰ
আনক নিৰ্মূল কৰা বীৰত্বৰ।
দুৰ্গ খহিছে বিশ্বাসৰ, আন্তৰিকতাৰ আৰু
অভিধানতে বন্দী হৈ আছে কিছুমান শব্দৰ।

অস্তিত্ববোৰ স্বাৰ্থপৰ হৈ পৰিছে
তাৰ বাবেই সূত্ৰপাত এক কালধুমুহাৰ,
এখন সুন্দৰ সমাজৰ গৰাখহনীয়া আৰু
এটা জাতি, এটা সংস্কৃতিৰ ধ্বংসমুখী যাত্ৰা।
প্ৰত্যাহ্বান ল'বলে' সকলো অপাৰগ।
কিন্তু, আমিতো পাৰিম
তুমি আৰু মই।
সাতোৰঙী পখিলাৰ চৌপাশত
সুগন্ধি ফুলৰ নিবিড় সুবাসত
আমি দুয়ো নীৰৱে সাজিম
এখন বিশ্বাসৰ পৃথিৱী— প্ৰকৃতিৰ বাবে। ■

# ভালপোৱা

**সুশান্ত পেগু**
*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক, বুৰঞ্জী বিভাগ*

অচিনা-অজানা
ঐনিতমৰ মতলীয়া সুৰ এটাই
কুৰুকি কুৰুকি সোমাই আহি
কেঁচা কলিজাতে বিন্ধিলেহি

তোক পাবৰ দিন ধৰি
বালিমাহী চৰাইবোৰে
ঘৰ সজাইছে আঘোণৰ পথাৰখনিতে

অচ্চুৰ অ' তই নচপাবি
চেনেহৰ ধাননি পথাৰ
মৰমৰ পোহাৰ মেলি
কোনজন সপোন কোঁৱৰলৈ
তোৰ এই আকুল প্ৰতীক্ষা

সোণসেৰীয়া থোকৰ পৰা
বালিমাহী চৰাই হৈ
কুটি কুটি খাই পেলাম
তোৰ গাভৰু যৌৱন
তোৰেই অমনোযোগিতাৰ চল লৈ
তই গমকে নাপাবি

তোক বাউলি কৰিবলৈ
বাঁহীত বুলাম ৰাগবিহীন কাবান

লৰি আহিবি তই
জোঁট্-পোট্ লাগি

কণমানি মোৰ চাংঘৰলৈ

তুলি ধৰিম তোক আৰু
দুই মূৰে চাৰিথ'ৰীয়া কৰি
বিৰিয়াত লৈ যাম ঘৰলৈ

আয়ে লেপি থোৱা
ভঁৰালৰ গাধৈলৈ নহয়
চোতালতে পেলাই
দুভৰিৰে মোহাৰি
ৰ'দাই ঢেঁকীত খুন্দিম
আৰু গোটে গোটে গিলি থ'ম
পোনে গৈ চুই চাবি
ব্যাকুল কলিজা মোৰ
তই বৰ অবুজন হৈছ' অ' অচ্চুৰ... ■



# অনুসন্ধান

**উৰ্ব্বা শৰ্মা**
*স্নাতকোত্তৰ প্ৰথম ষাণ্মাষিক, অসমীয়া বিভাগ*

জীৱন প্ৰান্তত মোৰ বিফলতাৰ বুৰবুৰণি
তুমি আহিবা তাকে চাবলৈ
হেঁপাহৰ বাটেৰে...
ৰৌদ্ৰস্নাত বৰফৰ দৰে গলি গলি যোৱা
মোৰ আশা-আকাংক্ষা
তোমাৰ বাবে এটি ৰসাল হাঁহিৰ থুনুপাক
এনেকৈয়ে তুমি জীয়াই থাকিবা
জোন-বেলি আৰু তৰাৰ স'তে
গছ-লতা, নদী-নিজৰা, পাহাৰ
তোমাৰ আশাৰ পৃথিৱী
এডাল ভৰসাহীন ৰছিত
দুলি আছে
জীৱনক জীৱন দিয়া মোৰ পৃথিৱী
কাঁইটীয়া, লুংলুঙীয়া সৰ্পিল বাটেৰে
তোমাৰ যাত্ৰা...
জীৱন মুকুতাৰ এটি টোপাল বিচাৰি
ময়ো বিচাৰি পাইছিলো
মাথোঁ অপূৰ্ণতা...। ■



# বিষয় মূলতঃ নাৰী

**উৎপল ভূঞা**
*প্ৰথম ষাণ্মাসিক, গণসংযোগ আৰু সাংবাদিকতা বিভাগ*

পুৰুষশাসিত এই সমাজত
তুমি কেৱল উপভোগ্য
যুগে যুগে
তোমাক 'অগ্নিপৰীক্ষা' কৰা হ'ল,
দিয়া হ'ল পঞ্চপতিৰ বিড়ম্বনা।
বিনাদোষে অহল্যা; তোমাক
শিল কৰি দিয়া হ'ল
প্ৰেমবিৰহী ৰাধাক
কৰা হ'ল প্ৰৱঞ্চনা।
ফুলমণি;
গৌৰীনাথৰ বুকুৰ 'ফুলমণি'
তোমাৰ ৰূপৰ বাবেই
তোমাৰ সপোন ভাঙি
ফুলেশ্বৰী বৰৰজা পতা হ'ল।
আৰু বা কত আছে তোমাৰ
অলিখিত কাহিনী।
কিন্তু
তোমাক উপহাস কৰা নিলাজ পুৰুষ
আজিও বন্দিত।
হে দেৱী
তুমিয়ে জানো নোহোৱা
জগততাৰিণী; মহিষমৰ্দিনী
তেন্তে,
অপেক্ষা কিহৰ
লোৱা প্ৰতিশোধ তুমি
এই উপেক্ষাৰ।
যুগ যুগৰ।। ■

# অনুভৱ

**বুদ্ধদেৱ মহন্ত**
*মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ*

নিঃসঙ্গতা মোৰ লগৰী,
নিৰ্জনতা!
কেৱল চাৰিওফালে নিৰ্জনতা।
মই অকলে কথা পাতোঁ,
ভঙাগড়ৰ দলঙৰ পৰা
উৰি অহা শব্দবোৰে
মোৰ নিঃসঙ্গতাক
অকণমান আশ্বাস দিয়ে,
সত্যবোৰ লুকাই
থাকে আন্ধাৰ গলিত!
সত্য তাই
ওৰণিখন দাঙি
মোৰ আগত যেতিয়া
দুৰ্বলতাবোৰ দাঙি ধৰে
তেতিয়া ময়ে নাঙঠ;
অতীত সুঁৱৰি বিমোৰ!
বিষণ্ণতাই আগুৰি ধৰা
কাতিৰ কুঁৱলী পৰা
আকাশৰ তলত
মোৰ দ্বন্দ্ব
সেয়াই সত্য—
মই অনুভৱ কৰোঁ অন্তৰত! ■



# কটন কলেজৰ ছাত্ৰাৱাসৰ আৱাসীলৈ এখন মুকলি চিঠি

**ভগৱান গোস্বামী**

*বাছনি মানৰ প্ৰবক্তা. ইতিহাস বিভাগ*

মৰমৰ

(১)

দূৰণিৰ ৰং দেখিছা ?
পুৰীৰ সাগৰৰ পাৰ অথবা লুইতৰ দক্ষিণৰ পাৰ
ঠিয় হ'লে দেখিবা
কেতিয়াবা নীলা তেতিয়াবা উত্তৰৰ পাহাৰৰ ঘন সেইজীয়া
আৰু কেতিয়াবা প্ৰভাতৰ সূৰুযৰ সোণোৱালী আভা।

যি ৰঙে পখালে তোমাৰ চৰণ
যি ৰঙে পখালে তোমাৰ নয়ন
যি ৰঙে পখালে তোমাৰ স্বপ্নময় মন
সেই ৰঙেৰেই বোলাই দিয়া তোমাৰ তুলিকা।

তুমি যি বিচৰা
হিমালয়ৰ উত্তুংগ টিং অথবা দিগন্ত
অথবা অন্তৰীক্ষ
তাতে ৰাখা তোমাৰ উদ্দীপ্ত চকু
তোমাৰ তুলিকাৰ বোলে
পাৰ কৰি দিব অপাৰ সাগৰ অথবা কাঞ্চনজংঘা।



তুমি নিজান পাহাৰৰ নিজৰাৰ ছন্দময় গান
অথবা শিলাময় পৰ্বতৰ পানীৰ প্ৰপাত
যাৰ শব্দত স্তব্ধ হয় মহা-অৰণ্যৰ সিংহৰ গৰ্জন।

(২)

দোকমোকালিতে হাললৈ গৈ আহি
পাঠশালাত পাঠ দিয়ে পিতাই
অকণিহঁতৰ হাঁহি
সিহঁতৰ 'পণ্ডিতে' পিন্ধিছেনে আজি কাণত বোকাৰ কাণফুলি।
আয়ে, বায়ে তেতিয়া ওলায় ভুঁই ৰুব বুলি
বাৰ নখতো বোকাৰ পলিচ, পানীয়ে শেতা কৰা কলাফুল
ভাদৰ ৰ'দত পুৰি যায় গাভৰু দেহা।
আবেলি আয়ে তোমালৈ বিছনা-চাদৰৰ তাঁত বাটি কাঢ়ে
বায়ে টিউচন কৰি মেছ ডিউজৰ হিচাপ কৰে।

তোমাৰ পিতাই, আই, বাইদেউ আৰু সৰুভনীজনী
তোমালৈ চায়
তৰাভৰা আকাশ ৰ লাগি চায়
ভাবে তুমিয়েই ডাঙৰ তৰাটি।

(৩)

সেইবাবেইটো কৈছোঁ সখি প্ৰিয়তম বন্ধু মোৰ
তুমিওতো জানা পৰিভ্ৰমী পখী কি
সুদূৰ ছাইবেৰিয়াৰ পৰা যদিওবা উৰি আহে
ঘূৰি যায় স্বদেশ, পৰিপুষ্ট হৈ
কণ কণ পোৱালিৰ পথভ্ৰম হ'ব বুলি সন্মুখত লৈ।
এটিও নিছিগে পাখি।

তুমিও পৰিপুষ্ট হোৱা
তুমিয়েই পখালি দিয়া সৰুভনীজনীৰ দুচকুৰ মণি দূৰণিৰ ৰঙেৰে
আই আই বুলি তুমি উৰি যোৱা, পাখি নিছিঙিবা
ঠিক পৰিভ্ৰমী পখীটিৰ দৰে।

তুমি ঠৰ লাগিলেই ভাবিবা অকল থৰ অথবা ছাহাৰা
কিন্তু তুমি যদি উৰি থাকা দূৰণিৰ ৰং দেখি খেদি
দেখিবা তোমালৈ ৰৈ আছে দুপাৰ নমনা আহিনৰ উপত্যকা। ■

# কথাশিল্প




- গণেশগুৰি বজাৰৰ এটুকুৰা হীৰা
  **যমুনা শৰ্মা চৌধুৰী**/৫৭
- চানাবাপা এ ভাল কৰি নাচন দিবি
  **সঞ্জীৱ পল ডেকা**/৬০
- ৰং
  **শিল্পীশিখা দত্ত**/৬৬
- কাঁচিয়লিৰ তিনিটা সত্য
  **কুমাৰী উন্মেষা কোঁৱৰ**/৬৯
- নিঃসংগ ছাঁ
  **মনীষা বৈশ্য**/৭১
- এইজনী দেখোন মাধৱী
  **অনন্ত গগৈ**/৭৩

# গণেশগুৰি বজাৰৰ এটুকুৰা হীৰা

**যমুনা শৰ্মা চৌধুৰী**
*মুখ্য অধ্যাপিকা, অসমীয়া বিভাগ*



**জী**ৱন কি বুলি সুধিলে তৎক্ষণাতে এটা উত্তৰ দিব নোৱাৰি। সূত্ৰ হিচাপে নকৈ ইয়াৰ এটা যথোচিত ব্যাখ্যা অৱশ্যে দিব পৰা যায়। একেবাৰে শুদ্ধ উত্তৰ নহ'লেও জীৱনৰ আশে-পাশে ভ্ৰমি ফুৰিব পাৰি। জীৱন এটা অভিজ্ঞতা— সমস্যাৰ, সংগ্ৰামৰ, উদ্দেশ্যৰ, গতিপথৰ, নদীৰ সোঁতৰ দৰে ই চিৰ প্ৰৱাহমান। কিন্তু এই সংজ্ঞাক সম্পূৰ্ণ ভুল বুলি প্ৰতিপন্ন কৰি সেইদিনা জীৱন ৰৈ গৈছিল। স্থবিৰ হৈ পৰিছিল ইয়াৰ গতি। স্তব্ধ হৈ পৰিছিল সমস্যাৰ মাজতো জীয়াই থকা মানুহৰ অফুৰন্ত শক্তি। বহুতো নোপোৱাৰ মাজতো কিবা এটা পোৱাৰ অপেক্ষাত ভাগৰি নপৰা অনিৰুদ্ধ মন। ফুল, তৰা আৰু গানৰ সুৰেৰে ওপচাই দিব বিচৰা যৌৱনৰ ছন্দ। স্তব্ধ হৈ পৰিছিল জীৱনৰ সেই উচ্ছলতা, প্ৰাণৰ সেউজীয়া ৰং।

ত্ৰিছ অক্টোবৰ।

ঘড়ীত তেতিয়া দিনৰ এঘাৰ বাজিছিল।

**দৃশ্য নং ১ ঃ** চহৰৰ সদাব্যস্ত এখন বজাৰ। বেচা-কিনাৰ চিৰপৰিচিত দৃশ্য। শাক-পাচলি, তামোল-পাণ, ফলমূলৰ দোকানত গ্ৰাহকৰ ভিৰ। বেপাৰীসকল ব্যস্ত জোখ-মাপত। গ্ৰাহক ব্যস্ত দৰ-দামত। বন্ধৰ দিন নহ'লেও মানুহৰ প্ৰয়োজনৰ অন্ত নপৰে। প্ৰয়োজনীয় বস্তু লৈ কিছুমানে ঘৰলৈ উভতিছে। কিছুমানে সেই পথেৰেই নিজ নিজ লক্ষ্যস্থানলৈ আগবাঢ়িছে। কিছুমানে চিনাকি বেপাৰীৰ লগত কথা-বতৰা পতাত ব্যস্ত হৈ পৰিছিল। বজাৰৰ ওচৰতে থকা অটোষ্টেণ্ডত নগেন, হৰিশ, মৃগেন, ৰঘুহঁত যাত্ৰীৰ বাবে অপেক্ষাৰত। তাৰ মাজতে চলে ভাবৰ আদান-প্ৰদান। নিজৰ নিজৰ সমস্যাৰ কথা। শাক-ভাতৰ পৰা পেট্ৰ'লৰ দাম বৃদ্ধিৰ কথালৈ। সীমিত উপাৰ্জনেৰে পৰিয়ালৰ ভৰণ-পোষণ নচলে বাবে যোগেন কাইটিয়ে পুৱাৰ ভাগত পৌৰ নিগমৰ জাবৰ নিষ্কাশন কৰা ঠেলা চলায়। স্কুলৰ ফীজ দিব নোৱৰাৰ বাবে ৰঘুৰ ল'ৰা-ছোৱালীহঁতে এইবাৰ বছৰেকীয়া পৰীক্ষা দিব নোৱাৰিলে। সেয়েহে আজিকালি সি দূৰ ঠাইলৈ যোৱা যাত্ৰীৰ ভাৰা মাৰে। নাই, এই লৈ সিহঁতৰ মাজত কোনো কাজিয়া-পেচাল সৃষ্টি হোৱা নাই। সিহঁতৰ মাজত বুজা-পৰা আছে। ঘৰৰ ফালে যোৱা যাত্ৰী পালে কলিতাই দুপৰীয়া ঘৰত ভাত খাই আহিব। নহ'লে মাধৱৰ হোটেলৰ পুৰী-তৰকাৰি খাই দিনটো পাৰ কৰি দিব।

পূৰ্বনিৰ্ধাৰিত দৈনিক কাৰ্যক্ৰমণিকাৰ এখন নিৰ্ভুল তালিকা। ঘড়ীৰ কাঁটাৰ দৰে সকলো কাম তাত নিয়ম মতে চলে।

সেইদিনাও চলিছিল। কোনো ব্যতিক্ৰম নোহোৱাকৈ।

হঠাৎ কাণ তাল মৰা, পৃথিৱী কঁপি উঠা এটা ভয়ানক শব্দ। কঁপি উঠিল বজাৰ থলী। কঁপি উঠিল দোকান-পোহাৰ, অটো ষ্টেণ্ড...। চাৰিওফালে মানুহৰ হুৱাদুৱা। মুহূৰ্ততে জুই আৰু ধোঁৱাই আগুৰি ধৰিলে সমস্ত ঠাই। যান-বাহনৰ টুকুৰা অংশৰ লগতে ছিটিকি পৰিল মানৱ দেহৰ বিভিন্ন অংগ-প্ৰত্যংগ। মানুহৰ যন্ত্ৰণাকাতৰ ভয়ভীত চিঞৰ, কান্দোনে ঠাইডোখৰ মুহূৰ্ততে কৰি পেলালে নাৰকীয় হত্যালীলাৰ সমৰাংগন।

ক'লা ডাঠ ধোঁৱাবোৰ আকাশৰ বহু ওপৰলৈ উঠি গৈছিল। ওপৰলৈ আৰু ওপৰলৈ। গছপাতৰ ফাকেৰে, ওখ বিল্ডিংবোৰৰ আঁৰেৰে। শৰতৰ নিৰ্মল আকাশত কোনোবাই যেন খং আৰু

ক্ষোভত ক'লা ৰং এসোপা ছটিয়াই দিছিল। সেই ধোঁৱাৰ লগত চাৰিওফালে বিয়পি পৰিছিল মানৱ দেহৰ গলিত অংশৰ পোৰা গোন্ধ!

সকলোবোৰ স্তব্ধ হৈ পৰিছিল।

ব্যস্ত জনজীৱন। মানুহৰ প্ৰাণশক্তি।

সকলোবোৰ নীৰৱ-নিথৰ হৈ পৰিল।

সৰৱ হ'ল প্ৰচাৰ মাধ্যম। কিছু পলমকৈ হ'লেও টিলিঙা বজাই পানীৰ গাড়ীবোৰ আহিল। দূৰদৰ্শনত প্ৰচাৰ হ'ল ঘটনাৰ জীৱন্ত দৃশ্য। বাতৰিকাকতে সেই ভয়ানক ধ্বংসলীলাৰ চাক্ষুস বৰ্ণনা ছবিসহ প্ৰকাশ কৰিলে। গুৱাহাটীৰ কেইবাঠাইতে ছিৰিয়েল বোমা বিস্ফোৰণ! ইয়াৰ আঁৰত আছে...। বহুত নাম। কিছুমান শুনা কিছুমান নুশুনা। নাম যিয়েই নহওক, হত্যা হত্যাই। ধ্বংস ধ্বংসই। বহুতৰে মনত প্ৰশ্ন! কিন্তু কিয়? কিহৰ বাবে এই ধ্বংস, এই হত্যা? মানুহৰ মনৰ পৰা দয়া, মমতা আদি মানৱতাবোধৰ ভাবানুভূতিবোৰ নিঃশেষ হৈ গ'ল নেকি? নদ-নদীৰে ভৰা এইখন দেশত হঠাৎ চাহাৰা মৰুভূমিৰ আৱিৰ্ভাৱ হ'ল নেকি? ভগৱান, গড, আল্লাৰ নাম বেলেগ বেলেগ। কিন্তু শক্তি একেটাই। যি শক্তিয়ে এই বিশ্বজগত সৃষ্টি কৰিছে। সকলো ঈশ্বৰৰ সন্তান। সৃষ্টিকৰ্তাৰহে ধ্বংস কৰাৰ অধিকাৰ আছে। বিশ্ববিধাতাৰ শক্তি লৈ এইসকলে কাৰ নিৰ্দেশত চলালে এই ভয়ংকৰ ধ্বংসলীলা? ধৰ্ম, শিক্ষা, সংস্কাৰে প্ৰকৃততে আমাক বাৰু কি শিকালে? দুটামান টকাৰ লোভত একেলগে থাকি ডাঙৰ-দীঘল হোৱা ভাই-বন্ধুক হত্যা কৰাৰ সময়ত সিহঁতৰ বুকু, হাত এবাৰো কঁপি উঠা নাছিলনে? 'মোগেম্বো খুচ হুৱা' বুলি আনন্দত ৰাক্ষসৰ দৰে হঁহা সেইসকলৰ অন্তৰত কোনোবা মৰমী নামৰ সৰু ছোৱালী এজনীৰ মৃত্যু যন্ত্ৰণাই এবাৰৰ বাবে হ'লেও তোলপাৰ সৃষ্টি কৰা নাছিলনে? পিতৃ-মাতৃ সকলোকে হেৰুৱাই অনাথ হৈ পৰা ল'ৰা-ছোৱালীবোৰৰ অবুজন মুখৰ অবুজন ভাষাবোৰ সিহঁতে বাৰু এবাৰো বুজিবলৈ চেষ্টা নকৰিলেনে? সদ্যবিধৱা নাৰী, সন্তানহাৰা হোৱা বৃদ্ধ পিতৃ-মাতৃৰ হিয়াভগা কান্দোনে সিহঁতৰ মন সিক্ত কৰিব নোৱাৰিলে নেকি? নাই নাই। সিহঁতক একোৱেই টলাব নোৱাৰে। সিহঁত স্বাৰ্থপৰ। নিষ্ঠুৰ। ৰাক্ষস। মানুহখোৱা ৰাক্ষস! হাত-ভৰি, চকু-মুখ থাকিলেই মানুহ হোৱাৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰে!

**দৃশ্য নং ২ঃ** হাস্পতাল, নাৰ্চিং হোমবোৰ ভৰি পৰিছিল বোমা বিস্ফোৰণত আঘাত পোৱা মানুহেৰে। নিজৰ আত্মীয়-স্বজনক বিচাৰি অহা, সন্ধান পোৱাসকলৰ খবৰ ল'বলৈ অহা মানুহৰ ভিৰত হাস্পতালৰ বাৰাণ্ডাত ভৰি থ'ব নোৱৰা অৱস্থা। ডাক্তৰ, নাৰ্চসকলে অকণো পলম নকৰি ৰোগীৰ পৰিচৰ্যাত লাগি পৰিছিল। ৰোগীক তেজ দিবলৈ অহা মানুহৰ শাৰী ক্ৰমান্বয়ে দীঘল হৈ গৈছিল— কোনো কাৰো নহয় আপোন, অথচ সেৱাৰ মনোভাবে এইসকল লোকক আপ্লুত কৰিছিল। যিমানেই বিলাই দিবা সিমানেই মহান হ'বা। তাৰেই নাম সঁচা উদাৰতা। ক'ৰবাৰ পৰা গীত এটি ভাহি আহিছিল। মহানতাৰ দোহাই দি বাজি থকা গীতটি বতাহৰ লগত, ধূলি-বালিৰ লগত, গাড়ী-মটৰৰ শব্দৰ লগত, চিপাহী-চন্তৰীৰ জোতাৰ শব্দৰ লগত বিলীন হৈ গ'ল। হাস্পতালত ৰথী-মহাৰথীসকলৰ আগমনক লৈ এচাম মানুহৰ খদমদম। কেমেৰাৰ লাইট আৰু শব্দৰ তৰংগত দুৰ্গতসকলৰ আত্ৰানি এটা সময়ত নুশুনা হৈ আহিল। যাওক। কোনো কথা নাই। মানুহে মানুহক চিনি পাবলৈ লাহে লাহে শিকিছে। উদাৰতা বা মহানতাৰ গান গাবলৈ সেইসকলে বিপদৰ সময়ত আহতসকলক সহায় কৰিবলৈ আগবাঢ়ি অহা নাছিল। নামে কি কৰে, গুণেহে সংসাৰ তৰে। কেমেৰা, মাইকৰ সন্মুখত ৰাজনৈতিক নেতাসকলে উচ্চস্বৰে সগৌৰৱে ঘোষণা কৰিলে— দুৰ্ঘটনাত আঘাত পোৱা আৰু নিহতসকলৰ আত্মীয়-স্বজনক চৰকাৰীভাৱে সাহায্য প্ৰদান কৰা হ'ব। তেওঁলোকৰ চিকিৎসা, ঔষধ-পাতিৰ সমস্ত খৰচ চৰকাৰে দিব। এনে বিপদৰ মাজতো মানুহৰ মুখত হাঁহি বিৰিঙে! 'আজব দেশৰ আজব তামাচা', 'খেল খতম পয়চা হজম' আৰু কেইটামান বচৰলৈ জনতাৰ ওচৰত নিজকে সুৰক্ষিত কৰি গাড়ী-মটৰ, চিপাহী-চন্তৰীৰ বেষ্টনীৰ মাজেৰে অহা আহিল, যোৱা গ'ল। দুই-তিনি লাখ টকাৰে যদি মৃত মানুহৰ জীৱন ঘূৰাই আনিব পাৰিলেহেঁতেন?

মানুহৰ দুটা ৰূপ। এটা ভিতৰৰ, আনটো বাহিৰৰ। ভিতৰৰ ৰূপটোৰ বহিঃপ্ৰকাশ বিহেতু নাই, গতিকে মানুহ এজনক সম্পূৰ্ণকৈ জনাৰ সুবিধা নাথাকে। কিন্তু সময়, পৰিস্থিতিয়ে মানুহক চিনি পোৱাত সহায় কৰে। এই ধৰক, সেইদিনাৰ বিস্ফোৰণৰ পিছত এজন ব্যক্তিয়ে দুৰ্ঘটনাত আঘাত পোৱা লোকসকলক ধৰি-মেলি হাস্পতাললৈ লৈ যোৱাত যি ধৰণেৰে সহায় কৰিলে, তাৰ বাবে তেওঁ কাৰো পৰা পুৰস্কাৰ নাপায়। টিভি, বাতৰিকাকতৰ শিৰোনামতো তেওঁৰ ফটো-নাম প্ৰচাৰ হোৱাৰ ভাবনাৰে তেওঁ সেই কাম কৰা নাই। কোনেও আনকি তেওঁৰ নামটোও নাজানিলে। নিজৰ কাম কৰি তেওঁ হঠাৎ নোহোৱা হ'ল।

একেই মানুহ, অথচ ৰূপ ভিন্ন, প্ৰকৃতি সুকীয়া। এজনে ধ্বংস কৰি ভাল পায়, মানুহৰ মৃত্যু দেখি 'খুচ হুৱা' বুলি হাতচাপৰি দিয়ে। আন এজনে আনজনক সহায় কৰি নীৰৱে মানৱতাৰ জয়গান ঘোষণা কৰিছে। উলংগ নাৰীৰ দেহত নিজৰ শৰীৰৰ বস্ত্ৰ দান কৰি ঈশ্বৰৰ অনন্য সৃষ্টিৰ মহিমা বঢ়াইছে।

একবিংশ শতিকাৰ এই মহাযুদ্ধত ধৰ্মৰেই জয় হওক বুলি নিজপুত্ৰক অভিশাপ দিয়া আৰু এগৰাকী গান্ধাৰীৰ আৱিৰ্ভাৱ হ'ব নেকি?

**দৃশ্য নং ৩ঃ** সমগ্ৰ অসমত ইতিপূৰ্বে নোহোৱা প্ৰতিবাদ দিৱস

পালনৰ এক অভূতপূৰ্ব দৃশ্য দেখা গ'ল। মৃতকৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে ঘৰে ঘৰে, ৰাজহুৱা ঠাইত, নামঘৰ, মন্দিৰত চাকি-মমবাতি জ্বলিল। প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হ'ল।

পুনৰ অসমবাসী একগোট হ'ল।

আকৌ এবাৰ দৃঢ়কণ্ঠে অসম জাগি উঠিল। সৰু সৰু স্কুলীয়া ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি ডেকা-বুঢ়ালৈকে সকলোৱে শোভাযাত্ৰাত অংশগ্ৰহণ কৰি সেই বৰ্বৰোচিত হত্যাকাণ্ডৰ প্ৰতিবাদ জনালে। নিজৰ সামৰ্থ্যৰে যিখিনি কৰিব পাৰি, সেইখিনি সকলোৱে কৰিলে।

কিন্তু ইয়াৰ পিছত?

এখন হাত, এখন ভৰি নোহোৱাকৈ যোগেনে আকৌ অটো চলাব কেনেকৈ? ৰঘুৰ মৃত্যুৰ পিছত পৰিয়ালটোৰ অৱস্থা এতিয়া কি হ'ব? ল'ৰা-ছোৱালীহালৰ আৰু স্কুললৈ যোৱা নহ'ব। কিছুমানে চৰকাৰী ধন পাইছে। কিন্তু লাখ টকাৰে কিমানদিন চলিব? তাতকৈ চাকৰি এটাকৈ দিলে জীৱনটো চলি গ'লহেঁতেন? চৰকাৰ নীৰৱ। চৰকাৰলৈ কোনোবা সেউজী, কোনোবা মালতীয়ে চাকৰিৰ আৰ্জি পঠিয়ায়। উত্তৰ নাই। শুনিব কোনে?

প্ৰত্যুত্তৰ আহে জনতাৰ ফালৰ পৰা।

আৰু কি কৰিব লাগে? চাকি জ্বলালোঁ, মম জ্বলালোঁ প্ৰতিবাদী শোভাযাত্ৰাত অংশগ্ৰহণ কৰিলোঁ। আৰু কি কৰিম?

কিন্তু জীৱন চলি থাকিব। চলমান জীৱনৰ সোঁতত সকলোৱে এতিয়া নিজকে এৰি দিছে। মৃতকৰ ঘৰৰ ৰান্ধনিঘৰত জুই জ্বলিছেনে নাই সেয়া চাবলৈ কাৰো আহৰি নাই, জগতৰ বৃদ্ধ পিতৃ-মাতৃৰ খবৰ ল'বলৈ এতিয়া আৰু কোনো নাযায়। গণেশগুৰিৰ বজাৰ আকৌ বহিছে। কিন্তু সেৰেঙা। তথাপি মানুহ আহে বজাৰলৈ। বস্তু কিনে। খালী হৈ থকা বজাৰ, দোকানৰ ঠাইবোৰত মৃতকৰ ফটো। দুদিনমানলৈ ধূপ-চাকি জ্বলিব। তাৰ পিছত নজ্বলা হ'ব। মালাবোৰ ফটোতে শুকাই সৰি পৰিব। এয়াই জীৱন। এজনৰ মৃত্যুৰ লগে লগে জীৱনৰ অন্ত নহয়। সংসাৰখন চলি থাকিব। কিন্তু পৰিৱেশ-পৰিস্থিতিয়ে মানুহক নতুন অভিজ্ঞতাৰ লগত চিনাকি কৰাই দিয়ে। কিছুমান স্মৃতি আমৰণ ৰৈ যায়। আৰু কিছুমান স্মৃতিয়ে অন্তৰ কঁপাই তোলে। হাস্পতালৰ বিছনাত শুই মৃত্যুৰ সৈতে যুঁজি থকা মানুহৰ হাতৰ পৰা ঘড়ী, আঙঠি, ডিঙিৰ চেইন খুলি নিয়া মানুহ এই পৃথিৱীত আছে। ভাত ৰান্ধোঁতে ষ্টভৰ জুইত পুৰি অৰ্ধদগ্ধ হোৱা পত্নীক ডাক্তৰৰ ওচৰলৈ লৈ অহা কোনোবা দামোদৰে ডাক্তৰক কয়— এওঁৰ কেচটো বিস্ফোৰণৰ কেচ বুলি দেখুৱাই চৰকাৰৰ পৰা টকা অলপ ল'ব নোৱাৰিনে? ফিফ্‌টি ফিফ্‌টি! এইসকল আমাৰেই মানুহ। ঈশ্বৰৰ অপূৰ্ব সৃষ্টি। 'ধন্য নৰতনু ভাল' বুলি মহাপুৰুষজনাই এনেয়ে চাৰ্টিফিকেটখন দি গ'ল নেকি?

পণ্ডিত, বিশেষজ্ঞৰ জগতৰ বাহিৰৰ বাস্তৱ পৃথিৱীত গণহত্যা, সন্ত্ৰাসবাদ, দুৰ্ভিক্ষ-অশান্তি ক্ৰমাৎ বাঢ়ি গৈ আছে। আজিৰ প্ৰজন্মক ডাক্তৰ, ইঞ্জিনীয়াৰ হ'বলৈ শিক্ষা দিলেই নহ'ব। মানৱতাৰ মন্ত্ৰৰেও সিহঁতক শিক্ষা দিব লাগিব। এই শিক্ষা স্কুল-কলেজৰ পৰা লাভ কৰিব নোৱাৰি। এয়া আত্মাৰ কথা। আত্মাৰ আহ্বানৰ পৰা এই শিক্ষা লাভ কৰিব পাৰি। ইয়াৰ বাবে কোনো শকত ধনৰ মাচুল ভৰিব নালাগে। বৰং এই মন্ত্ৰইহে মানুহক চহকী কৰি তুলিব। হীৰাবুলীয়া পাথৰৰ দৰে ভাস্বৰ হৈ উঠিব।

ছোৱালীজনীৰ কি নাম আছিল জানো? নামে কি কৰে... আচমা, লুৎফা, লক্ষ্মী, সৰস্বতী— যিকোনো এটা হ'ব পাৰে। ধৰি ল'লোঁ তাইৰ নাম লুৎফা। মুছলমান সম্প্ৰদায়ৰ এগৰাকী ছোৱালী। কোনো এক দুৰ্বল মুহূৰ্তত মৃগাংকৰ সৈতে তাইৰ হিয়া দিয়া নিয়াৰ সুন্দৰ মুহূৰ্তবোৰ পাৰ হৈ গৈছিল। কিন্তু সিহঁতৰ মিলনৰ প্ৰথম হেঙাৰ হৈছিল মানুহে সৃষ্টি কৰা ধৰ্ম, জাতিবন্ধনৰ ৰীতি-নীতি। মৃগাংকই তাইক আশ্বাস দিছিল— 'চিন্তা কৰিব নালাগে। সকলো ঠিক হৈ যাব। সময়ত মই সকলো কথা পিতাক জনাম।' লুৎফাৰ পৰা তাই হৈছিল লিলি। পিতাকক সিহঁতৰ বিয়াৰ কথা ক'বলৈ মৃগাংকই সময় নাপালে। মাংস ভালকৈ ৰান্ধি থ'বলৈ কৈ মৃগাংক আৰু উভতি নাহিল। গণেশগুৰিৰ বোমা বিস্ফোৰণত আন বহুতৰ লগত মৃগাংকও এটা মৃতদেহত পৰিণত হৈছিল। মৃগাংকৰ দেউতাকে পুতেকৰ মৃতদেহ গাঁৱৰ ঘৰলৈ লৈ গ'ল। লুৎফা ৰৈ গ'ল অকলশৰে। দুমহীয়া বিয়াৰ অলেখ স্মৃতি মনৰ এলবামত লুকুৱাই থৈ তাই ভৱিষ্যতৰ অন্ধকাৰ পথত ভৰি দিছিল। বহুতে বহুত কথা ক'লে। উপদেশ দিলে। জীয়াই থকাৰ কথা সোঁৱৰাই দিলে। জীয়াই হয়তো তাই থাকিব। কিন্তু চৰকাৰে দিয়া ধনৰ টোপোলাৰে নহয়। সেই ধনৰ গৰাকী বুলি তাই দাবী কৰিব নোৱাৰিলে। কাৰণ মৃগাংকৰ মৃত্যুৰ বিনিময়ত তাই সেই ধন গ্ৰহণ কৰিব নোৱাৰে। এয়া যে অন্যায়। এজন পিতৃৰ বৃদ্ধ বয়সৰ অধিকাৰক তাই নিজৰ বুলি দাবী কৰিব নোৱাৰে।

কিন্তু তুমি যে মৃগাংকৰ পত্নী!

সেই কথা লুৎফাই জানে। তাইৰ শুভাকাংক্ষীয়ে জানে। কিন্তু সত্তৰ বছৰীয়া সেই বৃদ্ধ মানুহজনে নাজানে। তেওঁৰ অন্তৰত পুত্ৰৰ প্ৰতি থকা সেই গভীৰ বিশ্বাসক তাই ভংগ কৰিব নোখোজে। এই বয়সত পুত্ৰৰ মৃত্যুৰ যন্ত্ৰণা সহ্য কৰা কিমান কষ্টকৰ, সেয়া লুৎফাই বুজি পায়। সিহঁতৰ বিয়াৰ কথা কৈ এই বয়সত তাই সেই মানুহজনক আৰু এটা যন্ত্ৰণাৰ বোজা বঢ়াই দিব নোখোজে।

ত্ৰিছ অক্টোবৰৰ সেই ভয়ানক বোমা বিস্ফোৰণত বহুতৰে জীৱনৰ পৰা বহুজন হেৰাই গ'ল।

লুৎফা নামৰ সেই ছোৱালীজনীও হেৰাই গ'ল।

কিন্তু থৈ গ'ল এমুঠি পোহৰ।

আন্ধাৰে গ্ৰাস কৰিব নোৱৰা। ■

# চানাবাপা এ ভাল কৰি নাচন দিবি

**সঞ্জীৱ পল ডেকা**

*স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ*

চানাবাপাই যেতিয়া নিজৰ বাৰীৰ তামোল গছত বগালে তেতিয়া বেলিটো নাৰিকলডালৰ পাতৰ ওপৰত উঠিছেহি। হাটৰ দিনটোৰ পুৱা সদায়ে এনেকুৱা হয়। গাঁৱৰ কাৰোবাৰ নহয় কাৰোবাৰ তামোল পাৰি দিব লাগেই। তামোল নাথাকিলে পাণ। মুঠতে কিবা নহয় কিবা এটা। চানাবাপা এইবোৰ কামত একেবাৰে পকা। গাঁৱত তাৰ সম দ্বিতীয়টো নাই। লোকে কয়।

লোকৰ ভৰা বাৰীৰ তামোল-পাণ পাৰি দি আহি চানাবাপাই যেতিয়া নিজৰ বাৰীখনত সোমায়, তাৰ মনটো কিবা কিবা লাগে। বেলেগৰ বাৰী তামোল-পাণেৰে ভৰি থাকে, অথচ তাৰ বাৰী খৰালি মাহৰ পথাৰ হেন উদং। তামোলৰ গছো কম, থকা কেইডালতো তামোল নাই। থাকিবনো ক'ৰ পৰা, সপ্তাহে সপ্তাহে সেইকেইডালতে লফিয়াই নাথাকে জানো। বাৰীৰ মাটি বেছি হ'লেহে দয়া মাষ্টৰৰ বাৰীৰ নিচিনা ডাঠ, দিনতে আন্ধাৰ-মুন্ধাৰ হ'লহেঁতেন।

ওচৰৰ এঘৰৰ দগা-পাল্লাযোৰ খুজি আনি চানাবাপাই তামোলকেইটা জুখিলে। তামোলৰ মোনা দুটা বাংকাপাতৰ দুই মূৰত লোৱা মানে ঘৈণীয়েকে কেৰাচিন আৰু মিঠাতেলৰ খালী বটল দুটা মোনাত ভৰাই দিলে। লগতে ঘৰত নোহোৱা বস্তুৰ দীঘলীয়া তালিকা এখন গিৰীয়েকৰ আগত গাই শুনালে। তাৰ কেইটামান বস্তুৰ নাম চানাবাপাৰ কাণত সোমাল, সৰহভাগেই নোসোমাল। জীয়েকজনীয়ে আজি কেইবাটাও হাটৰ বাৰত চেমিজ এটা অনাৰ কথা কৈ আছে। আজিও ক'লে। চানাবাপাই হো-হা একো নকৰিলে। পুতেক বুদুৱে নঙলা মূৰলৈ তাক আগবঢ়াই থ'বলৈ আহিল। বুদুৰ ধাণ্ডা বাপেকে বজাৰৰ পৰা তালৈ কিবা খোৱা বস্তু লৈ আনিব।

নিজৰ গাঁও পাৰ হৈ আহি চানাবাপাই ঘোপা পালেহি। আজি সাৰিলোঁ বুলি ভাবি সি বেগাই খোজ দিছিলহে, তেনেতে নামঘৰটোৰ চোতালত টাংগুটি খেলি থকা চলিসোপাই দেখিলেই নহয় চানাবাপাক। চানাবাপা ক'ত সাৰে। বেট-বল ক'ৰবাতে এৰি 'চানাবাপা', 'চানাবাপা' কৰি সিহঁতে মৌ-মাখিয়ে আগুৰাদি চানাবাপাক আগুৰি ধৰিলে।

মোৰ নাম কি চানাবাপা? —এটাই সুধিলে।

তোৰ নাম কেৰপাই। —চানাবাপাৰ উত্তৰ শুনি গোটেইজাকে কিৰীলি পাৰি দিলে।

মোৰ নাম কি? —আন এটাই সুধিলে।

তোৰ নাম চুহুংমুহুং।



আকৌ এজাউৰি হাঁহি।

মোৰ নাম? মোৰ নাম?

তোৰ নাম চুকাই চৰ্মা, তোৰ নাম লেমটো কানীয়া।

এনেদৰে ল'ৰাজাকৰ প্ৰত্যেককে চানাবাপাই নাম ক'ব লাগে। চানাবাপাই দিয়া নাম শুনি বনৰীয়া চৰাই এজাকৰ দৰে সিহঁতে আনন্দৰ কিৰীলি পাৰি উঠে। চানাবাপা এইফালেৰে অহা দেখিলেই হ'ল আৰু। সিহঁতক নাম ক'বই লাগিব। তেহে। ল'ৰাজাকৰ আনন্দ দেখি চানাবাপায়ো ৰং পায়।

চানাবাপাক আগুৰি সৰু সৰু ল'ৰাজাকেও খোজকাঢ়িয়েই আছে। নাম কোৱা শেষ হ'লত সিহঁতে এইবাৰ তাক গান গাবলৈ খাটনি জুৰিলে। সেই হাঁহি উঠা গানটো। সিহঁতৰ পৰা সোনকালে নিস্তাৰ পাওঁ বুলি চানাবাপাই বেছি দেৰি নকৰি এখন হাতেৰে মুজুৰা দি গাবলৈ আৰম্ভ কৰিলে—

'চানাবাপা এ ভাল কৰি নাচন দিবি।
ডাঙৰ বাপা এ ভাল কৰি নাচন দিবি।
গৰুবাট খোটদি আৰু এটা জুৰ্বি।।
গুৰু মুনি ভক্ত ধূলা শিৰত তুলি লওঁ।

অ' বৰপেটুৱাৰ দিনৰ দুই-চাৰি আষাৰ কথা কওঁ।।'

এইখিনি গায়েই চানাবাপাই ল'ৰাজাকক ক'লে— বাপাহাত আৰু নাগাওঁ দেই। মোৰ দেৰি হবো নহয়। বাজাৰ আছেই।

সন্তুষ্ট হৈ দলটোৱে চানাবাপাক এৰি দিলে— আকৌ আইভিদেই চানাবাপা।

চানাবাপাই মূৰ জোকাৰিলে।

তাৰ খোজ খৰ হ'ল। হাট পাবলৈ আৰু এখন ডাঙৰ পথাৰ পাৰ হ'বলৈ আছেই।

* * *

পুৰা খৰখেদাকৈ বজাৰলৈ অহা চানাবাপাই এতিয়া ঘৰমুৱাকৈ খোজ কাঢ়িছে। তাৰ বাঁওহাতে বেলিটো। বেলিটোৱে যেন সি যোৱালৈহে বাট চাই আছে। পথাৰখনৰ সিটো মূৰত তিৰোতা মানুহৰ ফোঁটটো হৈ বেলিটো বৈ আছে। চানাবাপায়ো পথাৰখন পাৰ হ'ল, বেলিটোও টুপকৈ সৰি পৰিল।

আঘোণ মাহৰ দিন, সোনকালে গধূলি হয়েই। চানাবাপাৰ ঠাণ্ডা ঠাণ্ডা লাগিছে। আঁঠুৰ ওপৰত ফিৰফিৰীয়া পাতল চুৰীয়া, চোলাটোৱে ধোঁৱা বৰণ লৈছে। চানাবাপাই চোলাটোৰ জেপত হাত ভৰালে। এটা বান্দৰ বিড়ি তাৰ দুফাল হোৱা শুকান ওঁঠ দুটাৰ মাজত সোমালহি।

বিড়িটোৱে অলপ গৰম গৰম লগালে তাক। ধোঁৱা উৰুৱাই সি ঘৈণীয়েকৰ কথা ভাবিলে। চানাবাপাই জানে, আজিও সি নিৰ্ঘাত ঘৈণীয়েকৰ গালি খাবই। হাটৰ দিনটোত সদায়েই খায়। তাই ইটো ক'ত সিটো ক'ত বুলি গৈ পোৱাৰ লগে লগে হৈ-চৈ এখন আৰম্ভ কৰিব। চানাবাপা সদায়ে মনে মনে থাকে। কেতিয়াবাহে খং উঠি আহে তাৰ।

বজাৰৰ পেৰে ভোকে-লঘ্নে মানটো আহি পাইছোঁ। বইভা পীৰা এখান উলেই দিবি চাৰি বক্‌বা ধৰ্‌বি। নাও বাওতাইহে জানেই পানী কিমান দ!

এইখিনি বস্তু বজাৰ কৰোঁতেয়ে গোটেই দিনটো গেল্‌নে? সেই ৰাতিপুৱাতে গেইছিল। বজাৰ কৰা হৱাৰ পাছত তাতে আৰু কি ওলেই থাকেই?

ঘৈণীয়েকৰ কথাত আৰু মাত নামাতে চানাবাপাই। সিও বুজি পায় ঘৰখনত লগা বস্তুখিনিয়ে সি আনি দিব পৰা নাই। আনিবনো কিদৰে, তামোলৰ দৰ থাকোঁতে কথাটো সুকীয়া আছিল। এপোন তামোলতে তিনি কুৰি-আঢ়ৈ কুৰি পায়। দুপোন হাটলৈ লৈ গ'লেই বজাৰ ভালকৈ কৰিব পাৰি। পিছে আজি কেইবছৰমানৰ পৰা তামোলৰ পানীৰ দৰেই দৰ। পোনৰ পৰা গৈ কেজিত পৰিল। এক কেজিত পাঁচ-সাত টকা। ক'ত মৰ মৰ। কেইবাথোকো তামোল যেন চানাবাপাৰ মূৰটোতহে খহি পৰিলহি। তামোল বেচি পোৱা সেই কুৰি-ডেৰ কুৰি টকাৰে পাবনো কি। অইন বস্তুবোৰ নহ'লৈও যেনতেন। কিন্তু আচল বিধ নোহোৱাকৈনো চলিব কিদৰে। তামোল বেচি পোৱা পইচা দেখোন চাউলতে শেষ।

হাটৰ দিনটোত দেৰি হয় চানাবাপাৰ। দেৰি কৰোঁ বুলিয়েই কৰে। ঘৈণীয়েকৰ বকনি আৰু আজিকালি তাৰ কাণত নোসোমায়। ঘৰখনত কেৱল ইটো নাই সিটো নাই, এই বোলে ডাঙৰ ছোৱালীৰ তমুক নাই, এই বোলে বুদুৰ চিলথ নাই, মাষ্টৰে গালি পাৰি আছে। সপ্তাহৰ মূৰকত আহে মঙলবাৰটো। হাটৰ দিন। সোমবাৰৰ ৰাতিৰ পৰাই মনটো ভাল লাগিবলৈ ধৰে চানাবাপাৰ। হাটখনত সঁচাই ভাল লাগি থাকে। কত ৰকমৰ মাল-বস্তু, কত ৰকমৰ মানুহ। সংসাৰৰ কথা মনত নপৰে তেতিয়া।

পিছে আচল লাভটো বেঙেনা, বিলাহীকেইটাতহে। দিনত যিহে দাম, বেঙেনা-বিলাহীৰ বেপাৰীকেইটাৰ ওচৰলৈ যাবলৈয়েই সাহ নহয় চানাবাপাৰ। তেও একোবাৰ চুচুক-চামাককৈ যায় বেপাৰীৰ ওচৰলৈ। বেলেগ গ্ৰাহকক কৈ থকা দাম শুনি হাতত থকা লেউ-সেউ দহটকীয়া নোট দুখন মুঠি মাৰি আকৌ সি হৰেশ্বৰৰ চাহৰ দোকানত বহেহি। চাহ খোৱা মানুহ বেছি হ'লে সি উঠি দিয়ে। হৰেশ্বৰে বেয়া পালেও সি উপযাচিয়েই পানীৰ গিলাচ, ৰুটী-পৰঠা দিয়াত সহায় কৰি দিয়ে। তাৰ বাবত বজাৰৰ শেষত সি ঠাণ্ডা হোৱা ৰুটী একোখন খাবলৈ পায়। হৰেশ্বৰৰ দোকানৰ মাল-মটং ঠেলাখনত বন্ধা-কুন্ধা কৰি সি বেঙেনা বেপাৰীৰ ওচৰলৈ আহে। চাপৰিৰ পৰা অহা মিঞা বেপাৰী সিহঁত। ৰাইজে বাছি বাছি এৰা পাচলিবোৰ লৈ নাযায় আৰু সিহঁতে। সস্তাতে দি থৈ যায়। সেয়ে চানাবাপা হাটৰ পৰা ওভতে মানে একেলগে অহা মানুহ ঘৰলৈ গৈ ভাত-পানী খাই বেলেগ কামত ধৰে।

চানাবাপা ফুটকিতলি পথাৰখনৰ সন্মুখ পালেহি। ধান চপোৱা ইতিমধ্যে হৈ গৈছে। অকল ল'ৰাবোৰেহে পথাৰখনক পহৰা দি আছে। খৰালি দিনত এইটো অলপ সুবিধা। নৰাতলিৰ মাজে মাজে বাট চমুৱাই যাব পাৰি।

চানাবাপা পথাৰখনত নামিল।

কেঁচা নৰাৰ গোন্ধ এটা তাৰ নাকত লাগিল। এই গোন্ধটো ইমান ভাল লাগে তাৰ। কি ধানৰ বা নৰা! সুৱাগমণি নে মালভোগ ধানৰ?

পাউদাৰ দিয়া চাউলৰ ভাত খাই খাই এইবোৰ ধানৰ গোন্ধ পাহৰাৰ নিচিনাই হ'ল। বুদুহঁতেতো এইবোৰ ধানৰ নামেই শুনা নাই। চানাবাপাৰ হুমুনিয়াহ এটা ওলাই আহিব খুজিলে।

মালভোগ ধানৰ ভাত খাওক চাৰি পাউদাৰ দিয়াকেইটাকেই সময়ত নাপায়। বছৰৰ বাৰ মাহেই কিনা। নিকিনিবলৈ ক'তনো ভাখেৰীটো আছে চানাবাপাৰ।

আছিল, সুৱাগমণি জহা ধানৰ গোন্ধেৰে ঘৰখনৰ ভাখেৰী, চোতাল, কাঁথি ভৰি আছিল। পিতাক সিফলীয়া হোৱাৰ পৰাহে পয়মাল আৰম্ভ হ'ল। পিতাকৰ কাম-কাজ কৰি উঠাৰ পিছতেই এদিন মৌজাদাৰ দেউতা খাটা-বহী লৈ চানাবাপাৰ ঘৰত উপস্থিত। পিতাকে বহুত বছৰৰ খাজনা দিয়া নাই। পাওনাৰ হিচাপটো বহীত অংক কৰি মৌজাদাৰ দেউতাই চানাবাপাক দেখুৱাই গ'ল। চানাবাপাই চকু দুটা মেলি চাই থাকিল। দিবলগীয়া টকা-কড়ি দিবতো লাগিবই। পিছে চানাবাপাই দিয়ে ক'ৰ পৰা

এতিয়া?

তাৰ পিছৰ বছৰৰ পৰাই বৰপথাৰৰ মাটি পাঁচবিঘাত মৌজাদাৰ দেউতাৰ হালোৱাই হাল জুৰিলে। চানাবাপাৰ চকুৰ আগেৰেই, বৰপথাৰৰ পৰা মৌজাদাৰৰ হালোৱাই হোলাবাৰী বেঁকা হোৱাকৈ বৰধানৰ ডাঙৰি কঢ়িয়ালে।

আকাল নোহোৱাকৈ নন্দন-বন্দনেৰে চলা চানাবাপাৰ সেইবাৰ চলাত অলপ হেৰফেৰ হ'ল। বছৰটো পূৰ নৌ হওঁতেই যোগেশ্বৰৰ গেলামালৰ দোকানৰ বাৰাণ্ডাত চানাবাপাক লগ পাওক এদিন মৌজাদাৰ দেউতাই। বগলীপাখি হেন ধুতী-পাঞ্জাবী পিন্ধি ক'ৰবালৈ যাবলৈ আহিছিল হ'বলা দেউতা।

কিয়েই চানাবাপা, মোনা-খণ্টা লৈ দোকানৰ মুখত কি কচ্ছা?

গৰু চাৰি থাকোঁতে কেনেবাকৈ ভৰি লাগিলে লাজুকী বন লেৰেলি যোৱাৰ দৰে চানাবাপাৰ মনটোও কিবা এটা লাজত লেৰেলি গ'ল। কি ক'ব এতিয়া চানাবাপাই। সাতপুৰুষ মৰি গ'ল পুৰণি ধানৰ ভাত খাই খাই, কেতিয়াবা পাউদাৰ দিয়া চাউলৰ ভাত খাব লাগিব বুলি ভাবিছিলেনে কোনোবাই? চানাবাপাই মৌজাদাৰলৈ চাই খেঁৰো-গেঁৰো কৰিলে।

কি হৈছ্চি নকৱা কিয়া? মৌজাদাৰে চানবাপাক মৰমৰ ধমক এটা দিলে।

ঘৰত চাউল নাই। সেই কাৰণেহে...। চানবাপাৰ মাতটো কোমল চাউল যেন কোমল। মৌজাদাৰে চানাবাপাৰ দুখ দেখি ইস্ ইস্ কৰিলে। তাৰ পিছত চানাবাপাক কাষলৈ মাতিলে।

মই থাকোঁতে তই কিয় চিন্তা কচ্ছা চানাবাপা? তোৰ ইমান টান পচ্ছি, অথচ তই মোক এবাৰ কৱা নাই কথাটো। মই মৰি যাৱা বুলি ভাবছা নিকি?

মৌজাদাৰ দেউতাৰ কথা মতে যোগেশ্বৰৰ দোকানৰ পৰা চাউল নানি চানাবাপা সিদিনা তেওঁৰ পিছে পিছে মৌজাদাৰৰ চোতাল পালেগৈ। মৌজাদাৰৰ নিৰ্দেশত কাম্‌লা এটাই চানাবাপাৰ মোনাটো সুৱাগমণি ধানৰ চাউলেৰে ভৰাই দিলে। সিদিনাহে চানাবাপাৰ পেটলৈ বহুদিনৰ মূৰত সৰহকৈ ভাত কেইটামান গ'ল। দোকানৰ চাউলৰ যিহে পাউদাৰ পাউদাৰ গোন্ধ। ভাতৰ পাততে হাত ধুই পাকঘৰৰ পৰা উঠি আহে চানাবাপা।

তেতিয়াৰ পৰা ঘৰত চাউল শেষ হ'লেই চানাবাপা মোনাটো লৈ সাউতকৈ মৌজাদাৰৰ ঘৰ পায়গৈ। মৌজাদাৰ দেউতাই আথে-বেথে এমোনা চাউল ভৰাই দিবলৈ নিৰ্দেশ দিয়ে। দেৱতা যেন এইজন মানুহলৈ চাই চানাবাপাই মনে মনে আশীৰ্বাদ দিয়ে দেউতাৰ মূৰৰ চুলিৰ সমান আয়ুস হওক।

এদিন চাউল আনিবলৈ যাওঁতে মৌজাদাৰ দেউতাই চানাবাপাক চ'ৰা ঘৰলৈ মাতি নিলে। ৰজাৰ আসনকেইখনত বহিবলৈ হেহোঁ নেহোঁ কৰি থকা দেখি মৌজাদাৰে চানাবাপাক ধমক এটা মাৰি দিলে। নবহা কিয়া? তাৰ পিছত লাহে লাহে কৈ গ'ল— তই কিমান দিনৰ চাউল নিলি হিচাপ আছেইনে?

নাই, চানাবাপাৰ হিচাপ নাই। সি একোৱে হিচাপ নাৰাখে। চানাবাপা মনে মনে থাকিল।

এইগিলাকেতো তহঁতৰ দোষ। বস্তু দৰকাৰত নি থাকা আৰু হিচাপ নাৰখা। তই পূৰা তিন্‌টা বাৰিষা মোৰ পেৰে চাউল নিলি গম পাইছানে?

চানাবাপাই মূৰ দুপিয়ালে।

এইবিলাকৰ ধাৰ মৰাৰ কথা কিবা তই চিন্তা কৰ্‌ছানে?

চানাবাপাৰ মনত এতিয়াহে খেলাল কথাটো। অঁতো, চাউলৰ ধাৰতো মাৰিব লগিব। মৌজাদাৰ দেউতা বুলিহে এনেকৈ দি আছে।

সেইদিনাখন একো মাত-বোল নকৰি চানাবাপা ঘৰলৈ আহিল। চানাবাপাৰ আকৌ অকণমান কথাতে মূৰটো ঘূৰাই আহে। চাউলৰ মোনাখন ঘৈণীয়েকৰ ফালে আগবঢ়াই দি চানাবাপা কাঁথিতে ঢেপেচকে বহি পৰিল।

আজি আকৌ কি হ'ল ইয়াৰ? চানাবাপাৰ মুখ দেখা পায়ে ঘৈণীয়েকে কিবা এটা বুজি পালে। অইন দিনাখনতো ই এনে নকৰে। কিবা এটা হ'ব লাগিব।

কি হ'লেই আজি? মৌজাদাৰে কিবা কৈ পঠৈইছি নেকি?

চানাবাপাই একো নামাতিলে। তিৰীৰ আগত এইবিলাক কথা কৈনো কি ফয়দা? পিছৰবাৰ চাউলৰ মোনাখন লৈ জাপাং-জুপুং কৰি চানাবাপা মৌজাদাৰৰ বলখেলা ফিল হেন চোতালত থিয় হ'ল। তাক দেখিয়ে মৌজাদাৰে কাষলৈ মাতিলে।

কিবা চিন্তা কল্লিনে তই?

চানাবাপা পকা বাৰাণ্ডাখনতে বহিল। কিবা চিন্তা কৰা যেন এনেয়েই দেখুৱালে সি।

ধাৰ মাৰবানো মোৰ কি আছেই দেউতা? বাকী থকা মাটিখিনিকে দিবা লাগবু। কিন্তু মোক সহায় এটা কৰ্‌বা লাগ্‌বু।

চানাবাপাই মৌজাদাৰৰ মুখৰ ফালে চাই পঠিয়ালে। মৌজাদাৰেও চানাবাপাৰ ফালে চাইছে।

কি সহায়?

মাটিখিনিত ময়ে আধিয়াৰ খেতি কৰিম।

মৌজাদাৰে দেখো অলপ পৰ কিবা চিন্তা কৰিলে। আধিয়াৰ খেতি কৰ্‌বি নিকি? দে দে কৰ্‌বা খুত্‌ছা কৰ।

জানে, চানাবাপাই জানে। মৌজাদাৰ দেউতাই তাৰ কথা না নকৰে। মাটিৰ লগৰ মানুহ দেউতা। চাউলৰ মোনাখন লৈ দেউতাৰ ভৰিতে পৰি সেৱা এটা কৰি সেইদিনাখন উঠি আহিছিল চানাবাপা।

তাৰ পিছত কেইবাবাৰো আধিয়াৰ খেতি কৰিলে চানাবাপাই। টান পৰিলেই দেউতাৰ পৰা চাউল আনে। তাৰ বাবদ দেউতাৰ ঘৰত হাজিৰা বনো কৰি দিয়ে চানাবাপাই। হেমগেম নোহোৱাকৈ চলি আছিল। যোৱা বছৰৰ উপৰিবাৰ বাৰিষাহে কি জানো হ'ল দেউতাৰ, চানাবাপাক দেখো মাতি নিলে ঘৰলৈ।

চানাবাপা, তই আচলতে নাচনৰে মানুহ। কাম-কাজৰ নহয়। মাটিখিনিত দুইবছৰো খেতি কৰ্‌বা দিলো। বেলেগ হাল্লুৱৈৰ নিচিনাকে তই একবাৰো খেতি কৰি দেখাবা নল্লি। গতিকে তই আৰু মোৰ মাটিত খেতি কৰ্‌বা নাল্‌গেইবাপা। বেয়া নাপাবি মোক।

মৌজাদাৰৰ বাৰাণ্ডাৰ চিলিংখন চানাবাপাৰ টকলামূৰা

মাথাটোতে পৰিল। কি কয় মৌজাদাৰ দেউতাই, কিয় কয়! এনেহেন বাৰিষা। সি দেখোন থাউনি নোপোৱা গৰুৰ দৰে হ'ব। চলিকেইটাই কি খাব? মৌজাদাৰৰ ফালে চাই হাত যোৰ কৰিলে চানাবাপাই।

এইবাৰৰ কাৰণে মাটিখিনি দিয়ক দেউতা। আপোনাক ভৰ্‌সা কৰিয়ে বাছি আছো। চলিকিটা নাখাই মৰ্‌বু নহলি। ধৰ্ম হবো আপোনাৰ। ধৰ্ম হবো।

নাল্‌গেই মোক তোৰ ধৰ্ম। ধৰ্মডাল লৈ মই স্বৰ্গক নেগেলিও হবো। মোক ধান লাগেই। ইমান বছৰ তোৰ মুখখান চাই দিলো। আৰু নহবো।

চানাবাপাৰ কান্ধৰ পৰা কোলাত পৰা লেউসেউ গামোচাখনৰ ওপৰতে কেইটোপালমান চকুপানী পৰিল।

তোৰ এইগিলাক এক্টিং-চেক্টিং চাবা মোৰ সময় নাই চানাবাপা। তই যাবা পাৰা ইতা।

মৌজাদাৰ দেউতাই মতা শুনি চানাবাপাই কেইটামান ধানৰ কথাও ক'ম বুলি আহিছিল। পিছে ধানৰ কথা ক'ব কেনেকৈ, মাটিকে আৰু নিদিয়া হ'ল। চানাবাপা অলপ পৰ বাৰাণ্ডাখনতে বহি থাকি উঠি আহিছিল সেইদিনা।

সেই উঠি অহায়েই ধান-চাউল খোজাৰ নামত আৰু সিমুৱা নিকি? এই বস্তাটোৰ এক কেজি চাউলো নগদ বেচবা পাৰা নাই জানানে?

যোগেশ্বৰে দুকেজি ওজনৰ দগাটো তাৰ বুকুতে যেন মাৰি দিলে।

চলিকিটাৰ মুখৰ ফালে চাই কিবা কৰি দিয়েই ভাই। দিনটো আজি সিহঁতে একোকে খাৱা নাই।

চানাবাপাই আশাৰে যোগেশ্বৰলৈ চাই পঠিয়ালে। সি তাৰ কথাত কাণ নিদি আঙুলিত জিভাখন এবাৰ লগাই দিনটোৰ হিচাপ কৰাত লাগিল।

কি কৰে এতিয়া চানাবাপাই? খালী মোনাখন হাতত লৈ যোগেশ্বৰৰ দোকানৰ সন্মুখতে সি সেমেনা-সেমেনি কৰি থিয় দি থাকিল।

যোগেশ্বৰে হিচাপ কৰি উঠি মনে মনে দেখোন দুকেজি চাউল জুখিলে। তাৰ পাছত চানাবাপাৰ মোনাখন খুজি চাউলখিনি ভৰাই দিলে।

ময়োতো চলবা লাগ্‌বু। তহঁতৰ চুবাৰপে বাকীত চাউল নিয়া মানুহৰ তই দহ নম্বৰত পল্লি।

যোগেশ্বৰৰ ফালে কৃতজ্ঞতাৰে এবাৰ চাই চানাবাপাই খোজ লৈছিল।

> *...গান শুনি বাপেকৰ নাচ চাই চবেই হাঁহিছে। বুদুৰ কিন্তু খং উঠি আহিল। ম'হৰ গাখীৰ, জহা ধানৰ ভাত সি দেখাও নাই খায়ো পোৱা নাই। কিয় এইবোৰ গাই গাই নাচিব লাগে?...*

হোৱা নাই চানাবাপা। সিদিনাৰ পৰাই যোগেশ্বৰৰ দোকানমুৱা হ'বলগীয়া হ'ল। পিছে প্ৰথম দিনাই যোগেশ্বৰে যিখনহে মুখ দেখুৱালে! মৌজাদাৰ দেউতাৰ ঘৰৰ পৰা আহি কি কৰো কি নকৰো ভাবেৰে চানাবাপাই ঘৰৰ কাঁথিতে মূৰে-কপালে হাত দি বহি আছিল। চানাবাপাৰ এই ৰূপ দেখি ঘৈণীয়েকে জকজকাই উঠিল—

এংকে বহি থাক্‌বিনে চাউল পাতৰ কিবা দিহা কৰ্‌বি?

অঁ, হয়ো হয় কথাটো। চলি দুটাই পুৱাতে খাইছিল কেইটামান ঠাণ্ডা ভাত। চানাবাপাৰতো সেইকেইটাও পেটত পৰা নাই। হাতত মোনাটো লৈ ৰাতিৰ সাঁজৰ চাউল বিচাৰি সি যোগেশ্বৰৰ দোকানলৈয়ে আহিল।

যোগেশ্বৰৰ দোকানৰ পৰা আগতে কিবা-কিবি নিয়ে যদিও বাকীত চাউল নি পোৱা নাই। তাৰ দোকানৰ সন্মুখত সি সেমেনা-সেমেনি কৰি মোনাটো আগবঢ়াই দিলে— যোগে, দুই কেজি চাউল লাগ্‌ছিলেই।

যোগেশ্বৰে দগা-পাল্লাত চাউল জুখি থাকোঁতেই বাকীৰ কথাটো কৈ লোৱা ভাল হ'ব বুলি চানাবাপাই ক'লে— আজি কিন্তু পইচা দিবা নৰিম্ যোগে।

চানাবাপাৰ কথাবাৰ শুনি যোগেশ্বৰৰ কঁপালৰ সিৰ কোঁচ খাই গ'ল। পাল্লাৰ চাউলকেইটা এককোবে বস্তাটোত বাকী দিলে সি।

নাই নহবো। মই তহঁতৰ কাৰণে এইখান ধৰমশালা খুলি থৈছো

চানাবাপাৰ হুমুনিয়াহত নৰাৰ আগবোৰ কঁপি উঠিল। ভবা নাছিল, এনেকুৱা দিন পৰিব বুলি চানাবাপাই, ভবা নাছিল।

* * *

বাইন দেউতা কেতিয়া আহে কেতিয়া আহে লাগি আছিল। বাইনৰ গাড়ীত চিধাই সি সিখন গাঁৱৰ নামঘৰৰ চোতাল পাইছিলগৈ।

কেৱল নাচো নাচো লাগি থাকে ভোগেশ্বৰৰ। মাকে কিতাপ-কানি, চাকি-বস্তা যোগাৰ কৰি দিয়েহে দিয়ে। পিছে তাৰ মন ক'ত কিতাপত থাকে। থাকে নামঘৰৰ চোতালত। বাইন দেউতাৰ গৰুগাড়ীৰ শব্দ কেতিয়া শুনো কেতিয়া শুনো লাগি থাকে। কেতিয়াবা বাইন দেউতালৈ ৰখি থাকোঁতে টোপনি আহে তাৰ। বাইনে টোপনিত লালকাল ভোগেশ্বৰক কোলাত লৈ গাড়ীত উঠাই লৈ যায়।

নামঘৰত থকা মেন্থল লাইটৰ জিলিক-মিলিক পোহৰত ভোগেশ্বৰৰ টোপনি ভাগি যায়। বাইন দেউতাই মৰম কৰি কয় তাক— বাপা ভোগেই দে দে ঘুমেটি ভাঙি লৌ। আৰম্ভ কৰিম আমি ইতা।

বাইন দেউতাই ভাউৰীয়াৰ হৰ্তা-কৰ্তা। নিজেও ভাগ লয়। নাই ক'ত তেওঁ। খেতি-বাতিৰ পৰা ঢুলীয়া-খুলীয়ালৈকে। সেই বাবেই তেওঁ 'বাইন' নাম পাইছিল। আচল নাম কোনেও নাজানে।

ভোগেশ্বৰে চকুৰ ফেচকুৰিখিনি মচি লোৱা মানে সিফালে

ঢুলীয়াই আৰম্ভ কৰেই। দেহাটো ৰঞ্জিত ৰঞ্জিত হৈ আহে তাৰ। গানৰ লগে লগে ভোগেশ্বৰৰ নাচন চাই আখৰা চোৱা মানুহ হাঁহিত ৰ'ব নোৱৰা হয়। বাইন দেউতাহঁতে চাপৰি বজাই বজাই গাবলৈ আৰম্ভ কৰে—

'চানাবাপা এ ভাল কৰি নাচন দিবি
ডাঙৰ বাপা এ ভাল কৰি নাচন দিবি...
চেক্ চেক্ কৰেই চেকুৰ টেঙা
থুপথুপকৈ মৈহৰ গাখীৰ মালভোগ ধানৰ ভাত।
অ' মোৰ চানাবাপা ঐ...
চানাবাপাই নাচন দিছি দেহাৰ ভাৰষা এৰি
চানাবাপাই নাচন দিছি ৰাইজে চাইচি বেৰি।'

ৰাতি যিমানে হৈ আহে ঢুলীয়াৰ চেও সিমানেই বাঢ়ি আহে। ভোগেশ্বৰৰ নাচনো সিমানে ভাল লগা হৈ আহে।

গাঁৱে গাঁৱে বাইন দেউতাৰ গাড়ীত উঠি খুলীয়া ভাউৰীয়া আৰু বৰঢুলীয়াৰ পালা গাবলৈ যায় ভোগেশ্বৰ। ভোগেশ্বৰৰ নাচন দেখি চবৰে পেটৰ নাড়ী ডাল ডাল হয়। ইমান সৰু ল'ৰা চানাবাপা, কি ধুনীয়া নাচে! সকলোৱে চানাবাপাৰ নাচ চাবলৈ হেতা-ওপৰা লগায়। কেইখনমান গাঁৱত পালা গোৱাৰ পিছতেই ভোগেশ্বৰ চানাবাপা হ'ল। সেই হোৱাই হ'লেই। স্বয়ং ভোগেশ্বৰেই নিজৰ নামটো পাহৰাৰ নিচিনা হ'ল।

খাৱন-শোৱনৰ চিন-ভিন নাছিল তেতিয়া। বাইন দেউতাৰ ঘৰখন ভাতঘৰ হৈ পৰিছিল চানাবাপাৰ। কিতাপ-কানি, সংসাৰৰ কাম-কাজ এইবোৰলৈ মনত নপৰা হৈছিল তাৰ।

এবাৰ ৰইনাকুছিত পালা গাবলৈ যাওঁতেই সেইজনীৰ ওপৰত চকু পৰিছিল চানাবাপাৰ। তায়ো তাৰ নাচ চাই পেটত ধৰি ধৰি হাঁহিছিল। তাৰ পিছৰ বাৰেই সি তাইক বৰপথাৰলৈ ভুঁই ৰুবলৈ আহোঁতে পথাৰৰ পৰা পলুৱাই আনিছিল।

নাই পিছে, সেইজনী আৰু সেইজনী হৈ থকা নাই। চানাবাপাৰ নাচ চাই ভালপোৱা মানুহজনীয়ে এতিয়া নাচৰ কথা উলিয়ালে খেংখেঙাইহে উঠে। বুদুক কেতিয়াবা গানটো গাই গাই নাচি থকা দেখিলে তাই খেদি যায় তাক মাৰিবলৈ— বাপেৰ নিচিনা হ'বা খুত্ছা নিকি।

তাইৰ খঙৰ কাৰণো নজনা নহয় চানাবাপাই। তাইক চপাই লোৱাৰ পিছৰে পৰাই ক'তনো তাইৰ ইচ্ছা মতে খাব-পিন্ধিবলৈ দিব পাৰিছে সি। থকা ঘৰটোকে জত-পিটকৈ দিব পৰা নাই। চানাবাপাৰ কামবোৰো চিজিল নহয়। হ'বনো কেনেকৈ, নাচি ফুৰোঁতে কাম শিকাৰ সময়ে বা পালে ক'ত সি।

এইটো আমাৰ চানাবাপা নহয়নে? —কোনোবা এজনৰ মাতত চানাবাপা উচপ খাই উঠিল। নৰাতলি এৰি কেতিয়া সি ৰাস্তাত উঠিল গমেই পোৱা নাই। সি মাত দিলে— হয় দিয়ক।

নাচনৰ মানহু দেখোন্ ঘৰ পাৱাই নাই যাই! আমি আকো মৌজাদাৰৰ ঘৰৰলেগি যাবা ওলেই আইছুৰে।

মানুহটোৰ কথাত চানাবাপাৰ চাটকৈ মনত পৰিল কথাটো। হয়তো, আজি মৌজাদাৰৰ ঘৰত নিমন্ত্ৰণ আছে। ছেঃ এইটো পাহৰিব লগা কথানে? চানাবাপাৰ খোজ খৰ হ'ল। আগতে কোনদিনা কত পালা থাকে চানাবাপাৰ আঙুলিৰ মূৰত হিচাপ আছিল। আজিকালি পাহৰিব লগা অৱস্থা হ'ল। কিনো নাপাহৰিব? আগৰ নিচিনাকে মাহত দহ-বাৰখন পালা থাকিব চাৰি এতিয়া গোটেই বছৰটোতো সিমানখন পালা নহয় মৌজাদাৰ দেউতাই পৰম্পৰাটো ৰাখি আছে।

* * *

চানবাপা ঘৰ পালেহি। কাঁথিতে ঘৈণীয়েক আৰু চলি দুটাই আন্ধাৰে-মুন্ধাৰে বহি আছে। চানাবাপা আহি পোৱা দেখি গোটেইকেইটাই মোনাখনৰ ওচৰ চাপি আহিল। ঘৈণীয়েকে প্ৰথমতে কেৰাচিনৰ বটলটো লৈ গ'ল। চাকিটো জ্বলাবৰ কাৰণে।

ছোৱালীজনীয়ে তাইৰ চেমিজ বিচাৰি আগ্ৰহেৰে মোনাখনৰ ভিতৰত খেপিয়াই চালে। তাৰ পিছত ফেঁকুৰি উঠিল— আজিও চেমিজ নান্‌লি! কিমানদিন কলো তোক। বেলেগৰ ফাটা চেমিজ এটা কিমানদিন পিন্ধিম!

মোৰ মাথা নাখেবি তহঁতে। —অইনদিনা চানাবাপাই গৰজি উঠে। আজি জীয়েকৰ কান্দোন শুনি একো নক'লে সি। বাঢ়ন ছোৱালী। কাপোৰ-কানি আনি দিবলৈ তাৰতো মন যায়েই। পিছে কি বেচিনো আনিব?

বুদুৱে তালৈ কিবা খোৱা বস্তু আনিছে নেকি বুলি মোনাখনৰ ওচৰলৈ যাব খুজিছিল। বায়েকে কন্দা শুনি সি নিলগতে থিয় দিলে।

ভৰি-হাত ধুই লালচাহটুপি খায়েই চানাবাপাই পুতেকক ক'লে— বাপা, মৌজাদাৰৰ ঘৰত আজি আমাৰ ভাউৰীয়া আছেই। যা যদি ওলৌ।

বুদু মাকৰ পিছে পিছে ঘূৰি ফুৰিছে। মাকে যাব দিলেই যাব পাৰিব সি।

যাবা খুত্ছা যা। ভাউৰীয়া ভাঙোতে কিন্তু দেৰি হ'ব। টোপনি নধৰেতো।

নাই টোপনি নধৰে তাৰ। আগৰ বাৰো মৌজাদাৰৰ ঘৰলৈ দেউতাকৰ লগত গৈছিল। দেউতাকহঁতক তৰহে তৰহে খবলৈ দিছিল। সিও ভাগ পাইছিল। এইবাৰো নিদিয়াকৈ নাথাকে কিজানি!

সি খোৱাৰ কথা চিন্তা কৰি থাকোঁতেই বাপেকে ক'লে— ভাত-পানী খাবা নাল্‌গেই। মৌজাদাৰৰ ঘৰত ব্যৱস্থা কৰবো। চানাবাপাৰ অংক, এসাঁজ ৰাহি হ'লেই হোৱা।

বুদু আগ্ৰহেৰে বাপেকৰ লগত ওলাল। তাৰো দেউতাকৰ দৰে নাচিবলৈ মন যায়। তাৰ দেউতাকে নাচিলে চবেই হাঁহে, পেটত ধৰি ধৰি হাঁহে। চবেই ভাল পায় দেউতাকক। নাচিবলৈ গ'লে তৰহে তৰহে খাবলৈ পায়। মিটিংবিলাকত তাৰ দেউতাকক মাতি নি গামোচা দিয়ে, আইনা বন্ধোৱা কাগজত কিবা-কিবি লিখিও দিয়ে। তাৰ লগত পঢ়া কাৰো দেউতাককে এনেকৈ মাতি নিনিয়ে। মাকে দেখাতহে দেউতাকক টান কথা শুনায়, দেউতাক ঘৰত নথকা পৰত মাকে মিটিঙত দিয়া কাগজবিলাক পঢ়িবলৈ কিমান খাটনি ধৰে তাক! বাপা মাতচোন কাগজখনত কি

লেখ্‌ছি! মাতচোন।

মতাখিনিকে সদায় মাতি মাতি আমনি লাগি যায় বুদুৰ।

হ'ব, সি দেউতাকৰ নিচিনাই ভাউৰীয়াৰ বহুৱা হ'ব। মৌজাদাৰৰ ঘৰত দেউতাকহঁতৰ নিচিনাকৈ সি চাহ, মিঠাই, পায়স খাবলৈ পাব। মৌজাদাৰৰ ঘৰত খাবলৈ পোৱাৰ আশাত বুদুৰ মনটো ভাল লাগি আহিল।

চানাবাপাৰো মনটো মুকলি আজি। ভাউৰীয়াৰ কথা ক'লে একোলৈ মনত নপৰে তাৰ। দেহা-মন কিবা কৰি আহে। পিছে আগৰ ভাউৰীয়াৰ মানুহবোৰ লাহে লাহে নোহোৱা হ'ল। তাতকৈ ডাঙৰ এজন নে দুজনহে আছে ভাউৰীয়াত।

পথাৰখন পাৰ হৈ বাপেক-পুতেক দুয়ো মৌজাদাৰৰ চোতাল পায় মানে মৌজাদাৰৰ ঘৰৰ কাষৰ বাকৰিটো মানুহেৰে ভৰি পৰিছে। লাইটৰ জিলিক-মিলিক পোহৰ, মাইকৰ মাত— এইবোৰে বুদুতকৈ চানাবাপাৰ মনটোহে বেছি ভাল লগালে। চানবাপাক ইমান দেৰিকৈ দেখি উছাহত আত্মহাৰা হৈ থকা ভাউৰীয়াৰ বাকীবোৰে জকজকাই উঠিল।

তই ইমান দেৰি কৰবা লাগেইনে চানাবাপা। ওলৌ ওলৌ সোনকালে ওলৌ।

চানাবাপা পিন্ধি-উৰি সাজু হ'ল। লগৰ কেইজনমানে বহুৱাৰ মোচ লগাই দিলে তাক।

এটা সময়ত নাটক আৰম্ভ হ'ল। সীতাহৰণ নাটক। নাটকৰ মাজে মাজে চানাবাপাব নাচোন আছে।

বুদুৱে বাপেকক এৰি ৰাইজৰ মাজত থিয় দিলেগৈ। তাৰ মনটো কিবা ভাল লগা নাই। যোৱা বছৰ মৌজাদাৰে দেউতাকক কিমান কি খাবলৈ দিছিল। পেট ভৰাই পায়স সেইবাৰে প্ৰথম খাইছিল। ভাবিছিল এইবাৰো কিজানি খাবলৈ পাব। নাই পিছে, বুঢ়াডালে নুখুৱালে পায়স। দুখন দুখন বিস্কুটেৰে চাহ এগিলাচ দিয়েই শেষ কৰিলে।

বুদুৰ ভোক লাগি আহিল। দুপৰীয়া স্কুল নাই বুলি মাকে কেইটামানহে খাবলৈ দিছিল তাক। তাৰ পিছত আবেলিটো কচুতলিয়ে-চোৰাততলিয়ে দৌৰি ফুৰিলে লুকা-চুৰি খেলি।

বুদুৰ মনটো ঘৰত থাকোঁতেই হঠাতে দেউতাক ওলাল। তাৰ দেউতাক বুলি চিনিব নোৱৰা হৈছে।

চানাবাপা ওলোৱাৰ লগে লগে ৰাইজৰ মাজত উকি-গিৰজনি আৰম্ভ হ'ল। সকলোৱে চিঞৰিছে— চানাবাপা, চানাবাপা। আচলতে নাটক চাবলৈ আহিলেও সকলোৰে মন চানাবাপাৰ নাচোনতে। এনে হাঁহি মৰা নাচ দেখুৱায় চানাবাপাই! ক'ত বা শিকিছিল নষ্ট যোৱাটোৱে।

চানাবাপাৰ টেঙা টেঙা উগাৰ দুটামান উজাই আহিছিল। সি গিলি পেলালে। সেই সৰুৰ পৰাই কাঠৰ 'চানাবাপা'ক নচুৱাই যি অংগী-ভংগীৰে ৰাইজক সি হঁহুৱাই আহিছে সেই অংগী-ভংগী দেখুৱাব ধৰিলে। লগে লগে ঢোল বজাই ভাউৰীয়াৰ বাকীবোৰে গান আৰম্ভ কৰিলে— চানাবাপা এ ভাল কৰি নাচন দে...

বুদুৰ কিন্তু ঘৰততহে মনটো ঘূৰি ফুৰিছে। যিমানে তাৰ ভোক লাগিছে সিমানে ঘৰলৈ মনত পৰিছে। মাকে-বায়েকে কিজানি ভাত-পানী খাই উঠি শুই পৰিছে এতিয়া মানে। ঘৰত থাকিলে সিও খাব পাৰিলে হয়।

'চেক চেক কৰে চেকুৰ টেঙা
থুপ থুপ কৰে মৈহৰ গাখীৰ
জহা ধানৰ ভাত...'

গান শুনি বাপেকৰ নাচ চাই চবেই হাঁহিছে। বুদুৰ কিন্তু খং উঠি আহিল। ম'হৰ গাখীৰ, জহা ধানৰ ভাত সি দেখাও নাই খায়ো পোৱা নাই। কিয় এইবোৰ গাই গাই নাচিব লাগে?

ৰাতি যিমানে হৈ আহিছে ভাউৰীয়াৰ গানো সিমানে চৰিবলৈ লৈছে। চানাবাপাৰ নাচোন, ৰাইজৰ হাঁহি-খিকিন্দালি সিমানে বাঢ়ি আহিছে। সিফালে বুদু ৰ'ব নোৱৰা হৈ আহিছে। এটা সময়ত ভোকতে সি কান্দি পেলালে।

হাঁহিত মচগুল হৈ থকা কেইবাজনেও তাক ডবিয়ালে। ক'ৰ চলি মৰিবলৈ আহে।

বুদুৰ কান্দোন এইবাৰ দুগুণে চৰিল। তাৰ ঘৰলৈ যাবলৈ মন গৈছে। ভাউৰীয়াৰ মানুহে ঢোল বজাইছে, দেউতাকে কাঠৰ 'চানাবাপা'ক লৈ নাচিছে, গাইছে, ৰাইজে হাঁহিছে— এইবোৰ তাৰ অকণো ভাল লগা নাই। নহয়, সি দেউতাকৰ নিচিনা বহুৱা নহয়। মিটিঙৰ গামোচা, আইনাৰে বন্ধোৱা কাগজ একো নালাগে তাক।

চানাবাপাই ভালেখিনি পৰেই নাচিলে। নাই, এনেকুৱা কোনোদিনে হোৱা নাই তাৰ। কিমান নাচিলে, কিমানক হঁহুৱালে সি। নাই, এনেকুৱা হোৱা নাই। মূৰটো দেখোন ঘূৰাই আহিছে তাৰ। দুটামান টেঙা টেঙা উগাৰ আকৌ উজাই আহিল তাৰ।

চানাবাপাৰ ভাগৰ ভাগৰ লাগিছে। ৰাইজখন, ৰভা খুঁটাকেইটা ঘূৰি থকা যেন লাগিছে। তেও সি কাঠৰ চানাবাপাক নচুৱাই অংগী-ভংগী দেখুৱাবলৈ এৰা নাই।

লাহে লাহে চানাবাপাৰ মূৰটো বেছিকৈ ঘূৰাই আহিল। দিনটো পেটত আজি একোৱেই পৰা নাই তাৰ। দুপৰীয়া হৰেশ্বৰৰ দোকানৰ ৰুটীখনেই যি। ভাউৰীয়াৰ গায়ন-বায়নৰ লগতে চানাবাপাই কাঠৰ 'চানাবাপা' লৈ চাই শেষৰ শাৰী দুটা গাবলৈ লৈছে—

'চানা বাপাই নাচন দিছি দেহাৰ ভাৰসা এৰি
চানাবাপাই নাচন দিছি ৰাইজে চাইছি বেৰি।'

চানাবাপাই পাৰেমানে চেষ্টা কৰিলে নপৰাকৈ থাকিবলৈ। কিন্তু নাই, সি নিজক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে। সি হাঁহিত মছগুল, ৰাইজৰ মাজতে মাটিত বাগৰি গ'ল। তাৰ হাতৰ 'চানাবাপা'ও ক'ৰবাত ছিটিকি পৰিল।

চানাবাপাই নতুন চং দেখুৱাইছে। আগেয়ে মাটিত পৰি দেখুওৱা চানাবাপাৰ এই চং কোনোদিন দেখা নাছিল ৰাইজে। চানাবাপাৰ নতুন চঙত ৰং পাই ৰাইজ হাঁহিত ফাটি পৰিল। ■

*(গল্পটোৰ সংলাপত দৰঙী কথিত ভাষা ব্যৱহাৰ কৰা হৈছে।)*

# ৰং

**শিল্পীশিখা দত্ত**
*স্নাতকোত্তৰ তৃতীয় যাণ্মাসিক, ইংৰাজী বিভাগ*



আইতাই মোক ৰঙৰ লগত খেলিবলৈ শিকাইছিল। বহুত সৰু তেতিয়া মই। মা-দেউতা পুৱাতে কামলৈ ওলাই যায়। মই থাকোঁ আইতাৰ লগত। আইতাই মোক বহুত ছবি দেখুৱাইছিল; আঁকি দেখুৱাইছিল। ৰং বুলাবলৈ দিছিল ছবিত। মোৰ হাতখনত পেঞ্চিল ধৰাই কেতিয়াবা ডাৱৰ অঁকাই দিছিল, কেতিয়াবা তৰা ফুল। তেনেকৈয়ে আইতাই মোক জীৱনত ৰং সানিবলৈ শিকাইছিল। দুনয়নত সপোন আঁকিবলৈ শিকাইছিল। কাৰণ, তেৰোঁ ভাল পাইছিল সপোন আঁকি।

ছবি অঁকাত মই ইমানেই মগ্ন হৈ পৰিছিলো যে অৱশেষত আইতাই মোক তেওঁৰ এগৰাকী বান্ধৱী ড° স্মৃতিস্নিগ্ধাৰ ওচৰলৈ লৈ গ'ল। ড° স্মৃতিস্নিগ্ধা আছিল প্ৰকৃতাৰ্থতে শিল্পী। তেওঁ আজীৱন শিল্পৰ সাধনা কৰিছিল নীৰৱে। প্ৰখ্যাত হোৱাৰ বাসনা তেওঁৰ নাছিল। ড° স্মৃতিস্নিগ্ধাৰ ছবিবোৰ দেখি মই থৰ হৈ ৰৈ গৈছিলো। ছবিবোৰ ইমান প্ৰাণৱন্ত আছিল যে প্ৰতিখন ছবিয়েই অজস্ৰ কথা কৈ গ'ল।

লাহে লাহে মই ছবিৰ ভাষা বুজি পোৱা হ'লোঁ। মোৰ প্ৰতিখন ছবিয়েই মই আলফুলে লৈ গৈছিলো ড° স্মৃতিক দেখুৱাবলৈ। মোৰ প্ৰতিখন ছবিয়েই তেওঁ আন্তৰিকতাৰে চাইছিল যেন মই মহান শিল্পীহে। মই ভাবিছিলো আইতাৰ লগত থকা আন্তৰিক সম্পৰ্কৰ বাবেই তেওঁ মোক ইমান গুৰুত্ব দিয়ে। কিন্তু মোৰ ভুল হৈছিল। ড° স্মৃতি আৰু মোৰ বয়সৰ মাজত যদিও আকাশ-পাতাল পাৰ্থক্য আছিল, আমাৰ দুয়োৰে মাজৰ শিল্পীসত্তাই আমাক ইমান ওচৰ চপাই আনিছিল যে আমি বন্ধু হৈ পৰিছিলো। মন গ'লেই মোৰ সৈতে বজাৰলৈ ওলাই যায়, প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ নিৰ্জন ঠাইবোৰলৈ লৈ যায়, য'ত সৃষ্টিৰ বাসনা জাগি উঠে। মোৰ সৈতে তেওঁ জীৱন আৰু মৃত্যুৰ কথা পাতে, ৰঙৰ সংমিশ্ৰণৰ কথা পাতে; কিছুমান গভীৰ উপলব্ধিৰ কথা পাতে। এসময়ৰ এনে হৈছিল

যে ড° স্মৃতিৰ একমাত্ৰ বন্ধু মই আৰু মোৰ একমাত্ৰ বন্ধু ড° স্মৃতি হৈ পৰিছিল। এদিন মই ড° স্মৃতিক সুধিছিলো—

ঃ আণ্টী, আপুনি বাৰু কেতিয়াৰ পৰা ছবি আঁকিছে?

'শুনা, কৈ যাওঁ' বুলি তেওঁ মোক বহুত কথা কৈ গৈছিল—

ঃ যিদিনা মই প্ৰকৃতাৰ্থত প্ৰথম ছবি আঁকিবলৈ শিকিছিলো, সেইদিনা মই হেৰাই গৈছিলো, পাহৰি গৈছিলো যে পৃথিৱীত তেওঁতকৈ ধুনীয়া কোনোবা আছে।

ঃ তেওঁ মানে কোন আণ্টী?

ঃ তেওঁ আছিল মিঃ এডৱাৰ্ড মেক্স ৰোজেষ্টাৰ। তেওঁ এজন মহান শিল্পী আছিল আৰু পেৰিছৰ পৰা ভাৰত ভ্ৰমণলৈ আহিছিল, দিল্লীৰ পৰা গুৱাহাটীলৈ আহিছিল। তেওঁ আহিছিল ভাৰতীয় আৰ্ট এণ্ড কালচাৰৰ বিষয়ে ৰিছাৰ্চ কৰিবলৈ। তেওঁৰ সৈতে মোৰ প্ৰথম দেখা হৈছিল পোষ্ট অফিচত। মই বিদেশী মানুহজনলৈ চায়েই ৰৈছিলো। তেওঁ যেন এখন জীৱন্ত প্ৰ'ট্ৰেইট আছিল। তেওঁ মোক মাতিব খুজিছিল আৰুময়ো। তেওঁ হাত জোকাৰিছিল আৰু ময়ো। আচলতে, আমি দুয়ো দুয়োকে মাতিবলৈ উত্ৰাৱল হৈছিলো। যেন এজন শিল্পীয়ে আন এজন শিল্পীক অজানিতেই চিনি পাই গৈছিলো।

তেওঁক দেখি মই মুগ্ধ হৈ গৈছিলো। সেই ষ্ট্ৰেঞ্জাৰজনক আকৌ এবাৰ দেখাৰ ইচ্ছা হৈছিল বাৰে বাৰে। আকস্মিকভাৱেই আকৌ এবাৰ তেওঁক লগ পাইছিলো এখন ফাষ্ট ফুডৰ ৰেস্তোৰাঁত। আমি একেলগে বহি কফি খাইছিলো। মই মতাৰ আগতেই তেওঁ মোক চিনি পাইছিল। সেইদিনা তেওঁৰ বিষয়ে সকলো জনাৰ পিছত তেওঁ মোৰ মনৰ বিশাল প্ৰাচীৰত এখন বিশাল প্ৰ'ট্ৰেইট হৈ পৰিছিল। সেইদিনাৰ পৰা মোৰ মনৰ সমগ্ৰ একাগ্ৰতাৰে মই ছবি আঁকিছিলো।

এসপ্তাহৰ পিছত মিঃ মেক্স পেৰিছলৈ উভতি গ'ল। মাজে মাজে তেওঁ মোলৈ চিঠি দিছিল। ময়ো দিছিলো। মোৰ কুৰি বছৰীয়া জন্মদিনত তেওঁ মোলৈ উপহাৰ পঠিয়াইছিল। খুলি চাই দেখিছিলো 'মই'। মোৰ এখন প্ৰ'ট্ৰেইট ফ্ৰেমত বন্ধাই থোৱা আছিল। তলত লিখা আছিল— শিল্পীজনৰ নাম ড° এডৱাৰ্ড মেক্স ৰোজেষ্টাৰ।

সময় বাগৰি গৈছিল। ময়ো মোৰ কেৰিয়াৰক লৈ ব্যস্ত হৈ পৰিলোঁ। ড° মেক্সৰ পৰা চিঠি অহা বন্ধ হ'ল। ময়ো তেওঁক বাৰে বাৰে আমনি কৰাটো উচিত বুলি নাভাবিলো। মাজতে এবাৰ মই পেৰিছৰ আৰ্ট গেলাৰী চাবলৈ যোৱাৰ সুবিধা পালো। মন আনন্দত নাচি উঠিছিল। ভাবিছিলো ড° মেক্সক বিচাৰি উলিয়াম। ছাৰপ্ৰাইজ দিম। ড° মেক্সক ক'ম তেওঁ যে মোৰ বাবে এজন ষ্ট্ৰেঞ্জাৰ, তেওঁ মোৰ আদৰ্শ। পৃথিৱীৰ আটাইতকৈ শ্ৰদ্ধেয় ব্যক্তি তেওঁ মোৰ বাবে। তেওঁ হয়তো হা-হাকৈ হাঁহিব। মোৰ কাণত তেওঁৰ হাঁহিটো বাজি উঠিল। শেষ হ'ব নোখোজা তেওঁৰ সেই হাঁহি। তাৰ পিছত মই এখন এখনকৈ দেখুৱাম তেওঁক মোৰ ছবিবোৰ। পৃথিৱীৰ মহান ব্যক্তিসকলৰ যিবোৰ প্ৰ'ট্ৰেইট আঁকিছো সকলোবোৰ তেওঁক দেখুৱাম। কবি পাৰ্চি বিচি শ্বেলী, ৰবীন্দ্ৰনাথ ঠাকুৰ, এণ্টন চেখভ, ভিনচেণ্ট ভেন ঘখ, ডাণ্টে আদি মহান লোকসকলৰ প্ৰ'ট্ৰেইটসমূহ লগত লৈ গৈছিলো।

পেৰিছৰ আৰ্ট গেলাৰীত এখন বিৰাট ছবিৰ ওচৰত মই থমকি ৰ'লো। ছবিখন আছিল এজনী আধা অঁকা ছোৱালীৰ আৰু ছবিৰ বেকগ্ৰাউণ্ডটো যেন মোৰ আজন্ম চিনাকি। হয়, মোৰ কোনো ভুল হোৱা নাই। সেয়াতো ব্ৰহ্মপুত্ৰৰ সূৰ্যাস্ত। আৰু বেলিটোলৈ চাই থকা আধা অঁকা ছোৱালীজনী আন কোনো নহয়; মই নিজেই। মই 'ড°স্মৃতিস্নিগ্ধা'। একেই আউল-বাউল চুলি, একেই চকুৰ ৰেখা আৰু চাৱনি...। আধা অঁকা এই ওঁঠযুৰি। হয়, স্মৃতিৰ নিজৰ এই ওঁঠ। ছবিখনৰ তলত আৰ্টিষ্টজনৰ নামটো লিখা আছিল— ড° এডৱাৰ্ড মেক্স ৰোজেষ্টাৰ। ছবিখনৰ নাম দিয়া আছিল— 'এ প্ৰিটী ইণ্ডিয়ান গাৰ্ল।' মই নিজকে নিয়ন্ত্ৰণ কৰি ওলাই আহিলোঁ। মিঃ মেক্সৰ বিষয়ে সবিশেষ জানিবলৈ মোৰ বেছি সময় নালাগিল। পেৰিছলৈ যাবলৈ ওলোৱা দিনটোৱেই আছিল মোৰ বাবে আটাইতকৈ আনন্দ-উল্লাসৰ দিন। মোৰ আনন্দৰ অন্যতম কাৰণ আছিল পেৰিছৰ আৰ্ট গেলাৰী আৰু মোৰ বাবে এজন ষ্ট্ৰেঞ্জাৰ হৈ পৰা মিঃ এডৱাৰ্ড মেক্স ৰোজেষ্টাৰ। পেৰিছৰ আৰ্ট গেলাৰীত ভৰি দিয়েই মই সৰ্বশ্ৰান্ত হৈ পৰিছিলো। মিঃ মেক্সৰ বিষয়ে অনুসন্ধান কৰি জানিব পাৰিছিলো— 'A Preety Indian Girl' নামৰ ছবিখনেই আছিল মিঃ মেক্সৰ শেষ ছবি। ছবিখন সম্পূৰ্ণ নহ'ল। পেৰিছত থকা দিনকেইটাত মই বাৰে বাৰে ছবিখন চাবলৈ গৈছিলো। মই ঘণ্টাৰ পিছত ঘণ্টা থৰ লাগি চাই ৰৈছিলো। মোৰ এনে লাগিছিল, তেওঁ যেন শৰীৰৰ তেজেৰে লিখিছিল A Preety Indian Girl। মোৰ অনুমান বিশ্বাসত পৰিণত হৈছিল। মিঃ মেক্সৰ এখন প্ৰ'ট্ৰেইট বিচাৰি মই হাবাথুৰি খালোঁ। নাই তেওঁৰ নিজৰ প্ৰ'ট্ৰেইট নাই। তেওঁ অঁকা নাই নিজক। জীৱনৰ শেষ দিনাও তেওঁ বন্ধ কোঠাত সেই 'A Preety Indian Girl' ক আঁকি আছিল। দুৰাৰোগ্য ব্যাধিত ভুগি শেষ সময়ত তেজ বমি কৰা মানুহজনে তেজত আঙুলি ডুবাই লিখিছিল— A Preety Indian Girl।

পেৰিছৰ পৰা উভতি অহাৰ পিছত মানুহে মোৰ অৱস্থা দেখি মোক পাগল বুলিছিল। মই ঘৰৰ পৰা বাহিৰলৈ ওলাবলৈ এৰি দিছিলো। মোৰ 'কলা নিকেতন' বন্ধ কৰি দিলোঁ। ৰং-

তুলিকাত হাত দিব খুজিলেই মিঃ মেক্সৰ উজ্জ্বল হাঁহি ভৰা মুখখন আৰু 'এ প্ৰিটী ইণ্ডিয়ান গাৰ্ল'-এ মোক বিহ্বল কৰি তোলে। ঠিক কৰিলোঁ মই এখন প্ৰ'ট্ৰেইট আঁকিম— ড° মেক্সৰ। কিন্তু ইমান সহজ নাছিল জানা সেই ষ্ট্ৰেঞ্জাৰজনৰ ব্যক্তিত্ব, অসাধাৰণ ৰূপ তুলিকাৰে ধৰি ৰখাটো। বাৰে বাৰে মোৰ হাত কঁপি উঠিছিল, ৰংবোৰ বাগৰি পৰিছিল মেজত। তাৰ পিছত এদিন তুমি মোৰ ওচৰলৈ আহিলা। তোমাৰ চকুত মই সেই জ্যোতি দেখিলোঁ, যি জ্যোতিয়ে মোৰ মুখমণ্ডলত খেলা কৰিছিল মই মিঃ মেক্স নামৰ শিল্পীজনক দেখাৰ সময়ত। সেইদিনাৰ পৰা মোৰ একমাত্ৰ ষ্টুডেণ্ট তুমি আছিলা। মই তোমাক পাই বহুখিনি সহজ হ'লোঁ। আকৌ এবাৰ ৰং-তুলিকা তুলি ল'লোঁ। এখন বিশাল প্ৰ'ট্ৰেইট আঁকিবৰ বাবে। ওৰেটো ৰাতি মই সাৰে থাকোঁ সেই প্ৰ'ট্ৰেইটৰ বাবে।

ড° স্মৃতিস্নিগ্ধাৰ উপন্যাস উপন্যাস লগা কথাবোৰ শুনি মই স্তব্ধ হৈ গৈছিলো। ওৰে ৰাতি উজাগৰে থাকি ৰংসনা প্ৰ'ট্ৰেইটখন চাবলৈ মোৰ ইচ্ছাৰ অন্ত নাছিল যদিও ড° স্মৃতিয়ে মোক কোনেদিনে চাবলৈ নিদিলে। যিটো কোঠাত তেওঁ প্ৰ'ট্ৰেইটখন আঁকিছিল সেই কোঠাটোত দিনৰ ভাগত এটা তলা মাৰি ৰাখিছিল।

এদিন হঠাতে ড° স্মৃতিয়ে মোক ক'লে— 'তুমি আৰু আহিব নালাগে। ইতিমধ্যে তোমাক শিকাব লগাখিনি মই শিকালোঁ। এতিয়া বাকীখিনি তুমি নিজেই কৰিবা। মোৰ হাতত এতিয়া সময় খুবেই কম। সোনকালে মই প্ৰ'ট্ৰেইটখন শেষ কৰিব লাগে। দিনে-নিশাই মই ব্যস্ত থাকিব লাগিব।'

কৈয়েই তেওঁ দ্বিতীয় মহলালৈ উঠি গ'ল। অভিমানত মই কান্দি পেলালোঁ। তেওঁকনো মই কি আমনি কৰিলোঁহেঁতেন! সেই সময়ত মোৰ এনে লাগিছিল— ড° স্মৃতি যেন এগৰাকী অতি অহংকাৰী মহিলা।

ঘৰলৈ আহি মই আইতাৰ ওচৰত খুব কান্দিলোঁ। আইতা কেইবাদিনো তেওঁৰ ঘৰলৈ গৈ উভতি আহিছিল। তেওঁৰ গেটত তলা। আমি ভাবিব নোৱাৰিলোঁ দিনে-নিশাই ব্যস্ত থাকিম বুলি কোৱা ড° স্মৃতি গ'ল কেনি?

বহুদিন পাৰ হৈ গ'ল। এদিন হঠাতে ড° স্মৃতিৰ পৰা এখন চিঠি পালোঁ। চিঠিত তেওঁ লিখিছিল— 'শিল্পা, প্ৰ'ট্ৰেইটখন আঁকি এইমাত্ৰ শেষ হ'ল, তুমি কিবা প্ৰকাৰে ষ্ট্ৰেঞ্জাৰজনৰ প্ৰ'ট্ৰেইটখন পেৰিছৰ আৰ্ট গেলাৰীত স্থান দিয়াবা। ফ্ৰেমত বন্দী কৰিবলৈ থাকি গ'ল। সেয়াও তুমিয়েই কৰিবা। কিন্তু সাৱধান শিল্পা, তুমি যেন কেতিয়াও প্ৰ'ট্ৰেইটখনত হাত নোবোলোৱা। পিছলৈ ৰং শেষ হৈছিল। বাহিৰলৈ ৰং কিনিবলৈ ওলাই যোৱাৰ সময় নাছিল। সেইবাবে মোৰ বিষাক্ত...'

মই আইতাক লগত লৈ দৌৰ মাৰিলোঁ। দূৰৰ পৰ'ই দেখিলোঁ ড° স্মৃতিৰ ঘৰত মানুহৰ ভিৰ। ভাবিলোঁ, ড° মেক্সৰ প্ৰ'ট্ৰেইটখন... নিশ্চয় এখন অদ্বিতীয় ছবি হ'ব। গৌৰৱত মোৰ বুকু ফুলি উঠিল। ড° মেক্সৰ বিশ্ববিখ্যাত প্ৰ'ট্ৰেট আঁকি বিশ্ববৰেণ্য হৈ পৰা শিল্পী ড° স্মৃতি মোৰ গুৰু। মোৰ ধাৰণা সঁচা আছিল। সাংবাদিক ফটোগ্ৰাফাৰেৰে ঘৰ ভৰি আছিল। মই ভিৰ ফালি আগুৱাই গ'লোঁ।

ড° মেক্সৰ বিশাল প্ৰ'ট্ৰেইটখন দেখি মই কিমান সময় মূৰ্তিৰ দৰে থৰ হৈ ৰৈ আছিলো ক'ব নোৱাৰোঁ। প্ৰ'ট্ৰেইটখনৰ স্ৰষ্টা ড° স্মৃতিৰ কথা মই পাহৰি গৈছিলো। সম্বিৎ ঘূৰাই পাই মই দেখিছিলো প্ৰ'ট্ৰেইটখন ৰখা কোঠাটোতে ড° স্মৃতিৰ নিথৰ দেহ পৰি আছে শুধ বগা এখন বিছনাত। মোৰ ওচৰতে থকা ব্যক্তি এজনে ক'লে— 'ড° স্মৃতিয়ে ব্লাড কেঞ্চাৰত ভুগিছিল। বুজা নাযায় তেওঁ কিয় কোনো চিকিৎসা নল'লে!'

মই প্ৰ'ট্ৰেইটখনৰ আখৰকেইটা চালোঁ। আঙুলিৰে লিখা-- 'ড° এডৱাৰ্ড মেক্স ৰোজেষ্টাৰ, শিল্পী— 'এ প্ৰিটী ইণ্ডিয়ান গাৰ্ল' আখৰকেইটাত বিষাক্ত তেজবোৰ আৰু তেজ হৈ থকা নাই ৰং হৈ পৰিছে। ■

# কাঁচিয়লিৰ তিনিটা সত্য

**কুমাৰী উন্মেষা কোঁৱৰ**
*স্নাতক প্ৰথম বৰ্ষ, হিন্দী বিভাগ*



## এক

'অসম ৰাজ্যিক পৰিবহণ নিগম'ৰ এটা কোলাহলপূৰ্ণ বাছষ্টেণ্ড। তেজপুৰ অভিমুখী বাছ এখনৰ যাত্ৰী হৈ মই অপেক্ষা কৰিছোঁ যান্ত্ৰিক গতিলৈ। খিৰিকীৰ কাষত বহি বাহিৰৰ কিনকিনীয়া বৰষুণজাক উপভোগ কৰিছোঁ। অহা আহিছে, যোৱা গৈছে। ধূলিময় আস্থানটো বৰষুণজাকে লুপথুপীয়া ক'লা বোকাৰে ভৰাই তুলিছে। মহিলাসকলে যিমান পাৰে মেখেলা-শাৰী কোঁচাই লৈছে। হাই হিলবোৰ বেছি বোকাত লেট-পেট হৈ নষ্ট হোৱাৰ ভয়তে যুৱতীসকলে দীঘলকৈ খোজ পেলাইছে। মুখত বিৰক্তি নাইবা ঘৃণা স্পষ্ট। ছিঃ কিমানৰ যে থু-খেকাৰ, প্ৰস্ৰাৱমিহলি সেই বোকা। কাষৰ ষ্টেচনাৰী দোকানৰ পৰা ভাহি অহা ৰক সঙ্গীতেও পৰিৱেশটোৰ বিৰক্তি আঁতৰাব পৰা নাই...।

বিভিন্ন জাতিৰ, বিভিন্ন শ্ৰেণীৰ মানুহেৰে গিজগিজাই থকা ঠাইডোখৰলৈ এইবাৰ আগমন ঘটিল প্ৰায় সাত-আঠজনীয়া এটি কিশোৰৰ দলৰ। বোকাময় মজিয়াত খাদ্যবস্তুৰ সন্ধানত সিহঁতে ঠিক অভিযানকাৰী পুলিচ বিষয়াৰ সতৰ্ক দৃষ্টিৰে নামি পৰিল। প্ৰায় পোন্ধৰ মিনিটমান এৰা-এৰি হোৱাৰ পিছত সিহঁত গোট খালেহি এঠাইত। এইবাৰ প্ৰত্যেকৰে হাততে 'খাদ্যকণা'। সিহঁতে খোৱা আৰম্ভ কৰিলে। আচৰিত! কথা পাতি, হাঁহি-ধেমালিৰে একেলগে খোৱাৰ আনন্দ কি সিহঁতে উপভোগ কৰে! তাৰমানে সিহঁতৰো এটা কলাত্মক মন আছে? হঠাতে দেখিলোঁ, দলটোৰ পৰা এজনী ছোৱালী দৌৰ মাৰি ওলাই আহিল আৰু মোৰ সন্মুখৰ খিৰিকীৰ তলৰ পৰা কিবা এটা বুটলি ল'লে। বাকীবোৰো দৌৰ মাৰি আহি তাইৰ কাষ পালেহি, মুহূৰ্ততে কোহাল— 'দিদি হমে ভী দো না।' মোৰ আগৰ আসনৰ ভদ্ৰলোকজনে ডবিয়াই উঠিল— 'ঐ আঁতৰ হ'। আঁতৰ, পোৱালি আঁতৰ।' খিৰিকীৰ কাষৰ মহিলাগৰাকীয়ে যথাসম্ভৱ ভদ্ৰতাৰে (সম্ভৱতঃ কৃত্ৰিম ক'লা ৰঙৰ ওঁঠত এটি সন্তুষ্টিৰ হাঁহি বিয়পায়) ক'লে— 'পাণখনত জৰ্দা বেছি আছিল। খাব নোৱাৰি উকলিয়াই দিলোঁ। মোৰ পাঁচ টকা এনেয়ে গ'ল।' ভদ্ৰলোকে সামান্য হাঁহিলে।

মোৰ বিড়ালী চকু পুনৰ সিহঁতৰ ওপৰত পৰিল। দুপৰীয়াৰ সাঁজটো খাই, পাঁচটকীয়া পাণেৰে মুহুদি কৰি সিহঁত তেতিয়া খিকিন্দালি কৰি আঁতৰি গৈ আছে...। আপোনা-আপুনি হুমুনিয়াহ এটা ওলাই আহিল। মনত পৰিল অমূল্য বৰুৱাদেৱৰ কবিতাকেইফাকিলৈ—

'সেই দলৰ খাবলৈ পোৱাৰ সভ্যতাত
গঢ়ি উঠিছে,
এই দলৰ খাবলৈ নোপোৱাৰ বৰ্বৰতা।
দুয়ো দলৰ নাম
কুকুৰ।'

## দুই

দাউদাউকৈ জ্বলি আছে জুইকুৰা। কিছুমান মানুহ গৈছেগৈ, কিছুমান আহিছে। পৰিয়ালৰ মতা মানুহবোৰ একে ঠাইতে থুপ খাই আছে। জুইকুৰা সম্পূৰ্ণ নুমাই থৈহে যাব পাৰিব। এইকুৰা জুইলৈকে বহু সময় একেথৰে চাই আছে ঘন বুঢ়াই...। কেইজনমানে বুঢ়াক সান্ত্বনা দিছে— 'দদাই দুখ নকৰিবি। জন্মিলে

মৰিবই লাগিব। তোৰ বন্ধু যেনিবা তোতকৈ দুদিন আগত গৈছে।' নাই বুঢ়াৰ কাণত চাগৈ সেইবোৰ সোমোৱাই নাই। জুইকুৰালৈ চায়েই আছে।

এয়া বুবুলৰ দোকানত ঘন বুঢ়া। সন্মুখত চুলাইৰ বটল। বুঢ়াই এগিলাচ বাকি ল'লে। গাঁওখন আজি ঠাণ্ডা হৈ আছে। গাঁওবুঢ়া মৰিল। সৰু গাঁওখনৰ বাসিন্দাবোৰৰ আত্মীয়তা বেছি। সেয়ে যেন সকলো শোকস্তব্ধ। ঘন বুঢ়াৰ মানসপটত অগাদেৰা কৰিবলৈ ধৰিলে এখন মুখে, য'ত জোনাকৰ স্নিগ্ধ কোমল বোল সনা আছে। য'ত আঁকি থোৱা আছে পুৱাৰ ৰাঙলী সূৰুয। এৰা, এইখনেই তৰামাইৰ মুখ, তিনি বছৰীয়া ভালপোৱাৰে ঘনই যাক আপোন কৰি লৈছিল। অলপ সময়ৰ বাবে অতীতলৈ উভতিল ঘন বুঢ়া। চকুৰ আগত ভাহি উঠিল বিয়াৰ নিশা শপত লোৱা হেংদাংখন পেটত সুমুৱাই তেজেৰে ৰাঙলী হোৱা তৰামাইৰ দেহ...। আনে নুশুনাকৈ ফুচফুচাই কোৱা শেষ কথাষাৰ— 'দেৱেশ্বৰে মোক শেষ কৰিলে...।'

হো-হোৱাই বা-মাৰলি আহিছিল ডেকা ঘনকান্তৰ হৃদয়লৈ— আনে উমান নোপোৱাকৈয়ে। দেৱেশ্বৰৰ মঙহ চোবাবলৈ মন গৈছিল তাৰ। কিন্তু তাৰ হাত-ভৰি যেন অদৃশ্য লৌহ শিকলিৰে বন্ধা আছিল! মানুহবোৰে গুণগুণাইছিল, 'তাই চাগৈ চৰিত্ৰহীন আছিল...।'

হঠাতে মদৰ বটলটো লৈ ঘন বুঢ়া দৌৰ মাৰিলে জুইকুৰাৰ কাষলৈ। দীঘল লাঠীৰে জুইকুৰাৰ পৰা খুঁচৰি আনিলে মঙহ। আধাপোৰা। দেৱেশ্বৰ গাঁওবুঢ়াৰ মঙহ। চুলাইৰ লগত মঙহ খালে ঘন বুঢ়াই। চিএৰি উঠিল কান্দোনৰ অট্টহাস্যৰে, 'দেবু, প্ৰিয় বন্ধু মোৰ, তোৰ মঙহ খালোঁ। বৰ সোৱাদ। হাঃ হাঃ। এদিন, এদিন তয়োতো খাইছিলি তোৰ হৰিভকতনী, মোৰ তৰাৰ মঙহ...।'

মানুহবোৰ ভেবা লাগিল।

## তিনি

কদমকলি গাঁও। সময় তেতিয়া নিশা চাৰে ন। এজাক কিনকিনীয়া বৰষুণ...। কোনোবা গৃহস্থ শুইছে, কোনোবাই নৈশ আহাৰৰ অন্তত চ'ৰাঘৰত মেল মাৰিছে আৰু হয়তো কোনোবাই ভাতৰ গৰাহ মুখত সুমুৱাইছে...।

বাহিৰৰ জপনাখন টানকৈ মাৰি ডিম্বই ঘুমটি অহালৈ বাট চাইছে। ঘৈণীয়েকেও বাহিৰৰ দুৱাৰখনৰ খিলিটো লগাই ল'ৰাটোৰ কাষতে বাগৰ মাৰিছেগৈ। হঠাৎ দুয়োৰে কাণত পৰিল এটা শব্দ— 'ঘঁউখ'। কিবা যেন অমংগলীয়া, কিবা যেন ভয়লগা! বন্তি গিৰীয়েকৰ কাষ পালেহি। নোমবোৰ দুয়োৰে দাং খাই উঠিল। দুয়ো দুৱাৰখন খুলিলে। কিন্তু সিহঁত আচৰিত হ'ল, তিনিদিনীয়া বৰষুণত চোতালত জমা হোৱা পানীবোৰচোন হঠাতে বৰণ সলাই ৰঙা হৈ পৰিল! চোতালৰ জেওৰাখনলৈ চকু গ'ল বন্তিৰ! উস্! তাই ঢলি পৰিল। আধাকটা ডিঙিৰে জেওৰাত হালি থকা এটা মানুহ। ৰঙা পানী, তেজ!

বনজুইৰ দৰে বিয়পি পৰিল ঘটনাটো। হিমুক বিশ্বই কাটিলে। টকাৰ লেনদেন। মদ খাই দাৰে ঘপিয়ালে। কদমকলি নিজম পৰিল। পুলিচ আহিল। ডিম্বক ধৰিলে। প্ৰথমে মৃতদেহ দেখাৰ অপৰাধত পূৰ্ণক ধৰিলে। তাৰ ঠেলাৰে মৃতদেহ থানালৈ নিয়া হৈছিল। দুয়োকে দুৰাতি ৰাখিলে। ঘৰত মূৰঘূৰণি থকা ঘৈণীয়েকক তেৰ বছৰীয়া পুতেকৰ লগত ৰাখি ডিম্ব চিন্তাত কাতৰ। তাতে পুলিচৰ বলিয়ালি, অহেতুক প্ৰশ্ন...।

তৃতীয়দিনা বিশ্ব নিজেই থানাত হাজিৰ হ'লহি। হিমুক খৰি দিয়া হৈছিল। মাকে বেৰত মূৰ খুন্দিয়াই, কপাল চপৰিয়াই কান্দিছে...। মুখেৰে কৈ গৈছে অনৰ্গল— 'একেখন কাঁহীতে দেখোন ভাত খাইছিলি..., একেলগে দেখোন শুইছিলি..., কৈছিলি 'দোস্ত'...। কিয় এনে কৰিলি ঐ... কিয়?'

* * *

শ্ৰদ্ধাৰ পাঠকবৃন্দ, এয়াই আছিল কাঁচিয়লিৰ তিনিটি সত্য। বস্তুবাদী, ভোগবাদী আজিৰ আধুনিক সমাজত আৱেগৰ স্থান জানো আছে। 'মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে, ভাবিব কোনেনো কোৱা?'— প্ৰশ্নটি বাৰু চিৰদিন প্ৰশ্ন হৈয়ে ৰ'ব নেকি? যন্ত্ৰৰ যুগত যন্ত্ৰৰ সমানেই কঠোৰ আৰু যান্ত্ৰিক হৈ পৰিছোঁ আমি। নগ্ন সভ্যতাই, আধুনিকতাৰ ধাৰাল হাতোৰাৰে পিষ্ট কৰিছে মানৱতা, বিৰিঙি উঠিছে কেঁচা তেজ। হিংসামত্ত সমাজে গতি হেৰুৱাইছে। ধৰিত্ৰী আইৰ শুভ্ৰ কোলাতো চেকা লাগিছে।

শান্তি শান্তি বুলি খেপিয়াই ফুৰোঁতে বাৰু অশান্তিৰ সাগৰতে ডুব মাৰিছোঁহি নেকি? পোহৰ বিচাৰোঁতে দেখোন মুঠি মুঠি আন্ধাৰহে পাইছোঁ। আমি অন্ধ বাবে আন্ধাৰ দেখিছোঁ নে সঁচাকৈয়ে চৌদিশ তিমিৰাচ্ছন্ন? উত্তৰ কোনে দিব? কোনেও নিদিয়ে। দিব নোৱাৰে। সকলোৰে অজ্ঞাত এই উত্তৰ। কিন্তু হে পাঠকসকল, হে মানৱ সমাজ, উত্তৰ আমি বিচাৰিব লাগিব। কাঁইটীয়া বাটত ফুলৰ গুটি আমিয়েই সিঁচিব লাগিব। অমানিশাক সোনকালে বিদায় দি আমিয়েই ৰাঙলী সূৰুযক সুন্দৰৰ প্ৰভাতেৰে আদৰণি জনাব লাগিব। ইয়াৰ অন্যথা আমিও কবিৰ দৰে মানিব লাগিব—

'অসত্য বিশ্বৰ লীলা? কোনে কয়? সত্য এই বেদনাৰ গৌৰৱ অক্ষয়,
সত্য এই দিনে দিনে পোহৰৰ অভিযান, সত্য হেৰা
এন্ধাৰৰ জয়।' (দেৱকান্ত বৰুৱা)

সিদ্ধান্ত আমাৰ হাতত, আপোনাৰ হাতত। ■

# নিঃসংগ ছাঁ

**মনীষা বৈশ্য**
*স্নাতক দ্বিতীয় বৰ্ষ, সংস্কৃত বিভাগ*

হাজৰিকাই কোঠাটোৰ দুৱাৰ-খিৰিকীবোৰ খুলি দিলে। বাহিৰৰ বতাহ কোঠাটোৰ ভিতৰত সোমাল। এতিয়াহে হাজৰিকাৰ অকণমান সকাহ পোৱা যেন লাগিল। ৰামুৱে গধূলি নৌহওঁতেই দুৱাৰ-খিৰিকীবোৰ জপাই থৈছিল। সেইবাবে কোঠাটোত অসহ্য গপ-গপনিৰ সৃষ্টি হৈছে। হাজৰিকাই খিৰিকীৰ ওচৰলৈ আৰামী চকীখন আনি বহি ল'লে। হাজৰিকাৰ মনত পৰিল যে আজি পূৰ্ণিমা। তেওঁৰ এবাৰ জোনটো চাবৰ বৰ ইচ্ছা হ'ল। খিৰিকীখনেৰে তেওঁ বাহিৰলৈ চাই পঠিয়ালে। বাহিৰত জোনাকৰ চিনচাব নাই। বিজুলী-বাতিৰ পোহৰে গোটেইখন গ্ৰাস কৰি পেলাইছে।

ঘনকান্ত হাজৰিকা বৰ্তমান সত্তৰ বছৰীয়া বৃদ্ধ, অৱসৰপ্ৰাপ্ত স্কুল পৰিদৰ্শক। পত্নী ঢুকোৱাৰ পিছত তেওঁ কাম কৰা ল'ৰা ৰামুক লৈ এপাৰ্টমেণ্ট এটাত বাস কৰি আছে। হাজৰিকাৰ বাবে ফ্লেটৰ সৰু এপাৰ্টমেণ্ট এটাত বাস কৰা বৰ একঘেয়ামী যেন হৈ পৰিছে। বৰ ইচ্ছা যায় তেওঁৰ নিজে সজা ঘৰটোলৈ উভতি যাবলৈ। কিমান হেঁপাহেৰে তেওঁ ঘৰটো সজাইছিল। সপোনতো ভবা নাছিল যে তেওঁ সেই ঘৰটো এৰি আহিব লাগিব। পত্নী বাসন্তী আৰু হাজৰিকাই প্ৰায়ে কৈছিল— 'আমি দুয়ো এই ঘৰটোত শেষ দিনলৈ থাকিম দেই।' অৱশ্যে বাসন্তী সেই ঘৰটোত মৃত্যুৰ আগলৈকে থাকিল। বাসন্তী মৰাৰ পিছতো হাজৰিকাৰ অকণো ইচ্ছা নাছিল সেই ঘৰটো এৰিবলৈ। কিন্তু তেওঁৰ একমাত্ৰ পুত্ৰ ৰণে তেওঁক তাত থাকিবলৈ নিদিলে। কাৰণ সেই ঘৰটোত থাকিলে বাসন্তীৰ স্মৃতিয়ে তেওঁক আমনি কৰি থাকিব হেনো। হাজৰিকাৰ বৰ অসুবিধা হয় এনেদৰে নিঃসংগ জীৱন কটোৱাটো। কেতিয়াবা তেওঁৰ মন যায় যে তেওঁ কোনো এখন বৃদ্ধাশ্ৰমলৈ গুচি যাব নেকি? অন্ততঃ তাত কথা-বতৰা পাতিবলৈ সংগী থাকিব। কাম কৰা ল'ৰা ৰামুৰ লগতনো কিমান কি কথা পাতিব। সি নিজৰ কামকলৈয়ে ব্যস্ত।

অতীতৰ কথাবোৰ পাগুলি থকাটো হাজৰিকাৰ নিঃসংগ জীৱনত অভ্যাসত পৰিণত হৈছে। স্থিৰ চিত্ৰৰ নিচিনাকৈ ভাহি আহে সকলোবোৰ কথা। ৰণ, বাসন্তী আৰু হাজৰিকা— তিনিটা প্ৰাণীৰ সংসাৰখন। সাদৰী বাসন্তী সকলো সময়তে হাজৰিকাৰ ছাঁটোৰ দৰে আছিল। সকলোৱে নিজৰ কামত ব্যস্ত আছিল। হাজৰিকাই অফিচ কৰিছিল, বজাৰ-সমাৰ কৰিছিল। বাসন্তীয়ে ঘৰুৱা কাম-বনৰ লগতে ৰণক পঢ়ুৱাইছিল আৰু তাৰ লগত খেলিছিল। ৰণ পঢ়া-শুনাত সৰুৰে পৰা চোকা আছিল। সেয়েহে মাক-বাপেকে তাক এজন ডাক্তৰ হৈ ওলোৱাত যিমান আনন্দ লাগিল; তাতকৈ বেছি দুখ লাগিল তেতিয়া— যেতিয়া সি আমেৰিকালৈ চাকৰি কৰিবলৈ ওলাল। বাসন্তী আৰু হাজৰিকাৰ অলপো ইচ্ছা নাছিল একমাত্ৰ পুত্ৰক সাত সাগৰ তেৰ নদীৰ সিপাৰলৈ পঠিয়াবলৈ। তেওঁলোকৰ মতে, তেওঁলোকৰ পুত্ৰই ওচৰতে থাকি নিজৰ দেশৰ মানুহক চিকিৎসা সেৱা আগবঢ়াওক। ৰণ গুচি গ'ল মাক-বাপেকৰ মৰমৰ দাবীক আওকাণ কৰি। সি গ'ল যি গ'লেই। কেতিয়াও সি আকৌ মাক-বাপেকৰ ওচৰলৈ স্থায়ীভাৱে উভতি অহাৰ ইচ্ছা নকৰিলে। সি যোৱাৰ পিছৰে পৰা হাজৰিকাৰ



ঘৰৰ আচল পোহৰখিনি নোহোৱা হৈ গ'ল। বাসন্তীয়ে অনবৰতে আমন-জিমনকৈ থকা হ'ল। হাজৰিকাৰো একো কামতে ভালকৈ মন নবহা হ'ল। তথাপি হাজৰিকা আৰু বাসন্তী ইজনে আনজনৰ সান্নিধ্যত সুখেৰে কটাই থাকিল। মাজে মাজে ৰণ তেওঁলোকৰ ওচৰলৈ আহে। ৰণ থকাদিনকেইটা ঘৰখন একেবাৰে ৰঙীণ হৈ থাকে। আকৌ গুচি যায় মাক-বাপেকৰ বুকু শুদা কৰি।

সময় বাগৰিল। হাজৰিকাই চাকৰিৰ পৰা অৱসৰ পালে। বাসন্তীৰ বয়স বাঢ়িল। বহুতকেইটা বেমাৰেও একেলগে লগ দিছে। হাই ব্লাড প্ৰেছাৰ, ডায়েবেটিছ আৰু সৰু-সুৰা বহুতো। আজিকালি ৰণ একেবাৰে নহায়েই হ'ল। সি আমেৰিকাত একেবাৰে স্থায়ী হৈ পৰিছে। অৱশ্যে হাজৰিকা আৰু বাসন্তীয়ে ৰণ অবিহনে থাকিবলৈ ইতিমধ্যে শিকি পেলাইছে। তথাপি বাসন্তীৰ মাতৃ হৃদয় ৰণক এবাৰ চাবলৈ ব্যাকুল হৈ থাকে। ফোনত কিমান ক'লে, এবাৰ তাক আহি যাবলৈ। সদায় তাৰ ব্যস্ততাৰ বিষয়ে কয় আৰু কেইদিনমানৰ পিছতে সি 'আহি আছোঁ' বুলি কয়। মৰাৰ আগত বাসন্তীয়ে ৰণৰ লগত পতা শেষ কথাকেইষাৰত তাক কৈছিল যে বাসন্তীৰ বোৱাৰীৰ মুখ চোৱাৰ বৰ হেঁপাহ। গতিকে সি সোনকালে অসমলৈ আহি নিজৰ বাবে ছোৱালী পছন্দ কৰি বিয়াখন পাতিব লাগে। তাৰ উত্তৰস্বৰূপে যিখিনি কথা সি ক'লে, হাজৰিকা আৰু বাসন্তী বজ্ৰাহত হৈ পৰিল। 'মা, বিয়াখনৰ কথা মই নভবা নহয় আৰু সেইবাবে ইতিমধ্যে মই নিজৰ বাবে ছোৱালী ঠিক কৰি থৈছোঁ আৰু তোমাৰ হ'বলগীয়া বোৱাৰীজনীৰ নাম মাৰিয়া হেনৰী। তাই মোৰ সহকৰ্মী। বিয়াখন মই অসমতে পাতিম বুলি ভাবিছিলো, কিন্তু মাৰিয়াৰ হেনো অসমত বিয়া পাতিলে অসুবিধা হ'ব। গতিকে বিয়াখন আমেৰিকাতে হ'ব।' হাজৰিকা আৰু বাসন্তীয়ে সপোনতো ভবা নাছিল ৰণৰ এনেকুৱা সিদ্ধান্তৰ বিষয়ে। কেতিয়াও ভবা নাছিল মাক-বাপেকৰ অনুমতি অবিহনে সি খ্ৰীষ্টান ছোৱালী এজনী বিয়া পাতিব। হাজৰিকা আৰু বাসন্তীহঁতে প্ৰতিবাদ কৰিবলৈও ভাষা বিচাৰি নাপালে।

আমেৰিকাত ৰণৰ বিয়া হৈ গ'ল। বৰ জোৰ দিছিল সি মাক-বাপেকক যাবলৈ। মাক-বাপেকৰ মনে তালৈ যাবলৈ নকয়; তথাপি বাসন্তী সুস্থ অৱস্থাত থাকিলে কথা বেলেগ হ'লহেঁতেন। পুতেকৰ সিদ্ধান্তৰ বিষয়ে শুনাৰ পিছৰে পৰা বাসন্তীৰ বেমাৰ বেছি হৈ গৈছিল। ৰণৰ বিয়াৰ ছয় নে সাত দিনমান পিছত কিবা কৰি থাকোঁতে বাসন্তী মূৰ ঘূৰাই পৰি গ'ল। হাজৰিকাই ওচৰতে বাতৰিকাকত পঢ়ি আছিল। দৌৰি গৈ দেখে যে বাসন্তীৰ নাকে-মুখে তেজ। কঁপা কঁপা হাতেৰে টেলিফোনৰ ৰিচিভাৰটো দাঙি নাৰ্ছিং হোমত খবৰ দিলে। কিছু সময়ৰ পিছত এম্বুলেঞ্চ আহি বাসন্তীক লৈ গ'ল। ডাক্তৰে চাই-চিতি ক'লে যে বাসন্তীৰ অৱস্থা একেবাৰে সংকটজনক। I C Uত ভৰ্তি কৰিব লাগিব। তাত ভৰ্তি কৰাৰ আগতে কোনোবা যদি আহিবলগীয়া আছে খবৰ দিব লাগে। ৰণক হাজৰিকাই খবৰ দিলে। ভীষণ ব্যস্ত সি, তাতে নতুনকৈ বিবাহিত। যি কামত সি ব্যস্ত হৈ আছে, সেই কামখিনি সমাধা কৰি অহালৈ অন্ততঃ তাৰ তিনি দিন লাগিব। I C Uত ভৰ্তি কৰোৱাৰ দুদিনৰ দিনলৈ বাসন্তীৰ চকু মেল খোৱা নাছিল। কিন্তু হঠাৎ চকু দুটা এবাৰ মেলি দিছিল আৰু ইফালে-সিফালে চাইছিল। এনেকৈ এবাৰ-দুবাৰ চাই আকৌ চকু দুটা মুদি দিছিল চিৰদিনলৈ। ডাক্তৰে কৈছিল যে মৰাৰ আগমুহূৰ্তত কাৰোবাক চাব বিচাৰিছিল। হয়তো একমাত্ৰ সন্তানৰ মুখখন এবাৰ চোৱাৰ বৰ হেঁপাহ আছিল। বেচেৰীৰ আশাবোৰ পূৰ্ণ হ'বলৈ নাপালে।

অভাৱনীয় ঘটনাটোৱে হাজৰিকাৰ হৃদয় চূৰ্ণ-বিচূৰ্ণ কৰি থৈ গ'ল। হাজৰিকাৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল— 'হে ভগৱান, তুমি কিয় ইমান নিষ্ঠুৰ; পুত্ৰ-বোৱাৰীৰ সুখ মোৰ ভাগ্যত নিলিখিলাই। অৱশেষত একমাত্ৰ সংগিণীকো মোৰ ওচৰৰ পৰা আঁতৰাই লৈ গ'লা।' মাকৰ মৃত্যুৰ দুদিনৰ পিছত ৰণ ঘৰলৈ অকলে আহি পালে। মাকৰ ফটোখনলৈ চাই সি চকুপানী মচিলে। দেউতাকৰ অৱস্থাতো দেখি সঁচাকৈয়ে তাৰ দুখ লাগিল। আহিয়েই সি চিন্তা কৰিলে যে দেউতাকে এই ঘৰটোত থকাটো ভাল নহ'ব; কিয়নো মাকৰ স্মৃতিয়ে আমনি কৰি থাকিব। কিন্তু দেউতাকৰ অৱস্থাটো দেখি তাৰ সাহস হোৱা নাই এই বিষয়ে ক'বলৈ। দেউতাক কিছু স্বাভাৱিক অৱস্থালৈ অহাত সি লাহেকৈ ক'লে। দেউতাকে খঙতে চিঞৰি ক'লে— 'মই এই ঘৰটো এৰি ক'লৈকো নাযাওঁ; বাসন্তীৰ স্মৃতি বুকুত বান্ধি থকা দিনকেইটা এই ঘৰটোতে থাকিম। তই মোৰ কথা চিন্তা কৰিব নালাগে।' ৰণ কিন্তু নিজৰ কথাত আঁকোৰ-গোজ। অৱশেষত একমাত্ৰ সন্তানৰ সিদ্ধান্তক উপেক্ষা কৰিব নোৱাৰি হাজৰিকা, কাম কৰা ল'ৰা ৰামুক লৈ এপাৰ্টমেণ্টৰ বাসিন্দা হ'বলৈ আহিল। ৰণে দেউতাকৰ লগত দুই-এদিন থাকি গোটেইখিনি সা-সুবিধা কৰি দিলে। পুনৰ আকৌ আমেৰিকালৈ গুচি গ'ল। ৰণ যোৱাৰ লগে লগে হাজৰিকাৰ চাৰিওফালে শূন্য যেন লাগিল। বাসন্তী, নিজৰ এৰি অহা ঘৰটো— এইবিলাকে অনবৰতে মনটোত খুন্দিয়াই থাকিল। সময়বিলাক তেওঁৰ বাবে বোজাস্বৰূপ হৈ পৰিল। এটা ঘৰতে সোমাই থাকি তেওঁ একেবাৰে হতাশ হৈ পৰিল। সদায় গধূলি সময়ত তেওঁ এনেকৈ খিৰিকীৰ ওচৰত বহি অতীতৰ কথাবিলাক ভাবি থাকে। কি আছিল কি হৈ গ'ল। কেতিয়াও তেওঁ ভবা নাছিল তেওঁ যে ইমান নিঃসংগ হৈ পৰিব। মাজে মাজে তেওঁৰ ঈৰ্ষা হয়, যেতিয়া তেওঁৰ সমনীয়া বৃদ্ধবিলাকে নিজৰ পত্নীক লগত লৈ ফুৰিবলৈ যায়, নিজৰ নাতি-পুতিৰ লগত হাঁহি-ধেমালি কৰি থাকে।

'দেউতা ভাত দিছোঁ' ৰামুৰ মাত শুনি হাজৰিকা চক খাই উঠিল। কথাবোৰ ভাবি থাকোঁতে কেতিয়ানো দহ বাজিল ক'বই নোৱাৰিলে। হাজৰিকাই আৰামী চকীৰ পৰা উঠি সন্মুখৰ খিৰিকীখন বন্ধ কৰি দিলে। বাহিৰত বিজুলী-বাতিবোৰ তীক্ষ্ণভাৱে জ্বলি আছে। তেওঁৰ অসহ্য লাগিল। জোনটো চাবলৈ বৰ হেঁপাহ হৈছিল। জোনটোও যেন আজিকালি তেওঁৰ নিচিনাকৈ নিঃসংগ হৈ পৰিছে আৰু বাসন্তীৰ মুখখন আহি ছয়ামমাকৈ হাজৰিকাৰ আগত ধৰা দিছে। ■

# এইজনী দেখোন মাধৱী

**অনন্ত গগৈ**

*স্নাতক তৃতীয় বৰ্ষ, ভূগোল বিভাগ*



**প্ৰথমাংশত শেষৰ দৃশ্য**

এদিনৰ পিছত ৰঙাপাহাৰৰ দাঁতিৰ নেপালী বস্তিৰ পৰা উভতি আহে অৰূপ। আজি গধূলিতে পাইছিলহি সিহঁত। অৰূপৰ ক'লা বেগটোত নথিপত্ৰ, পিষ্টল আছিল আৰু কিছু গুলী। আন্ধাৰ। বেৰৰ জলঙাৰে চোৰা চকুহালেৰে ধৰিব পাৰিছিল মাধৱীয়ে, নঙলাৰ ফালে কোনোবা এটাই জোপ লৈ আছে। ৰাতি নমান বাজিছিলহে চাগৈ। মাধৱী আৰু অৰূপহঁত সাৰে আছিল। অৰূপহঁত সচকিত হৈ উঠে, পিষ্টলটো খামুচি ধৰে। জানিছিল নহ'বলগীয়া কিবা এটা হ'ব।

ঃ যা যা, পলা—

মাধৱীয়ে চেপা মাতেৰে কৈছিল। পিছদুৱাৰেদি গৈ পাঁচোটাই পিছফালৰ পুখুৰীৰ পাৰত থকা কঁঠালজোপাৰ আঁৰ লৈছিল। মাধৱীয়ে ধৰিব পাৰিছিল কিছুমান জোতাৰ খোজৰ শব্দ নঙলাৰ ফালৰ পৰা সন্তৰ্পণে ঘৰৰ ফালে আহি থকা। চোতালৰ ওচৰতে শেষ হৈছিল শব্দবোৰ আৰু মাধৱীৰ ঘৰৰ আগদুৱাৰত প্ৰচণ্ড দুটামান গোৰ পৰিছিল। তাই গৈ দুৱাৰ খোলাৰ প্ৰয়োজনবোধ কৰা নাছিল। কাঠৰ দুৱাৰখনৰ শলখাডাল ছিটিকি পৰাৰ লগে লগে দুফাল হৈ মেল খাই গৈছিল।

ঃ ক'ত গ'ল, ক'ত গ'ল? বিচাৰ তাক, চালা... হাৰামজাদা—

লগে লগে মাধৱীৰ শৰীৰত বুট জোতাৰ প্ৰচণ্ড গোৰ এটা পৰে। মাধৱী উফাল খাই পৰে বহুদূৰত। মুখেৰে অস্ফুট স্বৰ এটা চেঁপা খাই ওলাই আহে। কান্দিছিল তাই।

ঃ নেহী হ্যে, নেহী হ্যে—

কথাবাৰৰ লগে লগে বন্দুকৰ কুন্দাৰ খুন্দা পৰিছিল তাইৰ বুকুত, মুখত। সিহঁতে দলিয়াই দিছিল ঘৰৰ সকলো বয়বস্তু। অৰূপক বিচাৰিছিল। পিছফালে গৈছিল, টৰ্চ মাৰি চাইছিল ইফালে-সিফালে। এজনে মাধৱীক চোঁচৰাই আনিছিল পিছচোতাললৈ। চুলিত ধৰি ঘটালি দিছিল। মাধৱীৰ মুখেৰে এসোঁতা তেজ বৈ আহে। বন্দুকৰ একোটা খুন্দাত বিকট চিঞৰ এটা বাহিৰ হৈ আহিছিল তাইৰ মুখেৰে। ঠিক তেতিয়াই প্ৰচণ্ড জোৰত গুলীয়াগুলী আৰম্ভ হৈছিল। বাঁহনিৰ ফালৰ পৰা, কঁঠাল গছৰ আঁৰৰ পৰা অহা বন্দুকৰ গুলী। প্ৰায় পোন্ধৰ-বিছ মিনিটমান সময় পাৰ হৈছিল। মাধৱীৰ কাষতে দুজনমান পুলিচ ঢলি পৰিছিল। লাহে লাহে কঁঠাল গছৰ ফালৰ পৰা অহা গুলীৰ শব্দ বন্ধ হৈছিল। মাধৱীয়ে দেখিছিল, সেউজীয়া চোলা পিন্ধা কোনোবা এটা কঁঠালজোপাৰ আঁৰৰ পৰা দৌৰি যোৱা। হয় হয়, সেইটোৱে অৰূপ। মাধৱীয়ে চিনি পাইছে তাক।

ঃ ধৰ ধৰ। ক'ত পলাবি? হাৰামজাদা। পকড়ৌ উছে।

তাৰ পিছত বহুকেইজাঁই গুলীৰ শব্দ। সীমাৰ জেওৰাখন মটক্ মটক্কৈ ভাগিছিল। আৰু সেইফালেদিয়ে পুলিচ আৰু আৰ্মীৰ দলটোৱে অৰূপহঁতক কেন্দ্ৰ কৰি খেদি গৈছিল। মাধৱীয়ে এখন হাতেৰে বুকুত আৰু আনখনেৰে মাটিত ভেঁজা দি উঠিবলৈ চেষ্টা কৰিলে। ঘৰটোৰ বেৰত ধৰি ধৰি নঙলাৰ ফালে গৈছিল আৰু আন্ধাৰতে গাঁৱৰ একা-বেঁকা মাটিৰ ৰাস্তাটোত দৌৰিবলৈ চেষ্টা কৰিছিল। দৌৰিছিল তাই। কোঁৰাৰিয়েদি কেঁচা তেজ বৈ অহাৰ উমান পাইছিল, তথাপি দৌৰিছিল তাই। দৌৰিয়ই আছিল... অলপ দূৰ দৌৰাৰ পিছত বুকুখন খুন্দা মাৰি ধৰিছিল। মুখেৰে ঘক্ ঘক্কৈ মাত দিছিল...

## আৰম্ভণি

পুৱাতে মাধৱী ওলালহি। ওলায়হি তাই কেতিয়াবা।

ঃ ছাৰ...,

ঃ অ', ৰাতিপুৱাই যে!

ঃ কালি অৰূপ আহিছিল।

মণিকান্ত এপলকলৈ থৎমৎ খাই যায়। তগৰ ৰিহাৰ আগটোৰে হাতখন মোহাৰি ভিতৰৰ পৰা ওলাই আহে আৰু মাধৱীৰ গাতে গা লগাই ফুচফুচাই ক'বলৈ ধৰে—

ঃ কেতিয়া, কিয়, ঘৰলৈ নাহিল কিয়?

সহস্ৰ প্ৰশ্ন। মাধৱীয়ে তগৰৰ ফালে চাই ৰয়।

ঃ কৈছিলো, ছাৰে বেয়া পাব বুলিয়ে নাহিল। লগত আৰু কেইজনমান আছিল। কাম আছে, ৰাতিয়েই নৈ পাৰ হৈ ৰঙাপাহাৰৰ নেপালী বস্তি পাবগৈ লাগে হেনো। ভালে আছে।

ঃ আৰু দেখিবলৈ?

ঃ অলপ খীণালে।

মণিকান্ত চকীৰ পৰা উঠি গুচি যায়। তগৰে ভেবা লাগি চাই ৰয় মণিকান্ত যোৱাৰ ফালে। তেওঁ চাই ৰোৱা চকুহালে নিজৰে বুকুখনত ক'ৰবাত খুন্দা এটা মাৰি বুকুতে চাগৈ নিতাল মাৰে। চকুহাল মাথোঁ চলচলীয়া হৈ পৰে। মাধৱীৰো। মাধৱীয়ে অনুভৱ কৰিব পাৰে তেওঁলোকৰ বুকুৰ দুখন যুদ্ধক্ষেত্ৰৰ বিষয়ে। তাইৰ নিজৰে বুকুখন! তাকো এখন চলিত যুদ্ধই নিশ্চয়তা আৰু

অনিশ্চয়তাৰ বাটেৰে লৈ যোৱা নাইনে?

ঃ যাওঁ। —মাধৱীয়ে হাতৰ খাৰুযোৰ জোকাৰি চাইছে। তাই বহাৰ পৰা উঠিল। জিকমিকনি উঠিছে সোণৰ দৰে। সোণ নহয়, সোণপানী চৰোৱা।

কথাবাৰ ক'ম বুলিয়ে তাই আহিছিল— আই চোৱা, কালি অৰূপে দিছে।

কিন্তু ক'ব নোৱাৰিলে। নঙলাডাল পাৰ হওঁতে পুনৰ হাতখনলৈ চালে আৰু সেই বিশেষ মুহূৰ্তটোলৈ মনত পেলালে—

ঃ ওঁহো, নালাগে মোক দিব। ঘৰলৈ যোৱা, মা-দেউতাৰ কাৰণে কিবা এটা লৈ যোৱা।

অৰূপে অলপ পৰ টলকা মাৰিছিল।

ঃ ল'বনে? মায়ে হয়তো কিবা এটা ভাবিব, কিন্তু দেউতাই?

ঃ তুমি উভতি আহা এইবোৰৰ পৰা। কিয় বাট বুলিছা মৃত্যুৰ পথেৰে?

মাধৱীয়ে কৈছিল অৰূপক। কোঠাটোৰ চুকত কেৰাচিনৰ চাকি এটা। কিয় জানো, অলপ ক্ষোভত মাধৱীৰ নাকৰ পাহি দুটা ফুলি উঠিছিল কওঁতে। অলপ পোহৰ অলপ আন্ধাৰৰ কঁপনিত অৰূপৰ চকুহালে মাধৱীক খেপিয়াই পাইছিল আৰু চকুহাল সেমেকি উঠিছিল।

ঃ মই যাওঁ। প্ৰাঞ্জল, চাইকেলকেইখন উলিয়া।

মাধৱীয়ে তাৰ চকুহাললৈ থৰ লাগি চাই কুৰুকি কুৰুকি সোমাই যাব খুজিছিল তাৰ বুকুখনলৈ। দুয়ো বহি থকা বাঁহৰ চাংখনৰ পৰা আগলৈ হাউলি অৰূপে জোতাৰ লেচ মাৰিছিল।

ঃ উভতি আহিম এদিন।

মাধৱীৰ মুখৰ পৰা হুমুনিয়াহ এটা বাগৰি আহিল।

ঃ আচলতে আমিও কিবা এটা বিচাৰি গৈছিলো, সপোন দেখিছিলো।

মাধৱীয়ে অৰূপহঁতৰ সপোনৰ আঁত বিচাৰিছিল আৰু একেই তেজ আৰু ধোঁৱা দেখিছিল সন্মুখত। অৰূপ উঠি যায় কাষৰ পৰা। মাধৱীয়ে পুনৰ লিৰিকি চায় খাৰুযোৰ আৰু কোঠাৰ কোণৰ চাকিটো লৈ অৰূপৰ পিছে পিছে যায়।

ঃ চাকিটো নানিবা, কোনোবাই দেখিব।

মাধৱীয়ে ফু মাৰি নুমুৱাই দিছিল। বাহিৰত পকা জোনাক। চোতালৰ কাষৰ নাৰিকলজোপাৰ কঁপি থকা পাতবোৰে পুঁজবৰণীয়া জোনৰ পোহৰ চিৰাচিৰকৈ কাটিছে।

ঃ যাওঁ। —শেঁতা হাঁহি এটা মাৰিছিল সি।

সেই জোনাক ফালি পাঁচখন হিৰো চাইকেল পদূলিয়েদি ওলাই গৈছিল। মাধৱী বহু পৰ চোতালৰ জোনাকৰ মাজত ঠিয় দি আছিল। ক'ত থৈছিল মাধৱীয়ে, তাই পাহৰিছে— মাকৰ যৌতুকীয়া চুক ভগা মুগা ৰঙৰ বাকচটোত নে সমাজবিদ্যাৰ কিতাপৰ মাজত। নে অৰূপে হাইস্কুলত পঢ়ি থাকোঁতে দিয়া জ্যামিতি বাকচটোত থৈছিল কবিতাটো—

ঃ লোৱা।

ঃ কি?

ঃ তুমি পঢ়ি ভাল পাবা...

ঃ কিনো?

ঃ কবিতা।

ঃ কোনে লিখা, হীৰুদা নে সমীৰ তাঁতীয়ে?

ঃ ওঁহো, মোৰ।

ঃ তুমিও কবিতা লিখা।

বৰ আকুলতাৰে খুলিছিল কাগজখিলা আৰু ওপৰে ওপৰে চকু ফুৰাই চাইছিল।

ঃ মই ঘৰত গৈ পঢ়িম, হাঁ!

সি আঁতৰি গৈছিল মিচিকিয়া হাঁহি মাৰি। মাধৱীয়ে আলফুলে ভৰাই থৈছিল কবিতাটো বহী এখনৰ মাজত। আৰু ঘৰত বগা ৰঙত নীলা পাৰী দিয়া চাদৰ-মেখেলাযোৰ খুলিয়েই মেলি লৈছিল কাগজখিলা।

'এতিয়াও বৈ আছোঁ
বাটৰ সিটো মূৰলৈকে চাইছোঁ।
তুমি পোৱাহি নাই তোমাৰ বাবেই আনে নেদেখাকৈ,
বাটৰ কেঁকুৰিটোত থিয় দি আছোঁ,
মৌ মিঠা মুখৰ তোমাৰ অলকানন্দা হাঁহি।
খোপাত কি ফুল আহিবা গুঁজি?
মোৰ হাতৰ ভাঁজত এৰি যাবা তাৰে এটুকুৰা সুগন্ধি।'

মাধৱীয়ে পাহৰিলে ক'ত থ'লে এই কবিতাটি। চোতালৰ জোনাকবোৰ গাৰ পৰা এৰুৱাই বাৰাণ্ডাত উঠিছিল। চাকিটো জ্বলাই বাঁহৰ চাংখনৰ তলত থকা বাকচটো গাৰ ফালে টানি আনিছিল। আছেনে ইয়াতে? আৰু বুকুত অৰূপৰ মুখখন এখন জলছবিৰ দৰেই কঁপি উঠিছিল।

* * *

মণিকান্তক পেটে পেটে ঘন গাঁওবুঢ়াই দেখিব নোৱাৰে। বেয়া পাই গাঁৱত। গাঁৱত ঘন গাঁওবুঢ়াৰ চৰিত্ৰ পঢ়িব পৰা মানুহ কেৱল এজনেই। সেয়া মণিকান্ত। সিদিনা অৰূপৰ কথা তিনিআলিতে পাই উনুকিয়াইছিল। মণিকান্তয়ো উভতি ধৰিলে— হেৰা, কথা ক'লেই হয়নে, প্ৰমাণ আছে কিবা? ঘন গাঁওবুঢ়াই কিবা এটা কৈছিল। নুশুনিলে। মণিকান্তই নিজৰ বাট ল'লে।

তিনিআলিটো পাৰ হৈয়ে এখন বহল পথাৰ। পথাৰখন পাৰ হৈয়ে গাঁৱৰ পশ্চিম পাৰটো। তাৰে চপল ডাক্তৰৰ পৰা কজলাৰ কাৰণে দৰব আনিবলৈ ওলাইছে। শিল দিয়া ৰাস্তাটোত চাইকেলৰ কেৰকেৰণি এটা লৈ আগবাঢ়ে মণিকান্ত। দুকাষে বহল পথাৰ। পঁচা পঁচা গোন্ধ এটা ওলাইছে। বানে আহি মাৰি যোৱা ধানৰ গোন্ধ। মূৰৰ ওপৰত তেলতিপৌ চৰাই কেইজনীমান কল্‌কলাই উৰি আছে। তাতোকৈ ওপৰত এজাক শগুন। ক'ৰবাত কিবা এটা মৰিল চাগৈ। মৰিবই। হেৰেক-পেৰেককৈ যোৱা চাইকেলখন অলপ দূৰ আগবঢ়াৰ লগে লগে ভেকেটা গোন্ধটো আহি মণিকান্তৰ নাকত লাগে।

নাকটোৰ লগতে কপালখনো কোঁচ খাই যায়। টিলা এটাত মৰা গৰু এজনী পৰি আছে। মণিকান্তৰ কজলা গৰুটোৰো ডিঙিৰ ঘকঘকনিটো ভাল হোৱা নাই। মণিকান্তই দুয়োকাষৰ বহল পথাৰৰ সিমূৰলৈকে চাই পঠিয়ালে। কেইমাহমানৰ আগত সেউজীয়া সাজ পিন্ধি সঁজাল ধৰা পথাৰথন মদৰুৱা ৰঙৰ হ'ল। গাঁৱৰ সহজ-সৰল মানুহবোৰে নুবুজে এই কথাবোৰ। পেটৰ ভাতমুঠিৰ কাৰণেই বুজিলেও মূৰ দোৱাই। গোটেই গাঁৱত এতিয়া ভোকৰ জুই। গাঁওবুঢ়াৰ চোতাললৈ ট্ৰাকে ট্ৰাকে চাউলৰ বস্তা আহিছে। ক'ত পালে ইমান টকা, ইমানেই উদাৰনে? সেয়া মানুহৰ তেজ-ঘাম শোষণ কৰি ঘটা টকা নহয়নে। চৰকাৰে পঠিওৱা মথাউৰিৰ টকা কেনি গ'ল? গাঁওবুঢ়া আৰু ঠিকাদাৰৰ পেটত সোমোৱা নাইনে? অসচেতনতা আৰু আৰ্থিক দুৰ্বলতাত মানুহৰ দৃষ্টি হেৰাল। মণিকান্তৰ মনত বাৰে বাৰে জহি-খহি যোৱা স্কুলখনৰ ছবি ভাহি উঠে। পথাৰৰ পঁচা গোন্ধটোৱে মাজে মাজে আমনি কৰে। মণিকান্তৰ ভাবনাৰ আন এখন পথাৰ।

বাটতে মাধৱক লগ পায়।

ঃ ছাৰ ছাৰ... ৰ'বচোন, ৰ'ব।

মণিকান্তই বাটৰ একাষলৈ গৈ ৰৈ দিয়ে।

* * *

স্কুল চৌহদৰ বকুলগছজোপাৰ তলত হেনো মিটিংখন। কালি বাটত মাধৱে লগ পাই মাতিছিল। আজি তাতে ৰ'দটোও চেঙা। ঘন গাঁওবুঢ়া বকুলজোপাৰ গুৰিতে ঠিয় দি আছে। গছজোপাৰ গুৰিত এতিয়াও নদীৰ বালিয়া মাটিৰ কলপ এটা আছে। মৰিব চাগৈ। গছজোপা মৰিব। পাতবোৰ এফালৰ পৰা লেৰেলি আহিছে। এমাহ দিনলৈ যি এহাতমানলৈ পোত গৈ আছিল সো-সোৱাই বৈ যোৱা ধনশিৰিৰ পানীত।

মণিকান্তই কেঁকুৰিটোৰ পৰাই ধৰিব পাৰিছে। গছজোপাক কেন্দ্ৰ কৰি পঞ্চাছ-ষাঠিজনমান বহি আছে। গাঁওবুঢ়া ঢকঢকীয়া বগা ধুতীৰে বকুলজোপাৰ গুৰিত থিয় দি আছে। মণিকান্তও আগবাঢ়ে। দুই-এজনে তেওঁক দেখি ঠিয় হৈ দিয়ে। কেইজনমানৰ মুখত বিতৃষ্ণাৰ ৰেশ, কেৰাহিকৈ চাইছে। দুজনমানৰ দৃষ্টি ধৰিব নোৱাৰি, ভাবলেশহীন মুখ। তেওঁলোকৰ দৰে ঘনৰ হাতত হাত মিলাব নোৱাৰিযে। সেয়ে ঘনৰ লগৰ বহুতে বেয়া পায় মণিকান্তক।

ঃ ছাৰ, পালেহি।

ঃ হয়, পালোঁহি।

'ছাৰ' সম্বোধনটিয়ে মণিকান্তৰ বুকুখন মোহাৰি যোৱা যেন লাগিল। এতিয়া স্কুল আৰু ক'ত? সৌখন। ঘৰটোৰ মাৰলি-কামিবোৰ খাবলৈ নোপোৱা হালোৱা গৰুৰ পিঠিৰ হাড়বোৰৰ দৰেই ট-টকৈ জিলিকি আছে। শৰণ খেৰবোৰ আধা আছে, উৰলা, আধা নাই। এই বকুলজোপাৰ তলতে ৰজনী, পাপৰি, তিলোমাইহঁতক শাৰী পতাই নেওঁতা পঢ়াইছিল মণিকান্তই। খহনীয়াই আহি স্কুলখনৰ লগতে সিহঁতকো ক'ৰবালৈ আঁতৰাই পঠিয়ালে। স্কুলৰ টিপটোত মেমেৰাহঁতৰ কামিহাঁড় ওলোৱা গাই দুজনীয়ে মণিকান্তহঁতৰ ফালে



ভেবা লাগি চাই আছে। মণিকান্তই ঢৰাখন ঢকঢককৈ আধা ধূলি আধা বালিত জোকাৰি বহিবলৈ ল'লে।

ঃ তেতিয়া হ'লে আৰম্ভ কৰোঁ...

সেইটো গোলাপৰ মাত, বৰ দেমাকিত ক'লে দেখোন কথাষাৰ। গাঁওবুঢ়াৰ সোঁহাত সেইজনা। গোলাপে জেপৰ পৰা কাগজ এডোখৰ উলিয়াই কিবা এটা পঢ়িম বুলি মেলিছিল চাগৈ...

ঃ ওঁহো, বাদ দে গোলাপ।

থিয় হৈ থকা ঘনই হাতখন ইফাল-সিফাল কৰি মাত লগালে আৰু গলহেকাৰি মাৰি আৰম্ভ কৰিলে—

ঃ ক'বলৈ আৰু কি আছে? সকলোৱে জানিছেই চাগৈ কথাবোৰ— বুলি ঘনই পুনৰ গলহেকাৰি এটা মাৰি আৰম্ভ কৰিলে—

ঃ ৰাইজ, জানিছেই চাগৈ। আগন্তুক পঞ্চায়ত ইলেকচনত মই ভাগ লৈছোঁ।

এইবুলি দুয়োহাত এক বিশেষ ভংগিমাত যোৰ কৰি ওপৰলৈ দাঙি ধৰিলে। লগে লগে ৰাইজৰ ফালৰ পৰা প্ৰচণ্ড হাততালি। গোলাপে হাত এখন ওপৰলৈ দাঙি কিবা এটা ইঙ্গিত দিয়াৰ লগে লগে ৰাইজো ক্ষান্ত হয়। ঘন গাঁওবুঢ়াই পুনৰ গুৰু-গম্ভীৰ ভাবেৰে আৰম্ভ কৰিলে—

ঃ মই আপোনালোকৰ মাজৰে মানুহ। আপোনালোকক চিনি পাওঁ। জানো, আপোনালোকৰ অভাৱ-অভিযোগ পূৰণ কৰিবলৈ

চেষ্টা কৰিম। কাইলৈ পুৰা ইয়াতে সকলোটি আহি মিলিত হ'ম। বান-খহনীয়াই দি থৈ যোৱা ইমানবোৰ দুখ-দুৰ্দশাৰ শেষত মোৰ ফালৰ পৰা আপোনাসৱলৈ চাউল-পাতৰ কিছু যোগাৰ কৰিছোঁ।

ৰাইজৰ ফালৰ পৰা 'ক'ত ক'ত' বুলি পুনৰ আন এজাউৰি হাত চাপৰি।

ঃ বাকী আপোনালোকৰ অন্যান্য অভাৱ-অভিযোগৰ বাবেও চিন্তা কৰিছোঁ।

পুনৰ জাউৰিয়ে জাউৰিয়ে হাত চাপৰি। সকলোৰে মুখত বিৰিঙি উঠে হাঁহি। মাত্ৰ মণিকান্তৰহে ভ্ৰূযুগল কোঁচ খাই আহে।

মাহেকৰ আগত গাঁৱত বান-খহনীয়াই তহিলং কৰি গ'ল। পুৰণি চাঙৰ মথাউৰি ছিগিল। বানত মনিব নোৱৰা হৈছিল ঘৰ, পথাৰ, বাৰী আৰু নদীখন। নদীখনো ক'ৰবাত হেৰাই গৈছিল। এতিয়া মণিকান্তৰ ওচৰত এই চাউল পাতৰ কথা শুনিবলৈ সময় নাই। ঘৰলৈ যাব। তাতে আজি ইমানটো এটা চেঙা ৰ'দ। ভঁৰাল ঘৰৰ মুধচটোও চাবলৈ আছে। বানে খেতিৰ শইচ মৰাৰ পিছত ধান নো ক'ত আছে, তথাপি ভাল নালাগে। ওলায়েই উৰুখা মুধচটো চাবলৈ। মণিকান্ত উঠিবলৈ ল'লে। মণিকান্তৰ কাষতে সৰুনাথ।

ঃ হে'ৰা, মই উঠোঁহে।

ঃ ওঁহো, ছাৰ অলপ দেৰি ৰওক। মূল কথাটো আছেই।

সৰুনাথে মণিকান্তৰ এখন হাতত ধৰি উঠিবলৈ লোৱা মানুহটোক ৰখাই দিলে।

ঃ কি কথা?

ঃ গাঁৱৰ খবৰ পাইছেনে?

ঃ কি?

ঃ আজি ৰাতি গাঁৱত পুলিচ সোমাব নহয়। কথাটো ভিতৰি ভিতৰিহে মই গ'ম পাইছোঁ।

ঃ কিয়?

ঃ গাঁওবুঢ়াক সন্ত্ৰাসবাদী সংগঠনৰ হৈ যে চিঠি দিছিল, টকাৰ দাবীৰে...

ঃ অ'।

ঃ কথাটো সঁচা, অৱশ্যে অৰূপ নহ'বও পাৰে। তাতে সংগঠনটোৰ নামত চলনা কৰা মানুহো কম আছেনে? গাঁওবুঢ়াই টকা কিদৰে দিব? সন্মুখত পঞ্চায়ত ইলেকচন। এইবাৰতো নগেন দত্ত হাৰিবই।

ঃ মই আকৌ এতিয়াহে গম পাইছোঁ পাই। তথাপি উঠোঁ হেৰা ভকত। হালোৱা গৰুহালৰ কজলাটোক কালি চপল ডাক্তৰৰ পৰা পিল এটা আনি খুৱাইছোঁ। যাওঁ। তুমি বহা।

মণিকান্ত আৰু এখন্তেকো নৰ'ল।

'ছাৰ, ছাৰ' বুলি ৰঞ্জন, অপূৰ্বহঁতে মণিকান্তৰ বাটত হেকোচা-নেকোচা কৰিবলৈ ধৰিলে—

ঃ ছাৰ, চাহ আছে, খাই যাওক।

ঃ নাখাওঁ।

ধমক এটাই দিবলৈ মন আছিল মণিকান্তৰ। মানুহ চিনিবলৈ নিশিকিলি। এপেট ভৰাই খাবলৈ পাইছ কাৰণেই অন্ধ হ'লিনে? মণিকান্তই ফো-ফোৱাই বাট ল'লে ঘৰলৈ। ঘন গাঁওবুঢ়াই তেওঁক নিলগৰ পৰা চাই আছে বুলি অনুমান কৰিব পাৰিলে মণিকান্তই। মণিকান্তই ভোৰভোৰায়— গাঁৱত কেইঘৰৰ কেইডুলি ধান গ'ল তাৰ হিচাপ নাই। গএ্ৰাই যে নদীখনকে জাউৰিয়ে জাউৰিয়ে গালি ছটিয়ালে। কুশৰ ঘৈণীয়েক সোণেই হয়তো কাইলৈ তিনিআলিত লাইন পাতি লোৱা মোনাৰ চাউলকেইটা বাৰে বাৰে লিৰিকি চাব। সোণৰ মনত দেৱতাৰ দৰে ভাহি উঠিব গাঁওবুঢ়াৰ ছবিখন। তাইৰ মানত ঘন গাঁওবুঢ়া নহয়, সাক্ষাৎ দেৱতা, প্ৰভু। বতাহ এছাটি এতিয়াৰ পৰাই বলিছে। সোণহঁতে, বা সমস্ত গএ্ৰাই ধৰিব পৰা নাই শেল হৈ খুঁচিবলৈ ৰিচৰা এই বতাহৰ উৎস।

* * *

সৰুনাথে ঠিকেই কৈছিল? গধূলি মণিকান্ত ঘাটৰ ফালে ওলাই যায়। চপাইঘাট চুই বৈ গৈছে ধনশিৰি নৈ। আজি ছমাহৰ আগতে তামোল গছৰ আধালৈকে ওফন্দি ধুমুহা দেখুওৱা নদীখন। বহুদিনৰ মূৰত মণিকান্তৰ বুকুত অৰূপৰ মুখখন ভাহি উঠে। লগতে মাধৱীৰ মুখখনো বিলৰ স্বচ্ছ পানীত ভহা জোনৰ দৰে উদ্ভাসিত হৈ উঠিল। তাই সিদিনা কৈছিল—

ঃ সি টকা দাবীৰে চিঠি দিয়া নাই। সিহঁতৰ বেটেলিয়নৰ মানুহ ৰঙাপাহাৰৰ দাঁতিত আছেগৈ, নেপালী বস্তিত।

কথাবোৰে মণিকান্তৰ বুকুত অলপ দুখ, ক্ষোভ আৰু খঙৰ জন্ম দিছিল। মাধৱীয়ে কিয় কৈছে কথাবোৰ। সি মণিকান্তৰ ল'ৰা পোনাকণ নহয়! সৰুতে পোনাকণে কান্ধে কান্ধে উঠি ঘূৰি ফুৰিছিল। এতিয়া ডাঙৰ হ'ল। এতিয়া অৰূপ। যাওক, বনৰীয়া পলুৰ দৰে পাহাৰে-ভৈয়ামে ঘূৰি ফুৰক আৰু স্বাধীনতাৰ অলেখ সপোন দেখক।

মণিকান্তই দুখ লাগিলেই ওলাই আহে এই ঘাটলৈ। নদীৰ বৈ থকা পানীবোৰ আৰু ইটো পাৰলৈ চাই থাকে। বুকুত কিছুমান কথাৰ ঢৌ উঠে, পুৰণি কথা, অনাগত দিনৰ কথা। দুখৰ কথা। কাৰোবাক ক'ম বুলি খু-দুৱাই থকা বুকুৰ কথা। দুখ লাগে যেতিয়া মানুহে মুখাৰ আঁৰৰ মুখখন খুঁচৰি চাব নাজানে। মানুহক টকাৰে কিনিব পাৰি। ভুল ক'ত? প্ৰবলতম লোভ নে আৰ্থিক দুৰ্বলতা। মণিকান্তই ক'ত ভুল কৰিলে এতিয়াও ধৰিব পৰা নাই। কিন্তু ভুল কৰিছে তেৱোঁ। লোভ আৰু আৰ্থিক দুৰ্বলতাৰ বাবে নহ'বও পাৰে।

মণিকান্তই মাধৱীক কৈছিল— মাধৱী, নালাগে তাৰ লগত বিয়াত বহিব। সি নিজেই এটা বনৰীয়া পশু, আহিবনে তোৰ ওচৰলৈ, তোৰ বুকুখনো এৰাপাতৰ দৰে কুটি কুটি খাব সি। মাকজনীক দেখা নাই, বতাহ-বৰষুণ এজাক দিলেও ওপৰমুৱাকৈ শুই থাকে। জানো কি ভাবে তাই!

আন্ধাৰেই হ'ল। মণিকান্তৰ চকুত পোহৰ পৰে, আকাশৰ ফালে মাৰি পঠিওৱা, হয়তো টৰ্চৰে হ'ব। বিলৰ সিপাৰৰ কোমোৰাতলি চাপৰিখন পাৰ হৈ সিপাৰৰ কৈৱৰ্ত গাঁৱৰ শাওপৰা

চুকৰ পৰাই আহিছে। হয়তো পুলিচ। সৰুনাথে ঠিকেই কৈছিল তেতিয়া। এইকেইদিন পুলিচে কেতিয়া আহি দুৱাৰ টুকুৰিয়াই উৱাদিহ নাই। সংগঠনৰ ল'ৰাবোৰো শেষ হ'বৰ হ'ল। বলিয়া কুকুৰ মৰাদি মাৰি মাৰি শেষ। চেলেংহাটৰ ফালৰ সংগঠনৰ ল'ৰা এটা এমাহৰ আগতে এই গাঁৱতে বুধিৰামৰ চোতালত মৰিল। বুধিৰামে নিজেও এতিয়া জে'লৰ ভাত খাইছেগৈ। বানে আহি গাঁওখন মোহাৰি যোৱাৰ পিছত তাৰ সৰু ল'ৰাটোক হাগনিয়ে পালে। লগে লগে পুলিচৰ আন এচল বান। সি হেনো নিজে দেখিছে। পুলিচ অহাৰ উমান পাই অচিনাকি ল'ৰাজন পিৰালি কাষৰ ছাগলী বন্ধা গড়ালৰ কাষতে লুকাই আছিল। ভাবিছিল, পুলিচ আগচালিৰ পৰাই উভতিল। তাতে আন্ধাৰ ৰাতি। পুলিচে টৰ্চ লৈ যেতিয়া ঘৰৰ বাহিৰে-ভিতৰে পিনপিনাবলৈ ধৰিলে, ল'ৰাটো বাঁহনিৰ ফালে দৌৰ মাৰে। পুলিচৰ টৰ্চৰ পোহৰটোৱেও খেদি গ'ল, তাৰ পিছত কেইটামান গুলীৰ শব্দ। ল'ৰাটো ঢলি পৰিছিল। আধা মৰা হেন ল'ৰাটো চোতাললৈ চোঁচৰাই আনি বুধিৰামৰ চোতালত ধানৰ বস্তা পেলোৱাদি পেলাই বন্দুকৰ কুন্দাৰে খুন্দিয়াবলৈ ধৰিছিল। লাঠী, গোৰ। মুখেৰে হোলোকা হোলোকে তেজ ওলাইছিল। বুকুখনত ধৰি ঘনঘনকৈ উশাহ টানিছিল। পুৱা আঞ্চলিক বাতৰিত মণিকান্তই শুনিবলৈ পাইছিল— সংঘৰ্ষত উগ্ৰবাদী সংগঠনৰ দুৰ্ধৰ্ষ সদস্য নিহত বুলি। দুখ লাগে, ক'ৰবাত ভুল হৈছে। সিহঁতো আপোন ল'ৰাই। মণিকান্তই অনুভৱ কৰে। সিহঁত এতিয়া মূল বাটলৈ উভতি অহাৰ প্ৰয়োজন। পাহাৰে-পৰ্বতে পলাই ফুৰি স্বাধীনতাৰ সপোনেৰে সমাজৰ আন দহজনৰ উচিত চিন্তা কৰিব নোৱাৰি। সৎ সাহস একোটা লৈ নিজৰ সমাজখনৰ কথা চিন্তা কৰককচোন। সমাজৰ পদবীধাৰীসকলৰ শোষণ, অৱহেলাৰ বিপক্ষে মূৰ দাঙি থিয় দিয়কচোন, ৰক্ষা কৰককচোন সাধাৰণ শ্ৰেণীক। সিহঁতে কেতিয়াবা বুজিবনে এই কথাবোৰ।

সিফালৰ টৰ্চৰ পোহৰবোৰো লানি লানিকৈ শূন্যতে উৰি ফুৰা দেখা পাই মণিকান্তই। মণিকান্তই খোজ লয় ঘৰৰ ফালে। ধনশিৰিৰ চেঁচা বতাহ এছাটিয়ে কোবাই থৈ যায় মণিকান্তক। নঙলাডাল এতিয়াও আধা খোলা হৈয়ে পৰি আছে। চোতালৰ সোঁমূৰে থকা গোহালিৰ পৰা অহা ঘকঘক্ মাতটো আকৌ শুনা পায়। মণিকান্ত আগবাঢ়ি যায়। কজলাটোৱেই হ'ব। আবেলি পিল এটা দানাত মিলাই খুৱাইছিল মণিকান্তই গৰুটোৰ মূৰটোত হাত বুলাই। পুনৰ কজলাৰ মুখেৰে ঘকঘককৈ মাতটো উজাই আহে। হয়তো সেই মাত শুনি বা মণিকান্ত অহাৰ উমান পাই তগৰো হাতত কেৰাচিনৰ চাকিটো লৈ ওলায় আহে।



**শেষ দৃশ্যৰ আৰম্ভণিৰে প্ৰথমাংশলৈ গতি**

ৰাতি মণিকান্ত বিছনাৰ পৰা জাঁপ মৰি উঠিল। ক'ত ক'ত ফুটিছে সেয়া? সৰুনাথে ক'বৰ দৰে এতিয়া গাঁৱত পুলিচে পিয়াপি দিব, দুৱাৰ খুলিবলৈ ক'ব। কাষতে শুই থকা তগৰৰ বুকুখন হঠাতে ধুমুহা এছাটিয়ে হেঁচা মাৰি ধৰিলে। গাৰুৰ তলৰ পৰা জুইশলাটো উলিয়াই শিতানৰ গছাটোত যোৱা বটলৰ চাকিটো জ্বলাবলৈ ধৰিলে।

ঃ ওঁহো, নজ্বলাবা, নজ্বলাবা। ক'ৰবাত গুলীয়াগুলী লাগিছে। কথাষাৰ কৈয়ে মণিকান্তই গম ল'বলৈ ধৰিলে। কেইবাজাই গুলী। ক'ত বা ফুটিল, টোপনিত ধৰিবই নোৱাৰিলে।

ঃ শুনকচোন, নদীৰ সিপাৰে নেকি? সেই নেপালী গাঁওকেইখন আছে যে!

ঃ হ'ব পাৰে।

ঃ কেনৈ আমাৰ পোনাকণ!

কথাষাৰ কওঁতে তগৰৰ মাতটো থোকাথুকি হৈ পৰিল।

ঃ মনে মনে থাকাচোন।

মণিকান্তৰ এনে লাগিল যেন কোনোবা পিনপিনাই ফুৰিছে ৰাস্তাই ৰাস্তাই। কাৰোবাক বিচাৰিছে। কাৰোবাৰ দৃষ্টিৰ পৰা পলায়ন কৰিব খুজিছে কোনোবাই। মণিকান্তৰ পদূলিয়েদিয়েই জীপগাড়ী এখন পাৰ হৈ যায়।

ঃ সেয়া পুলিচ নেকি বাৰু?

ঃ ... ... ...

বহুপৰৰ নিস্তব্ধতা। ক'তো সাৰ-সুৰ নাই। ক'তো যেন গুলীও ফুটা নাই। পুলিচৰ তৎপৰতাও বঢ়া নাই। ৰাতিটো যেন নিস্তব্ধতাৰে শুই আছে। পিৰালিৰ কাষৰ কলগছৰ পাতবোৰত হয়তো বাদুলি বা ফেঁচা এজনী আহি পৰিছে। ঢপঢপনি এটা আহিল মণিকান্ত আৰু তাৰ ওপৰমুৱাকৈ শুই আছে। চকুৰ পতা জপাব খুজিও জপাব পৰা নাই। কিছুমান নাহিবলগীয়া কথাই ভিৰ কৰিছেহি মনোজগতত। এই যেন দুৱাৰত কোনোবাই আহি টুকুৰিয়াবহি। যেন কোনোবাই মণিকান্তহঁত শুই থকা কোঠাৰ বেৰত মুখ লগাই ফুচফুচাই ক'ব— দুৱাৰখন খুলি দে। মই... মই...।

যেন কোনোবাই গম লৈ আছে মণিকান্ত আৰু মাধৱীৰ কথাবোৰ বেৰৰ কাণত কাণ লগাই।

তগৰ মণিকান্তৰ বুকুৰ ওচৰলৈ চাপি আহে। আন্ধাৰতে মানুহজনৰ মুখখনৰ উমান ল'বলৈ ধৰে।

ঃ আমাৰ ভঁৰালৰ কাষৰ নিমজোপাৰ ফালে কিবা এটাৰ উমান পাইছে নেকি? মানুহ নেকি?

ঃ ধ্যেৎ, পৰিছে চাগৈ কিবা গছৰ ডালপাত।

মণিকান্তই একেৰকমে তগৰৰ কাণত ফুচফুচাই কোৱাদি ক'লে। পুনৰ নিস্তব্ধতা। বেৰৰ গজাল এটাত ওলোমাই থোৱা ঘড়ীটোৱে মাথোঁ টিক টিক শব্দ কৰি নিজৰ উপস্থিতি দাখিল কৰিছে। আৰু ৰাতিৰ আন্ধাৰবোৰৰ সৈতে একাত্ম হ'ব খুজিছে। কিমান সময় পাৰ হয় এনেদৰে খিয়াল ৰখা নাছিল মণিকান্তই। আনকি ওপৰমুৱাকৈ শুই মেলি থোৱা চকুহালো কেতিয়ানো জাপ খালে মণিকান্তই গম নাপালে। কিমান সময় হৈছিল তেতিয়া ঘড়ীত। চাকি এটা জ্বলাই তাক চাব পৰা নাছিল। বিছনাৰ শিতানৰ চিলিংখনৰ ফাঁকেদি সচৰাচৰ দেখা এটুকুৰা আকাশৰ ঠাইত যেন এডোখৰ ক'লা চাদৰ আঁৰি থোৱা আছিল। অনুমানত

বাহিৰত যে এতিয়াও গভীৰ আন্ধাৰ তাৰ গম পোৱা গৈছিল।

ঃ হেৰা উঠকচোন, উঠক—

আৰৰ চেঁপা মাতৰ লগতে হাতৰ হেঁচোকনিত মণিকান্ত খপজপকৈ উঠি বহে।

ঃ চাকিটো জ্বলাওঁ ৰ'বা।

ঃ ওঁহো, নজ্বলাবা। কি হ'ল কোৱাচোন...

ঃ নঙলাডাল ঘটংকৈ খোলাৰ উমান পাইছিলো। আৰু এতিয়া চোতালৰ ফালৰ পৰা মানুহৰ নিচিনা মাত এটা অহা যেন পালোঁ।

ঃ অলপ ৰ'বা, চাকিটো নজ্বলাবা।

চকুহাল মোহাৰি গম ল'বলৈ ধৰিলে। কিজানি সচাঁকৈয়ে শুনা পায় তগৰে কোৱাৰ দৰে মানুহৰ ঘক্‌ঘকনিৰ শব্দ।

তগৰৰ হাতত জুইশলা বাকচ এটা।

কথাটো হয়। মণিকান্তয়ো শুনিবলৈ পালে। এবাৰ নহয়, দুই-তিনিবাৰমান। ঘক্‌ঘকনিৰ শেষৰ ফালে এনে লাগে, যেন কোনোবাই কেঁকাইছে। চোতালৰ সিমূৰৰ পৰাই আহিছে মাতটো।

ঃ কজলা চাগে সেইটো।

ঃ দানাৰ লগত আবেলি পিল এটা মিহলাই খুৱাইছিলো নহয়।

পুনৰ ঘক্‌ঘকনি।

ঃ কজলাৰ পেটটো বৰকৈ ফুলিছে নেকি? ৰছী ছিঙা নাইতো! ভালো পাইছিল, তাতে আজি দানাত আকৌ এটা পিল খুৱাইছোঁ।

ঃ জ্বলোৱাচোন।

তগৰে কাঠি এটা উলিয়াই ফচ্‌কৈ মৰাৰ লগে লগে চাকিৰ পোহৰত আন্ধাৰবোৰে মণিকান্ত আৰু তগৰহঁতৰ ওচৰৰ পৰা আঁতৰি কোঠাৰ চুক, কাপোৰ থোৱা আলনাৰ আঁৰত গৈ জোপোকা মাৰেগৈ।

ঃ ব'লা।

ঃ হাতত কিবা এটা লৈ গ'লে ভাল হ'ব নেকি?

ঃ নালাগে দিয়া।

মণিকান্তই দুৱাৰৰ দাংডাল লাহেকৈ আঁতৰালে।

ঃ দিয়া, চাওঁ চাকিটো মোৰ হাতত দিয়া।

তগৰে ৰিহাৰ আঁচলেৰে পিঠিখন ঢাকি মণিকান্তৰ পিছ ল'লে।

বাৰাণ্ডাসংলগ্ন মূল দুৱাৰখন খোলাৰ লগে লগে বাহিৰৰ আন্ধাৰবোৰে চাকিৰ পোহৰকণক কেন্দ্ৰ কৰি বেঢ়ি ধৰিলে। পুনৰ ঘক্‌ঘক্‌কৈ মাতটো ওলাল। একেবাৰে ওচৰতে।

ঃ কজলা, কজলা।

ঘক্‌ঘকনিটো আৰু অলপ বাঢ়ি আহিল।

ঃ কজলা।

তগৰৰ ভৰিহালৰ কঁপনিটোৱে মূৰত চুলেগৈ। আন্ধাৰৰ সুযোগ লৈ যেন কোনোবা এটা পদূলিৰ জোপোহানিত চোপ লৈ আছে। কোনোবাই চাই আছে।

ঃ কজলা।

বাৰাণ্ডাৰ পৰা চোতালত ভৰি দিবলৈ লওঁতেই মণিকান্তৰ সমস্ত শৰীৰজুৰি কঁপনি এটা বৈ আহে। হয় মানুহ সেইটো। চোতালৰ এমূৰে। তাৰে কাষত অশোক ফুলৰ জোপোহানি। দেহাটো নুৰিয়াই পৰি আছে মানুহটো। মূৰটো লৰচৰ কৰিব বিচাৰিছে। তগৰে খামোচ মাৰি ধৰে মণিকান্তৰ বাঁওহাতখনত আৰু জোকাৰি দিয়ে।

ঃ এইজনী দেখোন মাধৱী।

এক মুহূৰ্তৰ বাবে তগৰৰ ভৰিৰ তলৰ পৃথিৱীখন ঘূৰিবলৈ দৰে আৰু দৌৰি গৈ সাবট মাৰি ধৰে মাধৱীক। দুয়ো হাতেৰে কোলাত লোৱাদি দাঙি জোকাৰি দিয়ে—

ঃ কি হ'ল হা, কি হ'ল তোৰ?

ঃ মাধৱী, অ' মাধৱী, মাধৱী।

মণিকান্তই মাধৱীৰ মুখখন দুহাতত তুলি ধৰে। হাতৰ আঙুলিৰ ফাঁকেৰে তেজ বৈ আহে।

ঃ মাধৱী, অ' মাধৱী।

তাই বিস্ফাৰিত নেত্ৰে মণিকান্তৰ মুখলৈ চালে। তগৰে উচুপি উঠিল। ওচৰতে থোৱা কেৰাচিনৰ চাকিটো মাধৱীয়ে ফু মাৰি নুমুৱাই ঢলি পৰে তগৰৰ কোলাত। ইমান পৰে হেঁচা মাৰি ৰখা কান্দোনটো মণিকান্তৰ দুচকুৰেদি ওলাই আহে। ৰাতি পুৱাবলৈ এতিয়াও বহু বাকী। আন্ধাৰৰ মাজতে মণিকান্তই অনুভৱ কৰে মাধৱীয়ে ঘনঘনকৈ উশাহ টানিছে। ৰাস্তাটোৰ মূৰৰ বাঁহনিৰ ফালৰ পৰা এলানি টৰ্চৰ পোহৰ আহিছে। আৰ্মী বা পুলিচ হ'ব সিহঁত। কাৰোবাক বিচাৰিছে। টৰ্চৰ পোহৰবোৰ ক্ৰমান্বয়ে আগবাঢ়ি আহি থকা যেন অনুভৱ কৰিলে মণিকান্তই। আহিছে, সিহঁত...।

মাধৱীয়ে অল্পপক দৌৰি যোৱা দেখিছিল। তাৰ পিছত কেইজাঁইমান গুলী। মাধৱীও দৌৰিছিল আন এটা ৰাস্তাৰে। আৰ্মী আৰু পুলিচৰ পৰা পলাব খুজিছিল। দৌৰিয়েই আহিল তাই। আহি মণিকান্তৰ চোতালতে তাই ঢলি পৰিছিল। টৰ্চৰ পোহৰবোৰে হয়তো তাইকে বিচাৰি ফুৰিছে। মণিকান্ত আৰু তগৰকো বিচাৰিব। মণিকান্তৰ মনত অল্পপ আৰু ঘন গাঁওবুঢ়াৰ ছবিখন বাৰে বাৰে ইখনৰ পিছত সিখনকৈ ভাহি উঠিল। মণিকান্তই অনুভৱ কৰিলে তেওঁ বৰ ডাঙৰ ভুল এটা কৰি পেলালে। ■

# ধৰিত্ৰীৰ গাভৰু বুকুত বৰষুণৰ আঙুলি

স্বৰাজ ফুকন
*প্ৰথম যাণ্মাসিক, গণসংযোগ আৰু সাংবাদিকতা বিভাগ*

**প্ৰস্তাৱনা**

গায়নে-বায়নে নামি আহে আকাশৰ একাংশ। ভেকুলীৰ মাতত টল্‌মল্ জলৰ প্ৰাণীকুল। পতংগৰ সুৰ-সমলয়েৰে মুখৰ সন্ধিয়া। মেঘৰ গিৰ্‌গিৰনিৰ মাজত কোনোবা টলকত প্ৰসাৰিত হ'ল বৰষুণৰ আঙুলি। চুই দিলে ধৰিত্ৰীৰ গাভৰু বুকু। জিকাৰ খাই উঠিল উন্মীলিত ধৰিত্ৰীৰ দেহ। শিহৰণৰ প্ৰতিটো লহৰত কোমল হৈ পৰিল ধৰিত্ৰী। ধৰিত্ৰীৰ বুকুত বৰষুণৰ আঙুলি।

**সৃষ্টিৰ মধু জাগৰণ**

বৰষুণ অন্তৰীক্ষৰ 'মহাজাগতিক' ঘটনাৰ অংশবিশেষ। 'মহাজাগতিক' ঘটনা হ'লেও বৰষুণ হৈ আছে পৃথিৱীৰ বাবে, মনুষ্য কুলৰ বাবে সৃষ্টিৰ মধু জাগৰণ। বৰষুণে বুকুত গঢ়ে সজীৱ পুষ্পৰ নন্দন বন। মেঘ আৰু মাটিৰ সুবাসেৰে কোনোবা ৰহস্যঘন ৰাতি ধৰিত্ৰীৰ গাভৰু বুকুত বৰষুণে বুলাই দিয়ে আঙুলি। যেন দুৰ্বাৰ বাসনাৰ প্ৰেমিক-প্ৰেমিকা। স্বপ্নসুৰীয়া গানৰ গুণগুণনি। আৱেগৰ বাহুবন্ধনত যৌৱন টল্‌মল্। কেৱল সেয়াই নহয়, কৰ্মপটু বৰষুণে পথাৰত গুঁজি দিয়ে শস্যৰ বীজ। পৰমা প্ৰকৃতিক সেউজীয়া অম্বৰ পিন্ধাই কপালত দিয়ে কইনাফোট। শিৰত পলাশ, মদাৰ আৰু শিমলুৰ সেন্দুৰ পিন্ধা প্ৰকৃতি হৈ পৰে সয়ম্বৰা। সেই সময়তে ব'হাগবৰণীয়া স্বৰ্ণমুকুট জিলিকি উঠে বসন্তৰ শিৰত। এক তুমুল আলোড়নৰ মাজেদি ৰাজন্যবৰ্গৰ শাৰীত থিয় দিয়ে বসন্তই, ঋতুৰ একছত্ৰী সম্ৰাট। তেওঁৰ কণ্ঠ শোভিত হৈ পৰে বৰণ মালাৰে। চৌদিশে বাজি উঠে মিলনৰ জয়ধ্বনি। জিৰ্‌জিৰ্ পুষ্পবৃষ্টিৰ মাজেদি মলয়াই দিয়ে বিচনীৰ বা। এপৰ-দুপৰকৈ গভীৰ হৈ পৰে ৰাতি। শিতানত মূৰ থৈ বিবশ হৈ পৰে পৃথিৱীৰ শৰীৰ।

**উপত্যকাত বৰষুণ**

বৰষুণে সাধন কৰে দুৰ্লভ কৰ্ম। কোনোবা অনাদি কালতেই সভ্যতাক স্বাগতম জনাবলৈ বৰষুণে সৃষ্টি কৰিলে নৈৰ কলধ্বনি আৰু উপত্যকা। সেই উপত্যকা যেতিয়া পুৰঠ হয়, তেতিয়াই ক্ষিপ্ৰ হয় সভ্যতাৰ খোজ। উপত্যকা, বৰষুণৰ দ্বাৰা ৰমণধন্য উপত্যকা। পথাৰৰ প্ৰেমত ৰঙচুৱা গালবোৰ, ওঁঠবোৰ, জাকে জাকে সংসাৰ বৃদ্ধি কৰা মাছবোৰ, খৰ খোজীয়া নৈবোৰ, শোভাময় গিৰিবোৰ, উছল-পিছল মানুহৰ মনবোৰ বৰষুণৰ যোগ্য সন্তান। গৰ্ভৱতী উপত্যকাৰ সকলো সম্ভাৱনা, প্ৰসৱোন্মুখ স্ত্ৰীজাতিৰ সকলো ভাবনা বৰষুণৰ বিশিষ্ট দান। বৰষুণ যেন মহাকাব্য ৰচনা কৰা মহাকবি।

**অনুভৱত বৰষুণ**

অমৰ কবি কালিদাস ভাৰতৰ সন্তান। 'অভিজ্ঞান শকুন্তলম', 'মেঘদূত', 'ঋতুসংহাৰ' সেই ভাৰত সন্তানৰ অমৰ সৃষ্টি। তেওঁৰ কলমত বৰ্ষা-বন্দনা অনন্য হৈ জিলিকি আছে। এদিন উজ্জয়িনীৰ ৰজাই কালিদাসৰ বৰ্ষা বন্দনা পঢ়ি মুগ্ধ হৈছিল, ৰাজসভালৈ আদৰি আনিছিল। ৰজাই কবিক সুধিছিল যে তেওঁ বৰ্ষাক বৰ ভাল পায় নেকি? কালিদাসে একে উশাহে কৈছিল যে জন্মৰ গাঁওখনত বৰষুণৰ লগত হোৱা আন্তৰিকতাই তেওঁৰ প্ৰেৰণা। কালিদাস হ'ল উজ্জয়িনীৰ শ্ৰেষ্ঠ কবি, বিক্ৰমাদিত্যৰ ৰাজসভাৰো নৱৰত্নৰ প্ৰথমজন। ৰামায়ণৰ 'কিষ্কিন্ধ্যা-কাণ্ড'ত বাল্মীকিয়ে বৰ্ষাৰ মহত্ত্বক নিপুণকৈ চিত্ৰিত কৰি গৈছে। বাল্মীকিয়ে কৈছে যে বৰষুণৰ অবিৰাম ধাৰাই পৃথিৱীৰ নৈবোৰৰ প্ৰবাহ বৃদ্ধি কৰাৰ বাবে জল-স্থলৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিল আৰু সেইবাবে চাৰি মাহৰ কাৰণে সাময়িকভাৱে বন্ধ কৰিব লগা হ'ল সীতাৰ অন্বেষণ। অসমীয়া কবি মাধৱ কন্দলিৰ বৰ্ণনা অৱশ্যে তেনেই চুটি। তেওঁৰ মতে, 'প্ৰৱন গিৰিত দুই ভাই চাৰি দিও বঞ্চিল তহিতে।' তাৰ পিছত কৈছে, 'শ্ৰাৱণ মাসত মুখ্য বাৰিষাৰ কাল। দিনান্তে আন্ধাৰ মহা মেঘে কোলাহল।' গতিকে সেই চাৰি মাহত 'মেঘৰ গৰ্জন শুনি মৈৰা কৰে নাদ। সীতাক সুমৰি ৰামে কৰন্ত বিষাদ।'

ভাৰতীয় সাহিত্যৰ পৰা গৈ অন্যান্য সাহিত্যৰ খবৰ ল'লেও জনা যায় যে অনেক বিখ্যাত কবি-সাহিত্যিকে বৰ্ষাক বিভিন্ন ৰূপত চিত্ৰিত কৰিছে। ইংৰাজী সাহিত্যৰ শ্বেইক্সপীয়েৰ, ওৱৰ্ডছৱৰ্থ, অ'ডেন আদিৰ কলমত ফাটি-ফুটি আছে বৰষুণৰ ৰূপ-ৰস।

**বৰষুণ সম্পৰ্কীয় লোকাচাৰ**

ভেকুলীৰ বিয়া পাতিলে হেনো বৰষুণ দিয়ে। খেতিৰ দিনত খৰাং বতৰত ভেকুলী বিয়াৰ লোকাচাৰ অসমৰ এক পুৰণি ৰীতি। উজনি অসমত ভেকুলীৰ বিয়া পতাৰ দৰে নামনি অসমৰ গোৱালপাৰাত অনুষ্ঠিত হয় 'হুদুম পূজা।' ভেকুলী বিয়াত ইন্দ্ৰ দেৱতাক তুষ্ট কৰিবলৈ যত্ন কৰাৰ দৰে গোৱালপাৰাৰো 'হুদুম' হেনো ইন্দ্ৰ দেৱতাহে। মুঠতে জলৰ দেৱতাক মাটিৰ মানুহে পানীৰ বাবে খাতিৰ কৰাৰ আধাৰতে পালিত হৈছে এনেধৰণৰ লোকাচাৰ।

**হিয়াৰ দেশত বৰষুণ**

বৰষুণ হিয়াৰ আমঠু। কিন্তু সেই আমঠু লাহে লাহে নিৰুদ্দিষ্ট হ'ব নেকি? কবি নৱকান্ত বৰুৱাই 'ইয়াত নদী আছিল' নামৰ কবিতাত সংশয় প্ৰকাশ কৰি কৈছে— 'মৰুভূমি আহে লাহে লাহে মাহে মাহে বছৰে বছৰে?' 'সংশয়-চৌবে আমাকো যেন ধৰিবলৈ খেদি আহিছে। কি কৰা যায়?' পৰিত্ৰাণ ক'ত? কিন্তু উপায় আমাৰ মাজতে আছে। বৰষুণক ধুনীয়াকৈ জীয়াই ৰাখিব পাৰিলেই সংশয় হ'ব দূৰ। সেইবাবে যুগে-যুগে নামক বৰষুণ। হিয়াত নামক লয়লাস বৰষুণ। আকাশে বিজুলী খেলক। গম্ভীৰ মেঘে সন্মতি দিয়ক। ধৰিত্ৰীৰ গাভৰু বুকুলৈ লক্ষ্য কৰি তলমুখীয়াকৈ নামি আহক বৰষুণৰ আঙুলি। ■

# বহুমুখী প্ৰতিভাৰ গৰাকী ড° ভবেন্দ্ৰ নাথ শইকীয়া আৰু তেওঁৰ সাহিত্যকৃতিৰ কিছু আলেখলেখ



**সমৰজ্যোতি বেজবৰুৱা**
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ (বিজ্ঞান)*

ড° ভবেন্দ্ৰ নাথ শইকীয়া অসমীয়া সাংস্কৃতিক জগতৰ নমস্য ব্যক্তি। জীৱনৰ সুগভীৰ সূক্ষ্মবোধ আৰু মানৱীয় দৰ্শনেৰে তেওঁৰ সৃষ্টিসমূহ হৈ পৰিছিল প্ৰাণৱন্ত। জগতত আলোকৰ ৰেঙণি বিচাৰি অহা কণ কণ শিশুৰ পৰা চেতন-অৱচেতনভাৱে কল্পনাৰ কাৰেঙত মলয়াৰ স'তে লুকাভাকু খেলি অহা উন্মাদপ্ৰায় ডেকা-গাভৰু আৰু সত্তৰোৰ্ধ্ব বৃদ্ধ-বৃদ্ধালৈকে সকলোৰে লগত অভিন্ন হৈ খোজ দিব পৰা সুযোগ্য সন্তান আছিল তেখেত। বিচিত্ৰ জীৱন পৰিধিত তেখেতৰ যি বীক্ষা, সেয়া যথাৰ্থতে দিগন্ত-বিস্তৃত বৈশিষ্ট্যসম্পন্ন আৰু অনন্য। ভবেন্দ্ৰ নাথ শইকীয়াৰ সৃষ্টিৰ যাত্ৰাও অন্তহীন। ভাবনা আৰু সাধনাৰ ফৰিংফুটা জোনাকত নিঃসৃত জীৱনৰ জিলিকনিয়ে তেখেতৰ অপূৰ্ব বৰ্ণনা-কথনশৈলীৰে জীৱনৰ সূক্ষ্ম পৰিচিতিসমূহ আৰু নাৰী-পুৰুষৰ চৰিত্ৰবোৰ দৰ্শনীয় ভংগিমাৰে প্ৰকাশ কৰিছে। গল্প-উপন্যাস, নাটক-চলচ্চিত্ৰ যি মাধ্যমতে তেখেতৰ হাতৰ স্পৰ্শ পৰিছে, সেয়া হৈ উঠিছে মায়াময়— যেন বাস্তৱ আৰু জীৱনৰ অকৃপণ উপস্থাপন। অসমৰ শিল্প-সাহিত্যৰ অন্যতম পথিকৃৎ ড° শইকীয়াৰ জীৱনৰ প্ৰজ্ঞা আৰু কৃচ্ছ্ৰসাধনাৰ যি অবিৰত সংগ্ৰাম, সেয়া জীৱনজোৰা, সুগভীৰ আৰু নিতান্তই ব্যাপক।

এইগৰাকী মহান পুৰোধা ব্যক্তিৰ জন্ম হৈছিল নগাঁও জিলাৰ ফৌজদাৰীপট্টিত ১৯২০ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখে। দেউতাকৰ নাম আছিল বিদুৰ চন্দ্ৰ শইকীয়া আৰু মাতৃৰ নাম ছন্দাবালা শইকীয়া। এটা সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা শইকীয়াদেৱৰ প্ৰাথমিক শিক্ষা নগাঁৱৰ মোক্তাব স্কুলতে আৰম্ভ হয়। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা শেষ কৰি পিছত নগাঁও চৰকাৰী বালক বিদ্যালয়ৰ পৰা সংস্কৃতসহ তিনিটা বিষয়ত লেটাৰ নম্বৰ লৈ ষ্টাৰসহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পিছত তেওঁ গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ পৰা ১৯৫০ চনত প্ৰথম বিভাগত আই এছ চি আৰু ১৯৫২ চনত পদাৰ্থ বিজ্ঞানত অনাৰ্চসহ দ্বিতীয় বিভাগত বি এছ চি পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৫ চনত তেওঁ কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা পদাৰ্থ বিজ্ঞানত দ্বিতীয় শ্ৰেণীত এম এছ চি ডিগ্ৰী লাভ কৰে।

তেখেতে এম এছ চি ডিগ্ৰী লৈয়েই ১৯৫৬ চনত শিৱসাগৰ কলেজত প্ৰবক্তা পদত নিযুক্ত হয়। ১৯৫৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত যোগদান কৰে। ১৯৫৮ চনত গৱেষণাৰ বাবে ইউৰোপলৈ যায় আৰু লণ্ডন বিশ্ববিদ্যালয়ৰ পৰা ১৯৬১ চনত 'দি ষ্ট্ৰাকচাৰ, এগ্ৰিয়েন এণ্ড মিটিং অব মেটেল এণ্ড আদাৰ ফিল্মছ কনডেন্সড্ ফ্ৰম ভে'পাৰ' বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰে আৰু ইম্পেৰিয়েল কলেজৰ পৰা ডিপ্ল'মা লাভ কৰে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ১৯৬১ চনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰি ১৯৬৪ চনত 'ৰীডাৰ' পদলৈ উন্নীত হৈ ১৯৬৯ চনলৈকে এই পদতে কাৰ্যনিৰ্বাহ কৰে।

### ড° শইকীয়াদেৱৰ অমৰ সাহিত্যৰাজি

শইকীয়াদেৱে সাহিত্যৰ ফুলনিখনত বিচিত্ৰ ৰঙৰ বিবিধ সুৰৰ সমন্বয় ঘটাবলৈ সক্ষম হৈছিল। বিজ্ঞানৰ সাধনা তথা অধ্যাপনা কৰিলেও তেওঁৰ সাহিত্যিক মনটোৱে সৃষ্টিৰ জখলাত বগাই গৈছিল। ইয়াৰ সুন্দৰ নিদৰ্শন জীৱনৰ প্ৰথম গল্প 'পথ-নিৰূপন' (উদয়ত প্ৰকাশিত)।

**কবিতা ঃ** 'প্ৰিয়বন্ধু' ছদ্মনামেৰে খ্যাত ড° শইকীয়াদেৱে 'সঁফুৰা'ত শিশু উপযোগী কবিতা লিখিছিল। তেখেতে পঞ্চমমানত পঢ়ি থকাৰ পৰাই পদ্য লিখিবলৈ আৰম্ভ কৰিছিল। ড° শইকীয়াদেৱে প্ৰথমে কবি, তাৰ পিছতহে এগৰাকী মঞ্চসফল নাট্যকাৰ আৰু চলচ্চিত্ৰ পৰিচালক ৰূপে খিয়াতি লাভ কৰে।

**উপন্যাস ঃ** ভবেন্দ্ৰ নাথ শইকীয়াই অসমীয়া উপন্যাস সাহিত্যতো নিজৰ সৃষ্টিশীল তথা কল্পনাপ্ৰসূত মনক কাপ-মৈলামৰ যোগেদি শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰিছে। উপন্যাসৰ ভিতৰত 'আতংকৰ শেষত' (১৯৪৮), 'অন্তৰীপ' (১৯৮৬), ৰম্যভূমি (১৯৯১) আৰু শিশু উপন্যাস 'মৰমৰ দেউতা' (১৯৯১)। উল্লেখ্য যে 'আতংকৰ শেষত' নামৰ ডিটেকটিভ উপন্যাসখন তেখেতে মেট্ৰিক পৰীক্ষা সমাপ্ত হোৱাৰ পিছত লিখিছিল— এইখন তেওঁৰ প্ৰথম উপন্যাস। তেখেতৰ এটা প্ৰধান অভিযোগ আছিল যে আমাৰ অসমৰ নগৰ-চহৰবিলাকৰ ডাঙৰ ডাঙৰ ষ্ট্ৰীট লাইট নাই, বৰ ডাঙৰ-ডাঙৰ লিফ্‌ট নাই, বিল্ডিং নাই, ডাঙৰ-ডাঙৰ গাড়ী নাই, এইবিলাক নহ'লে ডিটেকটিভ কেনেকৈ হ'ব। তেখেতে উল্লিখিত উপন্যাসখনত ষ্ট্ৰীটৰ নাম, ডাঙৰ-ডাঙৰ হোটেলৰ নাম আদি অন্তৰ্ভুক্ত কৰি কিতাপখনক এক নৱ ৰূপ দিবলৈ সক্ষম হৈছিল। উল্লেখযোগ্য যে 'মৰমৰ দেউতা' পুথিখন 'ৰাষ্ট্ৰীয় গ্ৰন্থ ন্যাসে' ভাৰতৰ সকলো স্বীকৃত ভাষালৈ অনুবাদ কৰিছিল।

**চুটিগল্প ঃ** গল্প লিখাৰ ক্ষেত্ৰতো ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱে অনন্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। তেখেতৰ প্ৰথম গল্পটো আছিল 'পথ নিৰূপণ'। সেই গল্পটো লিখিছিল নৱম শ্ৰেণীৰ প্ৰায় শেষৰফালে থাকোঁতে। ইয়াৰ পিছত তেখেতে কটন কলেজত প্ৰথম বাৰ্ষিকৰ ছাত্ৰ হৈ থকা অৱস্থাত 'শান্তিৰ বুকুৰ ধুমুহা' শীৰ্ষক গল্পটো লিখি চাঞ্চল্যৰ সৃষ্টি কৰিছিল আৰু এই গল্পটো বিখ্যাত সাহিত্য আলোচনী 'আৱাহন'ত প্ৰকাশ হৈছিল।

শইকীয়াদেৱৰ প্ৰথম গল্প সংকলনখন হ'ল 'প্ৰহৰী' (১৯৬৩)। তাৰ পিছত ক্ৰমে 'বৃন্দাবন' (১৯৬৫), 'গহ্বৰ' (১৯৬৯), 'সেন্দুৰ' (১৯৭৩), 'শৃংখল' (১৯৭৫), 'তৰংগ' (১৯৭৯), 'এই বন্দৰৰ আবেলি' (১৯৮৮), 'আকাশ' (১৯৮৮), 'উপকণ্ঠ' (১৯৯২), 'সান্ধ্যভ্ৰমণ' (১৯৯৮), 'গল্প আৰু শিল্প' আদি প্ৰণিধানযোগ্য। ইয়াৰ মাজতে ১৯৭৬ চনত 'ভবেন্দ্ৰ নাথ শইকীয়াৰ শ্ৰেষ্ঠ গল্প-প্ৰথম খণ্ড, পঞ্চাশৰ দশক' শিৰোনামেৰে তেওঁৰ এখন নিৰ্বাচিত গল্প সংকলনো প্ৰকাশ পায়। তেওঁৰ আন এখন মনোৰম গল্প সংকলন হৈছে 'কল্পলোকৰ কাহিনী'।

**প্ৰবন্ধ ঃ** প্ৰবন্ধ সাহিত্যৰ ভিতৰত মাইলৰ খুঁটি হিচাপে পৰিগণিত 'শেষপৃষ্ঠা' (তিনিটা খণ্ডৰ-১৯৯৭, ১৯৯৮, ১৯৯৯), আত্মজীৱনীমূলক গ্ৰন্থ 'জীৱন বৃত্ত', 'জীৱন ৰেখা' আদি উল্লেখযোগ্য।

**নাটক ঃ** এজন সফল নাট্যকাৰ হিচাপে ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱ আছিল অদ্বিতীয়। তেওঁ একুৰিৰো অধিক সাৰ্থক নাট ৰচনা কৰিছিল। তেওঁৰ নাটকত ঘাইকৈ ৰূঢ় বাস্তৱৰ জ্বলন্ত প্ৰতিচ্ছবি প্ৰস্ফুটিত হৈছে। তেওঁৰ নাটকসমূহৰ ভিতৰত 'কামধেনু', 'অন্ধকূপ', 'বন্দীশাল', 'আম্ৰপালী', 'মণিকূট', 'নীলকণ্ঠ', 'বিষকুম্ভ', 'অমৃত', 'জন্মভূমি', 'দীনবন্ধু', 'প্ৰতিবিম্ব', 'দিগম্বৰ', 'গধূলি', 'গহ্বৰ', 'সমুদ্ৰ মন্থন', 'পাণ্ডুলিপি' আদি উল্লেখযোগ্য। ইয়াৰে 'দীনবন্ধু', 'অন্ধকূপ', 'সমুদ্ৰ মন্থন' আদি আৱাহন থিয়েটাৰৰ মঞ্চসফল সামাজিক নাট।

**শিশু-সাহিত্য ঃ** ড° শইকীয়াদেৱে তেওঁৰ জীৱন কালত শিশু উপযোগী ভালেকেইখন পুথি ৰচনা কৰি থৈ গৈছে। ইয়াৰ ভিতৰত গদ্যপুথি 'তোমালোকৰ ভাল হওক', নাটক 'শান্ত-শিষ্ট হৃষ্ট-পুষ্ট মহাদুষ্ট', উপন্যাস 'মৰমৰ দেউতা', গল্প আৰু নাটকৰ সমষ্টি 'মৰম', 'মহাদুষ্টৰ দুষ্টবুদ্ধি', 'আমাৰ আখৰ (দুই খণ্ডৰ) আদি বিশেষভাৱে উল্লেখনীয়।

**আলোচনীৰ সম্পাদক ঃ** আলোচনীৰ সম্পাদক হিচাপেও ড° ভবেন্দ্ৰ নাথ শইকীয়া পাঠক সমাজত সুপৰিচিত। তেখেতে 'প্ৰান্তিক', 'সঁফুৰা', 'জোনবাই', 'দীপক', 'ৰ'দালি', 'কাকলি', 'সূৰুয', 'দূবৰি', 'কণিকা' আদি উল্লেখযোগ্য।

**অনূদিত সাহিত্য ঃ** ড° শইকীয়াৰ 'শৃংখল' নামৰ চুটিগল্প সংকলনখন ১৯৭৭-৭৮ চনত বঙালী ভাষালৈ আৰু ১৯৯৮ চনত 'ফেটাৰচ্' নামেৰে ইংৰাজী ভাষালৈ অনূদিত হয়। ১৯৯৮ চনত 'মৰমৰ দেউতা' 'ডিয়াৰ ফাদাৰ' নামেৰে ইংৰাজী ভাষালৈ অনূদিত হয়। ইয়াৰ বাহিৰেও 'এজাক জোনাকীৰ জিলমিল', 'জীৱন বৃত্ত', 'মহাদুষ্টৰ দুষ্টবুদ্ধি', 'আমাৰ আখৰ' আদি পুথিও ইংৰাজী ভাষালৈ অনূদিত হৈছে।

**কথাছবি ঃ** প্ৰজ্ঞা আৰু সাধনাৰে জীৱন মহীয়ান কৰা এক অসামান্য প্ৰতিভাৰ অধিকাৰী ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ কৰ্মক্ষেত্ৰৰ পৰিধি গল্পৰ পৰা উপন্যাসলৈ, সম্পাদকৰ পৰা সংগঠকলৈ, ভ্ৰাম্যমাণ থিয়েটাৰৰপৰা চলচ্চিত্ৰলৈকে ব্যাপ্ত আৰু বিশাল। নিজস্ব দৰ্শন-মনন-সৃজনৰ যোগেদি অহৰহ ব্যক্তি, সমাজ আৰু সময়ৰ উপযোগী চিন্তা-চেতনাৰে অসমৰ শিল্প-সাহিত্য জগতত অন্যতম পথিকৃৎ ৰূপে পৰিগণিত ড° শইকীয়াৰ জীৱন-সাধনাৰ অন্তৰালৰ পৰিপ্ৰেক্ষিত প্ৰৱাহে সদায়ে এক স্ফুৰণৰ জন্ম দিয়ে। বিশেষকৈ সময়োপযোগী চিন্তা-চৰ্চাৰে মানুহজনে কেনেদৰে বিভিন্ন ক্ষেত্ৰত উচ্চ স্তৰৰ ফচলৰ সৃষ্টি কৰিছে সেয়াও অতি লক্ষ্যণীয় দিশ। তদুপৰি লেখাৰ উপৰি যিটো মাধ্যমেৰে তেখেতে অভূতপূৰ্ব স্বীকৃতি আৰু সাফল্য অৰ্জন কৰিছে সেইটো হ'ল চলচ্চিত্ৰ মাধ্যম।

তেখেতৰ কালজনী কথাছবিসমূহৰ ভিতৰত 'সন্ধ্যাৰাগ' (১৯৭৬)-এ শ্ৰেষ্ঠ আঞ্চলিক ভাষাৰ কথাছবিৰ বাবে ৰজত কমল বঁটা লাভ কৰে। তেওঁৰ অমৰ সৃষ্টি 'অনিৰ্বাণ', 'অগ্নিস্নান', 'কোলাহল', 'সাৰথি', 'আৱৰ্তন' আৰু 'ইতিহাসে' ৰজত কমল বঁটা লাভ কৰে। তেওঁৰ আন এখন হিন্দী ভাষাত নিৰ্মিত ছবি 'কালসন্ধ্যা'।

অসমীয়া চলচ্চিত্ৰ-শিল্পৰ বিশেষ ধাৰাৰ অন্যতম পথিকৃৎ ড° ভবেন্দ্ৰ নাথ শইকীয়া। কাহিনী, চৰিত্ৰ, উপস্থাপন, সংলাপ, আৱেদন আদি যি দিশৰ কথাই নকওঁ কিয়, সকলোতে তেখেতৰ স্বকীয় বৈশিষ্ট্য পৰিস্ফুট হৈছে। গল্প-উপন্যাসৰ নিচিনাকৈ সেইবোৰতো তেখেতৰ সৃষ্টিৰ অনিৰ্বচনীয় সৌন্দৰ্য ফুটি উঠিছে।

**সন্মান লাভ ঃ** ড° শইকীয়াদেৱে তেখেতৰ ৭১ বছৰীয়া জীৱন কালত বহুতো সন্মান লাভ কৰিছিল। তাৰে ভিতৰত সাহিত্য অকাদেমি বঁটা, অসম উপত্যকা সাহিত্য বঁটা, বংগীয় 'সাহিত্যিক হৰনাথ ঘোষ মেডেল', ১৯৯৮ চনত 'শংকৰদেৱ বঁটা', জীৱনজোৰা সাধনাৰ বাবে বংগীয় 'সুৰেন্দ্ৰনাথ পাল দাস বঁটা', ২০০০ চনত 'কমল কুমাৰী বঁটা', ২০০১ চনত ভাৰত চৰকাৰৰ 'পদ্মশ্ৰী' উপাধি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সন্মানীয় 'ডি-লিট' উপাধি, 'কলাৰত্ন উপাধি, 'সাদিন' আৰু 'গৰীয়সী'য়ে প্ৰদান কৰা 'শ্ৰেষ্ঠ অসমীয়া'ৰ সন্মান উল্লেখযোগ্য।

১৯৯০ চনত মেগৰ ন্যাসে আগবঢ়োৱা অসম উপত্যকা বঁটাপ্ৰাপক ড° ভবেন্দ্ৰ নাথ শইকীয়াই ৭১ বছৰ বয়সত ২০০৩ চনৰ ১৩ আগষ্টৰ পুৱা ১০ বাজি ৫ মিনিটত ইহলীলা সম্বৰণ কৰে। তেওঁৰ মৃত্যু সকলোৰে বাবে এক অপূৰণীয় ক্ষতি হৈ ৰ'ব। ■

**কথোপকথন ⇨**

# মামণি ৰয়ছম গোস্বামীৰ সৈতে

'সাহিত্যই মোৰ জীৱন। ইয়াৰ অবিহনে জীয়াই থকা মোৰ বাবে অসম্ভৱ। লিখাৰ প্ৰতি মোৰ নিজস্ব তাড়নাই মোক সৃষ্টিকৰ্মত ব্ৰতী কৰায়। সাধাৰণ মানুহৰ দৰিদ্ৰতা, যন্ত্ৰণাই মোক দুখ দিয়ে। মোৰ সৃষ্টিকৰ্মৰ অন্তৰালত এই কাৰকসমূহেই কাম কৰে।'

ক'ৰবাত পঢ়িবলৈ পাইছিলো উদ্ধৃত কথাখিনি আৰু প্ৰিয় লেখিকা মামণি ৰয়ছম গোস্বামী বাইদেউৰ প্ৰতি শ্ৰদ্ধাশীল হৈ পৰিছিলো।

গল্পকাৰ আৰু ঔপন্যাসিক ৰূপে মামণি ৰয়ছম গোস্বামী বাইদেউৰ শ্ৰেষ্ঠ সাহিত্য-কৃতি বাস্তৱ জীৱনত পোৱা ঘাত-প্ৰতিঘাত, সংঘাতনিৰ্ভৰ অভিজ্ঞতা প্ৰভৃতিৰ প্ৰতিফলন। অন্যায়-অবিচাৰৰ বিৰুদ্ধে তেওঁৰ কলম চিৰজাগ্ৰত হোৱাৰ লগতে সাধাৰণ শ্ৰেণীৰ দুখ-দুৰ্দশাৰ বাবে সদায় সহানুভূতিশীল।

মামণি ৰয়ছম গোস্বামী প্ৰকৃতাৰ্থত অসমীয়া সাহিত্যৰ এগৰাকী সাহসী লেখিকা। সাহিত্য চৰ্চাই তেওঁৰ জীৱন। তেওঁৰ ব্যক্তিগত আৰু সামাজিক জীৱন সংগ্ৰামে অসমীয়া নাৰীসকলক জীৱন যুঁজত হাৰ নামানিবৰ বাবে দিয়ে দৃঢ় মানসিকতা।

আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সন্মানীয় 'ইউৰো বঁটা'প্ৰাপক এই সাহিত্যিকগৰাকীৰ অসমীয়া ভাষাৰ পৰা আন্তঃৰাষ্ট্ৰীয় ভাষালৈ অনূদিত সাহিত্য কৰ্মই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে অসমীয়া সাহিত্যক সৰ্বভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ মৰ্যাদা প্ৰদান কৰিছে।



জ্ঞানপীঠ বঁটাপ্ৰাপক, অসমীয়া সাহিত্যৰ জীৱন্ত কিংবদন্তিস্বৰূপ সাহিত্যিকগৰাকীৰ সৈতে 'কটনিয়ান'ৰ হৈ তৃষ্ণালী নেওগে অন্তৰংগ মুহূৰ্তত সংগ্ৰহ কৰা এটি সাক্ষাৎকাৰ আগবঢ়োৱা হ'ল।

## জীৱনপঞ্জী

**জন্ম ঃ** গুৱাহাটী, ১৪ নৱেম্বৰ, ১৯৪২ চন।

**শিক্ষা ঃ** লতাশিল প্ৰাইমাৰী স্কুল, পাইন মাউণ্ট স্কুল (শ্বিলং), টি চি স্কুল (গুৱাহাটী), কটন মহাবিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় (অসমীয়া বিভাগ, ১৯৬৩)।

**বিয়া ঃ-** অভিযন্তা মাধৱেন ৰয়ছম আয়েংগাৰৰ লগত (১৯৬৫)। ১৯৬৭ চনত এটা পথ দুৰ্ঘটনাত স্বামীৰ মৃত্যু হয়।

**কৰ্মজীৱন ঃ** গোৱালপাৰাৰ সৈনিক স্কুলত শিক্ষকতা (১৯৬৮), দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা (আধুনিক ভাৰতীয় ভাষা বিভাগ)।

**গৱেষণা ঃ** বৃন্দাবনৰ Institute of Oriental Philosophyত গৱেষণা (১৯৬৯)। ১৯৭৩ চনত ডক্টৰেট উপাধি লাভ।

**গৱেষণা গ্ৰন্থ ঃ** মাধৱ কন্দলিৰ ৰামায়ণ আৰু গোস্বামী তুলসীদাসৰ ৰামচৰিত মানসৰ তুলনামূলক অধ্যয়ন।

**ৰচিত উপন্যাস ঃ** চেনাবৰ সোঁত (১৯৭২), নীলকণ্ঠী ব্ৰজ (১৯৭৬), অহিৰণ (১৯৮০), মামৰে ধৰা তৰোৱাল (১৯৮০), দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮), তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (১৯৯৪), ছিন্নমস্তাৰ মানুহটো (২০০৩) আদি।

**আত্মজীৱনী ঃ** আধালেখা দস্তাবেজ (১৯৮৮), দস্তাবেজৰ শেষপৃষ্ঠা (২০০৭)।

**গল্প সংকলন ঃ** চিনাকি মৰম (১৯৬২), কইনা (১৯৬৬), হৃদয় এক নদীৰ নাম (১৯৯০), মামণি ৰয়ছম গোস্বামীৰ স্বনিৰ্বাচিত গল্প (১৯৯৮), মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প (১৯৯৮)।

**অনুবাদ গ্ৰন্থ ঃ** প্ৰেমচন্দ্ৰৰ চুটি গল্প (১৯৭৫), আধা ঘণ্টা সময় (১৯৭৮), জাতক কথা, কলম (১৯৯৬), মহীয়সী কমলা।

**উল্লেখযোগ্য ৰাষ্ট্ৰীয়/আন্তঃৰাষ্ট্ৰীয় বঁটা ঃ** সাহিত্য অকাদেমি বঁটা (১৯৮৩); অসম সাহিত্য সভাৰ বিশেষ বঁটা (১৯৮৮); ভাৰত নিৰ্মাণ বঁটা, দিল্লী (১৯৮৯); সৌহাৰ্দ্য বঁটা, উত্তৰ প্ৰদেশ হিন্দী সংস্থা (১৯৯২); কথা বঁটা, দিল্লী (১৯৯৩); কমল কুমাৰী ফাউণ্ডেশ্বন বঁটা (১৯৯৬); আন্তৰ্জাতিক 'তুলসী বঁটা' (১৯৯৯), জ্ঞানপীঠ বঁটা (২০০০), ইউৰো বঁটা (২০০৮)।

**উল্লেখযোগ্য সঞ্চালনা ঃ** স্পেইনৰ ত্ৰিনিদাদ চহৰত অনুষ্ঠিত ৰামায়ণী সাহিত্যৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন (১৯৯৮); সাহিত্য অকাদেমি আৰু উৰ্দু অকাদেমিৰ দ্বাৰা আয়োজিত মিৰ্জা গালিবৰ দ্বি-শতবাৰ্ষিকী উৎসৱ (১৯৯৮); ভাৰত আন্তৰ্জাতিক হিন্দী আলোচনা সভা (১৯৯৯)।

✣ **কটনিয়ান ঃ বাইদেউ নমস্কাৰ, সমূহ কটনিয়ানৰ হৈ আপোনাক অভিনন্দন যাচিছোঁ। প্ৰথমতেই সুধিব বিচাৰিছোঁ, সাহিত্য জগতলৈ আহিবলৈ আপুনি প্ৰথম অনুপ্ৰেৰণা ক'ৰ পৰা পালে? আপুনি লিখা-মেলাৰ কাম কেতিয়াৰ পৰা আৰম্ভ কৰিছিল?**

◆ **মামণি ৰয়ছম গোস্বামী ঃ** মই প্ৰথমতে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়িছিলো। সেয়ে পিছত মই অসমীয়া স্কুলত পঢ়িবলৈ বিচাৰোঁতে কোনেও এডমিশ্বন দিবলৈ বিচৰা নাছিল। তেতিয়া মই ছাৰ-বাইদেউসকলক কওঁ যে মই অসমীয়াত ভাল ফল দেখুৱাব পাৰিম। তেতিয়াৰ পৰাই দুই-এটাকৈ লিখিবলৈ আৰম্ভ কৰিছিলো আৰু এতিয়া চোৱা, মই সঁচাই অসমীয়াত ভাল কৰি দেখুৱালোঁ।

কীৰ্তিনাথ হাজৰিকাই সেই সময়ছোৱাত মোক বহুত অনুপ্ৰেৰণা যোগাইছিল। মোৰ বাবে তেওঁ 'God Father' স্বৰূপ। লিখা কামটো প্ৰধানতঃ হৃদয়ৰ বস্তু, subject of the heart. কিছুমান incident দেখি মই সেই পৰিস্থিতিবোৰৰ কথা লিখোঁ। যেনে ধৰা, 'মামৰে ধৰা তৰোৱাল' উপন্যাসত মই ৰাইবেৰেলীত থাকোঁতে দেখা পোৱা সাধাৰণ শ্ৰেণী মানুহৰ জীৱনৰ ঘাত-প্ৰতিঘাতৰ বিষয়ে উল্লেখ কৰি লিখিছোঁ। ঠিক তেনেদৰে মোৰ প্ৰথম উপন্যাস 'চেনাবৰ সোঁত'ত পাক-ভাৰত যুদ্ধৰ যি বীভৎস ৰূপ মই নিজে প্ৰত্যক্ষ কৰিছিলো, তাৰ ছবি প্ৰতিফলিত কৰিছোঁ। মোৰ স্বামী Hindustan Construction Companyত থকা সময়ত Companyৰ বনুৱাবিলাকৰ দুৰ্দশাগ্ৰস্ত অৱস্থা মই প্ৰত্যক্ষ কৰিছিলোঁ। এজন বনুৱা ঢুকুৱাৰ পিছত তেওঁৰ পৰিয়ালে উচিত ক্ষতিপূৰণ পোৱা নাছিল। আনকি কাশ্মীৰত কৰ্মৰত অৱস্থাত মোৰ স্বামী ঢুকুৱাৰ পিছত তেওঁ এজন full-fledged engineer হোৱাৰ পিছতো ক্ষতিপূৰণ হিচাপে পাইছিলো মাত্ৰ দহ হাজাৰ টকা। এই সকলোবোৰ মোৰ উপন্যাসত প্ৰতিফলিত হৈছে। 'নীলকণ্ঠী ব্ৰজ' লিখাৰ সময়ত মই বৃন্দাবনত আছিলোঁ। তাত মই বিধৱাসকল, বিশেষকৈ অৰ্থনৈতিক সংকটত পৰি যিসকল বিধৱা পূব পাকিস্তানৰ পৰা গুচি আহিছিল তেওঁলোকৰ দুখ লগা অৱস্থাৰ মুখামুখি হৈছিলোঁ। এই সকলোবোৰ কথাই মই মোৰ লেখাত দাঙি ধৰিছোঁ।

✣ **'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসত আপুনি এগৰাকী দুঃসাহসী আৰু সূক্ষ্ম সংবেদনশীল মনৰ অধিকাৰী হিচাপে ব্যক্তিগত জীৱন তথা প্ৰচলিত সমাজ ব্যৱস্থাক সাহসেৰে উদঙাই দেখুৱাইছে। এই পদক্ষেপৰ অন্তৰাল কথাখিনি অলপ ক'ব নেকি?**

◆ বাস্তৱৰ অবৰ্ণনীয় ঘটনাকে মই এই উপন্যাসত দাঙি ধৰিছোঁ। বিশেষকৈ সত্ৰৰ বিধৱাসকলৰ জীৱন দেখি মোৰ বুকু কঁপি উঠিছিল। সেয়েহে তেওঁলোকৰ দুৰ্বিষহ জীৱনটো স্পষ্ট ৰূপত উপন্যাসৰ আলমত দেখুৱাইছোঁ। 'দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা'ত আনকি মই নিজৰ পৰিয়ালৰ মানুহৰ কু-সংস্কাৰবো সমালোচনা কৰিছোঁ। প্ৰতিখন উপন্যাস মোৰ দৃষ্টিৰ পৃথিৱীখনৰ প্ৰতিফলন।

✣ **সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ লগত পুৰস্কাৰ অপৰিহাৰ্য বুলি ভাবেনে? আপুনি সাহিত্য অকাদেমি তথা জ্ঞানপীঠ বঁটাৰেও সন্মানিত। জ্ঞানপীঠ বঁটাৰে সন্মানিত হোৱাৰ পিছত আপোনাৰ অনুভৱ কেনে? এই স্বীকৃতিৰ বাবে যোগ্য অসমীয়া সাহিত্য সমাজত আন কোনোবা আছে বুলি ভাবেনে?**

◆ পুৰস্কাৰে মনত সন্তুষ্টি দিয়াটো সঁচা। অথচ বহুক্ষেত্ৰত এই পুৰস্কাৰ প্ৰথাৰ মান সঠিকভাৱে নিৰূপিত নহয়। ই কিছুমান মানুহক সহজে প্ৰতিষ্ঠা দিয়ে, কিছুমানে প্ৰকৃত সাধনা, উৰ্বৰ সৃষ্টিৰ ক্ষেত্ৰতো পুৰস্কাৰ নাপায়। মই ভাবোঁ পুৰস্কাৰ প্ৰথাটো থাকিবই নালাগিছিল। আনহাতে, মোৰ এইটো ধাৰণাই নাহে যে মই কিবা পুৰস্কাৰ পাইছিলোঁ। মই জ্ঞানপীঠ বঁটাবিজয়ী। এনে স্বীকৃতি পাবৰ বাবে অসমত বহুকেইজন লেখক আছে। তাৰে ভিতৰত হীৰেণ ভট্ট, হোমেন বৰগোহাঞি, নীলমণি ফুকন লেখত ল'বলগীয়া বুলি মই ভাবোঁ।

✣ **আপুনি এগৰাকী শিক্ষাবিদ। উচ্চ শিক্ষাৰ লগত আপুনি জড়িত। দিল্লী বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থা আৰু অসমৰ বিশ্ববিদ্যালয়সমূহৰ শিক্ষা ব্যৱস্থা সন্দৰ্ভত আপোনাৰ তুলনামূলক ধাৰণা কেনে ধৰণৰ?**

◆ দিল্লী বিশ্ববিদ্যালয়ত facility available. অসমৰ পাঠ্যক্ৰম সম্পৰ্কে মই worried– কি হ'ব কি নহ'বক লৈ।

✣ **এচামে মত পোষণ কৰে যে অসমৰ শিক্ষিত যুৱক-যুৱতীসকলে সন্ত্ৰাসবাদৰ আশ্ৰয় লোৱাৰ মূল কাৰণ নিবনুৱা সমস্যা আৰু কেন্দ্ৰীয় চৰকাৰৰ অসমৰ প্ৰতি থকা অৱহেলা। এইক্ষেত্ৰত আপোনাৰ মতামত।**

◆ কেন্দ্ৰীয় চৰকাৰে অসমক অৱহেলা কৰাৰ মূলতে হৈছে leadershipৰ অভাৱ। ইয়াৰ উপৰি অসমৰ সামাজিক, অৰ্থনৈতিক আদি কৰি নানানটা সমস্যাৰ সমাধানৰ বাবে সমস্যাসমূহৰ উচিত বিশ্লেষণ কৰি কেন্দ্ৰীয় চৰকাৰক অৱগত কৰাবৰ বাবে representativeজন active হোৱা প্ৰয়োজন। আনহাতে welfare দিশটো উন্নত হ'লেই নিবনুৱা সমস্যাও দূৰ হ'ব।

✣ **অসমৰ নতুন প্ৰজন্মৰ প্ৰতি আপোনাৰ ক'বলগীয়া?**

◆ নতুন প্ৰজন্মই real human being হ'বৰ বাবে spiritualityৰ ওপৰত বিশেষ ধ্যান দিব লাগে। ■

*(সাক্ষাৎগ্ৰহণকাৰী তৃষ্ণালী নেওগ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ ছাত্ৰী)*

# ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰৰ সৈতে



**অ**সমৰ প্ৰথম ভ্ৰাম্যমাণ থিয়েটাৰ 'নটৰাজ থিয়েটাৰ'ৰ জন্ম হয় ১৯৬৩ চনৰ ২ অক্টোবৰত পাঠশালা নগৰত। সম্প্ৰতি এই ভ্ৰাম্যমাণ থিয়েটাৰৰ জন্মদাতা অচ্যুত লহকৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক ৰূপে পৰিগণিত। তেওঁৰ অনন্য সৃষ্টিয়ে অসমীয়া সংস্কৃতিৰ পথাৰখন সমৃদ্ধ কৰাৰ লগতে তেওঁৰ নাট্য-পৰম্পৰা ভাৰত তথা বিশ্ব পৰিপ্ৰেক্ষিততে এক বিৰল ইতিহাস।

তেওঁৰ সৃষ্টিকৰ্মই অসমৰ সাংস্কৃতিক-অৰ্থনীতিৰ পথাৰখন শক্তিশালী কৰাৰ লগতে নাটক প্ৰদৰ্শনৰ জৰিয়তে ভ্ৰাম্যমাণ থিয়েটাৰে সুস্থ শৈক্ষিক, সামাজিক পৰিৱেশ গঢ়াৰো অভূতপূৰ্ব পৰম্পৰা ৰচি থৈ গৈছে।

স্বকীয় উদ্ভাৱন শৈলীৰে অসমৰ সাংস্কৃতিক জগতখন মহিমামণ্ডিত কৰা অচ্যুত লহকৰক ১৯৯৭ চনত 'কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা'ৰে সন্মানিত কৰা হৈছিল। এনে এগৰাকী মহান সংস্কৃতিসাধকৰে **অভিজ্ঞান দাস**ৰ এলানি কথোপকথন আগবঢ়োৱা হ'ল।

## জীৱনপঞ্জী

**জন্ম ঃ** পাঠশালা, ৯ জুলাই, ১৯৩১ চন।

**শিক্ষা ঃ** ১৯৪৯ চনত বজালী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ। বজালী কলেজৰ পৰা আই এ পাছ। কলিকতাৰ বিদ্যাসাগৰ নাইট কলেজত স্নাতক মহলাত নামভৰ্তি, কিন্তু শিক্ষা অসম্পূৰ্ণ।

**ৰচিত নাটক ঃ** এৰিনা, অজেয় ভিয়েটনাম, আমেৰিকাৰ পুতলা, উষা, ব্ৰেক মানী, ডাক্তৰ বাবু, আদৰ্শৱতী নাৰী, আমি হেনো মানুহ নহয়, হামিদা, এখন পৃথিৱী, শংকৰদেৱ, বন্ধু হত্যাকাৰী বন্ধু, দুলীয়াজান, আল্লা ঈশ্বৰ আদি।

**সম্পাদিত আলোচনী ঃ** দীপাৱলী (প্ৰথম প্ৰকাশ- ১৫ জুন, ১৯৫২ চন, কলিকতা)

**অনুবাদ গ্ৰন্থ ঃ** আনা কাৰেনিনা।

**প্ৰযোজিত আৰু পৰিচালিত কথাছবি ঃ** ব্ৰেক মানী (১৯৭৩-৭৪)

**বঁটা প্ৰাপ্তি ঃ** ১৯৯৭ চনত সংস্কৃতি শিতানত 'কমল কুমাৰী ৰাষ্ট্ৰীয় বঁটা' লাভ, আৱাহন থিয়েটাৰৰ ন্যাস পুঁজিৰ তৰফৰ পৰা ভবেন্দ্ৰ নাথ শইকীয়া সোঁৱৰণী বঁটা, 'অসম নাট্য সমিতি'ৰ ভ্ৰাম্যমাণ নাট্য বঁটা (১৯৯৫-৯৬)

**+ কটনিয়ান ঃ এটা সময়ত নাটকবোৰত একোটা মতবাদ আছিল। মাৰ্ক্সবাদৰ আদৰ্শৰে উদ্বুদ্ধ হৈ আপুনি 'এৰিনা', 'অজেয় ভিয়েটনাম' আদি নাটক ৰচনা কৰিছিল। কিন্তু আজিকালি দেখা যায় যে টৌ সৃষ্টি কৰিবলৈহে ভ্ৰাম্যমাণৰ নাটক ৰচা হয়। যেনে— টাইটানিক, জুৰাছিক পাৰ্ক আদি নাটকত কোনো মতবাদ নাই। এক আদৰ্শ উপস্থাপনেৰে সামাজিক আন্তঃগাঁথনিৰ সবলীকৰণৰ পৰিৱৰ্তে কেৱল টৌৰ সৃষ্টি কৰি ব্যৱসায় কৰাৰ উদ্দেশ্যেহে এই নাটকবোৰ কৰা হোৱা নাইনে?**

◆ **অচ্যুত লহকৰ ঃ** আচলতে মই প্ৰায় তিনি বছৰমান হ'ল নাটক চোৱা নাই। কিন্তু ভ্ৰাম্যমাণৰ বৰ্তমান ধাৰাটোৰ বিষয়ে শুনি আছোঁ। ব্যৱসায়িক ধাৰণা এটা ভালদৰেই যে গা কৰি উঠিছে অনুমান কৰিব পাৰিছোঁ। নাটকৰ নামত কৌশলৰ চমকপ্ৰদ ব্যৱহাৰ বাঢ়িল, 'টেকনিকে' প্ৰাধান্য পাবলৈ ধৰিলে। এই ব্যৱসায়িক ধাৰণাটো আচলতে শিল্পীবোৰক পোহৰ দিয়াৰ স্বাৰ্থতে সাঙোৰ খাই পৰে। কিন্তু তথাপি মই ভাবোঁ নাটক অকল মনোৰঞ্জনৰ বাবেই নহয়। নাটকে সমাজক বহুখিনি দিব পাৰে আৰু দৰ্শকেও নাটকৰ পৰা বহুখিনি বিচাৰে।

**+ সেই সময়ত মাৰ্ক্সবাদৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ কৰা 'এৰিনা' আৰু 'অজেয় ভিয়েটনাম' আদি নাটকসমূহ ৰচনাৰ আঁৰৰ কথাখিনি ক'ব নেকি?**

◆ এটা সময়ত বিশ্বজুৰি মাৰ্ক্সবাদৰ ঢৌ চলিছিল। ময়ো এই আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিলোঁ। কিন্তু শীতল যুদ্ধৰ পৰৱৰ্তী সময়ত এই আদৰ্শটো প্ৰায় শেষ হৈ আহিল।

কিছুমান কথা সময় অনুযায়ী কাকতৰ শিৰোনাম হৈ পৰে। সমসাময়িক ঘটনাৰ আধাৰত যদি নাটক লিখা যায়, তেন্তে বেছি উপযোগী হয়। 'এৰিনা' আছিল মোৰ জীৱনৰ শ্ৰেষ্ঠ নাটক। 'এৰিনা'খনৰ সময়ত ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন শাসন ঘোষণা কৰে। তেতিয়া জনসাধাৰণৰ বাক্-স্বাধীনতা হেৰাই যায়। তেতিয়া জয়প্ৰকাশ নাৰায়ণে ক'লে যে ভাৰতৰ সৈনিক বিভাগে বহু সময়ত বিবেকেৰে কাম কৰি আহিছে। কিন্তু প্ৰশ্ন হয়— এতিয়া ভাৰতীয় সৈনিকসকলে কাৰ পক্ষত যুঁজিব— ইন্দিৰাৰ পক্ষত নে জনসাধাৰণৰ পক্ষত। ৰাজনৈতিক কাৰণতহে ৰাষ্ট্ৰপতি শাসন দিছে। সৈনিকসকলে কিয় বিদ্ৰোহ কৰা নাই।

নাৰায়ণৰ এই কথাই মোৰ গা চুই গৈছিল আৰু কু-শাসনৰ প্ৰতিবাদত মই 'এৰিনা' লিখি উলিয়ালোঁ। এৰিনাৰ পটভূমি মই ৰোমলৈও লৈ গৈছিলো। নাটখনত এটা গিৰ্জাৰ তলত প্ৰশ্ন কৰিছোঁ— তেতিয়া ৰাছিয়াৰ পৰা এথনিক্ ভাৰসাম্যৰ প্ৰতীক হিচাপে চেখভক আনিছোঁ, বৰ্ণ বৈষম্যৰ প্ৰতীক হিচাপে আফ্ৰিকাৰ 'কিটি', ধৰ্মৰ বৈষম্য হিচাপে 'সীতা'ক নাটকখনত থিয় কৰাই সুধিছোঁ— এইবোৰ 'গডে' সৃষ্টি কৰিছে নে মানুহে?

**+ বৰ্তমান ভ্ৰাম্যমাণ দলবোৰৰ বিষয়ে আপোনাৰ মতামত কি? কেতিয়াবা ভাবে নেকি যে আজিৰ ভ্ৰাম্যমাণ দলবোৰে নাটকৰ বিকাশ সাধনত ব্যৰ্থ হৈছে বুলি। ভ্ৰাম্যমাণ এক ব্যৱসায়িক প্ৰতিষ্ঠান হৈ পৰা বুলি অনুভৱ হয় নেকি?**

◆ নাটকৰ বিকাশ সাধনত ভ্ৰাম্যমাণ ব্যৰ্থ হৈছে বুলি মই নাভাবোঁ। ভ্ৰাম্যমাণত আজি টেকনিকে স্থান পাইছে, চমকপ্ৰদতা বাঢ়িছে। ভ্ৰাম্যমাণে মূল পথৰ পৰা কালৰি কাটি এনে কৰিবলগীয়াত পৰিছে। কাৰণ দহজন ভাল দৰ্শকৰ সন্মুখত নাটক পৰিৱেশন কৰিয়েই ভ্ৰাম্যমাণ চলাই নিব নোৱাৰি।

শিল্পীসকলক জীয়াই ৰখাৰ লগতে কলাটোকো জীয়াই ৰাখিব লাগে, শিল্পীক পোহপাল দিয়াৰ স্বাৰ্থও সোমাই থাকে।

ব্যৱসায়িক দৃষ্টিভংগী এটা থাকিবই। কিয়নো চৰকাৰে আমাৰ শিল্পীসকলক দৰমহা নিদিয়ে। গতিকে শিল্পীসকলৰ জীৱনৰ নিৰাপত্তাৰ স্বাৰ্থতে ব্যৱসায়িক মনোভাব ল'ব লগাত পৰে। আজিকালিতো সাধু-সন্ন্যাসীয়েও ব্যৱসায়িক মনোবৃত্তি ল'লে।

**+ এচাম দৰ্শকে মত পোষণ কৰে যে ভ্ৰাম্যমাণত দৰ্শকৰ ৰুচি অনুযায়ীহে নাটক কৰা হয়। অৰ্থাৎ শিল্পীসত্তা দৰ্শকৰ ৰুচি-অভিৰুচিৰ দ্বাৰা নিৰূপিত। ই নাট্যকলাৰ বিকাশ সাধনত বাধাৰ সৃষ্টি কৰা নাইনে?**

◆ এইবোৰ আচলতে কোনে কৰিছে। প্ৰযোজক বা নাটকাৰে নে দৰ্শকে? এই মুহূৰ্তত প্ৰযোজক বা নাট্যকাৰৰ দায়িত্বতকৈ এতিয়া সচেতন দৰ্শকৰহে দায়িত্ব বেছি। এসময়ত কুলদা কুমাৰ ভট্টাচাৰ্যই কহিণুৰ থিয়েটাৰত 'মাটিৰ গাড়ী' আদিৰ দৰে ভাল নাটক কৰিছিল। কিন্তু সেইবোৰ নচলিল। দৰ্শকে তেনেকুৱা নাটক আদৰি নল'লে। অন্যথা ভ্ৰাম্যমাণৰ নাটক সেই সুঁতিৰেই চলিলহেঁতেন। সেয়ে দৰ্শকৰো দায়িত্ব আছে। তদুপৰি বাতৰিকাকত আৰু প্ৰচাৰ মাধ্যমেও জনসাধাৰণক ভাল নাটকৰ মহত্ব বুজাব পাৰিব লাগিব। এনে পদক্ষেপ হাতত ল'লেহে 'মাটিৰ গাড়ী'ৰ দৰে নাটকে গা কৰি উঠিব পাৰিব।

**+ নটৰাজত একেধাৰে আপুনি নাট্যকাৰ, মঞ্চসজ্জা, পৰিচালক, আলোকশিল্পী আদিৰ গুৰু দায়িত্ব লৈছিল। একেলগে ইমানবোৰ দায়িত্ব লোৱাৰ কাৰণ কি আছিল?**

◆ আনে নাজানিছিল, সেয়ে ময়েই শিকাব লগা হৈছিল। প্ৰথম অৱস্থাত সাঁচকৈয়ে মই ৰিং মাষ্টাৰ হ'বলৈ বাধ্য হৈছিলোঁ। সেই সময়ত থিয়েটাৰৰ বিভিন্ন দক্ষতা থকা প্ৰশিক্ষকৰ অভাৱ হৈছিল। ভাষাৰ উচ্চাৰণৰ পৰা আলোকসম্পাতলৈ সমগ্ৰ বিষয় চম্ভালিব লগা হৈছিল।

**+ নতুন চামক লৈ আপুনি আশাবাদীনে?**

◆ আমাৰ নতুন ল'ৰা-ছোৱালীহঁতৰ ওপৰত মই খুবেই আশাবাদী। নতুন চাম সকলো ক্ষেত্ৰতে ওলাই আহিছে। আমাৰ ভুলৰ পৰা শিক্ষা লৈয়ে তেওঁলোকে কেতিয়াও ভুল নকৰাৰ পণ ল'ব লাগিব। অসমৰ থলুৱা সমস্যা, যেনে— বানপানী সমস্যা, বহিৰাগত সমস্যা আদি আছেই। তাৰ বিপৰীতে কিন্তু অসমৰ কিছুমান সুকীয়া সম্পদ আছে, যেনে— চাহ বাগিচা, খনিজ সম্পদ আদি। এই সকলোবোৰ সমস্যা আৰু সম্পদক লৈ নাটক লিখাৰ প্ৰয়োজনীয়তা নতুন চামৰ বাবে আছে। অসমৰ জাতীয় জীৱনৰ সমস্যাবোৰ প্ৰতিফলিত কৰিব পাৰিলেহে মঞ্চত জাতীয় চিত্ৰ সম্পন্ন হয়। প্ৰচলিত সমাজখনত তেতিয়াহে দৃষ্টিপাত কৰিবলৈ সহজ হ'ব। ■

*(সাক্ষাৎগ্ৰহণকাৰী অভিজ্ঞান দাস স্নাতক তৃতীয় বৰ্ষৰ গণিত বিভাগৰ ছাত্ৰ)*

কথোপকথন ⇨

# 'নিজৰ পৰাহি মই লিখাৰ শক্তি আহৰণ কৰোঁ' ঃ ৰীতা চৌধুৰী

যুক্তি আৰু আৱেগে স্থান পায় ৰীতা চৌধুৰীৰ সৃষ্টিত। চৰিত্ৰৰ নিৰ্ভীক আৰু সাহসী উপস্থাপনে প্ৰদান কৰে প্ৰতিটো সৃষ্টিকে এক নতুন মাত্ৰা। প্ৰতিটো চৰিত্ৰক আগবঢ়াই নিওতে আশ্ৰয় লোৱা ভাষাৰ সাৱলীলতা আৰু কাব্যিক প্ৰকাশে বান্ধি ৰাখে পাঠক মহলক। প্ৰতিটো চৰিত্ৰই পাঠকৰ আপোন হৈ পৰে। মনোগ্ৰাহী হয় প্ৰতিটো লেখা।



শৈক্ষিক-সামাজিক জগতখনত সবল খোজ পেলোৱা ৰীতা চৌধুৰীৰ সাহিত্য জগতখনতো আছে এটি সুকীয়া পৰিচয়। তেওঁ অসম আন্দোলনৰ এগৰাকী সক্ৰিয় সদস্য আছিল। জাতীয় সংগ্ৰাম আৰু বাস্তৱ জীৱনৰ কঠিন সংগ্ৰামৰ অভিজ্ঞতাই তেওঁক আগবাঢ়ি যোৱাত যোগাইছে অদমনীয় শক্তি আৰু তাতে তেওঁ বিচাৰি পাইছে জীৱনৰ মাধুৰ্য। তেওঁৰ সাহিত্য সাধনাৰ স্বীকৃতিস্বৰূপে ২০০৮ বৰ্ষৰ সাহিত্য অকাদেমি বঁটাৰে সন্মানিত কৰা হয়। ঔপন্যাসিক, কবি, গল্পকাৰ ৰীতা চৌধুৰীৰ সৈতে কটনিয়ানৰ হৈ **ভাৰ্গৱ কছাৰী**ৰ সাক্ষাৎকাৰ তলত আগবঢ়োৱা হ'ল।

**জীৱনপঞ্জী**

**জন্ম ঃ** নামপুং, অৰুণাচল প্ৰদেশ, ১৯৬০।

**শিক্ষা ঃ** কটন কলেজ (স্নাতক), গুৱাহাটী বিশ্ববিদ্যালয় (স্নাতকোত্তৰ, অসমীয়া আৰু ৰাজনীতি বিজ্ঞান বিষয়ত), এল এল বি।

**কৰ্মজীৱন ঃ** ডিফু কলেজত শিক্ষকতা। বৰ্তমান কটন কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা।

**সাহিত্য কৰ্ম ঃ উপন্যাস ঃ** অবিৰত যাত্ৰা, তীৰ্থভূমি, মহাজীৱনৰ আধাৰশিলা, পপীয়া তৰাৰ সাধু, নয়না তৰালী আৰু সুজাতা, হৃদয় নিৰুপায়, জলপদ্ম, এই সময় সেই সময়, ৰাগ মালকোশ, দেও লাংখুই আদি।

**কবিতা পুথি ঃ** বগা মাটিৰ তুলসী, অলপ পোহৰ তলপ আন্ধাৰ, সুদূৰ নক্ষত্ৰ।

**বঁটা প্ৰাপ্তি ঃ** জীৱনৰ প্ৰথম গ্ৰন্থ 'অবিৰত যাত্ৰা'ৰ বাবে অসম সাহিত্য সভাৰ বঁটা, 'দেও লাংখুই' গ্ৰন্থৰ বাবে ২০০৮ বৰ্ষৰ সাহিত্য অকাদেমি বঁটা লাভ।

**❖ কটনিয়ান ঃ শ্ৰদ্ধেয় সাহিত্যিক নৱকান্ত বৰুৱাৰ পিছত কটন মহাবিদ্যালয়ৰ পৰা সাহিত্য অকাদেমি বঁটা পোৱা আপুনি দ্বিতীয়গৰাকী সাহিত্যিক। এই বঁটা পাম বুলি কেতিয়াবা ভাবিছিলনে? আপোনাৰ সৃষ্টিৰ অনুপ্ৰেৰণা?**

◆ **ৰীতা চৌধুৰী ঃ** অসমীয়া সাহিত্য ক্ষেত্ৰখনলৈ কিবা এটা বৰঙণি দিব পাৰিছোঁ বুলি মই আনন্দিত। বঁটা নাপাম বুলি ভবা নাছিলো। কিন্তু বঁটাৰ কথা ভাবিও থকা নাছিলো। মই নিষ্ঠা আৰু একাগ্ৰতাৰে লিখোঁ। বিষয়বস্তুৰ গভীৰলৈ যোৱাৰ চেষ্টা কৰোঁ।

ময়ে মোৰ প্ৰেৰণা। নিজৰ পৰাই মই লিখাৰ শক্তি আহৰণ কৰোঁ। কলমটো থমকি ৰ'ব খুজিলে নিজৰ পৰাই তুলি লওঁ গতিশক্তি। মোৰ সন্মুখত সদায় থাকে মানুহ। মোৰ দুই সন্তানৰ হাতত ধৰি আগবাঢ়ি গৈ থাকোঁ। সৃষ্টিৰ শ্ৰমসাপেক্ষ কষ্টকৰ পথত পাঠক, সমালোচক আৰু কিছু বন্ধুৰ আত্মীয়তাই ছাঁ দিয়ে। দিয়ে পিয়াহৰ পানী আৰু আগবাঢ়ি যোৱাৰ উদ্দীপনা।

**❖ অসম আন্দোলনক অসমবাসীয়ে যি আন্তৰিকতাৰে সঁহাৰি জনাইছিল, তাৰ উচিত মূল্যায়ন আজি হ'ল বুলি ভাবেনে? এই আন্দোলনে এচাম নেতাক ৰাজনৈতিক খোজ আগবঢ়োৱাত সহায় কৰাৰ পৰিৱৰ্তে সাম্প্ৰতিক প্ৰেক্ষাপটলৈ চালে অসমবাসীক দিব পৰা আৰু কিবা বৈ যোৱা যেন অনুভৱ নহয়নে?**

◆ হয়, অসম আন্দোলনত সমগ্ৰ অসমবাসীয়ে যি আন্তৰিকতাৰে যোগদান কৰিছিল, যি উদ্দেশ্য আগত ৰাখি সংগ্ৰাম কৰিছিল— আন্দোলনৰ সমাপ্তিত সেই সংগ্ৰামৰ উচিত মূল্যায়ন হোৱা বুলি ক'ব নোৱাৰি।

দ্বিতীয়তে যি সুধিছা, তাৰ উত্তৰ কম পৰিসৰত দিয়াটো খুবেই জটিল। অসম আন্দোলনে ৰাজনৈতিক বা তেনে কোনো এটা নিৰ্দিষ্ট ক্ষেত্ৰতে নহয়, অসমৰ গোটেই সমাজ জীৱনতে ব্যাপক প্ৰভাৱ পেলাইছে। এই সকলো কথা মই মোৰ উপন্যাস 'এই সময় সেই সময়'ত সামৰি ল'বৰ চেষ্টা কৰিছোঁ। ই ইতিহাস নহয়। ই অচলায়তন কালৰ এক অংশত উপস্থিত থকা এক জনজীৱনৰ খণ্ডচিত্ৰ। যি জনজীৱন সাঙোৰ খাই আছে ধূলিয়ৰি দিনবোৰৰ

সৈতে। 'এই সময় সেই সময়' সৃষ্টি কৰিছে এক নির্মোহ আৰু স্বাধীন কলমে। দৃষ্টি আৰু বোধিৰে সীমাবদ্ধ, অথচ নির্মোহ আৰু স্বাধীন কলম। এই কলম বিচাৰক নহয়। তত্ত্বদৰ্শীও নহয়। দৰ্শক মাত্ৰ। ই মাত্ৰ পোহৰ পেলাই চাইছে সমাজৰ ইফালে-সিফালে। অহা-যোৱা কৰিছে এই সময় সেই সময়ৰ অলি-গলিয়েদি। এই দেখা সম্পূৰ্ণ নহয়। সামগ্ৰিকতাৰ এটা ভগ্নাংশ মাত্ৰ। যিসকলে মোৰ এই উপন্যাস পঢ়িছে তেওঁলোকে নিশ্চয় এই প্ৰশ্নৰ উত্তৰ বিচাৰি পাব।

**✢ এনে এখন উপন্যাসেৰে সমাজ বাস্তৱতাক শব্দৰূপ দিবলৈ যাওঁতে আপোনাৰ মনত উদয় হোৱা অনুভৱৰ বিষয়ে জনাব নেকি?**

◆ সমাজ বাস্তৱতাক শব্দৰ ৰূপ দিবলৈ যাওঁতে কলমে কেতিয়াবা তীক্ষ্ণাগ্ৰ শেল হৈ বিন্ধে, কেতিয়াবা লৈ যায় শোক, ক্ষোভ, হতাশা, আশ্চৰ্য, যন্ত্ৰণা, ক্ৰোধৰ অগ্নিশাললৈ। কেতিয়াবা লৈ যায় আনন্দ, আশা, বিশ্বাস, আস্থাৰ ৰ'দঘাই চোতাললৈ। মনক বিভ্ৰান্ত কৰিব খোজা বিশৃংখলাৰ মাজৰ পৰা নিজৰ বাবে সত্যক বিচাৰি ল'ব পাৰি। বিচাৰি ল'ব পাৰি শুভংকৰ পথ। 'এই সময় সেই সময়'-এ সেই আকাংক্ষাৰ জন্ম দিব পাৰিলেই সাৰ্থক হ'ব কলম।

**✢ সূক্ষ্ম সংবেদনশীল মনৰ অধিকাৰী হিচাপে পাঠক সমাজত আপোনাৰ এক সুকীয়া সত্তা আছে। উপন্যাস 'দেও লাংখুই'ৰ দৰে ইমান প্ৰভাৱশালী লেখাৰ সমলবোৰ আপুনি ক'ত পায়?**

◆ মোৰ লেখক সত্তা সকলো সময়তে সক্ৰিয় হৈ থাকে। লিখাৰ সমল মই মোৰ চাৰিওফালৰ পৰিৱেশ-পৰিস্থিতিৰ পৰাই আহৰণ কৰোঁ। বিভিন্ন বিষয়বস্তু বিচাৰি পাওঁ। সেই বিষয়বস্তুবোৰৰ যিবোৰে বিশেষ আগ্ৰহৰ জন্ম দিয়ে, তাৰ মাজৰ পৰাই উপন্যাসৰ বিষয় নিৰ্বাচন কৰোঁ।

**✢ 'দেও লাংখুই'ৰ দৰে এখন বুৰঞ্জীমূলক উপন্যাস ৰচনা কৰোঁতে আপোনাৰ সন্মুখত ধৰা দিয়া প্ৰত্যাহ্বান?**

◆ মোৰ বুৰঞ্জীৰ জ্ঞান অতি সীমাবদ্ধ। উপন্যাসখন ৰচনা কৰিবলৈ যাওঁতেহে অসমৰ বিভিন্ন বুৰঞ্জীমূলক পুথি আৰু বিভিন্ন সমাজ-সংস্কৃতিৰ বিষয়ক পুথি অধ্যয়ন কৰিছোঁ। এটা কাল নিৰ্ধাৰণ কৰি পুথি, প্ৰবন্ধ আদিৰ পৰা সংগৃহীত তথ্যসমূহৰ আধাৰত নিৰ্ভৰ কৰি সেই কালৰ সমাজ জীৱনক চুই যাবৰ চেষ্টা কৰিছোঁ। লগতে বিক্ষিপ্ত আৰু পৰস্পৰবিৰোধী তথ্যসমূহৰ মাজৰ পৰা নিজস্ব অন্তৰ্দৃষ্টিৰে প্ৰতাপসিংহ-চন্দ্ৰপ্ৰভা, আৰিমত্ত-গংগাৰতী, ৰত্নসিংহ লখাইতৰা, জোঙালবলহু-সুকোমলা আদিৰ জীৱনৰ একোখন যথাসম্ভৱ যুক্তিসংগত ছবি তুলি ধৰিবৰ চেষ্টা কৰিছোঁ। বুৰঞ্জী পুথি অধ্যয়নৰ দ্বাৰা আৰিমত্তৰ পিতৃ পৰিচয়, আৰিমত্তৰ জীৱন, জোঙালবলহুৰ জীৱনৰ বিষয়ে অধিক তথ্য জানিবলৈ যাওঁতে বিভ্ৰান্তিত পৰিছিলোঁ। বুৰঞ্জীসমূহৰ মতৰ প্ৰায় প্ৰতিখনেই প্ৰতিখনতকৈ বেলেগ বুলি ক'ব পাৰি। এই অত্যন্ত জটিল আৰু কঠিন কামবোৰ সঠিকভাৱে সম্পন্ন কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছোঁ।

**✢ 'এই সময় সেই সময়'ৰ মাজেৰে নৱপ্ৰজন্ম আৰু পুৰণি প্ৰজন্মৰ চিন্তা-চৰ্চাৰ এটি পাৰ্থক্য দেখিবলৈ পোৱা যায়। এইক্ষেত্ৰত আপোনাৰ মন্তব্য?**

◆ 'এই সময় সেই সময়'ত নৱপ্ৰজন্ম আৰু পুৰণি প্ৰজন্মৰ মাজত চিন্তা আৰু জীৱন দৰ্শনৰ ক্ষেত্ৰত থকা ঐক্য আৰু পাৰ্থক্যসমূহক তুলি ধৰিবলৈ সচেতনভাৱেই চেষ্টা কৰিছোঁ। দুটা প্ৰজন্মৰ মাজত পাৰ্থক্য থাকিবই। সময়ে অনা পৰিৱৰ্তনৰ ছবিখন ধৰি ৰাখিবলৈ যাওঁতে এই দিশটোও আহি পৰিছে। এই দিশটোৱে বিশেষ গুৰুত্ব লাভ কৰিছে।

**✢ 'এই সময় সেই সময়' উপন্যাসখনৰ 'অদিতি' চৰিত্ৰটোৰ মাজত কেনেবাকৈ আপুনি সোমাই পৰিছে নেকি?**

◆ তোমাৰ তেনে কিবা অনুভৱ হৈছে নেকি?

**✢ *আপোনাৰ সৃষ্টিৰ প্ৰথম পাঠক হিচাপে এনে কোনো ব্যক্তি* আছে নেকি, যি এই কৃচ্ছ্ৰসাধনাত ব্ৰতী হৈ থাকিবলৈ আপোনাক বাৰে বাৰে বাধ্য কৰায়?**

◆ নাই।

**✢ সাম্প্ৰতিক সন্ত্ৰাসজৰ্জৰ পৰিস্থিতিত সাহিত্যৰ দৰে বৌদ্ধিক সাধনাত ব্ৰতী হৈ থকাত বাধাপ্ৰাপ্ত হোৱা যেন বোধ কৰে নেকি?**

◆ সৃষ্টিশীলতাৰ প্ৰকৃতি বহুক্ষেত্ৰত পৰিস্থিতিনিৰ্ভৰ হ'ব পাৰে। সাম্প্ৰতিক সন্ত্ৰাসজৰ্জৰ পৰিস্থিতিও হ'ব পাৰে সাহিত্যৰ বাবে এক নতুন সমল। কিন্তু পৰিস্থিতিয়ে সৃষ্টিশীলতাক বাধাগ্ৰস্ত কৰিব পাৰে বুলি মই নাভাবোঁ। সাহিত্যৰ দৰে বৌদ্ধিক সাধনা পৰিস্থিতিনিৰ্ভৰ হৈ বাধাগ্ৰস্ত হ'ব নোৱাৰে।

**✢ সাহিত্য-সংস্কৃতিৰ উত্তৰণৰ লগত পুৰস্কাৰ অপৰিহাৰ্য বুলি আপুনি ভাবে নেকি? সাহিত্য অকাদেমি বঁটাৰে সন্মানিত হোৱাৰ পিছত আপোনাৰ অনুভৱ সম্পৰ্কে কওকচোন।**

◆ পুৰস্কাৰে উৎসাহ যোগায়। প্ৰচাৰ দিয়ে। পাঠক-সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰে। কিন্তু উত্তৰণৰ ক্ষেত্ৰত পুৰস্কাৰ অপৰিহাৰ্য নহয়। সৃষ্টিৰ উত্তৰণ সাধনানিৰ্ভৰ, পুৰস্কাৰনিৰ্ভৰ নহয়।

**✢ এই বঁটা প্ৰাপ্তিত সমগ্ৰ কটন পৰিয়ালৰ পৰা আপোনালৈ যাচিছোঁ আন্তৰিক শুভেচ্ছা। বাইদেউ, আগলৈও লিখি যাব আৰু আমাৰ কটন কলেজ পৰিয়াললৈ গৌৰৱ কঢ়িয়াই আনিব।**

◆ ধন্যবাদ। ■

*(সাক্ষাৎগ্ৰহণকাৰী ভাৰ্গৱ কছাৰী স্নাতক প্ৰথম বৰ্ষৰ ভূগোল বিভাগৰ ছাত্ৰ)*

গ্ৰন্থ সমালোচনা

# নতুন পদাতিকৰ নাট 'নিলাম'ৰ কথাৰে 'ৰাগ-অনুৰাগ'


**শাশ্বতী বৰদলৈ**

*স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক*

*অসমীয়া বিভাগ*


অনুৰাধা শৰ্মা পূজাৰীৰ এখন উপন্যাস হৈছে 'ৰাগ-অনুৰাগ' (প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০০৭)। 'ৰাগ-অনুৰাগ'ত শিল্পীৰ মনটোকে যেন এক নতুন ৰূপত ফুটাই তুলিছে। টকা-পইচাৰে যাক গঢ়িব নোৱাৰি, নোৱাৰি কিনিব, নোৱাৰি নিলাম কৰিব মানুহৰ মন-মগজু-হৃদয়।

উপন্যাসখনত কোৱা হৈছে অতি ক্ষিপ্ৰ বিশ্বায়নে মহানগৰ, চহৰ আৰু গাঁওবোৰৰ আন্তঃগাঁথনি ভাঙি দিছে। যুব চামৰ লক্ষ্য হৈ পৰিছে মহানগৰ। এখন মফচলীয়া সৰু চহৰত থকা এমেচাৰ নাটকৰ দল 'নতুন পদাতিক'ৰ সদস্যসকলৰো চিন্তা, মূল্যবোধ সময়ৰ সৈতে সলনি হ'ল। নাটকৰ দলটো ভাগি গ'ল। সিহঁত যেন নিজেই একোটা অচিনাকি চৰিত্ৰ হৈ পৰিল। অস্থিৰতা, কেৰিয়াৰ গঢ়াৰ আকাংক্ষাৰ পিছে পিছে দৌৰা এই চৰিত্ৰবোৰ প্ৰেমিক, প্ৰবঞ্চক, ঈৰ্ষাকাতৰ, পলৰীয়া, দিক্-বিদিক্ নোপোৱা যুব প্ৰজন্মৰ প্ৰতিনিধি। তাৰ মাজতো 'সীতা'ৰ দৰে সোঁতে সহজে উটুৱাই নিনিয়া চৰিত্ৰ বাচি থাকিল। বাচি আছে অতীতৰ মূল্যবোধ আৰু প্ৰকৃত কলাৰ সাধক 'বিবিজান'ৰ দৰে চৰিত্ৰ। জগতৰ প্ৰাণ আৰু জীৱনীশক্তি বুলি ভবা সংগীত আৰু সংস্কৃতিৰ অস্থিৰ কম্পনত বাট হেৰুৱাইছে প্ৰেম, মানৱতা আৰু জীৱনৰ মাহাত্ম্যই।

উপন্যাসখন নাটকৰ শিল্পীসকলৰ জীৱন-আদৰ্শ আৰু মূল্যবোধক লৈ ৰচিত। সেয়ে হয়তো ইয়াৰ উপস্থাপন শৈলীত ঔপন্যাসিকাই নাটকৰ দৰে অংশ, দৃশ্য, পটভূমি, কল্যাণ-খৰমানৰ অৱতাৰণা কৰিছে। উপন্যাসৰ মাজেদি ফুটাই তোলা হৈছে—A Drama is not life, but life is a Drama. (পৃঃ ১৪১)।

উপন্যাসখনত 'নিলাম' নাটকখনৰ জৰিয়তে কোৱা হৈছে—

'বেহা বেহা<br>
কোন ক'ত, আহা আহা<br>
এশ গ্ৰাম হৃদয়<br>
পাঁচ টকা বাৰ অনা<br>
পঞ্চাছ গ্ৰাম বিবেক<br>
দুটকা আঠ অনা<br>
তিনিশ গ্ৰাম মগজু আছেগৈ বাকী<br>
বিয়েই দিবা বেছি দাম, হ'ব নিলাম<br>
নিলাম, নিলাম নিলাম।' (পৃঃ ১৫০)

প্ৰকৃতাৰ্থত উপন্যাসখনৰ ভাববস্তুৱেই এইটো। সময়ৰ সোঁতত উটি গৈ নায়ক স্বপ্নীলেই 'নিলাম'ৰ মাজেদি নিজৰ আদৰ্শ প্ৰতিষ্ঠা কৰিব খুজিছিল। কিন্তু ভোগবাদী এই সময়ে দুখীয়া স্বপ্নীলক হাতবাউল দি সত্যত নিজৰ আদৰ্শ মোহাৰি ভোগবাদী সমাজত ভৰি দিছে। তথাপি ভাবিছে তাৰ আদৰ্শক সি প্ৰতিষ্ঠা কৰিব, যেতিয়া সি অজস্ৰ ধনৰ বৰষুণত তিতিব। কিন্তু বহু দেৰি হৈ নাযাবনে? তথাপি আছে সীতাৰ দৰে চৰিত্ৰই ভোগবাদী সমাজক নেওচা দি প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছে স্বপ্নীলৰ আদৰ্শ। উপন্যাসখনৰ প্ৰতিটো অংশ, দৃশ্য ইমান মনপৰশা যে পঢ়ি যাওঁতে হৃদয়ত বাজিবলৈ ধৰে 'নিলাম'ৰ আদৰ্শ। উপন্যাসখনৰ মাজেৰে প্ৰকাশ পাইছে—

'ভাঙি যোৱা হৃদয়ৰ জুহালত নতুনকৈ জুই জ্বলিবনে!<br>
নিলাম হোৱা বিবেক-মগজু ঘূৰি আহিবনে!<br>
ভালপোৱাত গঢ়া সেমেকা মাটিত গজি উঠিবনে প্ৰেমৰ শইচ!'

অনুৰাধা শৰ্মা পূজাৰীৰ 'ৰাগ-অনুৰাগ'-এ যুব প্ৰজন্মক নতুন আদৰ্শ, নতুন পথৰহে যেন সন্ধান দিছে। ■

**ৰাগ-অনুৰাগ**<br>
**লেখিকা ঃ**<br>
অনুৰাধা শৰ্মা পূজাৰী<br>
**প্ৰথম প্ৰকাশ ঃ**<br>
ডিচেম্বৰ, ২০০৭

## প্ৰাচীৰৰ অনুৰণন ⇨

# প্ৰাচীৰ পত্ৰিকাত কটনিয়ানৰ স্বপ্নীল মনৰ সোণালী বৰষুণ

### প্ৰথম খণ্ড

### ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা

লিখা কামটো এটা কঠিন সাধনা। এই কঠিন কামটোৰ আঁৰত থাকে একেবাৰে অন্তৰৰ পৰা ওলোৱা এটা উদ্দেশ্য। অজ্ঞানতা, সামাজিক বিশৃংখলতা দূৰ কৰি সমাজৰ উন্নতি কৰাই এই উদ্দেশ্যৰ ধাৰক-বাহক। লেখক সদায় দায়বদ্ধ, লেখাটোৱে পাঠক সমাজক কি দিলে? বৰ্তমান লেখক সমাজৰ সৰহসংখ্যক লেখাতে আধ্যাত্মিকতাৰ অভাব। কবিতা, গল্পবোৰত যৌনতাৰ প্ৰভাব বেছি। সাহিত্যৰ বিষয়ে এই অধমৰ জ্ঞান সীমিত যদিও লক্ষ্য কৰি দেখা পোৱা গৈছে যে সাম্প্ৰতিক, আৰ্থ-সামাজিক, ৰাজনৈতিক পৰিস্থিতিত গুৰুত্ব দি উপদেশমূলক লেখাৰ অভাব। স্বদেশপ্ৰেম আৰু সমাজৰ মানসিক উৎকৰ্ষ সাধন কৰিব পৰা প্ৰবন্ধ তেনেই সীমিত।

দি দেশত গুপ্তহত্যা, বলাৎকাৰ, বিস্ফোৰণ... আদিয়ে নিতৌ শিৰোনাম দখল কৰি মানৱীয় প্ৰমূল্যবোধ খৰ্ব কৰে, সেই দেশত সাহিত্য-সংস্কৃতিৰ উত্তৰোত্তৰ হ্ৰাসাকৰ। ইয়াৰ উপৰি যেনেধৰণে বিশ্বায়নৰ প্ৰভাৱত যুব-সমাজৰ মানসিকতা আধুনিকতাবাদৰ প্ৰতি ধাৱমান, এনে পৰিপ্ৰেক্ষিতত বৌদ্ধিক চিন্তা-চৰ্চাৰ দ্বাৰা ন-সাহিত্যৰ সৃষ্টি অসম্ভৱ।

সৃষ্টিৰ অন্যতম বাৰ্তাবাহক বাতৰিকাকত। বাতৰিকাকতেই উদ্ভাৱন কৰে ন-সাহিত্যক। কিন্তু যিবোৰ বাতৰিকাকতৰ পৃষ্ঠা দখল কৰে ৰাজপথৰ অসহায় উলংগ নাৰীয়ে; সেইবোৰ বাতৰিকাকতৰ অস্তিত্ব জ্ঞাত। এনেবোৰ পৰিঘটনাই এখন সমাজৰ দুৰ্বলতা ঘোষণা কৰে।

এখন আলোচনী, বাতৰিকাকত, এখন ভাল কিতাপে এখন পৰিৱৰ্তনশীল সমাজক প্ৰতিনিধিত্ব কৰে। এখন সুস্থ সমাজৰ দাপোণস্বৰূপ একো একোখন প্ৰভাৱশালী আলোচনী। আধুনিক বিশ্বত যেনেধৰণে 'ক্ষুদ্ৰ আলোচনী'য়ে (Little Magazine) বিশেষ সমাদৰ লাভ কৰিছে। ঠিক সেইদৰে 'প্ৰাচীৰ পত্ৰিকা'ৰো (Wall Magazine) আকৰ্ষণ চকুত লগা। কটন মহাবিদ্যালয়তো প্ৰতিবছৰেই সৃষ্টি হয় কেইখনমান আকৰ্ষণীয় প্ৰাচীৰ পত্ৰিকা। এই প্ৰাচীৰ পত্ৰিকা সৃষ্টিৰ আঁৰত থকা প্ৰতিজন কলা-কুশলীৰ চিন্তা, কষ্ট আৰু একাগ্ৰতাৰ বলতেই বিকশিত হয় ছাত্ৰ সমাজৰ চিন্তাৰাজি।

কটন মহাবিদ্যালয়ৰ ছাত্ৰাবাসসমূহৰ মুঠ নখন প্ৰাচীৰ পত্ৰিকা আছে। কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ'; ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ 'সাৰ্বজনীন', শ্বহীদ বঞ্চিত বৰপূজাৰী ছাত্ৰাবাসৰ 'ৰ'দ কাঁচলি'; আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ 'প্ৰতিধ্বনি'; সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ 'ৰ'দালি'; শ্বহীদ মোজাম্মিল হক 'সৌৰভ'; মহেন্দ্ৰনাথ ডেকাফুকন ছাত্ৰাবাসৰ 'প্ৰাচীৰৰ ৰেঙনি'; নলিনীবালা দেৱী ছাত্ৰী নিৱাসৰ 'শাশ্বত' আৰু শ্বহীদ কলকলতা ছাত্ৰী নিৱাসৰ 'অন্বীক্ষা'ত প্ৰকাশিত লেখাসমূহৰ খতিয়ান এই প্ৰবন্ধত দিয়া হ'ব।

**অন্বীক্ষা ঃ** শ্বহীদ কনকলতা ছাত্ৰী নিৱাসৰ পৰা প্ৰকাশিত এই প্ৰাচীৰ পত্ৰিকাখন সম্পাদনা কৰিছে পল্লৱী বৰুৱাই আৰু অলংকৰণ সীমামণি লিখকৰ। প্ৰকাশিত লেখাৰ প্ৰায়খিনিয়েই মনোগ্ৰাহী হৈছে। তাৰ ভিতৰত গৌৰীমা গগৈৰ 'পাহাৰ আৰু ভৈয়ামৰ মিলন ক্ষেত্ৰ জোনবিল'; অনামিকা কলিতাৰ 'Life'; প্ৰত্যাশী ফুকনৰ 'Gibbon Wild life Sanctuary' প্ৰবন্ধ;





গৰিমা গগৈৰ 'খিৰিকীয়েদি' একমাত্ৰ কিন্তু লেখত ল'বলগীয়া গল্প। চয়নিকা ৰয়ৰ 'এটি সংজ্ঞাবিহীন শব্দ'; মধুস্মিতা চমুৱাৰ 'Try me'; বন্দনা দেৱীৰ 'জীৱনৰ প্ৰয়োজন' প্ৰাচীৰ পত্ৰিকাখনৰ চকুত লগা কবিতা। সম্পাদকীয়ত পল্লৱী বৰুৱাই সাম্প্ৰতিক পৰিস্থিতিৰ এখন ছবি দাঙি ধৰিছে।

**দেৱালৰ স্বৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'দেৱালৰ স্বৰ'ৰ সম্পাদকীয়ত সম্পাদক গৌৰাঙ্গ মোহন শৰ্মাই বৰ্ণনা কৰিছে কেনেকৈ হতাশাৰ অন্তত মানুহে আশাৰ বীজ সিঁচে। প্ৰবন্ধ বিশেষ এই সংখ্যাটিৰ লেখাসমূহৰ মান উন্নত হৈছে। জিতেন্দ্ৰ মণ্ডলৰ 'Benefits of Snake Venom'; অবিনাশ শৰ্মাৰ 'মহবিদ্যালয় সপ্তাহ আৰু আমি'ত মহাবিদ্যালয় সপ্তাহত জড়িত হোৱা কাৰোবাৰ স্মৃতি, আশা, অনুভৱ আদি, মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাত হোষ্টেলৰ ছেণ্টিমেণ্ট, ঘটনা-পৰিঘটনাবোৰ বৰ্ণনা কৰি প্ৰবন্ধটি আগবঢ়াইছে। পাওলো কোৱেলহোৰ 'দ্য এলকেমিষ্ট'ৰ বিষয়ে সুৰেশ দত্তই লিখা প্ৰবন্ধত এলকেমিষ্টজনৰ জীৱন আৰু কৰ্মৰ এটি চমু আলোকপাত আগবঢ়াইছে। 'দূৰ সংবেদন আৰু ইয়াৰ উপযোগিতা (Remote Sensing)' প্ৰবন্ধত ৰাণা ৰৰাই ব্যাখ্যা কৰিছে কেনেকৈ ছেটেলাইটৰ সহায়ত আধুনিক বিশ্ব আগুৱাব পাৰিছে আৰু ইয়াৰ উপযোগিতাৰ কথা। বিনোদ শৰ্মাৰ 'My Identity : A Philosophical Thought'; হেমন্ত গগৈৰ 'ঢেঁকী ঃ এক অনন্য অসমীয়া শিল্প'; বিনীত বৰুৱাৰ 'Cloning'; ৰাণা ৰৰাৰ 'Eco-Tourism' আদি উল্লেখনীয় প্ৰবন্ধ। ইয়াৰ উপৰি বিশেষ শিতানত দেৱকিংকৰ দেৱগোস্বামীয়ে 'নৈসৰ্গিক সৌন্দৰ্য' নামেৰে এটি প্ৰবন্ধ লিখিছে। সংখ্যাটিৰ অলংকৰণ সম্পাদকৰ নিজা। হস্তাক্ষৰ আদিব, শৈলেন, সুৰেশ, মণিকান্ত, মণিকুজ আদিৰ।

**ৰ'দ কাঁচলি ঃ** হাৰুন আল ৰছিদৰ দ্বাৰা সম্পাদিত শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দ কাঁচলি'ৰ সম্পাদকীয়ত ৰছিদে সাহিত্যই মানুহক কেনেকৈ সমাজৰ লগত একাত্ম কৰে উল্লেখ কৰিছে। সাহিত্যত যান্ত্ৰিকতাৰ কোনো ঠাই নাই। 'ৰ'দ কাঁচলি'ৰ বেটুপাত ইভান গোঁহাই বৰুৱাৰ, অংগসজ্জা বিমান, হৃদয়, ভাস্কৰ আৰু চাহাবুদ্দিনৰ; হস্তাক্ষৰ ধ্ৰুৱ, জানমণি, নিৱেদনৰ। মানসপ্ৰতিম পাঠকৰ 'কটন কলেজ ঃ মোৰ অনুভৱ' পত্ৰিকাখনৰ একমাত্ৰ মনোগ্ৰাহী প্ৰবন্ধ। 'Mathematical Love Letter' নামে সংগ্ৰহ কৰা হাৰুন আল ৰছিদৰ আন এক লেখত ল'বলগীয়া সংগ্ৰহ। ইয়াৰ উপৰি সংখ্যাটিত কবিতা, গল্প আৰু প্ৰবন্ধ আদিও আছে, যি সংখ্যাটিৰ মান উচ্চ কৰাত সহায় কৰিছে।

**প্ৰতিধ্বনি ঃ** আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰতিধ্বনি'ৰ সম্পাদকীয়ত সম্পাদক চুজন ডিব্ৰাগেতে বৰ্তমানৰ নিৰাশাজনক অৱস্থাত সমাজত আশাৰ ৰেঙনিৰ বাবে অপেক্ষা কৰিছে। সংখ্যাটিৰ বেটুপাত অভিজিৎ কাকতিৰ। অংকন ভাৰ্গৱ কাকতি, অনুজপ্ৰতিম তালুকদাৰৰ। হস্তলিপি মানসজ্যোতি ফুকন, কপিল দাসৰ। উচ্চ মানৰ প্ৰবন্ধৰে সমৃদ্ধ এই সংখ্যাটিৰ লেখত ল'বলগীয়া প্ৰবন্ধসমূহ এনেধৰণৰ— 'A vision, a mission'—লেখক মানসজ্যোতি ফুকন; 'Life – Joel Sithon' সম্পাদকৰ দ্বাৰা অনূদিত; 'ফুটপাথৰ জীৱন আৰু কিছু চিন্তা'— নুৰছফিক আহমেদ। ইয়াৰ উপৰি সংখ্যাটিত কিছু সংগৃহীত লেখাও আছে, যাৰ ভিতৰত 'ভাৰতৰ অমূল্য দান' আৰু 'হৃদয়ৰ জোলোঙাৰ পৰা' অন্যতম।

**সাৰ্বজনীন ঃ** চম্পক শইকীয়া আৰু হৃদয় কুমাৰ বৈশ্যৰ দ্বাৰা সম্পাদিত ৰজনীকান্ত বৰদলৈ ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সাৰ্বজনীন'ত সম্পাদকে আশাবাদী চিন্তাৰে উল্লেখ কৰিছে যে এই অশান্তজৰ্জৰ সময়ৰ অন্ত পৰিব আৰু পৃথিৱীলৈ নামি আহিব এজাক শান্তিৰ সেউজীয়া বৰষুণ। গাম্ভীৰ্যপূৰ্ণ প্ৰবন্ধৰে পূৰ্ণ এই সংখ্যাটিৰ প্ৰবন্ধসমূহ এনেধৰণৰ— 'A New Era of Science : Bio-technology'– যুৱৰাজ ভাণ্ডাৰী; 'Duty – an opportunity'— ন্যাতুম ড'কে; 'ৰেগিং ঃ এক সামাজিক ব্যাধি'— দীপমণি গগৈ। ইয়াৰ উপৰি 'সাৰ্বজনীন'ত প্ৰকাশিত হৈছে উচ্চ মানৰ কিছু কবিতা। ইয়াৰ ভিতৰত শিৱজ্যোতি ৰায়ৰ 'কবিতা' এটি প্ৰেমৰ কবিতা; প্ৰাঞ্জল ডেকাৰ 'জীৱনৰ নৈ' কবিৰ বাবে জীৱন এখন দুখৰ নদী; হৃদয় বৈশ্যৰ 'প্ৰেম আৰু যন্ত্ৰণাৰ এপিটাফ' কবিয়ে প্ৰেমিকাক চিনাকি কৰাই দিব খুজিছে কবিৰ সুখ, দুখ, যন্ত্ৰণা, ক্ষত-বিক্ষত প্ৰতিটো আত্মাৰ প্ৰহৰৰ সৈতে; কাঞ্চন বৰণ সিংহৰ 'প্ৰেম চতুষ্পদী' এটি ট্ৰেজিক প্ৰেমৰ কবিতা আৰু ৰাজ শৰ্মাৰ 'Three Things– Respect three things- old age, humanity and law' অন্যতম।

**সৌৰভ ঃ** শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'সৌৰভ'ৰ এইবাৰৰ সংখ্যাটি সম্পাদনা কৰিছে দেৱৰাজ দত্তই। সম্পাদকীয়ত কটন কলেজক লৈ তেওঁ নষ্টালজিয়াত ভুগিছে। নৱাগতসকলক দুখৰ অজস্ৰ বাধা নেওচি আকাশৰ সীমনা চুই সফলতা অৰ্জন কৰিবলৈ প্ৰেৰণা দিছে। 'সৌৰভ'ৰ প্ৰবন্ধসমূহত বৰ্তমান পৰিস্থিতিৰ গোন্ধ পোৱা যায়। তাৰ ভিতৰত নিপন ভৰালীৰ 'Terrorism – A threat to Mankind', ৰণজিৎ ডেকাৰ 'জঘন্যতম নাৎসীবাদ আৰু হিটলাৰ'ত জাৰ্মানীৰ ৰাজনৈতিক জীৱনত আত্মপ্ৰকাশ কৰা হিটলাৰৰ একনায়কত্ববাদত দৃষ্টিপাত কৰাৰ উপৰি 'সৌৰভ'ত আছে এটা উচ্চ মানৰ কবিতা শিতান। মানসজ্যোতি নাথৰ 'বেদনা'— দুখৰ মাজতেই সুখ বিৰাজমান; অসীম চেতিয়াৰ 'ৰাতিপুৱাৰ গীত'— শান্তিকামী কবিজনে কবিতাৰ মাজত প্ৰকৃতিৰ উজ্জ্বল সৌন্দৰ্য বৰ্ণনা কৰিছে; ত্ৰিনয়ন ৰাভাৰ 'Gift of Tears – The poem

is tragic in which there is romanticism'; অঞ্জন চমুৱাৰ 'Ozma My love'– A romantic poem. His lover is his heartbeat. He loves his lover to insanity। সংখ্যাটিৰ স্কেচ্চ চন্দন ৰাজখোৱা আৰু দেৱৰাজ দত্তৰ।

**শাশ্বত ঃ** পল্লৱী গগৈ আৰু অৰুণিমা বৰাৰ সম্পাদনাৰে নলিনীবালা দেৱী ছাত্ৰী নিৱাসৰ প্ৰাচীৰ পত্ৰিকা 'শাশ্বত'ৰ এইবাৰৰ সংখ্যাটিত নিবন্ধ হৈছে কিছু লেখত ল'বলগীয়া সাহিত্য কৃতি। ময়ূৰী বৰাৰ 'জীৱন চকৰিত সঞ্চধন' গল্পত গাঁৱৰ পৰিৱেশত ডাঙৰ-দীঘল হোৱা বাপুকণৰ জীৱন পৰিক্ৰমাৰ অবৰ্ণনীয় প্ৰকাশ পাইছে। এইটোৱে সংখ্যাটিৰ একমাত্ৰ গল্প। কাঞ্চন জালানৰ 'Milky white : Boon or mishap'; ময়ূৰী কাৰ 'স্নাতক শিক্ষাৰ ভৱিষ্যৎ কি?' সংখ্যাটিৰ উল্লেখযোগ্য প্ৰবন্ধ। তন্ময়ৰাণী নেওগৰ 'চন্দ্ৰপ্ৰসাদ শইকীয়াৰ মহাৰথী'ৰ সমালোচনা সংখ্যাটিৰ অন্যতম লেখত ল'বলগীয়া লেখা। মাতৃৰ স্নেহশীল স্পৰ্শ যাৰ বাবে পৰ্বতত কাছু কণী বিচৰাৰ দৰে, বঞ্চিত যাৰ জীৱন শৈলী, তেৱেঁই হৈছে সৰ্বশ্ৰেষ্ঠ দাতাকৰ্ণ। কাঞ্চন জালানৰ 'True Friendship'; পৰী তেৰাংপীৰ 'When ... fails : describes the purpose of living'; পাৰিজাত ভৰালীৰ 'মই নিঃশব্দতাৰ প্ৰেমত পৰিছো' সংখ্যাটিৰ উল্লেখ্য কবিতা। সম্পাদকীয়ত সম্পাদকদ্বয়ে সকলোকে বাধা নেওচি কটনিয়ান হোৱাৰ গৌৰৱ আৰু মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ আহ্বান জনাইছে। সংখ্যাটিৰ বেটুপাত কাবেৰী আৰু কংকনাৰ। অলংকৰণ বনশ্ৰী, কাবেৰী আৰু কংকনাৰ। বেটুপাতে কয় সেউজীয়া সূৰুযৰ দেশলৈ ধাৱমান নদীময় জীৱনৰ গতিৰ কথা।

**ৰ'দালি ঃ** সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ প্ৰাচীৰ পত্ৰিকা 'ৰ'দালি' এইবাৰ 'বৃষ্টি' বিশেষ সংখ্যা ৰূপে প্ৰকাশ পাইছে। পত্ৰিকাখন সম্পাদনা কৰিছে পুলিন ভূঞাই। হস্তাক্ষৰ মানস, পুলিন আৰু ভাৰ্গৱৰ। বেটুপাতৰ শিল্পী প্ৰীতম শৰ্মা। পত্ৰিকাখনৰ অপৰূপ উপস্থাপনে পৰিচয় দিয়ে প্ৰত্যেকজন আৱাসীৰ কলাসুলভ মন আৰু সাহিত্য কৃতিৰ প্ৰতি থকা অনুৰাগ। পত্ৰিকাখনৰ একমাত্ৰ প্ৰবন্ধটো লিখিছে জাহ্নু ভৰদ্বাজে 'দৌলোৎসৱ' নামকৰণেৰে। প্ৰবন্ধটোত ঐতিহ্য আৰু পৰম্পৰাৰ স্বকীয় মহিমাৰে মণ্ডিত বৰপেটাৰ দৌলোৎসৱৰ বিষয়ে লেখকে মনোগ্ৰাহী ৰূপত লিপিবদ্ধ কৰিছে। চেতন ভগতৰ '3 Mistakes of my Life' নামৰ গ্ৰন্থখনৰ সমালোচনা আগবঢ়াইছে আদৰ্শ সিনহাই। ৰাকেশ কুমাৰ শৰ্মাৰ ৰস ৰচনা 'লেণ্ডস্কেপ'ত প্ৰকাশ পাইছে হোষ্টেল জীৱনৰ অনুভৱৰ স্বৰ। পত্ৰিকাখনত প্ৰকাশিত তিনিটা কবিতাৰ এটা হ'ল অভিজ্ঞান দাসৰ 'আইলৈ এঁকুকি মৰম'। কবিতাটোৰ হৃদয়স্পৰ্শী প্ৰতিটো শাৰীতে প্ৰকাশ পাইছে মাতৃস্নেহ। অনন্ত গগৈৰ 'গৈ গৈ গৈয়ে থাকিম এৰি এৰি



পাহাৰ-ভৈয়াম' এটি আশাবাদৰ কবিতা। কবিয়ে আশা কৰে গৈ থকা বাটৰ ইটো মূৰতেই যেন তেওঁৰ বাবে নতুন দিন এটা ৰৈ আছে, সেয়ে কবিয়ে বাস্তৱিকতাৰ দুখ-হতাশা, ব্যৰ্থতাক নেওচি যোৱাৰো এক নতুন অনুপ্ৰেৰণা পাইছে। আন এটা উচ্চ মানসম্পন্ন কবিতা হ'ল স্নিগ্ধেন্দু দাসৰ 'Last Nights Dream'।

## দ্বিতীয় খণ্ড

## মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকা

প্ৰাচীন কালত দেৱালত খোদিত হৈছিল শৌৰ্য-বীৰ্য, কলা-শিল্প ইত্যাদি। হয়তো ইয়াৰ আৰ্হি লৈয়েই জন্ম হৈছিল প্ৰাচীৰ পত্ৰিকা, য'ত খোদিত কৰিব খুজিছিল মানুহৰ মন, মানসিকতা...। এই প্ৰাচীৰ পত্ৰিকা বিপ্লৱ কটন মহাবিদ্যালয়তো বৰ দকৈ শিপাইছিল। প্ৰাচীৰ পত্ৰিকাই জন্ম দিয়া কবি-সাহিত্যিকেই পিছলৈ একোজন প্ৰতিষ্ঠিত লেখক ৰূপে সমাজত থিয় দিছে। প্ৰাচীৰ পত্ৰিকাসমূহে নৱাগতসকলৰ সাহিত্য সৃষ্টিৰ সুপ্ত প্ৰতিভা বিকাশৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাই আহিছে। কটন মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰে একোখন প্ৰাচীৰ পত্ৰিকা আছে। ইয়াৰ ভিতৰত আছে অসমীয়া বিভাগৰ 'ঋতুৰে ঋতুৰে'; অৰ্থনীতি বিভাগৰ 'Economic Buzz', গণিত বিভাগৰ 'গণিত প্ৰৱাহ'; পৰিসংখ্যা বিভাগৰ 'প্ৰত্যুষ'; সংস্কৃত বিভাগৰ 'শাশ্বতী'; ৰসায়ন বিভাগৰ 'The Clarion'; উদ্ভিদ বিজ্ঞান বিভাগৰ 'গুলঞ্চ'; শিক্ষা বিভাগৰ 'অনুৰণন'; পদাৰ্থ বিজ্ঞান বিভাগৰ 'La Phylite'; ভূতত্ত্ব বিজ্ঞান বিভাগৰ 'প্ৰৱাহ'; প্ৰাণী বিজ্ঞান বিভাগৰ 'Zonic Info', নৃতত্ত্ব বিভাগৰ 'চৰাচৰ'; ইতিহাস বিভাগৰ 'শব্দ প্ৰপাত'; ইংৰাজী বিভাগৰ 'Graphiti', ভূগোল বিভাগৰ 'ধৰিত্ৰী'; বাংলা বিভাগৰ 'উদয়ন'; দৰ্শন বিভাগৰ 'দৰ্শনজ্যোতি' আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ 'সাময়িকী'। তদুপৰি সদৌ অসম নবীন লেখক-লেখিকা সন্থাৰ কটন কলেজ 'নবীন' গোটৰ 'ফেঁহুজালি' নামৰ প্ৰাচীৰ পত্ৰিকা এখনো প্ৰকাশ পাইছে। তলত এই প্ৰাচীৰ পত্ৰিকাসমূহৰ সম্যক খতিয়ান আগবঢ়োৱা হ'ল।

**সাময়িকী** ঃ ময়ূৰী বৰাৰ সম্পাদনাৰে প্ৰকাশিত ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'সাময়িকী'ৰ বেটুপাত অন্তৰা পলৰ। সম্পাদকীয়ত প্ৰকাশ পাইছে— বিধিৰ বিধান যে সময় আগবঢ়াৰ লগে লগে এটা প্ৰজন্মই বিদায় মাগে আৰু সূৰ্যমুখীৰ দেশলৈ আগবাঢ়ে আৰু তেওঁলোকৰ পথ অনুকৰণ কৰে আন এটা উদীয়মান প্ৰজন্মই। ইয়াত আছে কংকনা শৰ্মাৰ কবিতা 'বিগলিত সময়'। যুৱৰাজ গগৈৰ কবিতা 'এটি বৰ্ষ সিক্ত পুৱাৰ স্নেপশ্বট'ৰ বৰষুণে জীপাল কৰে আমাৰ হৃদয়। চুমি ভট্টাচাৰ্যৰ কবিতা 'স্বাগতম নৱাগত'ৰ অন্তৰ্নিহিত অনুভৱ হৈছে— নৱাগত সহযাত্ৰী, আমি আদৰিছোঁ তোমাক। কংকনা তালুকদাৰৰ 'As you come, others go' সংখ্যাটোৰ আন এটা অন্যতম কবিতা। বিশেষ কবিতা সংখ্যা ৰূপে প্ৰকাশিত 'সাময়িকী'ত ভিন্ন-ছন্দ নামেৰে আন এটি শিতানো আছে।

**দৰ্শনজ্যোতি** ঃ দৰ্শন বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'দৰ্শনজ্যোতি'ৰ বেটুপাত পম্পী গোহাঁইৰ। সম্পাদনা দৰ্শন বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ। ব্ৰিজী লস্কৰৰ 'ৰহস্যময় বাৰ্মুডা'; সীমা বৰুৱাৰ 'স্বামী বিবেকানন্দ' সংখ্যাটোৰ আকৰ্ষণীয় প্ৰবন্ধ। নমিতা কলিতাৰ 'কটন কলেজ ঃ তুমিয়েইতো প্ৰেৰণা আমাৰ আলোকযাত্ৰাৰ'; মানসী নাথৰ 'বিদায় কটন, আজি তোমাক বিদায়'; বৰ্ণালী দাসৰ 'Night-mare'; মিণ্টু ডেকাৰ 'I miss you'; অছমিনা বেগমৰ 'I have learned that...' সংখ্যাটোৰ মনোগ্ৰাহী কবিতা।

**Clarion** : ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'Clarion'ৰ সম্পাদনা ঋতুৰাজ কলিতাৰ আৰু বেটুপাত নৰজিৎ শইকীয়াৰ। Editorial describes 'Clarion' as a medium of expression of feelings including literary and socio-cultural talents. লেখত লবলগীয়া প্ৰবন্ধৰ ভিতৰত ধৰিত্ৰী মহন্তৰ 'The Controversy Surrounding : Global Warming'; প্ৰজ্ঞা দাসৰ 'কটন কলেজ ঃ মোৰ অনুভৱ' উল্লেখযোগ্য। কবিতা শিতানত আছিল প্ৰাঞ্জল গগৈৰ 'উদ্দীপনা', য'ত অংকিত হৈছে প্ৰেয়সীৰ মাতে ব্যাকুলৈ কঢ়িয়াই অনা বৰ্ণিল অনুভৱৰ স্কেচ্ছ। ইয়াৰ উপৰি অঞ্জন চমুৱা, ৰুমি চক্ৰৱৰ্তী আদিয়েও কিছু সংগৃহীত তথ্যৰে প্ৰাচীৰ পত্ৰিকাখনৰ সোণত সুৱগা চৰাইছে।

**প্ৰৱাহ** ঃ মৃদুস্মিতা আৰু মনদীপৰ সম্পাদনাৰে ভূতত্ত্ব বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰৱাহ'ৰ স্কেচ্ছ আৰু বেটুপাত মানস, অভিজিৎ আৰু খগেন্দ্ৰৰ। Editorial speaks that nature is blessed in beauty but in the present day it is declining because of the alarming rate of global warming. 'প্ৰৱাহ'ৰ কবিতাসমূহৰ ভিতৰত মনদীপ শৰ্মাৰ 'কথা কবিতা'ত বীৰ লাচিতৰ দিনৰ ঐতিহাসিক দিনবোৰৰ ৰোমন্থনেৰে হিংসাৰ দিনবোৰ অতিক্ৰমি মানৱতা কঢ়িয়াই অনাৰ বাবে আহ্বান; কস্তুৰী গোস্বামীৰ 'স্বপ্নৰ ছন্দত মগ্ন দিঠক'ত হৃদয়ৰ গভীৰত আন্দোলিত চিৰপ্ৰবহমান সপোনৰ জিলিঙনি প্ৰকাশ পাইছে, যি সপোনৰ মাদকতাই নিস্তেজ সময়কো ৰঙীণ কৰি তোলে; হিমশেখৰ বৰঠাকুৰৰ 'A load of expectation' – expectation of the world on him is much more as he is a mere human being. This makes him miserable and he feels himself incomplete. প্ৰবন্ধ শিতানত আছে শুভ্ৰজিৎ দে'ৰ 'Life and a mayonnaise jar'. ইয়াৰ উপৰি সংখ্যাটোৰ আন এটা লেখত ল'বলগীয়া গল্প হৈছে অমৃতজ্যোতি হাতীবৰুৱাৰ 'আত্মতুষ্টি'।

**গণিত প্ৰৱাহ** ঃ সুৱাগমণি দাসৰ সম্পাদনা আৰু প্ৰীতম শৰ্মাৰ বেটুপাতেৰে গণিত বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'গণিত প্ৰৱাহ'ৰ লেখাসমূহৰ মান যথেষ্ট উচ্চ। সম্পাদকীয়ত সমাজত গণিতৰ প্ৰয়োগৰ বিষয়ে সম্পাদকে বৰ্ণনা কৰিছে। পাৰ্থজিৎ কলিতাৰ 'নিশ্চয়তাৰ পৰা অনিশ্চয়তালৈ'; প্ৰণীতা দাসৰ 'Courage is Victory'; মনদীপ বৰুৱাৰ 'Cube roots of perfect cubes: An approach' সংখ্যাটোৰ মনোগ্ৰাহী প্ৰবন্ধ। সুৱাগমণি দাসৰ 'গণিত + স্মৃতি' সংখ্যাটোৰ একমাত্ৰ লেখত ল'বলগীয়া কবিতা। ইয়াৰ উপৰি তাপস পালৰ 'Some fascinating mathematical facts' সংখ্যাটোৰ আন এটা লেখত ল'বলগীয়া লেখা।

**প্ৰত্যুষ** ঃ পৰিসংখ্যা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰত্যুষ'ৰ এইবাৰৰ সংখ্যাটো সম্পাদনা কৰিছে নীলাক্ষী দে' আৰু চাহানা ভট্টাচাৰ্যই। Editorial speaks that most important thing in olympic is not winning but to take part in it. We the people of India should be alert and shout for the improvement of Indian sports and culture. প্ৰবন্ধ শিতানত আছে বন্দনা শৰ্মাৰ 'Statistics : Why and How', আৰু লুনা বৰুৱাৰ 'ফাৰ্মাৰ শেষ উপপাদ্যটোনো কি?' কবিতা শিতানত আছে মানসজ্যোতি নাথৰ 'বেদনা'; কমল বৰ্মনৰ 'গামোচা দেখিছা?' ঋতুপৰ্ণ ৰয় সংগৃহীত 'Infinite Unconsciousness– Erasmus-Darwin.

**উদয়ন** ঃ বাংলা বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'উদয়ন'ৰ এইবাৰৰ সংখ্যাটো সম্পাদনা কৰিছে বিনয় সৰকাৰে আৰু বেটুপাত নন্দুলাল দাসৰ। বিশেষ কবিতা সংখ্যা হিচাপে সজাই তোলা উদয়নৰ কবিতাসমূহ এনেধৰণৰ— নিপন দাসৰ 'তকমা'; নন্দিতা সৰকাৰৰ 'ৰক্ত'; এইচ আৰ এম হুছেইনৰ '১৯শে মে' স্মৰণে'; ৰুমা দত্তৰ 'জীৱনেৰ ঢেউ'; সঞ্জিৎ সৰকাৰৰ 'এক পলকে'; বিনয় সৰকাৰৰ 'সমন্ধ' আৰু নন্দুলাল দাসৰ 'পৰিশোধ'।

**ধৰিত্ৰী** ঃ ভূগোল বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'ধৰিত্ৰী'ৰ এইবাৰৰ

সংখ্যাটো সম্পাদনা কৰিছে মাইনু গগৈ আৰু মনোজ দিহিঙীয়াই। বেটুপাত সীমামণি লিখকৰ। সম্পাদকীয়ত সম্পাদকদ্বয়ে বৰ্তমানৰ ভয়ংকৰ আৰ্থ-সামাজিক, ৰাজনৈতিক সমস্যাবোৰৰ বিষয়ে উল্লেখ কৰিছে। কবিতা শিতানত আছিল দেৱৰ 'ফুটপাথৰ এটি কবিতা'; সীমামণি লিখকৰ 'অনুভৱৰ আন এক নাম'; মণ্টু দাসৰ 'বিচ্ছিন্নতা'; চন্দ্ৰকান্ত পাৰেৰ 'Way of my life'। প্ৰবন্ধ শিতানত আছিল ৰঞ্জিত কৌৰৰ 'Growing Energy Needs'– Written about recent pattern of energy use and its need for conservation; প্ৰীতি নাথৰ Goegraphy and 21st century'; মাইনু গগৈৰ 'অনুভৱৰ লেখা (জীৱন)'ত জীৱনটো যে এক অবান্তৰ ৰহস্য... কেতিয়াবা চঞ্চল আৰু কেতিয়াবা গম্ভীৰ; কল্যাণী চ'বৰ 'A living hope' – Every one has a heart where hopes and desires start to grow.

লীনা দিহিঙীয়াৰ 'Oh English' নামৰ ভিন্নসুৰী লেখা এটাও প্ৰকাশ পাইছে।

**শব্দপ্ৰপাত ঃ** হৃদয় কুমাৰ বৈশ্য আৰু জাহ্নু ভৰদ্বাজৰ সম্পাদনাত প্ৰকাশ পাইছে 'শব্দপ্ৰপাত'। চকুত লগা বেটুপাতৰ শিল্পী ভাৰ্গৱজ্যোতি কছাৰী। সম্পাদকীয়ত প্ৰকাশ পাইছে সাম্প্ৰতিক দুঃসময়ক অতিক্ৰম কৰি শান্তি আৰু সমৃদ্ধিৰে আগুৱাই যোৱাৰ পৰিকল্পনা। পত্ৰিকাখনত প্ৰকাশ পোৱা তিনিটা কবিতাৰ ভিতৰত স্বৰাজ ফুকনৰ 'মাৰফৎ তুমি' এটি ৰোমাণ্টিক ভাবৰ কবিতা। নীলমজ্যোতি দাসৰ 'ফাগুন' নামৰ কবিতাটোত কবিয়ে ফাগুনৰ শুকান ৰূপটোক নিজৰ দুখৰ লগত তুলনা কৰিছে। আনটো কবিতা হ'ল প্ৰশান্ত দাসৰ 'Mystery'। একমাত্ৰ প্ৰবন্ধটোৰ শিৰোনাম 'শিক্ষক, শিক্ষকতা আৰু ছাত্ৰ', য'ত প্ৰকাশ পাইছে শিক্ষাদান যে এটি কলা। শিক্ষক আৰু ছাত্ৰৰ মাজত আত্মিক সম্পৰ্ক গঢ় লৈ উঠিলেহে শিক্ষাদান আৰু শিক্ষাগ্ৰহণ



সফল হয়।

**Economic Buzz :** অৰ্থনীতি বিভাগৰ প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ পাইছে ড° গৌতম মজুমদাৰ আৰু সুৰেশ কুমাৰ নাথৰ তত্বাৱধানত। হস্তাক্ষৰ পল্লবীৰ। বিভিন্ন অৰ্থনীতি সম্বন্ধীয় তথ্যৰে সমৃদ্ধ প্ৰাচীৰ পত্ৰিকাখনত প্ৰকাশিত প্ৰবন্ধকেইটা হ'ল নিজৰা কলিতাৰ 'Factors of fast economic growth'; অনুৰাধা সিনহাৰ How to do your Financial Planning;' সোণালী খাউণ্ডৰ '1979 Energy crisis'; তন্ময়ী তালুকদাৰৰ *'Inflation on Rise*। প্ৰাচীৰ পত্ৰিকাখনৰ অলংকৰণ মনোমোহা আৰু উচ্চ মানসম্পন্ন।

**Graphiti :** মেৰী বৰুৱা বৰাৰ তত্বাৱধানত প্ৰকাশ পোৱা ইংৰাজী বিভাগৰ প্ৰাচীৰ পত্ৰিকাখন সজাই তুলিছে লীনা দিহিঙীয়া আৰু জাহ্নৱী হাজৰিকাই। অলংকৰণ লীনাৰ। পত্ৰিকাখনত দুটা কবিতা প্ৰকাশ পাইছে। ৰীতাশ্ৰী সোণোৱালৰ 'Empowering Dream' আৰু বিদিশা দেউৰীৰ 'Love'। ৰীতাশ্ৰীৰ কবিতাটোত প্ৰকাশ পাইছে বুকুত সাঁচি ৰখা সপোনে কিদৰে দৃঢ়তাৰে আগলৈ খোজ দিয়াত সহায় কৰে। পত্ৰিকাখনত

**অনুৰণন ঃ** শিক্ষা বিভাগৰ প্ৰাচীৰ পত্ৰিকা অনুৰণনে কলা-বিজ্ঞানৰ সমন্বয় কৰি এক নতুন ধাৰা বোৱাই অনাৰ প্ৰয়াস কৰিছে। পত্ৰিকাখনৰ বেটুপাত, অলংকৰণ সকলোতে সেই বিভাগৰ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাৰ ঐকান্তিকতা আৰু মনৰ ভিতৰত লুকাই থকা শিল্পীসত্তা আৰু সূক্ষ্মানুভূতি ফুটি উঠিছে। পত্ৰিকাখনৰ সম্পাদনাৰ লগতে বেটুপাত আঁকিছে ৰীমা বৰুৱাই। অলংকৰণ চামিনা বেগম আৰু স্বপ্নালীৰ। সম্পাদকীয়ত সন্ত্ৰাসবাদবিৰোধী চিত্ৰ প্ৰকাশ পাইছে। প্ৰবন্ধকেইটা লিখিছে গীতামণি ডেকা, বিভাগীয় মুৰব্বী অধ্যাপিকা ৰূপা দাস বৰবৰা, অধ্যাপিকা ফুনু দাস আৰু অধ্যাপিকা চিত্ৰা শৰ্মাই। অধ্যাপিকা চিত্ৰা শৰ্মাৰ 'Peace' নামৰ প্ৰবন্ধটোত লেখিকাই সুধিছে— What is peace? আৰু শান্তি ভংগৰ বিভিন্ন কাৰণ যুক্তিৰে বিশ্লেষণ কৰিছে। পত্ৰিকাখনত চাৰিটা কবিতা প্ৰকাশ পাইছে— নিৰঞ্জন ঠেঙালৰ 'অবিচাৰ', আভা বৈশ্যৰ 'সংগীন সময়', চামিনা বেগমৰ 'আহত পক্ষী', ঝৰ্ণা গগৈৰ 'সময়, হৃদয় আৰু আমি'।

'সংগীন সময়' এটা আশাবাদী কবিতা, য'ত কবিয়ে সকলোৰে মঙ্গল কামনা কৰিছে। 'আহত পক্ষী' কবিতাটোৰ মাজেৰে কবিয়ে অপূৰ্ণ ইচ্ছাবোৰৰ কথা উল্লেখ কৰিছে। 'অবিচাৰ' কবিতাটোত অতীতৰ সুখ আৰু দুখময় বৰ্তমানৰ সংমিশ্ৰিত ছবি এখন ফুটি উঠিছে।

**Zoonic Info** ঃ প্ৰাণী বিজ্ঞান বিভাগ বিভাগৰ পত্ৰিকা Zoonic Info সম্পাদনা কৰিছে ভাস্কৰজ্যোতি নাথে। বেটুপাতৰ শিল্পী প্ৰসেনজিৎ বৰুৱা। পত্ৰিকাখন মিৰাজ হুছেইন, সুৰজিৎ আচাৰ্যী, মধুস্মিতা হাঁলৈ আৰু অনামিকা কলিতাৰ। প্ৰাণী বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধৰে পত্ৰিকাখন উজলি উঠিছে।

**গুলঞ্চ** ঃ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাচীৰ পত্ৰিকাখনৰ নাম 'গুলঞ্চ'। পত্ৰিকাখন সম্পাদনা কৰিছে তাচা মহন্তই। বেটুপাত আঁকিছে ইন্দ্ৰাণী, ছুইটী আৰু মধুস্মিতাই। সম্পাদকীয়ত প্ৰাচীৰ পত্ৰিকাখনৰ বিষয়ে প্ৰকাশ পাইছে যে Wall magazine is an orientation of method of learning which is fundamental to process of growth. প্ৰাঞ্জল ডেকা, ছুইটী ডেকা, নিখিল মাহাতো, ভেলেন্টিনা দাস, মমতা, ঈপ্সিতা আৰু ধৰণীৰ উদ্ভিদ বিজ্ঞান সম্পৰ্কীয় প্ৰবন্ধৰে পত্ৰিকাখন উজলি উঠিছে।

**চৰাচৰ** ঃ বিগত ৩০ অক্টোবৰৰ বোমা বিস্ফোৰণত প্ৰাণ আহুতি দিয়াসকললৈ উৎসৰ্গিত নৃতত্ত্ব বিভাগৰ প্ৰাচীৰ পত্ৰিকাখন সম্পাদনা কৰিছে ড° তিলোত্তমা বৰুৱাই, বেটুপাত বিচিত্ৰ কুমাৰ বৰাৰ। কবিতা, প্ৰবন্ধৰ সমাহাৰেৰে নৃতত্ত্ব বিভাগৰ পত্ৰিকাখনে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টি প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। শৰ্মিলা ঠাকুৰীয়াৰ প্ৰবন্ধ 'বগেজাৰী গীত'ত ৰাভা জনগোষ্ঠীৰ বগেজাৰী গীতৰ বিশ্লেষণ উচ্চ মানসম্পন্ন আৰু তথ্যসমৃদ্ধ। ছন্দামিতা গোস্বামীৰ 'কেইটামান স্তবক', নিজুমণি বৰাৰ 'এটা অনিৰ্দিষ্ট যাত্ৰা', প্লাৱিতা দাসৰ 'কবিতা' নামৰ তিনিটি কবিতাত জীৱন আৰু জগতৰ অনুভৱৰ লগতে প্ৰকৃতিৰ নান্দনিক দৃশ্যৰাজিৰ বৰ্ণনা ফুটি উঠিছে। ইয়াৰ লগতে ময়ূৰপংখী বৰা সংগৃহীত 'Quotes of prominent people', কৌতুক আদি প্ৰকাশ পাইছে।

**ফেঁহুজালি** ঃ নবীন— নামেই যাৰ পৰিচয়। কেৱল কটন মহাবিদ্যালয়তেই নহয়, অসমৰ বিভিন্ন প্ৰান্তৰ মহাবিদ্যালয়সমূহৰ ন-ন লেখক-লেখিকাক লৈ সংগঠিত 'সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতি'ৰ কটন মহাবিদ্যালয় গোটেও প্ৰতিবছৰেই প্ৰকাশ কৰে এখন মনোগ্ৰাহী প্ৰাচীৰ পত্ৰিকা— নাম যাৰ 'ফেঁহুজালি'। এই সংখ্যাৰ 'ফেঁহুজালি' সম্পাদনা কৰিছে ধৰ্মজ্যোতি বৰুৱাই। বেটুপাত শান্তনু বৌমূৰীয়াৰ। অলংকৰণ চন্দনা, ৰিমলি, কাংকান, কৃত্তিকা, পূৰবী, ভাৰ্গৱ আদিৰ। 'ফেঁহুজালি'ৰ প্ৰবন্ধবোৰৰ ভিতৰত শান্তনু বৌমূৰীয়াৰ 'শিক্ষাৰ মাধ্যম, অসমীয়া ভাষা ইত্যাদি'ত ভাৰত স্বাধীন হোৱাৰ ৬০ বছৰৰ পিছতো যে ভাৰত বিকশিত হোৱা নাই, সেই কথা উল্লেখ কৰিছে। শিক্ষাৰ ক্ষেত্ৰত ভাষা অন্তৰায় নহয়। নিশা ভূঞাৰ "ইতিহাস, সংগ্ৰাম, প্ৰেম, প্ৰাপ্তি তথা অপ্ৰাপ্তিৰ মধুৰ সংযোগ 'অনুপমা, অৰুণা, কুসুম ইত্যাদি'' প্ৰবন্ধটোত নাৰী স্বাধীনতাৰ বিষয়ে উল্লেখ কৰিছে। প্ৰবন্ধটোত কৰবী ডেকা হাজৰিকাৰ মূল উপন্যাসখনৰ বিষয়ে আলোচনা কৰা হৈছে। সঞ্জীৱ পল ডেকাৰ 'অসমীয়া শিল্পী-সাহিত্যিকৰ সামাজিক দায়বদ্ধতা ঃ অতীত আৰু বৰ্তমান' প্ৰবন্ধত বৰ্তমান পৰিস্থিতিৰ লগত ৰজিতা খুৱাই লিখিলেহে যে সমাজে আদৰিব আৰু লেখক জনপ্ৰিয় হ'ব, সেই কথা কোৱা হৈছে। শেৱালি কলিতাৰ 'বেইজিং অলিম্পিক আৰু ভাৰত'ত কোৱা হৈছে যে অভিনৱ বিন্দ্ৰাই ব্যক্তিগত শাখাত সোণৰ পদক লাভ কৰি ১০৮ বছৰীয়া ভাৰতীয় অলিম্পিকৰ ইতিহাসত এটা যুগৰ সূচনা কৰিছে। কবিতা শিতানত বৰ্ষা শইকীয়াৰ 'নেদেখা বাঁহীৰ সুৰ'ত প্ৰকাশ পোৱা অন্তৰ্লীন অনুভৱ হ'ল কাৰোবাৰ বাঁহীৰ সুৰত কবিৰ বুকুত আৰম্ভ হৈছে দোপালপিটা বৰষুণ। কাংকান কাকলি পেগুৰ 'কিবা এটা কৰিব বিচাৰে সকলোৱে', বাপধন ডেকাৰ 'কাবেৰী, তোমাৰ বিয়ালৈ দহদিন বাকী', ফ্ৰেংকী বড়োৰ 'আৰোহণ', ৰঘুজ্যোতি ব্ৰহ্মৰ 'বন্ধু তোমালৈ' আদি উল্লেখযোগ্য কবিতা। জাহ্নু ভৰদ্বাজৰ 'জাতিংগাৰ বিবাদৰ ৰাতি'ত মানুহ যে বাস্তৱবাদী হোৱা উচিত, সেই কথা প্ৰকাশ পাইছে। ধৰ্মজ্যোতি বৰুৱাই 'কলাত্মক মানসিকতা' শিৰোনামেৰে লিখা সম্পাদকীয়ত নতুনৰ কলাসুলভ চৰিত্ৰ বিকশিত কৰিবলৈ সকলোৱে বৰঙণি যোগাব বুলি আশা কৰিছে। সমাজৰ বৰ্তমান পৰিস্থিতিৰ বাবে মানুহৰ ক্ৰমহ্ৰাসমান কলাত্মক মানসিকতাই দায়ী। ■

*(যুগুতালে ভূতত্ত্ব বিভাগৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ*
**পাৰ্থপ্ৰতিম গগৈয়ে)**

## কটনিয়ান বিশেষ

# প্ৰশ্নোত্তৰ শিতান

সাম্প্ৰতিক ৰাজনৈতিক, শৈক্ষিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি বিভিন্ন সমস্যা সন্দৰ্ভত মহাবিদ্যালয়ৰ নিৰ্বাচিত কেইগৰাকীমান ছাত্ৰ-ছাত্ৰীক 'কটনিয়ান-২০০৭-০৮ বৰ্ষ'ৰ সম্পাদনা সমিতিৰ তৰফৰ পৰা কেইটামান প্ৰশ্ন কৰা হৈছিল। প্ৰশ্নোত্তৰসমূহ 'কটনিয়ান বিশেষ' শিৰোনামেৰে তলত আগবঢ়োৱা হ'ল—

**সম্পাদনা সমিতিৰ প্ৰশ্ন ঃ**

**❖ সন্ত্ৰাসবাদ বুলিলেই মুছলমান বুলি ধাৰণা এটা আমাৰ মনত সোমাই গৈছে। এইক্ষেত্ৰত আপোনাৰ মতামত কি? এনে ধাৰণাই সৃষ্টি কৰিব পৰা প্ৰতিক্ৰিয়া?**

**উত্তৰ ঃ কুমুদ চন্দ্ৰ কাকতি,** *স্নাতক তৃতীয় বৰ্ষ, ইংৰাজী বিভাগ*

□ সন্ত্ৰাসবাদ আৰু সাম্প্ৰদায়িকতাবাদ দুটা ভিন্ন ধাৰণা। সন্ত্ৰাসবাদ বুলিলেই আমি কোনো বিশেষ সম্প্ৰদায়ক আঙুলিয়াব নোৱাৰোঁ। ই এক মানবীয় সমস্যা আৰু ইয়াক মানবীয় দৃষ্টিভংগীৰে বিচাৰ কৰা উচিত। সন্ত্ৰাসবাদ মানে মুছলমান, হিন্দু, শিখ —এনে কোনো সম্প্ৰদায় নহয়, সন্ত্ৰাস সদায় সন্ত্ৰাসেই। কিন্তু সাম্প্ৰতিক সময়ত দেখা গৈছে যে প্ৰতিটো বৃহৎ সন্ত্ৰাসবাদী ঘটনাত প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰধানকৈ মুছলমান সম্প্ৰদায়ৰ লোক জড়িত হৈ আছে। আল-কাইদা, লস্কৰ-ই-তৈবা, হুজিৰ নিচিনা বৃহত্তৰ সন্ত্ৰাসবাদী সংগঠনৰ নামবোৰ ইছলামিক আৰু মুছলমান লোকৰ দ্বাৰাই সেইবোৰ নিয়ন্ত্ৰিত। এনে পৰিস্থিতিত সৰ্বসাধাৰণ লোকৰ মনত সন্ত্ৰাসবাদ বুলিলে মুছলমান বুলি ধাৰণা উদয় হোৱাটো অস্বাভাৱিক নহয়। এচাম মুছলমান সম্প্ৰদায়ৰ লোকে সন্ত্ৰাসবাদৰ নামত পবিত্ৰ ইছলাম ধৰ্মটোকেই যেন কলুষিত কৰি তুলিছে। যদিও সৰহসংখ্যক সন্ত্ৰাসবাদীয়েই মুছলমান, প্ৰতিজন মুছলমানেই কিন্তু সন্ত্ৰাসবাদী নহয়। এনেক্ষেত্ৰত এই ধাৰণাই সচেতন লোকৰ মাজত স্বাভাৱিকতেই এক উগ্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব। পৰৱৰ্তী কালত ই সাম্প্ৰদায়িক বা ধৰ্মীয় সংঘৰ্ষৰো জন্ম দিব পাৰে, যিটো জাতীয় সংহতিৰ প্ৰতি ভাবুকিস্বৰূপ। সেয়েহে এক মানবীয় সমস্যা হিচাপে বিবেচনা কৰি প্ৰতিটো সম্প্ৰদায়ৰ প্ৰতিজন লোকে সন্ত্ৰাসবাদ নিৰ্মূল কৰাত গুৰুত্ব দিয়া উচিত।

**সম্পাদনা সমিতিৰ প্ৰশ্ন ঃ**

**❖ ৰাজ্যৰ নানানটা আৰ্থ-সামাজিক, ৰাজনৈতিক সমস্যাৰ পৰিপ্ৰেক্ষিতত আলফাৰ স্বাধীন অসমৰ দাবী কিমান গ্ৰহণযোগ্য?**

**চম্পক শইকীয়া,** স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

□ আলফাৰ স্বাধীন অসমৰ দাবী —সাম্প্ৰতিক সময়ৰ অন্যতম বিতৰ্কিত বিষয়। এক আৱেগজড়িত সিদ্ধান্তৰ ফলত যোৱা শতিকাৰ ৭০ৰ দশকতে জন্ম হোৱা সংযুক্ত মুক্তি বাহিনী, অসম চমুকৈ আলফা নামৰ সংগঠনটোৱে অসমৰ স্বাধীনতাৰ দাবী উত্থাপন কৰি যি সংগ্ৰাম চলাই আহিছে, সেই সংগ্ৰামৰ জনভিত্তি ক্ৰমাৎ কমি আহিছে। বন্দুক-বাৰুদৰ ধোঁৱাৰে স্বাধীনতাৰ সপোন দেখা এই জনবিৰোধী কাৰ্যকলাপে সমস্যাজৰ্জৰ অসমখনক আৰু এটা বোজা জাপি দিছে। মন কৰিবলগীয়া যে আলফাই যি স্বাধীনতাৰ সপোন ৰচিছে, সেই স্বাধীনতাৰ স্বৰূপ আজিলৈকে তেওঁলোকে অসমবাসীৰ আগত বিশুদ্ধ ৰূপত দাঙি ধৰিব পৰা নাই— ই সংগঠনটোৰ আটাইতকৈ ডাঙৰ দুৰ্বলতা।

অৰ্থনৈতিকভাৱে অনগ্ৰসৰ পিছপৰা অসম ৰাজ্য আজি সমস্যাৰ ডাষ্টবিনত আবদ্ধ। কোনো এটা ক্ষেত্ৰতে নিজক স্বাবলম্বী বুলি পৰিচয় দিব নোৱৰা ৰাজ্যখনক সামাজিক কুসংস্কাৰ, অন্ধবিশ্বাস, বানপানী, মেলেৰিয়াকে আদি কৰি ৰাজ্যখনৰ ৰাজনৈতিক নেতাৰ দালালি, বোমা বিস্ফোৰণ, বান্ধ নিৰ্মাণ কেলেংকাৰি, খোৱাপানীৰ অভাৱ, জনসাধাৰণৰ নিৰাপত্তাহীনতা আদি সৰু-বৰ নানা সমস্যাই কোঙা কৰি পেলাইছে।

এনে এটা বিশৃংখল পৰিবেশত আলফাৰ স্বাধীন অসমৰ দাবী এক অলীক কল্পনা মাথোঁ। ই অতি লজ্জাজনক আৰু দুখজনকো। গণতান্ত্ৰিক মূল্যবোধৰ মৰিশালিত পৰিণত হোৱা ৰাষ্ট্ৰখনত তেওঁলোকে মূলসুঁতিলৈ (?) উভতি আহি গঠনশীল কামত মনোনিবেশ কৰি ৰাজখনক স্বাৱলম্বী কৰি তোলাত সহায় কৰাটো সকলোৰে কাম্য।

মন কৰিবলগীয়া যে ৰাষ্ট্ৰযন্ত্ৰৰ নানা শোষণৰ প্ৰতিবাদকল্পে সৰুকৈ হ'লেও উমি উমি জ্বলি থকা (অহিংস) গণ আন্দোলনত এইসকল বিপ্লৱী নেতাৰ অংশগ্ৰহণ প্ৰয়োজনীয় বুলি ভাবিব পাৰি।

**সম্পাদনা সমিতিৰ প্ৰশ্ন ঃ**

**❖ ৰাজ্যৰ প্ৰচলিত শিক্ষা ব্যৱস্থাত সুখীনে?**

**বিকাশ পাংগিং,** স্নাতক প্ৰথম বৰ্ষ, ইতিহাস বিভাগ

□ ক'বলৈ গ'লে আমাৰ ৰাজ্যৰ শিক্ষা ব্যৱস্থা এনেকুৱা যে



বিষয়লৈ

পঢ়াৰ মাজতে মূৰ ঘমাবলগীয়াত পৰিছোঁ। আমি কিবা এটা পোৱাৰ পৰা বঞ্চিত হৈ পৰোঁ, কিবা এটা বৈ যায় আমাৰ মাজত। সেই পোৱা-নোপোৱাই হয়তো অসমত নিবনুৱা সংখ্যাৰ তালিকাখন দীঘলীয়া কৰি তুলিছে। জেপ খৰচ উলিয়াবলৈ বাহিৰৰ ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহক আপোন কৰিবলগীয়াত পৰিছো। ইফালে প্ৰতিবছৰে এটি নিৰ্দিষ্ট হাৰত পৰীক্ষাৰ মাচুল বাঢ়িবলৈ ধৰিছে। যাৰ বাবে আমাৰ দৰে বহু নিম্ন আয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আৰ্থিক সমস্যাত ভুগিবলগীয়া হৈছোঁ। ৰাজ্যৰ অনিয়মীয়া পৰীক্ষা পদ্ধতি, প্ৰশ্নকাকত ফাদিল, উত্তৰ-বহীৰ ভুল মূল্যাংকণ। আমাৰ শিক্ষা ব্যৱস্থাই এনেকুৱা যে কাৰোবাৰ ডাক্তৰ-ইঞ্জিনীয়াৰ, অধ্যক্ষ-অধ্যাপকৰ কম মেধাসম্পন্ন ল'ৰায়ো উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৰাজ্যৰ প্ৰথম বিছটা স্থানত আহিব পাৰে। পঞ্চলিছ শতাংশ পোৱা কোনো মেধাসম্পন্ন ল'ৰাই উত্তৰ-বহীৰ পুনৰ মূল্যাংকণৰ দ্বাৰা নব্বৈ শতাংশ পাব পাৰে। তেন্তে প্ৰচলিত শিক্ষা ব্যৱস্থাত বিশ্বাস ৰাখিম কিদৰে?

**সম্পাদনা সমিতিৰ প্ৰশ্ন ঃ**

**ꕥ সাম্প্ৰতিক প্ৰেক্ষাপটত অসমক বিশ্বায়নে গ্ৰাস কৰি উঠিলেও সাংস্কৃতিক বিশ্বায়নে (Cultural Globalisation) এতিয়াও অসমত গা কৰি উঠিছে বুলি ভাবেনে?**

**উজ্জ্বলপ্ৰতিম দত্ত,** স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

☐ বিশ্বায়নে সৰ্বভাৰতীয় পৰ্যায়তে গ্ৰাস কৰি উঠিছে— কথাটো সঁচা। অসমৰ দৰে এখন পিছপৰা ৰাজ্যও বিশ্বায়নৰ গ্ৰাসৰ পৰা আঁতৰি থাকিব পৰা নাই। কিন্তু সঁচাকৈ, সাংস্কৃতিক দিশত বিশ্বায়নে মূৰ দাঙি থিয় দিব পৰা নাই। ঠিক সেইবাবে মই ভাবোঁ অসমৰ নাটক, বোলছবি, সাহিত্য, সংগীত জগতখন পিছপৰি আছে। আজিকালি বজাৰত নতুনকৈ ওলোৱা বস্তু এটাৰ কাৰণে বিদৰে প্ৰচাৰ মাধ্যমে আগভাগ লয়, সেয়া এতিয়াও সংস্কৃতিৰ ক্ষেত্ৰখনত হৈ উঠা নাই। ইয়াৰ মূলতে বহুক্ষেত্ৰত আমাৰ চৰকাৰৰ সাংস্কৃতিক দিশত আগবঢ়োৱা সীমিত সাহায্যৰ লগতে অসমৰ সাহিত্যিকসকলৰ অমনোযোগিতা আৰু সাধাৰণ দৰ্শকৰ অসচেতনতা। আজিকালি অসমত বহুসংখ্যক ভাল নাটক, দুই-এখন ভাল অসমীয়া বোলছবি বছৰেকত ওলায়। কিন্তু কিমানসংখ্যক দৰ্শকে তাক চায়, যাৰ দ্বাৰা দৰ্শকৰ অসচেতনতাই এখন ভাল নাটক বা ছবিক মূলসুঁতিৰ পৰা আঁতৰাই নি তাৰ গতিধাৰাকে সলনি কৰি দিয়ে। ইয়াৰ ওপৰি পশ্চিম বংগৰ দৰে ৰাজ্যৰ তুলনাত অসমৰ সাহিত্যিকসকলে নাটক লিখাত হাত নিদিয়ে আৰু চৰকাৰে নাটক কৰা, বোলছবি কৰা শিল্পীসকলক চৰকাৰী চাকৰিয়ালৰ দৰে উচিত সাহায্য প্ৰদান নকৰে, হয়তো সেইবাবে মই ভাবোঁ সাংস্কৃতিক বিশ্বায়নে অসমত গা কৰি উঠিব পৰা নাই।

**সম্পাদনা সমিতিৰ প্ৰশ্ন ঃ**

**ꕥ বাংলাদেশী অনুপ্ৰৱেশকাৰী সমস্যাই অসমীয়া থলুৱা মুছলমানসকলৰ ওপৰত পেলোৱা প্ৰভাৱৰ বিষয়ে কি ক'ব খোজে?**

**সত্যজিৎ গগৈ,** স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ

☐ বাংলাদেশী অনুপ্ৰৱেশকাৰী সমস্যাই অসমীয়া থলুৱা মুছলমানৰ ওপৰত বিভিন্ন ধৰণে প্ৰভাৱ পেলাইছে। বিশেষকৈ যিবোৰ অঞ্চলত অনুপ্ৰৱেশকাৰীসকলৰ বসতি আছে, তেনে অঞ্চলসমূহত থলুৱা মুছলমানসকলৰ অস্তিত্বৰ ভাবুকিৰ সৃষ্টি হৈছে। যিহেতু দুৰ্নীতিৰ সুৰুঙাৰে বহু সময়ত অনুপ্ৰৱেশকাৰীসকলেও থলুৱাৰ প্ৰমাণ-প্ৰত্ৰ লাভ কৰে। তেনেস্থলত চৰকাৰ বা কোনো দল-সংগঠনে অনুপ্ৰৱেশকাৰীসকলৰ বিতাড়নৰ ক্ষেত্ৰত কাৰ্যপন্থা গ্ৰহণ কৰিলে থলুৱা মুছলমানসকলো সন্দেহৰ আৱৰ্তত সোমাই পৰা পৰিলক্ষিত হয়। বাংলাদেশী অনুপ্ৰৱেশকাৰী সমস্যাৰ ফলস্বৰূপে থলুৱা মুছলমানসকলৰ আন সম্প্ৰদায় বা ধৰ্মাৱলম্বী লোকৰ লগত থকা মধুৰ সম্পৰ্কত ফাট মেলাৰো পৰিলক্ষিত হোৱাৰ অৱকাশ নোহোৱা নহয়। কাৰণ অনুপ্ৰৱেশকাৰীসকলৰ বিৰুদ্ধে লোৱা কাৰ্যপন্থাই ভুল বুজাবুজিৰ ফলতেই হওক বা আন কাৰণতেই হওক থলুৱা মুছলমানসকলৰ মানসিকতাতো আঘাত হানিব পাৰে।

**সম্পাদনা সমিতিৰ প্ৰশ্ন ঃ**

**ꕥ সাম্প্ৰতিক প্ৰেক্ষাপটত দেখিবলৈ পোৱা অসমৰ দুৰ্বল আৰ্থ-সামাজিক, ৰাজনৈতিক পৰিস্থিতিৰ উন্নীতকৰণত নৱপ্ৰজন্ম হিচাপে আমি কি কৰা উচিত?**

**খুনচেং ফুকন,** স্নাতক তৃতীয় বৰ্ষ, পদাৰ্থ বিজ্ঞান বিভাগ

☐ সাম্প্ৰতিক সময়ত অসমখন অৰ্থনৈতিক, সামাজিক তথা ৰাজনৈতিক সমস্যাৰে জুৰুলা আৰু অস্থিৰ। সৰ্বগ্ৰহণযোগ্য নেতাৰ অভাৱত বৌদ্ধিক তথা ৰাজনৈতিক জগতত ব্যাপক অৰাজকতা। আমি অসমীয়াই সকলো সময়তে আনৰ দ্বাৰা শোষিত হোৱা, নিজৰ প্ৰাপ্য লোকে কাঢ়ি লৈ যোৱাৰ বয়ত ভুগি আছো। এনে সন্ধিক্ষণত আমি নৱপ্ৰজন্মই আত্মসত্তাৰ উত্থানত (আত্মকেন্দ্ৰিক নহয়) গুৰুত্ব দিয়া উচিত। যি সত্তাত নিহিত হৈ আছে একেৰাতিতে গড় বন্ধাৰ কৰ্মনিপুণতা, বেলেগ ধৰ্মত দীক্ষিত ৰজা হৈও অন্য ধৰ্মপ্ৰচাৰকক পৃষ্ঠপোষকতা কৰাৰ উদাৰতা। আমি নৱপ্ৰজন্মই ৰাজনৈতিক ভেদাভেদ পাহৰি সকলো জনহিতকৰ নীতি বা শক্তিশালী সমৰ্থন জনাব লাগে। বৰ্তমানৰ অস্থিৰ প্ৰেক্ষাপটত অসমীয়া নৱপ্ৰজন্মই অসমক ৰাজনৈতিক, সামাজিক তথা বৌদ্ধিক ক্ষেত্ৰত শক্তিশালী নেতৃত্ব প্ৰদান কৰি সোণৰ অসম গঢ়াৰ দিশত আগবাঢ়িব লাগে। ■

# Rendezvous With Thoughts




Chandrayaan-1

**Dr. Ganesh Chandra Wary**/99

Conflicting Rationalities and Ethnic Discontent

**Rintu Chandra Boro**/102

Assam Terror Attacks : Making Sense of the Abyss

**Dilip Gogoi & Namrata Goswami**/106

North East Region : Options for Biotechnological Development

**Biswadeep Gogoi**/108

Corruption : A Virtual Suicide

**Dr. Arup K. Hazarika**/110

The Most Confidential Knowledge

**Jahnabi Hajarika**/112

Indian Women : Emerging Icons

**Dr. Garima Kalita**/114

Divine Love

**Bandana Choudhury**/116

Keep Physical Activities in Education

**Kulen Das**/118

The Heart-rending Performance

**Jayshree Dutta**/119

The Spirit of Worship or Ibadat : An Important Perspective for the Developement of Human Value

**Dr. Abu Bakkar Siddique**/120

Unraveling the Current Financial Crisis

**Manoj Talukdar**/122

# Chandrayaan-1

**Dr. Ganesh Chandra Wary**
*Selection Grade Lacturer, Department of Physics*

I can hear, I can see and I can observe the ***'thing'***, but ***source*** is not from my own. I have no enough freedom to extract new thing in own way or new studies in own way, because *source* has right to limit to all as easiest. "Indigenous" is indigenous and carries full freedom. And I think this is why India has launched *Chandrayaan* 1 on 22 October 2008. "It is a historic moment as far as India is concerned. We have started our journey to Moon and the first leg of the journey has gone perfectly well" an ecstatic ISRO (Indian Space Research Organization) chairman G Madhavan Nair said soon after the indigenously built Rocket PSLV C-11 blast off from the second launch pad, spaceport at Satish Dhawan Space Centre-SHAR, Sriharikota in Nellore district of Andhra Pradesh, about 100 km north of Chennai in the cloudy but rainless weather. "*Chandrayaan* 1", *the Sanskrit* word for Moon craft is being placed the Indian tri-colour on the lunar surface. With this successful launch, India become the sixth country of the world after the Russia, US, European Space Agency, China and Japan. However, dreams of Indian scientists and its peoples towards the Moon from about 3, 84,000 Km is yet to come out in full reality and we are enthusiastically waiting the value of Rs. 386 crore.



The first ever scientific observation of the Moon was made by Galileo 400 years ago when he used his new invention-the telescope- to observe mountains and craters on the lunar surface. The era of space exploration began in 1960; that is when observations of the Moon received a boost with fly-bys, orbiting and landing of space probes, and finally manned mission. A chronological history of Mission Moon is as follows:

**Chronological history of Mission Moon:**

1. The first man-made object to fly by the man-made object to fly by the Moon was Soviet probe *Luna* 1 in January 1959.

2. *Luna* 2 was the first probe to reach the lunar surface in September 1959, though the landing was hard.

3. *Luna* 3 in October 1959 photographs the heavily pockmarked far side of the Moon thus indicating significant differences between the two lunar hemispheres.

4. It was in February 1966 that the first ever probe, *Luna* 9, soft landed on the Moon and transmitted pictures of the lunar surface.

5. The United States launched a series of parallel orbiting and landing missions in their *Ranger* and *Surveyor* series seventieth century.

6. Human landed on the Moon on 20 July 1969, when Neil Armstrong, commander of the American Mission *Apollo* 11, set his foot on the surface of the moon.

7. The fist robotic lunar rover to land on the Moon was the Soviet *Lunokhod* 1 in November 1970.

8. The last man to walk on the moon was Eugene Cernan during the *Apollo* 17 mission in December 1972. Moon samples were brought back to Earth by the three Soviet *Luna* missions (*Luna* 16, *Luna*

20 *and Luna* 24), and the US *Apollo* missions 11 through 17, except *Apollo* 13, which was forced to abort lunar landing. During this period, detail analyses of dust and rocks brought back by *Apollo* and *Luna* missions were made in over 100 laboratories throughout the world including India. The studies also included lunar surface processes based on direct measurement using instruments placed on the Moon and also on-board lunar orbiting spacecraft.

9. *Clementine* and *Lunar Prospector* mission of USA carried out photo geologic and chemical mapping during 1991-98. Introducing imaging system on board, primarily called American Galileo mission, carried this out and identified a large impact basin, the South Pole-Aitken region on the far side of the Moon, which could not be recognized by the earlier missions because of its extremely subdued profile.

10. In 1994, the *Clementine* mission photographed most of the lunar surface in ultraviolet, visible, near infrared and long wave infrared bands, thereby providing the first global data sets for lunar gravity, topography and multi spectral imaging. These results enabled global mineralogical mapping of the lunar surface. The lunar prospector carried a number of sophisticated instruments on board. Apart from preparing chemical maps of the Moon for elements like thorium, potassium, samarium, iron and aluminium, it also identified the presence of hydrogen-bearing compounds; probably water, in the permanently shadowed north and south Polar Regions of the Moon.

11. The European Space Agency launched European spacecraft *Smart* 1 in September 2003 to survey the lunar environment and create an X-ray map of the Moon.

12. Japan has a lunar orbiter *Kaguya (Selene)* in flight, launched in September 2007.

13. China has *Chang¢e* 1 orbiter launched in October 2007.

14. India has launched *Chandrayaan* 1 on 22 October 2008 for simultaneous chemical and mineralogical study of the lunar surface.

15. The *Lunar Reconnaissance Orbiter* of USA, scheduled for lift off in April 2009, is designed to map the surface of the Moon and characterize future landing sites in terms of terrain roughness, usable resources, and radiation environment with the ultimate goal of facilitating the return of humans to the Moon.

*16. Chandrayaan* 2, to be launched in 2011-12, will carry a lander /rover; however may not be placed in order of serial after 15.

**_Chandrayaan_ 1, the state-of-the-art:**

ৰঞ্জন ঃ তেনেহ'লে বেয়া পাব নালাগে। চোৰক চোৰ বুলি ক'লে কি দোষ? (চিপাহীয়ে বেগাই আহি ৰঞ্জনৰ ডিঙিত আগ্নেয়াস্ত্ৰ লগাই ধৰে।)

চিপাহী ঃ কাক চোৰ বুলিছ? আঙুলি টিপি দিম...। বৰ কথা দেখোন!

ৰঞ্জন ঃ আমি...

চিপাহী ঃ ব'ল দুয়ো। এৰেষ্ট..., টাডা... ব'ল...।

ৰমণী ঃ আমিতো একো কৰা নাই— কথাহে কৈছোঁ।

১ম ব্যক্তি ঃ হ'ব ব'লক— বাদ দিয়ক। ডেকা ল'ৰা...। (চিপাহীক কয়)

চিপাহী ঃ খালে হে দেশখন। ডকাইতৰ দল। ব'লক...। (ব্যক্তিদ্বয়, চিপাহী, ফেঁচা, জ্যোতিষী ওলাই যায়। ৰঞ্জন, ৰমণী অপমান-লাঞ্ছনাত জৰ্জৰিত। ৰঞ্জনে বজ্ৰাহত মানুহৰ দৰে থিয় দি থাকে। ৰমণী অস্থিৰ। ৰঞ্জনৰ ওচৰলৈ আহি কয়)

ৰমণী ঃ বাদ দে— বেছি ভাবি লাভ নাই—।

ৰঞ্জন ঃ কিয় লাভ নাই? (ৰঞ্জনৰ চকু চলচলীয়া)

ৰমণী ঃ কি কৰিবি?

ৰঞ্জন ঃ হাতত সেইডাল আছে বাবেই চোৰ এটাৰ বাহাদুৰি দেখিলি?

ৰমণী ঃ এই চোৰবোৰেতো ৰাজত্ব চাৰিওফালে।

ৰঞ্জন ঃ এফালৰ পৰা সংহাৰ কৰি দিবৰ মন যায়!

ৰমণী ঃ তাৰ বাবে এটাই ৰাস্তা মন্ত্ৰী হ'ব লাগিব—।

ৰঞ্জন ঃ মন্ত্ৰী মানেই ডাঙৰ চোৰ নহয়?

ৰমণী ঃ চোৰ কৰে বাবেহে ডাঙৰ চোৰ হয়। কিন্তু চোৰ নকৰা মন্ত্ৰী হয় যদি? সবকে চিধা কৰিব নোৱাৰি? চোৰবোৰক ঠিক কৰিব নোৱাৰিব? সেইবাবেইতো কওঁ কোনোবা এটা দলত যোগ দিব লাগে National /Regional.

ৰঞ্জন ঃ আচল ঠাইতে তোৰ গণ্ডগোল।

ৰমণী ঃ কি গণ্ডগোল? মন্ত্ৰী ঠিকে থাকিলে চোৰৰ দলক কিয় ঠিক কৰিব নোৱাৰে?

ৰঞ্জন ঃ নোৱাৰে—।

ৰমণী ঃ নোৱাৰে কিয়? কিয় নোৱাৰে?

ৰঞ্জন ঃ গেলা মাংসপিণ্ডৰ পৰা জীৱনদান দিব পাৰি ৰূপকথাতহে, বাস্তৱত নহয়—। (আঁতৰি যায়। হঠাতে ৰমণীৰ ফালে ঘূৰি কয়।) যিখন দেশত মন্ত্ৰী ৪২০ ধাৰাত অভিযুক্ত, বৰ্ফচ, চিকিউৰিটি, হাৱালা, এল অ' চি য'ত স্বাভাৱিক কথা হৈ গৈছে— তাতে সি ভাল মন্ত্ৰী হয় চোৰক চিধা কৰে। (ৰঞ্জন বহে)

ৰমণী ঃ তোৰ মতে তেনেহ'লে কি কৰিব লাগিব—? নে চলিয়ে থাকিব চোৰৰ ৰাজত্ব?

ৰঞ্জন ঃ থাকিবও পাৰে, বলে নোৱাৰিলে। কিন্তু তাক শেষ কৰাৰ একমাত্ৰ উপায় হৈছে— গণ আন্দোলন।

ৰমণী ঃ ফেনসোপা। আন্দোলন! নহৈছিল এটা ছয় বছৰীয়া আন্দোলন? জাতিক মুক্ত কৰাৰ? সোণৰ অসম কৰাৰ? কি হ'ল পিছত? শান্তিৰ সেই মাটিৰ অসমখনো নৰ'ল দেখোন। আজি জুই জ্বলিছে চাৰিওফালে। সেই আন্দোলনেই দায়ী নহয়— ইয়াৰ বাবে?

ৰঞ্জন ঃ আকৌ ভুল...।

ৰমণী ঃ কি ভুল? আজিৰ পৰিস্থিতিৰ বাবে সেই আন্দোলন দায়ী নহয়?

ৰঞ্জন ঃ বহু পৰিমাণে হয়।

ৰমণী ঃ ৰাইজখন পাগলৰ দৰে জঁপিয়াই পৰা নাছিল তাত?

ৰঞ্জন ঃ পৰিছিল।

ৰমণী ঃ নেতাহঁতৰ কথাত বহুত আপোনজনকো হত্যা কৰা নাছিল, কাৰোবাৰ অঙ্গক্ষত কৰি, কাৰোবাক জীয়াই জীয়াই পুতি থৈ ৰক্তাক্ত কৰা নাছিল নিজৰ হাত?

ৰঞ্জন ঃ কৰিছিল— কৰিছিল।

ৰমণী ঃ তেনেহ'লে কি ভুলৰ কথা ক'ব? কিহৰ বাবে কৰিছিল? কিহৰ বাবে পঢ়া-শুনা দলিয়াই থৈ চকু মুদি জঁপিয়াই পৰিছিলো? জাতিটোৰ দুৰ্গতি আঁতৰক— ৰাজ্যখনৰ ভাল হওক বুলিয়েইতো? কিন্তু কি পালে জাতিয়ে? কি পালো ক'। এই শ্বহীদ (ৰমণী বেগাই শ্বহীদ বেদীৰ ওচৰলৈ যায়) বেদী? পকাৰ ফলককেইখনমান? ...আজি দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছোঁ পেটৰ ভাত বিচাৰি আৰু সিহঁত নেতাহঁতে? পুলিচটোৱে কোৱা শুনিলি নহয়? আন্দোলনৰ ফল! মোৰ আগত নাম নল'বি আন্দোলনৰ। (ৰমণী আঁতৰি গৈ বহে)

ৰঞ্জন ঃ নলওঁ। জুৱাচুৰি, দুৰ্নীতি দেখি দুখো নকৰোঁ—। বেছিদিনতো চলিব নোৱাৰে। তই মন্ত্ৰী হ'লেই—

ৰমণী ঃ মই মন্ত্ৰী হোৱাৰতো কথা কোৱা নাই। কৈছোঁ যে...

ৰঞ্জন ঃ ভাল মন্ত্ৰী হ'লে— 'চিম্ চিম্ বন্ধ'— সকলো বেয়া কথা বেয়া কাম ৰাতিটোতে নাইকিয়া হৈ যাব।

ৰমণী ঃ কথাটো যে সম্ভৱ...

ৰঞ্জন ঃ অসম্ভৱ— একেবাৰে অসম্ভৱ।

ৰমণী ঃ কিয়?

ৰঞ্জন ঃ তই কাইলৈ মন্ত্ৰী হোৱাৰ লগে লগে বৰ্ফচ, হাৱালা, এল অ' চিৰ চোৰসোপা সন্ন্যাসী হৈ যাব? ঘোচখোৰ অফিচাৰসোপা তেজস্বী/গনি, নহ'লে এনকেফেলাইটিছ্ হৈ মৰি যাব? ৫০ টকাৰ ঠাইত পিয়াঁজৰ কেজি ৫ টকা হ'ব, দাইল-চাউলৰ কেজি ২/৩ টকা হ'ব? ভাৰতবৰ্ষৰ ২০ কোটি নিবনুৱাই চাকৰি পাই যাব? ... ধ্বংস যজ্ঞ এটাত দুহাত ডাঙি নাচিছিলি—। এতিয়া নাম শুনিলেই পলাবলৈ ইমান অধৈৰ্য হ'ব কিয়?

ৰমণী ঃ পলাবলৈ নহয় ৰঞ্জন—। সেই আন্দোলনে জীৱনটো শেষ কৰি দিলে। ভালদৰে যদি পাছ কৰিলোহেঁতেন 1st class পালোহেঁতেন— আজি এই অৱস্থা নহ'লহেঁতেন—। কোনোবা এখন স্কুলতে সোমাই থাকিব পাৰিলোহেঁতেন।

ৰঞ্জন ঃ আন্দোলনৰ নামত সেয়া আছিল এক মস্ত ফাঁকি। সেই ফাঁকিয়েই আজিৰ নেতৃত্বৰ চৰিত্ৰ— দেশৰ ৰাজনীতিৰ চৰিত্ৰ। তাৰ বিৰুদ্ধে একলগ হৈ (ফেঁচা আহে) যুঁজিলেহে ৰক্ষা পাব পাৰোঁ— নহ'লে নহয়—। (ফেঁচাই হাতৰ মদৰ বটল দলিয়াই দিয়াতহে ৰমণী-ৰঞ্জনে গম পায়।)

ফেঁচা ঃ এতিয়া মোৰ হাতৰ পৰা কেনেকৈ ৰক্ষা পাবি? (ফেঁচাই ছুৰী উলিয়াই উন্মুক্ত কৰে)

ৰমণী-ৰঞ্জন ঃ তই...!

ফেঁচা ঃ অঁ মই—!

ৰমণী ঃ তই কিদৰে ওলাই আহিলি?

ফেঁচা ঃ (উচ্চ স্বৰত হাঁহি) ছিছিম ফাক...। খমখমীয়া এক পাট্টি— কেতিয়াবা ২/৩ পাট্টি বচ তলা খুলি যায়।

ৰঞ্জন ঃ কিন্তু তোক arrest কৰি...

ফেঁচা ঃ পঞ্চাছ— মাত্ৰ পঞ্চাছ টকাত খুলি গ'ল হেণ্ডকাফ। তহঁতে কি ভাবিছিলি—? সি নি মোক ভৰাই দিব? কুকুৰ...। মাংসৰ টুকুৰা দেখিলে খাবলৈ নোপোৱা কুকুৰে যিদৰে লাফ দিয়ে,— সি বেটাই তেনেকৈ লক্‌লকাই থাকে। দহ টকা দিলেও হয়। গতিকে... (মুক্ত হোৱাৰ ভঙ্গিমা)... বাহাদুৰি দেখুৱাইছিলি— পকেটমাৰ ধৰিছিলি...? এতিয়া যদি মই বাহাদুৰি দেখুৱাওঁ—হুঁ...? (অতৰ্কিতে ফেঁচাই ৰমণী-ৰঞ্জনৰ ফালে চোঁচা লয় উন্মুক্ত ছুৰী দাঙি। সিহঁত সাংঘাতিক সন্ত্ৰস্ত)

ফেঁচা ঃ (হাঁহি) ভয় খাই গ'লি?

ৰঞ্জন ঃ কথা বেয়া হ'ব কিন্তু... (ফেঁচা মাজত, দুয়ো দুফালে)

ফেঁচা ঃ মোৰ চিকাৰ নষ্ট কৰিছ...।

ৰমণী ঃ পুলিচ মাতিম কিন্তু—।

ফেঁচা ঃ মাত... বাপেৰহঁতক মাত। তোক মাৰি গৈ মই ক'ত লুকাম তাকো জানে সিহঁতে। লক্ আপৰ ভিতৰত বা বাহিৰত থকাৰ তফাৎ কি আমাৰ? সেইবাবে... (ফেঁচা আগবাঢ়ে। ৰঞ্জন, ৰমণীয়ে আত্মৰক্ষা কৰাৰ চেষ্টা কৰে।)

ৰঞ্জন ঃ ঐ গোটেই জীৱন জে'লত পচিবি— ফাঁচিত মৰিবি। আইন নোহোৱা হোৱা নাই।

ফেঁচা ঃ আইন মানেতো ধাণ্ডা—। পাৰ্টিৰ খেল—। আমাৰ কোনজন পকেটমাৰৰ কোনটো এলেকাত ক'ত মাল সৰকাও আইনৰ ৰক্ষাকাৰীহঁতে নাজানে? একদিনত চাফা কৰি দিব পাৰে পকেটমাৰ। কিন্তু নকৰে—। লাভ কি? দুয়ো ফালৰ ধাণ্ডা বন্ধ। কিডাল কৰিছে তোৰ আইনে? ঐ আইনৰ ফুটাৰে মাংসৰ টুকুৰা সুমুৱাই দিওঁ আমি আইনৰ পহৰাদাৰীৰ মুখত। মাত বাপেৰহঁতক...। (পুনৰ চোঁচা লয়। ৰঞ্জন, ৰমণী দুয়ো ফেঁচাক জপটিয়াই ধৰি ছুৰী কাঢ়ি আনে। ৰমণীয়ে তাৰ চুলিত ধৰি কাবু কৰে। ফেঁচা মাটিত আঁঠুকাঢ়ি বহে। ছুৰী ৰঞ্জনৰ হাতত।)

ৰমণী ঃ এতিয়া..., চাওঁ সেইখন দে— ইয়াৰ বুকুত সুমুৱাই দিওঁ।

ৰঞ্জন ঃ ৰ'...

ফেঁচা ঃ দে সুমুৱাই দি। কিন্তু একেবাৰতে যাতে শেষ হওঁ— তেনেকৈ দিবি।

ৰমণী ঃ এক সোপা গিলিছে।

ৰঞ্জন ঃ আন একো কৰিব নোৱাৰে— এই ডেকা ল'ৰাটোৱে? কিমান মানুহৰ যে আশা ভংগ কৰিছ— সুন্দৰ সপোন থানবান কৰিছ— বেয়া নালাগে? লাজ নালাগে? দয়া-মায়া অলপো নাই?

ফেঁচা ঃ দয়া-মায়া, লাজ!! মই কি জন্মতে পকেটমাৰ হৈ জন্মিছিলো? দয়া-মায়াহীন জীৱ হৈ? লজ্জাহীন জানোৱাৰ হৈ?

ৰমণী ঃ সবেই সেইটোৱেই কয়?

ৰঞ্জন ঃ (ৰঞ্জনে ফেঁচাৰ চুলিৰ পৰা হাত এৰুৱাই দিয়ে) তেনেহ'লে পকেটমাৰ কিয় হ'লি?

ফেঁচা ঃ এটাতো নহয় ঘটনা। কতবাৰ কতজনে যে দাগ দিলে জীৱনটোত? কেনেকৈ যে ধৰফৰাইছিলো মানুহৰ অলপ দয়া-মায়া পোৱাৰ কাৰণে! নাপালো— ক'তো অকণো নাপালো, যাৰ বাবে মানুহ হৈ থাকিব নোৱাৰিলো—।

ৰমণী ঃ কি কাৰণতনো তোক দয়া-মায়া লগা হ'ল?

ৰঞ্জন ঃ কি হৈছিল ক'চোন।

ফেঁচা ঃ (ভালদৰে বহে) মোৰ নাম ফেঁচা—।

ৰমণী ঃ ফেঁচা পকেটমাৰ তই?

ফেঁচা ঃ অ' মই ফেঁচা পকেটমাৰ— ফেঁচা আহমেদ।

ৰমণী ঃ অ'...

ৰঞ্জন ঃ ঘৰ?

ফেঁচা ঃ উত্তৰ পাৰে। আমাৰ তিনিপুৰুষৰ জন্ম ভেটি। কিন্তু শুনিছো মোৰ দাদাৰ আব্বা বৰভূমিকম্পৰ আগতে ইয়ালৈ আহিছিল— পূব পাকিস্তানৰ পৰা।

ৰমণী ঃ তাৰমানে বাংলাদেশী।

ফেঁচা ঃ নহয়।

ৰমণী ঃ কিয় নহয়? আগৰ পূব পাকিস্তানেইতো বাংলাদেশ।

ফেঁচা ঃ বাংলাদেশতো সেই দিনাৰ কথা। তাৰ ডেৰ-দুকুৰি বছৰ আগতে আহিল,— আমাৰ উপৰিপুৰুষ ইয়ালৈ।

ৰঞ্জন ঃ সেইটো ঠিক আছে— কিন্তু তই পকেটমাৰ হ'লি কিয়?

ফেঁচা ঃ বাংলাদেশী,— বিদেশীৰ লেবেল।

ৰঞ্জন ঃ তাৰ মানে?

ফেঁচা ঃ মই তেতিয়া Class VIত। বিদেশী বিতাৰণ আন্দোলনৰ ভৰপক। হাহাকাৰ, ভয়-শংকা। বনজুইৰ দৰে এদিন খবৰ আহিল— আমাৰ গাঁও বিদেশীৰ গাঁও— যাব লাগিব। আতঙ্কত হাত-ভৰি কোঙা হোৱা অৱস্থা। সন্ত্রস্ত চকু-মুখত এটাই প্ৰশ্ন সকলোৰে— যাম ক'লৈ? ৰক্তত ইয়াৰ হাৱা-পানী লৈ, জোবানত ইয়াৰ ভাষা লৈ যাম ক'লৈ— জাৰণি গুচাই ফুলনি কৰা এই জমি এৰি যাম ক'লৈ? এই জমি এৰি যোৱাত নাই। মৰণ-তাৰণ এই মাটিতে। ইয়াতে থাকিম, যি হয় হ'ব।

ৰঞ্জন ঃ তাৰ পিছত?

ফেঁচা ঃ থাকিব কিন্তু নোৱাৰিলে কোনো? পিছদিনা দোভাগ ৰাতি গাঁৱৰ দুই মূৰৰ পৰা ঘৰবোৰ জ্বলাই দিয়া হ'ল। কি যে ভয়ংকৰ, এফালে প্ৰাণৰ তাড়নাত মানুহ, গৰু-ছাগলীৰ চিৎকাৰ— আত্ৰাণি আৱাও, আনফালে যুদ্ধ জয়ৰ উল্লাস। (মানুহৰ চিৎকাৰ 'জয় আই জন্মভূমি' শ্লোগান ভিতৰৰ পৰা আহিব) বাঘে খেদা হৰিণাৰ দৰে যি যিফালে পাৰিলে দৌৰিলে। কিন্তু জীৱন লৈ ওলাই যাব নোৱাৰিলে—।

ৰঞ্জন ঃ কিয়?

ৰমণী ঃ জুয়ে আগুৰি পেলালে।

ফেচা ঃ নহয়— মানুহে। প্ৰায় ১,০০০ মানুহে দা-কুঠাৰ, যাঠি-জোং লৈ গাঁওখন ঘেৰি ধৰিছিল— যাতে কোনো ওলাইযাব নোৱাৰে।

ৰঞ্জন ঃ একেবাৰে খাণ্ডৱ দাহন।

ফেঁচা ঃ বাচ্চা বুঢ়া কোনো সাৰি নগল। হানি-খুচি জুইত পেলাই দিয়া হ'ল। কিছুমান টোপনিতে পুৰি মৰিল। জুই আৰু আক্ৰমণৰ ভয়ত কিছুমান গাঁৱৰ পুখুৰীত জঁপিয়াই পৰিল। উঠি আহিব কিন্তু নোৱাৰিলে। যাঠি, বল্লম, পাঁচ পেটিয়াৰ হানত মানুহবোৰ মৰা মাছৰ দৰে পানীত ভাহি থাকিল। কেইমুহূৰ্তমানৰ ভিতৰতে সকলো শেষ। সোণামুৱা গাঁও আমাৰ ছাইৰ দ'মত পোত গ'ল—। যেন ডাঙৰ শ্মশানহে এখন। (ভিতৰত শুনা যায়— 'জয় আই জন্মভূমি' Chorus) ফেঁচাই ফোপাইছে।

ৰঞ্জন ঃ কিন্তু তই...

ফেঁচা ঃ অকল ময়ে নহয়। আত্ৰাণিতে নদৌৰি যিকেইটাই বাঁহৰ চোপ, জাৰণিৰ মাজত লুকাই থাকিল, সেইকেইটা প্ৰাণে নমৰি বাচিল। ১,২০০ মানুহৰ গাঁৱত ১৩০/১৪০ মানুহ। আব্বা-আম্মাৰ লগত দৌৰিব নোৱাৰি— মই ভয়তে সোমাইছিলো কল এচোপৰ মাজত।

ৰমণী ঃ কোনেও নেদেখিলে?

ফেঁচা ঃ বাচি গ'লো। কিন্তু আব্বা-আম্মা? ছাই-ধোঁৱাৰ মাজত বিচাৰিব ধৰিলো। মৰাশৰ পাহাৰ! পাগলৰ দৰে বিচাৰিলো তিনিদিন। চিনিব হ'লে নোৱাৰিলো। কাৰোবাৰ মূৰ নাই। বীভৎস কাণ্ড। তিনিদিন তেনেকৈয়ে আছিলো তাৰ মাজত!

ৰমণী ঃ খোৱা-লোৱা?

ফেঁচা ঃ (ৰমণীলৈ চাই বিদ্ৰূপৰ হাঁহি) খোৱা...! পানী খাবলৈ গৈ দেখোঁ পুখুৰীৰ পানীত যেন ফাকুহে সানিছে,— মানুহৰ তেজেৰে ৰঙা হৈ গৈছে।

ৰঞ্জন ঃ তেনেহ'লে?

ফেঁচা ঃ পুখুৰীৰ পাৰতে পৰি থাকিলো। শৰবোৰৰ গোন্ধ ওলাবলৈ ধৰিলে—। তেতিয়াই ওলালগৈ পুলিচ আৰু সেই চুৰবৰ বাচ্ছা।

ৰঞ্জন ঃ কোন?

ফেঁচা ঃ সি মোক তাৰ পৰা লৈ আহিল। হাকিম বোলে সি। ঘৈণীয়েক প্ৰফেছাৰ......।

রঞ্জন ঃ তেওঁৰ ঘৰতে ৰাখিলে?

ফেঁচা ঃ ওঁ...

ৰমণী ঃ তই ভালহে পাব লাগে।

ফেঁচা ঃ (ক্ষোভত ফাটি পৰি) কিয়? দয়া কৰিছে কাৰণে? ৰঙীণ বিল্ডিঙৰ ভিতৰত মোক (নমৰাকৈ) জীয়াই ৰাখিছে কাৰণে? আৰে তাৰ স্বাৰ্থত, তাৰ কামত আনিছিল— জীয়াই ৰাখিছিল মোক। ...কাউৰীয়ে কা কৰাৰ পৰাই আৰম্ভ হয় মোৰ কাম। চুৰা ধোৱা, কাপোৰ ধোৱা, বাচ্চাৰ পায়খানা চাফা কৰা, ভাত ৰন্ধা, কি যে নকৰোঁ মই। আৰু মই খাওঁ?

ৰঞ্জন ঃ কি?

ফেঁচা ঃ সিহঁতে খাব নোৱাৰি ৰোৱা উচ্ছিষ্ট। যিমানখিনি ৰয়,— বচ তাতকৈ বেছি নহয়।

ৰমণী ঃ যদি নৰয়?

ফেঁচা ঃ দুমুঠা মুৰি— এগিলাচ লালচাহ। কুকুৰ এটাকো ইয়াতকৈ ভালদৰে ৰাখে মানুহে। শৌচ কৰ্মৰ পিছত সিহঁতৰ বাচ্ছাক গৰম পানীৰে ধুৱাই দিব লাগে মই। আৰু পুহ-মাঘৰ ঠাণ্ডাতো মই পৰি থাকো এডোখৰ পকাত। নাই মহৰি, নাই এটুকুৰা গৰম কাপোৰ। মাজে-মাজে পৰে চৰ-থাপৰ, চেণ্ডেলৰ কোব—। তথাপি তকদীৰ বুলি সহি আছিলো। কিন্তু...

ৰমণী ঃ কি...?

ৰঞ্জন ঃ কি হ'ল ক'।

ফেঁচা ঃ দুবছৰে সিহঁতৰ ঘৰত থাকিলো। কিন্তু নতুন কাপোৰৰ মুখ নেদেখিলো।

ৰমণী ঃ পুতেকৰ পুৰণি পেণ্ট-ছাৰ্ট।

ফেঁচা ঃ পুতেক সৰু, মোৰ গাত নোসোমায় তাৰ কাপোৰ।

ৰঞ্জন ঃ তেন্তে...? বাপেকৰ...?

ফেঁচা ঃ মস্ত ডাঙৰ-দীঘল, সি মোটা। আৰু ইমান দামী কাপোৰ নিদিয়ে মোক।

ৰমণী ঃ তেনেহ'লে কাৰ কাপোৰ?

ফেঁচা ঃ জীয়েকৰ গাউন নে কি?

ৰঞ্জন ঃ গাউন...।

ফেঁচা ঃ তাকে পিন্ধিব দিছিল মোক।

ৰমণী ঃ তাতে বেয়া পাই গুচি আহিলি?

ফেঁচা ঃ (মূৰ জোকাৰে) নহয়, পিন্ধিছিলো। আপী বুলি জোকাইছিল ল'ৰা-ছোৱালীহালে। কিন্তু সেইটো চিৰি যোৱাত...।

ৰঞ্জন ঃ কি...

ফেঁচা ঃ ঘৈণীয়েকৰ পুৰণা মেখেলা এখন দিছিল লুঙী কৰি পিন্ধিবলৈ। নাজানো,— সেইদিনা কিবা এটা কষ্ট পাইছিলো। চকু দুটাৰে কেৱল 'গৰগিৰকৈ পানী পৰিছিল। কিন্তু চকুৰ পানীয়েতো লজ্জা নিবাৰণ নকৰে। ...পিন্ধিলো। দুপৰীয়া কোনো ঘৰত নাই। পকাডোখৰতে পৰি আছো। আকাশ-পাতাল ভাববিলাক আহি আছে মনলৈ। হঠাতে চক খাই উঠিলো তম্মিনাৰ হাঁহিত। তাই স্কুলৰ পৰা আহিল। মোৰ ফালে চাই পাগলৰ দৰে হাঁহিছে। যেন পৰি যাব হাঁহিত। মই একো বুজা নাই। হঠাত জঁপিয়াই জঁপিয়াই তাই চিঞৰিবলৈ ধৰিলে— মাইকী, মাইকী, ...মাইকী। মোৰ মূৰত যেম হাতুৰীৰ কোব পৰিল। মূৰ ঘূৰি গ'ল। গাত দেও চৰিল, চিৎকাৰ কৰি তাইৰ ওপৰত জঁপিয়াই পৰিলো। চুলিকোছাত ধৰি মাটিত বগৰাই ল'লো। পাৰিলো মানে গালে-মুখে চৰিয়ালো। তাত মোৰ ভাত শেষ হ'ল। হঠাৎ তাইৰ গলৰ হাৰডালত চকু পৰিল। সেইডাল ছিঙি লৈ দৌৰিলো, ৰে'লত উঠিলো। তাৰ পিছত ডুমডুমা, মাৰ্ঘেৰিটা, শদিয়া।

ৰমণী ঃ কি কৰিলি,— ক'ত থাকিলি?

ফেঁচা ঃ চোৰাই মালে যিখন ডুলিয়ালৈ লৈ যায় তাতেই সোমাই পৰিলো। যোৱা দুবছৰে এই চহৰত এতিয়া ক' তহঁতে মই দয়া-মৰম পালো কাৰোবাৰ পৰা?— মোৰ দয়া-মৰম থাকিব লাগে? (লগে ২/৩টা গুলীৰ শব্দ। কাৰোবাৰ চিৎকাৰ— 'আস্')

ৰঞ্জন ঃ কি হ'ল...?

ফেঁচা ঃ গুলীৰ শব্দ...। (লগে লগে এজন যুৱক হাতত পিষ্টল লৈ সোমাই আহে। পিষ্টল দাঙি ফেঁচাহঁতক কয়)

যুৱক ঃ একো নক'বি—। পুলিচ আহিলে একো নক'বি কিন্তু,— মই সেইফালে লুকাম। (লগে লগে গুলী আহি তাৰ হাতত লাগে পিষ্টল ছিটিকি পৰে। ৰঞ্জনহঁতৰ দৌৰাদৌৰি।)

যুৱক ঃ সেইটো দে না কোনোবা এজনে—। দে না...। (ৰঞ্জনে উঠাই দিবলৈ যাওঁ-নাযাওঁ কৰে। এনেতে তাৰ বুকুত আহি গুলী লাগে। চিৎকাৰ কৰি বাগৰি পৰে। ৰমণীয়ে চিঞৰি উঠে, যুৱক আঁতৰি যায়)

ৰমণী ঃ ৰঞ্জন... ৰঞ্জন...। এতিয়া মই কি কৰোঁ? কি কৰোঁ ক'লৈ যাওঁ।

ফেঁচা ঃ কি হ'ল? হেই হেই (ৰঞ্জনক মাতে) একো নহয়— হস্পিতাললৈ লৈ যাওঁ ব'ল।

ৰমণী ঃ ব'ল লৈ যাওঁ ব'ল। ৰঞ্জন... ৰঞ্জন...। ইয়াৰ দেখোন একো নাই। ...ধৰ ...ব'ল। (পুলিচ অফিচাৰ, চিপাহী উদ্যত আগ্নেয়াস্ত্ৰ লৈ হাজিৰ)

অফিচাৰ ঃ যোৱাৰ ৰাস্তা বন্ধ। Hands up...!

চিপাহী ঃ পৰি গৈছে জালত টেৰ'ৰিষ্ট।

ৰমণী ঃ আমি কি কৰিলোঁ? বিনাদোষত...

অফিচাৰ ঃ ছুৰী-পিষ্টলে তাকেই কয়।

ফেঁচা ঃ ছুৰীখন ছাৰ... (থিয় হয়)

অফিচাৰ ঃ চুপ্...

ৰমণী ঃ পিষ্টলটো পেলাই থৈ গৈছে।

অফিচাৰ ঃ কাবু হৈ গ'লে সন্ত্ৰাসবাদীয়ে এই ভাষাকে কয়।

ৰমণী ঃ (থিয় হৈ) পাগল হৈছে নেকি? আমি সন্ত্ৰাসবাদী!

অফিচাৰ ঃ (ৰমণীৰ গালত প্ৰচণ্ড চৰ শোধায়) হয়—। Hands up–

চিপাহী ঃ উঠা হাত। (ৰমণী-ফেঁচাই হাত ওপৰলৈ তোলে।)

(চিপাহী আৰু অফিচাৰ দুয়ো Whistle বজায় ২/৩ বাৰকৈ। সকলো Freeze। আঁৰ কাপোৰ। ■



# কটন কলেজ ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন

# ছাত্ৰ উপ-সভাপতি



প্ৰতিবেদনৰ পাতনিতে সেইসকল মহান স্ৰষ্টাক সুঁৱৰিছোঁ, যাৰ অপৰিসীম ত্যাগ আৰু শ্ৰমৰ বিনিময়ত আজিৰ কটন কলেজ থিয় হৈ আছে জ্ঞান আৰু সাধনাৰ বোধিদ্ৰুম হিচাপে। লগতে এইছেগতে অশ্ৰু অঞ্জলি যাচিলোঁ সেইসকল হতভগীয়ালৈ, যি যোৱা ৩০ অক্টোবৰ, ২০০৮ তাৰিখে অসমৰ বিভিন্ন ঠাইত সংঘটিত বোমা বিস্ফাৰণ আৰু ২৬ নৱেম্বৰ, ২০০৮ত মুম্বাইৰ সন্ত্ৰাসবাদী আক্ৰমণৰ বলি হ'ল। এই আপাহতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ সমূহ কটনিয়ানলৈ, যাৰ সম্পূৰ্ণ সহযোগিতাৰে ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়ৰ ছাত্ৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈছিলোঁ।

২০০৭-০৮ বৰ্ষৰ কটন কলেজ একতা সভাৰ শপত গ্ৰহণৰ পিছৰ কাৰ্যসূচী আছিল 'মহাবিদ্যালয় সপ্তাহ'। 'মহাবিদ্যালয় সপ্তাহ'ত ছাত্ৰ উপ-সভাপতিৰ বিশেষ কৰণীয় নাথাকিলেও, একতা সভাৰ প্ৰতিজন বিষয়ববীয়াকে দায়িত্বসহকাৰে সহায় আগবঢ়াইছিলোঁ। একতা সভাৰ সম্পাদকসকলে সুচাৰুৰূপে কৰ্তব্য পালন কৰাৰ বাবে তেওঁলোকলৈ ধন্যবাদ জনালোঁ।

আমাৰ কাৰ্যকালত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ৰ গৌৰব অক্ষুণ্ণ ৰখাৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ-মহোৎসৱত অংশগ্ৰহণ কৰি সফলতা অৰ্জনেৰে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। এইক্ষেত্ৰত মহাবিদ্যালয় একতা সভাৰ তৰফৰ পৰা পূৰ্ণ সহযোগিতা আগবঢ়োৱা হৈছিল।

বিশ্ববিদ্যালয় অনুদান আয়োগৰ এটি বিশেষজ্ঞ দল আমাৰ কাৰ্যকালতে মহবিদ্যালয়খন পৰিদৰ্শনৰ বাবে আহিছিল আৰু কটন পৰিয়ালৰ তৰফৰ পৰা তেখেতসকলক সম্মান আগবঢ়োৱা হৈছিল।

আমাৰ কাৰ্যকালৰ শেষৰ ফালে ২০০৮-০৯ বৰ্ষৰ নৱাগতসকলৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হয় নৱাগত আদৰণী সভা। অনুষ্ঠানটিত প্ৰখ্যাত কৌতুক অভিনেতা অতুল পাচনিৰ লগতে প্ৰাক্তন সাধাৰণ সম্পাদক ৰাহুল দাস উপস্থিত থাকি অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এইছেগতে তেওঁলোকলৈ শলাগৰ শৰাই আগবঢ়ালোঁ। শেষত কাৰ্যকালৰ সময়ছোৱাত প্ৰতিটো দিশতে দিহা-পৰামৰ্শৰে আমাক সহায় আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উপাধ্যক্ষ মহোদয়াৰ লগতে সমূহ শিক্ষাগুৰুলৈ সশ্ৰদ্ধ সেৱা আগবঢ়ালোঁ। লগতে আমাক প্ৰতিটো দিশতে সহায়-সহযোগিতাৰ হাত আগবঢ়োৱা কৃষ্ণকান্ত সন্দিকৈ স্নাতকোত্তৰ ছাত্ৰাৱাসৰ সমূহ আবাসীলৈ কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত আমাৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ। আশা কৰিছোঁ পৰৱৰ্তী উপ-সভাপতিসকলে মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতিৰ বাবে কাৰ্যপন্থা হাতত ল'ব।

কটন মহাবিদ্যালয়ৰ ছাত্ৰ উপ-সভাপতিৰ দৰে এক গুৰুদায়িত্ব কিমান সফলতাৰে পালন কৰিব পাৰিলোঁ, তাৰ বিচাৰৰ ভাৰ কটন পৰিয়ালৰ সমূহ সদস্যৰ ওপৰত এৰি দিলো। সফলতাৰ কিমান শতাংশ আমাৰ ফালে আছে, সেয়া আপোনালোকৰ বিচাৰ্য।

শেষত কটন মহাবিদ্যালয় চিৰদিন জ্যোতিষ্মান হৈ থকাৰ কামনাৰে প্ৰতিবেদন সামৰিলোঁ।

জয়তু কটন মহাবিদ্যালয়।

মুনীন বড়া

০ ০ ০

# সাধাৰণ সম্পাদক



সমূহ মৰমৰ কটনিয়ানক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। কাৰণ ২০০৭-২০০৮ বৰ্ষৰ বাবে তেওঁলোকে মোক সাধাৰণ সম্পাদক পদৰ বাবে যোগ্য হিচাপে নিৰ্বাচিত কৰিছে। মোৰ কাৰ্যকালত তেওঁলোকক প্ৰতিনিধিত্ব কৰিব পাৰিছোঁ নে নাই, এইটো মই নাজানো, এইটো সমূহ কটনিয়ানৰ বিচাৰৰ বিষয়।

যি নহওক, কিন্তু মই সমূহ কটনিয়ান, সমূহ কৰ্মচাৰী, সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু মোৰ কাৰ্যকালৰ ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ লগত কাম কৰি নথৈ আনন্দিত। মোক প্ৰতিটো মুহূৰ্তত আমাৰ কটন মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষা বাইদেৱে যিখিনি পৰামৰ্শ দি গৈছিল, তাত মই সঁচাই সন্তুষ্ট। কটন পৰিয়ালৰ সকলো সদস্যই যদি এনেকৈ আগবাঢ়ি যায় তেনেহ'লে কটন কলেজ জাকতজিলিকা হ'ব।

আমাৰ ২০০৭-২০০৮ বৰ্ষৰ কটন কলেজ একতা সভাৰ শপত গ্ৰহণৰ পিছৰ কামটোৱে আছিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহৰ সকলো কাম সুকলমে হৈ যোৱাত, মোৰ বিশ্বাস হৈছিল যে এবছৰ মই সকলো কাম সুকলমে কৰিব পাৰিম।

কটন মহাবিদ্যালয়ৰ পৰা ২০০৭-০৮ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱত ভাগ লৈ বহুতো দিশত পাৰদৰ্শিতা দেখুৱাইছে। এই মহোৎসৱত কটন মহাবিদ্যালয়ৰ আলোচনী কটনিয়ানে স্বৰ্ণপদক লাভ কৰিছে। সত্ৰীয়া নৃত্যতো স্বৰ্ণপদক লাভ কৰিছিল।

কটন মহাবিদ্যালয়ে এইবাৰ কিছুমান অসম ভিত্তিত অনুষ্ঠিত হোৱা ক্ৰিকেট, ভলীবল আদি প্ৰতিযোগিতাত যোগদান কৰিছিল। ২০০৭-২০০৮ত অসম ভিত্তিত নাট প্ৰতিযোগিতা কটন মহাবিদ্যালয়তে অনুষ্ঠিত হৈছিল আৰু সুকলমে পাৰ হৈছিল।

ইয়াৰ পিছতে আছিল নৱাগত আদৰণি সভা। এইবাৰ নৱাগত আদৰণি সভাত সকলো কটনিয়ানে ভাগ লোৱা বাবে মই আনন্দিত। নৱাগত আদৰণি সভাও ভালকৈয়ে পাৰ হৈ গৈছিল।

Manik Chandra Baruah National Level Debate Competition কটন মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হৈছিল। কটন মহাবিদ্যালয়ৰ দলটোৱে এইবাৰৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ দল হৈছিল।

সৰস্বতী পূজা, কিছুমান Seminar, প্ৰতিষ্ঠা দিৱস আদি সুকলমে পাৰ হৈছিল। UGC-ৰ দল এটা এইবাৰ কটন মহাবিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহিছিল। তেওঁলোকক সমূহ কটন পৰিয়ালৰ ফালৰ পৰা সন্মান যচা হৈছিল।

মই কটন পৰিয়ালৰ সমূহ সদস্যক জনাওঁ যে কটন মহাবিদ্যালয়ৰ দেহত দাগ লগাব পৰা উপাদানবিলাক নোহোৱা কৰি ইয়াক আৰু ওপৰলৈ উঠাই নিয়াৰ চেষ্টা কৰক।

অৱশেষত সকলোৰে উজ্জ্বল ভৱিষ্যৎ কামনা কৰি আৰু সকলোকে ধন্যবাদ জনাই মোৰ প্ৰতিবেদন সামৰিছোঁ।

কটন মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি হওক, তাৰেই কামনাৰে—

**হৃদয়জ্যোতি দাস**

০ ০ ০

# সহকাৰী সাধাৰণ সম্পাদক



প্ৰতিবেদন আগবঢ়োৱাৰ প্ৰাক্‌মুহূৰ্ততে মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ সেইসকল পুণ্যাত্মাক, যিসকলৰ শ্ৰমৰ বাবে কটন কলেজ প্ৰতিষ্ঠা হ'ল আৰু য'ৰ পৰা প্ৰতিবছৰে হেজাৰ হেজাৰ ভোটা তৰা ওলাই যাবলৈ সক্ষম হৈছে। এইছেগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সমূহ কটনিয়ানলৈ, যাৰ আন্তৰিক মৰম আৰু সহযোগিতাত সহকাৰী সাধাৰণ সম্পাদকৰ পদত জয়যুক্ত হ'বলৈ সক্ষম হৈছিলো আৰু মোৰ কাৰ্যভাৰ আগুৱাই নিয়াত যিসকলে সহায় কৰিছিল।

মোৰ কাৰ্যকালত কিমানদূৰ সফল হৈছোঁ বা আপোনালোকৰ আশা কিমান পূৰণ কৰিব পাৰিলোঁ, মই নাজানো। তথাপি মই সাধ্য অনুযায়ী আপোনালোকৰ আশা পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো। অৱশ্যে সেই সফলতা-বিফলতাৰ হিচাপ কেৱল আপোনালোকৰ হাতত।

**মোৰ কাৰ্যকালত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান ঃ** মোৰ কাৰ্যকালত আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান আছিল— U.G.C. দলৰ সন্মুখীন হোৱা। অৱশ্যে এইক্ষেত্ৰত আমি সম্পূৰ্ণ সফল হৈছিলো।

**মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ ঃ** মহাবিদ্যালয় সপ্তাহত আটাইকেইটা কলেজ আৱাসৰ লগতে সমূহ কটনিয়ান আৰু শিক্ষাগুৰুসকলৰ সহযোগত ক্ৰীড়া সপ্তাহটি সুকলমে পাৰ কৰিবলৈ সক্ষম হৈছিলো। এইক্ষেত্ৰত যিসকলৰ অসীম পৰিশ্ৰম, সহায়-সহযোগত মোৰ কাৰ্যকালৰ ক্ৰীড়া দিনবোৰ পাৰ কৰিলো, তেখেতসকল মোৰ চিৰনমস্য আৰু চিৰকৃতজ্ঞ।

**শ্ৰীশ্ৰী সৰস্বতী পূজা ঃ** বিগত বছৰৰ দৰে এইবছৰো শ্ৰীশ্ৰী সৰস্বতী পূজা যথেষ্ট আড়ম্বৰপূৰ্ণতাৰে পালন কৰা হয়।

**সদৌ অসম আন্তঃমহাবিদ্যালয় একাংকিকা নাট প্ৰতিযোগিতা ঃ** মোৰ কাৰ্যকালতে আমাৰ মহাবিদ্যালয়ত সদৌ অসম আন্তঃমহাবিদ্যালয় একাংকিকা নাট প্ৰতিযোগিতাখনি আয়োজন কৰা হয়। এই নাট প্ৰতিযোগিতাখনি সুচাৰুৰূপে সমাধা কৰিবলৈ সক্ষম হওঁ।

**আদৰণি সভা ঃ** এইবছৰ উচ্চ শিক্ষাৰ কাৰণে, শিক্ষা লাভৰ আশাৰে কটনলৈ অহা নৱাগতসকলক আদৰণি জনাবৰ নিমিত্তে, আমাৰ মহাবিদ্যালয়ত আয়োজন কৰা নৱাগত আদৰণী সভা সুকলমে পাৰ কৰি নৱাগতসকলৰ লগত মত বিনিময়ৰ লগতে চিনাকি হ'লো।

শেষত, মোৰ এই কাৰ্যকালত বিভিন্ন প্ৰকাৰৰ উপদেশ আৰু পৰামৰ্শৰে সহায় কৰা মাননীয় অধ্যক্ষ ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য ছাৰ, ড° নন্দিতা ভট্টাচাৰ্য গোস্বামী বাইদেউ, ড° সত্যেন্দ্ৰ কুমাৰ চৌধুৰী ছাৰ আৰু ড° পান্নালাল গোস্বামী ছাৰক মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোক বিভিন্ন ক্ষেত্ৰত সহায় যোগোৱা মিঠুন, পৃথিৱী, প্ৰশান্ত, ৰাজীৱদা, ৰাতুলদা, অসীম, বীৰবল, বিশ্বদা, জিন্তুদা, হৃদয়দা, মুনীনদা, ভূপালী, জয়শ্ৰী, নিয়ন্তা, সংগীতা, অনামিকা, সীমাদ্ৰী, কল্লোলী, ছাজাহানদা, ৰক্তিমদা, প্ৰাৰ্থনা বা, বেণু বা, কুইন বা আৰু মোক সকলো ক্ষেত্ৰতে সহায়-সহযোগ কৰা শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাসৰ সমূহ আবাসী তথা কৰ্মচাৰীবৃন্দলৈ আন্তৰিক মৰম, শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি আৰু কটন কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদন সামৰিলোঁ।

জয়তু কটন কলেজ।

**অঞ্জন চমুৱা**

০ ০ ০

# সম্পাদক, 'কটনিয়ান'



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল সতীৰ্থৰ সহায়-সহযোগিতাৰ কথা কৃতজ্ঞতাৰে সুঁৱৰিছোঁ, যিসকলে মোক কটন কলেজ ছাত্ৰ একতা সভাৰ 'কটনিয়ান'ৰ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ সুযোগ দিলে তথা দায়িত্বপূৰ্ণ প্ৰতিটো পদক্ষেপ সুচাৰুৰূপে অতিক্ৰম কৰাত নিঃস্বাৰ্থ সহায়ৰ হাত আগবঢ়ালে।

আমাৰ কাৰ্যকালত তথা আমাৰ সম্পাদনাত নৱাগতসকলক আদৰণি জনোৱাৰ উদ্দেশ্য সন্মুখত ৰাখি 'স্বপ্নবৃষ্টি' নামৰ এখনি নৱাগত আদৰণি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হয়।

মোৰ কাৰ্যকালৰ প্ৰধান কৰ্মসূচী অনুযায়ী মহাবিদ্যালয় সপ্তাহত এলানি সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। সাহিত্যৰ প্ৰতি থকা নিৰুদ্বেগ মনোভাব পৰিত্যাগ কৰি পৰম উৎসাহেৰে যোগদান কৰা প্ৰতিগৰাকী সাহিত্যানুৰাগী প্ৰতিযোগীলৈ এইছেগতে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এই সকলো কাৰ্যসূচী সুচাৰুৰূপে চলাই নিয়াত মোক উপদেশ তথা পৰামৰ্শৰে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰকুমাৰ ভট্টাচাৰ্য, উপাধ্যক্ষা ড° নন্দিতা ভট্টাচাৰ্য গোস্বামী, উপদেষ্টা ড° মহেশ্বৰ কলিতা ছাৰ, অধ্যাপক ভবেন চন্দ্ৰ কলিতা ছাৰৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মই বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ স্বৰাজদা, কুমুদদা, উৎপলদা, অঞ্জনদা, বিদ্যুৎদা, সুব্ৰত, কৃষাণু, হিমাংশু, নিতুল, গৌৰৱ, মানস, প্ৰীতম, দ্বীপজ্যোতি, বদন, জয়ন্ত, জ্যোতিপ্ৰিয়ম, কৈলাস, টিমিৰা, হিমাশ্ৰী, অনুৰেখা, প্ৰাঞ্জলিকা আৰু মৰমৰ ভাইটি জ্যোতিব, ধ্ৰুৱজ্যোতি আৰু নবদ্বীপ তথা সীতানাথ ব্ৰহ্মচৌধুৰী ছাত্ৰাবাসৰ সমূহ আবাসীৰ প্ৰতি।

**মহাবিদ্যালয় সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাৰ ফল ঃ**

**প্ৰবন্ধ প্ৰতিযোগিতা ঃ** প্ৰথম ঃ স্বৰাজ ফুকন, দ্বিতীয় ঃ পল্লৱিকা শৰ্মা।

**গল্প প্ৰতিযোগিতা ঃ** প্ৰথম ঃ সঞ্জীৱ পল ডেকা, দ্বিতীয় ঃ তাপসজিৎ শইকীয়া, তৃতীয় ঃ শাশ্বতী বৰদলৈ আৰু কুণাল কুমাৰ সিন্‌হা।

**কবিতা প্ৰতিযোগিতা ঃ** প্ৰথম ঃ শান্তনু বৌমূৰীয়া, দ্বিতীয় ঃ কাকুমণি বৰ্মণ, তৃতীয় ঃ স্বৰাজ ফুকন।

**উপন্যাসিকা প্ৰতিযোগিতা ঃ** প্ৰথম ঃ স্বৰাজ ফুকন, দ্বিতীয় ঃ উৎপল ঠাকুৰীয়া।

**ৰস ৰচনা ঃ** প্ৰথম ঃ কল্যাণী কোঁৱৰ, দ্বিতীয় ঃ স্বৰাজ ফুকন।

**অসমীয়া কবিতা আবৃত্তি ঃ** প্ৰথম ঃ অপূৰ্বশ্ৰী বৰুৱা, দ্বিতীয় ঃ শান্তনু বৌমূৰীয়া, শাশ্বতী বৰদলৈ, তৃতীয় ঃ মৌতুচি তামুলী, প্লাৱিতা দাস।

**ইংৰাজী কবিতা আবৃত্তি ঃ** প্ৰথম ঃ মৌচুমী ৰয়, দ্বিতীয় ঃ বৰুণ পুৰকায়স্থ, তৃতীয় ঃ অন্তৰা চৌধুৰী।

**সংবাদ লিখন ঃ** প্ৰথম ঃ উৎপল ঠাকুৰীয়া, দ্বিতীয় ঃ মিতালী গোস্বামী।

**গ্ৰন্থ সমালোচনা ঃ** প্ৰথম ঃ বিদ্যুৎ সাগৰ বৰুৱা, দ্বিতীয় ঃ নিশা ভূঞা, তৃতীয় ঃ বদন হাজৰিকা।

**চিত্ৰকলা প্ৰতিযোগিতা ঃ** প্ৰথম ঃ প্ৰীতম শৰ্মা, দ্বিতীয় ঃ চন্দনা পাঠক, বনশ্ৰী মেচ, তৃতীয় ঃ বেবী পাল, মনদ্বীপ শৰ্মা।

**বৰ্ষশ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী ঃ** স্বৰাজ ফুকন।

জয়তু কটন কলেজ ছাত্ৰ একতা সভা।

**অনন্ত গগৈ**

০ ০ ০

# Secretary, Debates & Symposia Section



Ab initio, I offer my salutations to all and sundry on and of Cotton College. With my head held to the apogee I can proudly claim that the Cotton College Debates and Symposia section had unraveled the tombs of the glorious past and attained an undisputed carte blanche throughout the year. (Although within the college this feature was zilch). This is a shame and disgrace in the name of Cotton College that few Cottonians stand up to show their talents in the college week. So I request the entire Cottonians to develope an urge to strive for excellence not only in the field of education but the intellectual co-curricula to boot. But as a whole the hand picked Cottonians who possessed this denterity made a mark ubiquitously. Some of the honor-roll are–

1. Gauhati Commerce College Debate Competition–
Runner up team– Divyalina Bhuyan and Kakali Talukdar.

2. 'Alfaaz' The IIT literary fest.–
Best Debating team– Sabrina Iqbal Sircir and Himangshu Prabal Goswami.

3. Pyrokinesis AEC–
Best Debating Team– Barun Purkayastha and Himangshu Prabal Goswami.

4. GMCH Synchisis–
Best Debating Team– Barun Purkayastha and Himangshu Prabal Goswami.

5. Best Quizzing team, Forensic Science Lab., Assam– Kesab A. Pegu, Bidyut Bikash Saikia, Himangshu Prabal Goswami.

6. Representing the National level 'Youth and Democracy Programme' organised by St. Anthony's College, Shillong.

The Team was initiated by Dr. Ratul Rajkhowa and me and toured by Prof. Prarag Dutta. The following students had participated– Pulin Bhuyan, Manash J. Gohain, Adarsh Sinha, Divyalina Bhuyan.

7. National level Debate organised by Indian Chartered Accountancy, Namrata Dutta emerged as the State level Best Debator.

In the College Week-2008 the following competition were won by–

**1) Debate Competition**

1st – Mousumi Handique
2nd – Barun Purakayastha
3rd – Utpal Bharali

**2) Quiz**

1st – Kesab A. Pegu and Bidyut Bikash Saikia
2nd – Siquedar Amanul Hasan and Adarsh Sinha
(The quiz was conducted by Dipankar Kaushik of The Times of India who came upon invitation)

**3) Turn Coat Debate**

1st – Barun Purakayastha
2nd – Antara Sen
3rd – Shyamaljit Kachari

**4) Eloqution**

1st – Swaraj Phukan
2nd – Jahnu Bharadwaj

The 28th National Level MCB Debate was also conducted on the 8th of September, 2008. Although the investments and funds were low during the course of the debate the event was a success. It was chaired by Dr. Hameed-ud-din Ahmed, member of Oxford Debating Society. The prize money was provided by Dr. Himanta Biswa Sarma (to whom I am forever grateful). In the Debate, Cotton College and St. Edmund's College, Shillong won the 1st and 2nd prize. I would like to thank our principle Dr. I K Bhattacharyya, Dr. B C Kalita and Dilip Gogoi for guiding me during the event. Last but not the least, I thank my mates of SNBC hostel, boarders of NBD Girls' Hostel and all my friends who helped me during MCB Debate 2008. I also thank Jayanta Kalita, Kishanu Hazarika, Subrat Borah and Tapash Saikia who aided a lot to bring the MCB Debate 2008 Souvenir into existence. To conclude let us all remember–

'The difficult we do immediately, the impossible takes a little longer.'

**Himangshu Prabal Goswami**

## Secretery, Cultural Section



At the very beginning, I would like to thank Almighty for giving me the opportunity to become the cultural secretary of Cotton College Union Society for the session 2007-08. It's a fulfillment of dream.

After assuming the responsibility of cultural secy. firstly, I tried to organise the competitions of my section during the college week successfully. It was the first work as a secretary. After the college week my next work was to organise the function of our college to represent at the Book Fair. Hriday Da helped me a lot. then, I led our college in the youth festival organised by Guwahati University. Though, we couldn't get any position but many prizes were won.

Organising the 3rd All Assam inter college one Act play competition was a great challenge for me. By overcoming many obstacles, I, with the help of other members of CCUS organised it from 22nd -23rd Aug', 08. The participating colleges were a few. Mangaldoi College walked out as winners. Bapuji college, Sarthebari became the 1st runners up whereas Kaliabor College became the 2nd runners up.

Besides all these, I also took part in organising the cultural functions of college week, college freshers, foundation day and a special programme during UGC team visit.

I would like to thank our principal Dr. I K Bhattacharyya Sir, Dr. Satyendra Kr. Choudhury Sir, Dr. Bhaben Kalita Sir, Dr. Suresh Bora Sir, Dr. Tillutoma Baruah Madam and Dr. Arup Hazarika Sir.

Lastly, I would like to thank Anjan, Akhim, Rajib, Devraj, Banjit, Prithivi, Jintuda and all the other boarders of S M H Hostel for helping me. I would also like to thank Hridayda, Muninda, Swarajda, Francisda, Kumbangda, Utpalda, Kakali and to Chinu.

**Results of College Week-2007 :**

**(1) Bihu Husori :-**

1st Prize - Swahid Mozammil Haque hostel
2nd Prize - Seeta Nath Brahma Choudhury Hostel
3rd Prize - Krishna Kanta Handique (PG) Hostel.

**(2) Zeng Bihu :-**

1st Prize - Padmashree Nalini Bala Devi Girls' Hostel
2nd Prize - Swahid Kanak Lata Girls' Hostel
3rd Prize - Bidya Private Girl's Hostel

**(3) Mono -Act :-**
1st Prize -Anindita Deka
2nd Prize -Padmaja Hazarika
3rd Prize - Jyotsna Begum.
**(4) One- Act Play :-**
1st Prize - Swahid Mozammil Haque Hostel
(Drama - Ahok Raiz Ahok)
2nd Prize -Rajani Kanta Bordoloi Hostel
(Drama - Ward No. 101)
3rd Prize - Padmashree Nalini Bala Devi Girls' Hostel
(Drama - Abarjana)
Best Actor - Jintumoni Das
(Drama - Ahok Raiz Ahok)
Best Actress - Amrita Sharma
(Drama - Ahok Raiz Ahok)
Best Supporting Actor - Pragyan Bhuyan
(Drama - Ward No. 101)
Best Supporting Actrss - Bidisha Bezbaruah
(Drama - Ward No. 101)
Best Director - Jintumoni Das
(Drama - Ahok Raiz Ahok)
**(5) Solo Modern Dance :-**
1st Prize - Kaberi Rongpipi
2nd Prize - Sunny Deuri
3rd Prize - Sammujjal Borah
Consolation - Lopamudra Kashyap.
**(6) Solo Classical Dance :-**
1st Prize - Rimjhim Das.
**(7) Group Dance :-**
1st Prize - Swahid Kanak Lata Girls' Hostel
2nd Prize - Padmashree Nalini Bala Devi Girls' Hostel
3rd Prize - Rajabala Private Girls' Hostel.
**(8) Cultural Procession :-**
1st Prize - Padmashree Nalini Bala Devi Girls' Hostel.
2nd Prize - Mahendra Nath Deka Phukan Hostel
3rd Prize - Krishna Kanta Handique (PG) Hostel.
**(9) Go As You Like :-**
1st Prize - Pervez Aziz

Long Live Cotton College.

**Prasanta Das**

# Secretary, Music Section



At the very outset I would like to pay my heartful gratitude to all Cottonians and my hostel mates of SNBC hostal for their invaluable support and cooperation that gave me the courage and zeal to perform my duties actively during my tenure. I would also like to thank my Prof. in-charge for his support and guidance in every respect. My services to the college was not only limited to my section only, I was also associated with a member of other programmes for example, I was the Vice-President of the Fateha-e-Doaz-Daham Celebration Committee.

**Various Programmes of Music Section held during my tenure.**

**(1) Participating in Branch, State and National level Competitions :** Our college stood first in the Hindi and Sanskrit chorus competition of Bharat Vikash Parishad and thus we got the chance to participate in the State level competition of the same, where also we stood first and thus got chance to participate in the National level. At that time I was out of office because our tenure ended, but still I lead the chorus team of our college to participate at the National level for which I would like to thank the present General Secretary Jayanta Kalita. At the National level competition, which was held in Bhubaneshwar, Orissa, our team got a good response of the audience . For this I would like to thank all members of the team, whose names are-- (i) Arkaja Bharadwaj, (ii) Jeshmeeta Sarma, (iii) Juthika Barman, (iv) Jyotismita Das, (v) Mousumi Borah, (vi) Mrinalini Medhi, (vii) Nabamallika Bhagawati, (viii) Smita Kalita, (ix) Ushma Das.

**(2) Problem of accompanists :** During the College week many versatile singers fail to perform in the events of Music section because of high rates of remuneration. Therefore, this year I provided the accompanists from college side, so that we can get the best singers, who are unable to participate otherwise.

**(3) Bishnu Prasad Rabha Song Competition :** We also represented our College in the state level Bishnu Prasad Rabha Song Competition held at Srimanta Sankardeva Kalakshetra, Panjabari.

**(4) Inter-College Youth Festival :** Like the preceeding year, this year also Inter-College Youth Festival was held at the Guwahati University, where we stood second best participating group among all. We participated in all the events of music section and got prizes almost in all the events.

**(5) College Week :** The total number of events in college week was sixteen. The accompanists were paid from the college side, due to which a large number of students participated and as such we got a large number of singers and instrumentalists, this becomes clear from the results of the events as a large number of participants got prizes. In fact there was also a problem in selecting the best singer, which was ultimately bestowed upon Sikha Bordoloi.

**(6) Performance in Book fair :** Our College got invitation to perform in the Book fair held at Chanmari Engineering Institute field. Which was very much liked by the people present there.

Besides these I also actively onganised a number of other cultural programmes that were held from time to time, like in the College Week, Freshmen Social, MCB Debate Competition, during the UGC teams visit to our college etc. Thus, during my tenure I fully used my power as Music Secretary to make our college powerful and sound in all fields of music. In the end I would like to thank Jayanta Sarma, Swaraj Phukan, Trinayan Sarma, Badan Hazarika and all hostel boarders of SNBC hostel for their invaluable help to me.

Long Live Cottonians.

Long Live the Cotton College.

**Dwijabrat Sharmah**

# Secretary, General Sports Section



At the very out set I would like to pay my heartful gratitude to all my Cottonian friends and especially to SMH hostel boys who have considered me eligible to be in the union society to serve Cotton College.

I would like to thank my prof. in-charge Dr. Pradip Sharma sir, who guided me in our Annual College week. At last I wish once again my heartful thank and gratitude to all the members of Cotton family.

*List of winners in various competitions held during Annual College week is given below–*

**(A) SHOTPUT (GIRLS)**
(1) Snigdha Borthakur
(2) Chimpi Bhuyan
(3) Jharna Buragohain.

**SHOTPUT (BOYS)**
(1) Nehru Pegu
(2) Broja Gopal Saha
(3) Swmdwm Brahma

**(B) DISCUS (GIRLS)**
(1) Sumi Das
(2) Jharna Buragohain
(3) Sonia

**(C) JAVELIN (GIRLS)**
(1) Plabita Das
(2) Jharna Buragohain
(3) Diptisikha Nath

**JAVELIN (BOYS)**
(1) Swler Basumatary
(2) Rajib Deori
(3) Lekhan Doley

**(D) LONG JUMP (GIRLS)**
(1) Mridusmita Talukdar
(2) Sonia
(3) Plabita Das

**LONG JUMP (BOYS)**
(1) Suraj Mili
(2) Kailash Chamuah
(3) Lekhan Doley

**(E) 200 Meter Race (BOYS)**
(1) Lekhan Doley
(2) Ankur
(3) Martin

**200 Meter Race (GIRLS)**
(1) Mridusmita Talukdar
(2) Rana Medhi
(3) Urmila Baruah

**(F) 100 Meter Race (BOYS)**
(1) Suraj Mili
(2) Lekhan Doley
(3) Sofiqul Islam

**100 Meter Race (GIRLS)**
(1) Mridusmita Talukdar
(2) Plabita Das
(3) Jharna Buragohain

**(G) 400 Meter Race (GIRLS)**
(1) Mridusmita Talukdar
(2) Urmila Baruah
(3) Karati Lego

**400 Meter Race (BOYS)**
(1) Suraj Mili
(2) Kailash Chamuah
(3) Dipjyoti Pegu

**BOYS ATHLETICS CHAMPION :** Suraj Mili
**GIRLS ATHLETICS CHAMPION :** Mridusmita Talukdar

**(H) KABADDI**
GIRLS : (1) GIRLS CHAMPION– N B D GIRLS HOSTEL
(2) RUNNER-UP – S K L GIRLS HOSTEL
BOYS : (1) BOYS CHAMPION– S M H HOSTEL
(2) BOYS RUNNER-UP– M N D P HOSTEL

Thanking You.

**Dhaneswar Doley**

# Secretery, Ladies Common Room

A VOTE OF THANKS...



Getting clearance certificates from respective departments, fetching a supporter and a proposer, library clearances, a good marksheet without a back is all that is required to contest the C C U S polls. Directly or indirectly, as such, many of them get involved in the process of election along with the candidate. And amongst the lot, whose support and team spirit, I think is worth mentioning in my case are – all my friends of Geology Department, boarders of Bidya Girls' private hostel, MNDP, SMH, KKH and SNBC hostel. I thank all of them for extending all possible help.

Besides I would like to confer my sincere gratitude to prof. in-charge Akunthita Borthakur and also Dilip Gogoi sir for providing the best possible help during the college week. Apart from that I'd ever be indebted to our respected Principal, Dr I K Bhattacharyya and Vice-Principal Nandita Bhattachrjee for their guidance and help in proper execution of my secretarial duties.

SECRETARIAL REPORT

Within the short span of my tenure, I tried to accomplish all that I had in my mind, although I could complete only a part of it. For instance, the matter of getting an aquagaurd fitted in the common room, rejuvenating the water supply system of the common room had still been kept only in black and white.

'Well begun is halfdone'. I believe, So I leave the rest unto my successor confering her my best regards.

During college week-'07, I organised the Bridal competition, Table Tennis, Carrom, Chess and Salad competition.

**The results of the aforesaid competitions are as follows–**

**I. Bridal Competition :** 1st- Garima Gogoi, 2nd -Mausumi Roy & Rupta Boro, 3rd- Bhupali Kashyap.

**II. Table Tennis :** Winner : Prerana Mazumder, Runner up : Mridusmita Borah.

**III. Carrom :** Singles : Winner : Beauty Borah, Runner up : Puspanjali Khound

Doubles : Winner : Samayana Begum & Diptisikha Nath, Runners-up : Polymani Das & Marina Singha.

**IV. Chess :** Winner : Bandana Chowdhury, Runner-up : Pranami Das

**V. Salad Competition :** 1st : Banashri Mech, 2nd: Sumi Das & Roje Sona Brahma, 3rd : Dolimoni Bhattacharya.

Apart from the rested secretarial duties, I visited a remote village near Deeporbeel area, along with the social service secretary as representatives of the C C U S team, with the Cotton College womens' forum for the purpose of giving U G C-aid to a school run by an Alumni of Cotton College.

Lastly, being called up to the dias, getting admited, graduating in 3 years, being an alumni, is a matter of great pride. So let's take the pride in saying, 'Once a Cottonian... always a Cottonian'.

Long live Cotton College.

**Mridusmita Borah**

⊙ ⊙ ⊙

# Secretery, Minor Games Section



At the very outset, I solemnly thank all the Cottonians for their love and support which they gave to me throughout my entire session. It was great honour being a part of the C C U S for running the events related to minor games. I would like to thank all the boarders of Cotton College hostels, specially the boarders of A R B hostel for their efforts without which organising my events would not have possible. I am also extremely grateful to my Prof. in-charge Dr. Monoj Hazarika sir for his guidance. Regarding the minor games held in the College week-2007-08, SNBC hostel were the winners and RKB were the runner-up in the volleyball competition. In basketball SMH hostel came up as winners and ARB hostel were runner-up. Dhaneswar Doley was placed as the best basketball player. All the events were very peacefuly conducted. The players have shown their great potential within themselves which I liked the most. And I hope that the sports scenerio of Cotton College will improve more and more as time passes by.

Thanking you.

**Vishal Kemprai**

o o o

# Secretary, Rowing, Swimming and Gymnasium



At the very beginning I convey my sincere thanks to all my Cottonian friends and especially to my hostel boarders of S N B C Hostel for electing me as the secretary of Swimming, Rowing and Gymnasium Section for the year 2007-08. I would also like to convey my heartful gratitude to my Prof. in-charge Dr. Manoranjan Borgohain, hostel Spdtt. Prof. Rashad-Ul-Islam, physical instructor of our College Kulen Das, some ex-Cottonians and all my hostel boarders for their kind help and guidance during my tenure.

**List of winners in various competitions under my section held during the College week**

**Swimming : 50 meter Free style**
1st - Sudipta Dipak Baruah
2nd - Gitu Barman
3rd - Kishore Rajbongshi

**50 Meter. Back stroke**
1st - Sudipta Dipak Baruah
2nd - Gitu Barman
3rd - Kishore Rajbongshi

**50 meter. Breast stroke**
1st - Sudipta Dipak Baruah
2nd - Gitu Barman
3rd - Kishore Rajbonghi

**50 meter Butterfly**
1st - Sudipta Dipak Baruah
2nd - Gitu Barman
3rd - Anjanjyoti Barman
**100 meter Individual medy**
1st - Sudipta Dipak Baruah
2nd - Gitu Barman
3rd - Ajit Sarkar
**Best swimmer of the year :** Sudipta Dipak Baruah
**Power lifting : Below 67 kgs**
1st - Mujahid Shah Alam
2nd - Aniruddha Kumar Bodo, Jayanta Kalita
3rd - Ratul Chandra Boro
**Above 67 kgs**
1st - Braja Gopal Saha
2nd - Nehru Pegu
3rd - Raktim Bora
**Strong man of the year :** Braja Gopal Saha
**Arm Wrestling (Boys) : Below 55 kgs**
1st - Chandan Rajkhowa
2nd - Rahul Gogoi
**56 to 65 kgs :**
1st - Manoj Dihingia
2nd - Muzahid Shah Alam
**Above 65 kgs :**
1st - Nehru Pegu
2nd - Gautam Konwar
**Champion of Champion :**
1st - Chandan Rajkhowa
2nd - Nehru Pegu
**Arm Wrestling (Girls) : Below 60 kgs**
1st - Karati Lego
2nd - Ritu Rai
**Above 60 kgs :**
1st -Simpi Bhuyan
2nd -Rijuwana Sultana Hazarika
**Boys Body Building Competition (Mr. Cotton)**
1st - Chandan Rajkhowa
2nd - Aniruddha Kumar Bodo
3rd - Lakshmi Prasad Das.

Thanking You

**Utpal Thakuria**

o o o

## Secretery, Cricket Section



It is a great honour for me that I am given the opportunity to write in my college magazine. I would like to thank all the Cottonians for their support and the faith which they showed in me. I would like to thank my Prof. in-charge Dr. Madhurjyajyoti Chakrabarty sir for his guidance and help through my session. I would like to thank all the boarders of Cotton College hostels for their kind co-operation. I would specially like to thank all my friends of A R B hostel and my juniors, who were like my own brothers. The cricket competition of college week 2007-08 was held at G U play-ground at Jalukbari. K K H hostel emerged winners while M N D P hostel came as runner-up. Regarding individual performances Hemanta Gogoi was declared man of the final match, Sandip Thakur was adjusted man of the series. Mridul Dutta was given the best bowler of the series award. While concluding I would like to say that there are lots of good cricket players in our college and if they are provided with good exposure they can really do well. Wishing every success of Cotton College.

Thank you

**Abhilash Choudhury**

o o o

## Secretery, Tennis Section



At the very beginning I convey my sincere thanks to all my Cottonian friends and especially to my hostel boarders of S N B C Hostel for electing me as the secretary of Tennis section for the year 2007-08. I would also like to convey my heartful gratitude to my Prof. in-charge Dr. Sudipta Nandi, hostel superintendent Prof. Rashad-Ul Islam for their kind help and guidance during my tenure.

**List of winners in various competitions under my section held during the college week**

1. **TABLE TENNIS CHAMPION (MEN SINGLES) :** Bidyut Bikash Baruah,
   **Runner-up :** Mukut S. Konwar.
2. **TENNIS CHAMPION (MEN DOUBLES) :** Kishanu Hazarika, Jayanta Kalita.
   **Runners-up :** Ujjal Protim Dutta, Gaurav Baruah.

Thanking you all.

**Subrat Borah**

o o o

# Secretery, Hockey Section



First of all I would like to say that I am very much previleged to be a member of C C U S as Hockey Secretary of Cotton College. Which has served the nation for over last 100 years by providing man making education to the students. It was nice experience to be Hockey Secretary and conducting matches which will leave impact in my life. I would like to thank the captains of all hostel teams for co-operating with me during the matches especially to my friends and seniors and my Prof. in-charge Dr. Shantanu Chakraborty sir for helping and advising me during and before the matches. All teams played hockey with jeal but S N B C and M N D P hostel reached final. Final match was tie-breaking match in which S N B C hostel won by defeating M N D P hostel.

Thanking you.

**Ravi Rai**

⊙ ⊙ ⊙

# সম্পাদক, ফুটবল বিভাগ



প্ৰতিবেদনৰ আৰম্ভণি ক্ষণত মই সমূহ কটনিয়ানক আন্তৰিক কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। যিসকল কটনিয়ানে মোক ঐতিহ্যমণ্ডিত কটন মহাবিদ্যালয়খনৰ একতা সভাৰ ফুটবল সম্পাদক ৰূপে নিৰ্বাচিত কৰিলে, তেওঁলোকক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

বিগত ২০০৭-০৮ বছৰটোত মই ফুটবল সম্পাদক ৰূপে দায়িত্ব পালন কৰাত কিমানদূৰ সফল হ'লোঁ, সেয়া সকলো বিবেকবান কটনিয়ানৰ বিচাৰ্য বিষয়। এই সীমিত সময়ছোৱাত গতানুগতিক কাৰ্যসমূহৰ বাহিৰে একো নতুনত্ব আনিব নোৱাৰিলেও মোৰ ওপৰত অৰ্পিত দায়িত্ব সুচাৰু ৰূপে পালন কৰাত যত্নৰ ক্ৰুটি কৰা নাছিলোঁ।

মোৰ কাৰ্যকালৰ আৰম্ভণি ক্ষণতে মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি এখন ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত আমাৰ কলেজৰ আটাইকেইটা ছাত্ৰাবাসে অংশগ্ৰহণ কৰে। উক্ত প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ বিজয়ী দল হিচাপে নিৰ্বাচিত হয়— মহেন্দ্ৰনাথ ডেকাফুকন ছাত্ৰাবাস আৰু বিজিত দল হিচাপে নিৰ্বাচিত হয় আনন্দৰাম বৰুৱা ছাত্ৰাবাস। প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ ফুটবল খেলুৱৈ হিচাপে নিৰ্বাচিত হয় নংলং ইয়াং চেন (এ আৰ বি হোষ্টেল) আৰু শ্ৰেষ্ঠ গ'লৰক্ষক হিচাপে নিৰ্বাচিত হয় চেলেৰ বসুমতাৰী (এ আৰ বি হোষ্টেল)।

শেষত মোৰ কাৰ্যকালৰ ভিতৰত বিভিন্ন দিশত উপদেশ তথা পৰামৰ্শ দান কৰাৰ বাবে তত্বাৱধায়ক অধ্যাপক পৱন কুমাৰ চহৰীয়া ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ইয়াৰ উপৰি মোৰ কাৰ্যকালৰ ভিতৰত বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে শ্বহীদ ৰঞ্জিত বৰপূজাৰী ছাত্ৰাবাস, শ্বহীদ মোজাম্মিল হক ছাত্ৰাবাস আৰু আনন্দৰাম বৰুৱা ছাত্ৰাবাসৰ সমূহ আবাসীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শেষত কটন মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

জয়তু কটন মহাবিদ্যালয়

জয়তু কটন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা

**অভিজিৎ বৰা**

⊙ ⊙ ⊙

# সম্পাদনা সমিতি
## 'কটনিয়ান', ২০০৭-০৮ বৰ্ষ



ড° দিলীপ কুমাৰ শৰ্মা
শিক্ষক সদস্য



তাপসজিৎ শইকীয়া
ছাত্র সদস্য



ড° মহেশ্বৰ কলিতা
শিক্ষক তত্ত্বাৱধায়ক



সুৰেশ কুমাৰ নাথ
শিক্ষক সদস্য



চন্দন বৰগোহাঁই
ছাত্র সদস্য



মেৰী বৰুৱা
শিক্ষক সদস্য



অনন্ত গগৈ
সম্পাদক, 'কটনিয়ান'



কাংকান কাকলি পেগু
ছাত্র সদস্য



দিলীপ গগৈ
শিক্ষক সদস্য



হিমাংশু প্ৰবাল গোস্বামী
ছাত্র সদস্য

# LIMELIGHT OF OUR PIONEERS

*H.S - 2008, Arts*



**Jugasmita Das**
5th position



**Debarupa Sarma**
8th position

## SCIENCE



Nitul Khatoniar
1st position



Sudipta Dipak Baruah
2nd position



Gauranga Dutta
3rd position



Samarjit Sarma
4th position



Kongkon Kalita
5th position



Jesidul Islam Sarkar
7th position



Nabangkur Barman
8th position



Violina Borah
9th position



Nilamoni Borah
10th position



Darshana Borah
10th position

# EXCELLENCE IN THE MAKING



**Swaraj Phukan**
Best Literary man,
Best Editor, Youth Festival
GU 2006-07



**Amrita Sarma**
Best actress



**Pragyan Bhuyan**
Best supporting actor



**Himangshu Prabal Goswami**



**Barun Purkayastha**

Best Debating team, Synchisis - 08, GMC
Pyrokinesis - 08, AEC



**Himani Saikia**
Best Debator



**Jintu Moni Das**
Best Actor, Best Director



**Bandana Choudhury**
Chess Champion



**Krishanu Hazarika**
Tennis Champion



**Dhaneswar Doley**
Best Basket ball player



**Mridusmita Talukda**
Best Athlete & Runner



**Chandan Rajkhowa**
Mr. Cotton



**Enajori Medhi**
Badminton Champion



**Hemanta Gogoi**
Best Cricketer



**Bidyut Bikash Barua**
Table Tennis Champion

# Splash of colours



Insearch
Arnab Gogoi



Child labour
Banasha [illegible] Mech



In the evening
Devaraj Dutta



The way
Pritom Sarma

Himsekhar Barthakur





Dream
Achyut Baruah

Ars longa, vita brevis......